আমেৰিকা ভ্ৰমণৰ মনোৰম ছবি

(ভ্ৰমণ কাহিনী)

অঞ্জলি কাকতি

AMERICA BHRAMANAR MANORAM CHHABI

A travelogue on North America
by Anjali Kakati and Published by
Dr. Surendra Narayan Kakati, Chhaygaon
Kamrup, Assam.

প্ৰকাশক : ডাঃ সুৰেন্দ্ৰ নাৰায়ণ কাকতি

প্ৰথম প্ৰকাশ : জানুৱাৰী, ১৯৯৪

মূল্য : ৪০'০০

মুদ্ৰণ : মাণিক প্ৰিন্টাৰ্চ, মিৰ্জা
কামৰূপ অসম ।

উৎসর্গ।

মোৰ চিৰ আৰাধ্য পিতৃদেৱ
স্বৰ্গীয় সুৰেন্দ্ৰ মোহন দাসৰ
পবিত্ৰ স্মৃতিত—

লেখিকাৰ দু-আষাৰ

বহুত দিনৰ আগৰে পৰাই আমেৰিকা ভ্ৰমণৰ এক ৰঙীন স্বপ্ন অন্তৰত সাঁচি থৈছিলোঁ। সেই সপোন এদিন দিঠকত পৰিণত হ'ল। বিদেশ ভ্ৰমণৰ সময়ছোৱাত য'ত যি দেখিছিলোঁ, যিমান পাৰো তাকে মোৰ ডায়েৰীৰ পাতত লিপিবদ্ধ কৰিবলৈ চেষ্টা কৰিছিলোঁ— অদূৰ ভবিষ্যতত এৰি অহা ভ্ৰমণৰ দিনবোৰৰ স্মৃতি ৰোমন্থন কৰিব পাৰিম বুলি। বিদেশ ভ্ৰমণৰ অন্তত স্বদেশলৈ উভতি অহাৰ পিচত কেইগৰাকীমান বন্ধু-বান্ধৱী আৰু আত্মীয় স্বজনৰ উৎসাহ উৎদ্দীপনাত এই ভ্ৰমণ কাহিনী লিখিবলৈ হাতত ল'লোঁ। নতুন দেশ, নতুন ঠাই ন-পৰিৱেশ, নতুন মানুহ, ন-সমাজ, বিচিত্ৰ জীৱন দেখাৰ লগে লগে মনত যি ভাব-অনুভূতিৰ সৃষ্টি হৈছিল, সেইখিনি প্ৰকৃত ৰূপত প্ৰকাশ কৰা মোৰ দৰে এগৰাকী অপৈনত লেখিকাৰ বাবে বৰ সহজ কাম নহয়। ভ্ৰমণ কালত যি দেখিছিলোঁ বা বুজিছিলোঁ তাকেই সহজ ভাবে "আমেৰিকা ভ্ৰমণৰ মনোৰম ছবিত" লিপিবদ্ধ কৰিছো, কিতাপ আকাৰত লিখিবলৈ লোৱা এয়ে মোৰ প্ৰথম চেষ্টা। এই ভ্ৰমণ-কাহিনীৰ অংশ বিশেষ ধাৰাবাহিকৰূপে "আজিৰ অসম" কাকতত ওলাই গৈছে।

ভ্ৰমণত মোৰ সমানেই মোৰ স্বামী ডক্টৰ সুৰেন্দ্ৰ নাৰায়ণ কাকতিও যথেষ্ট আগ্ৰহী বাবে এই দূৰ ভ্ৰমণ সম্ভৱপৰ হৈছে। পুথিখন যুগুতাই উলিয়াওঁতে কেইবাখনো পুথি, আলোচনী আৰু বাতৰি কাকতত প্ৰকাশ হোৱা প্ৰবন্ধ পাতিৰ সহায় লবলগীয়া হৈছে। পঢ়ুৱৈ সমাজৰ বিশেষকৈ যিসকল ছাত্ৰ-ছাত্ৰীৰ বিদেশ ভ্ৰমণ—স্পৃহা আছে তেওঁলোকে এই

ভ্ৰমণ পুথিখন পঢ়ি সামান্য ভাবেও উপকৃত হৈ কিঞ্চিৎ মানো আনন্দ পালে মোৰ এই প্ৰচেষ্টা সাৰ্থক হৈছে বুলি ভাবিম।

মোৰ ককাইদেউ গোৱালপাৰা কলেজৰ অধ্যাপক শ্ৰীযুত অৰুণ দাসে কিতাপখন লিখাৰ আৰম্ভনিৰে পৰা মোক উৎসাহ, দিহাপৰামৰ্শ, সহায়-সহযোগিতা আগবঢ়োৱা বাবে তেখেতৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰলোঁ। ইয়াৰ উপৰিও এই প্ৰচেষ্টাত যিসকলে মোক প্ৰত্যক্ষ আৰু পৰোক্ষভাবে সহায় কৰিছে সেই সকলোজনলৈকে মোৰ হিয়াভৰা চেনেহ আৰু কৃতজ্ঞতা জনাইছোঁ। আমাৰ ভাতিজী শ্ৰীমতী সান্ত্বনা (ৰিংকি) কাকতিয়ে কিতাপখনৰ পাণ্ডুলিপি প্ৰস্তুত কৰি দিয়া বাবে তেওঁলৈ আন্তৰিক শলাগ যাচিলো। পুথিখনত অনিচ্ছাকৃতভাবে ৰৈ যোৱা ভুল-ভ্ৰান্তিৰ বাবে পাঠকৰ ওচৰত ক্ষমা বিচাৰিছো। পঢ়ুৱৈ সমাজে কিতাপখন মৰমৰ চকুৰে চালে কৃতাৰ্থ হ'ম।

অঞ্জলি কাকতি

সূচীপত্ৰ

* যাত্ৰাৰ আৰম্ভণি । ১
* প্ৰকৃতিৰ ৰম্যভূমি আলাস্কা । ২০
* ৰামধেনুৰ শেষ বিন্দুৰ নগৰী এঙ্কোৰেজ ৩৫
* এঙ্কোৰেজৰ পৰা ৱাশ্বিংটনলৈ । ৭৭
* মনোমোহা কাৰমেল । ৯৩
* কলম্বাচত কেইদিনমান । ১১২
* সেউজবুলীয়া হিউষ্টন । ১২৩
* মৰুকন্যা ফিনিক্স । ১৪৪
* লছ্ এঞ্জেলিছত এভুমুকি ১৭১
* ঘৰমুৱা যাত্ৰা । ১৮৫

যাত্ৰাৰ আৰম্ভণি

ভ্ৰমণৰ কথাটি মনলৈ আহিলেই অন্তৰত পুলক জাগি উঠে। নেদেখাক দেখাৰ, নজনাক জনাৰ হেঁপাহ মানুহৰ এক চিৰন্তন প্ৰবৃত্তি। ভ্ৰমণে মানুহৰ মনত জগাই তোলে অসীম জ্ঞান পিপাসা। এনে ভ্ৰমণ স্পৃহাৰ বাবেই ১৯৮৯ চনৰ আগষ্ট মাহত মই মোৰ স্বামীৰ সৈতে প্ৰথমবাৰৰ বাবে বিদেশ ভ্ৰমণলৈ ওলালোঁ। আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিভিন্ন ঠাইত বসতি কৰি থকা আমাৰ কেইবাটাও আপোন আৰু বন্ধু পৰিয়ালৰ একান্ত আগ্ৰহ আৰু নিমন্ত্ৰণে আমাক এই বিদেশ যাত্ৰাৰ বাবে উৎসাহিত কৰিলে। বিদেশত থকা-মেলাৰ অনুমতি-পত্ৰ 'ভিছা'ৰ বাবে যাবতীয় কাগজ-পত্ৰ পোষকতা (Sponsorship) কৰি পঠিয়ালে যুক্তৰাষ্ট্ৰৰ আলাস্কা ৰাজ্যত থকা আমাৰ ভাগিনা জোৱায়ে।

স্বদেশ এৰি অন্য ৰাষ্ট্ৰলৈ যাবলৈ অনুমতি-পত্ৰ (পাছ-প'ৰ্ট) দুখনৰ ব্যৱস্থা কৰি লোৱাৰ পিচত প্ৰয়োজনীয় কাগজ-পত্ৰলৈ 'ভিছা'ৰ বাবে ১৯৮৯ চনৰ ৮ আগষ্ট তাৰিখ মঙ্গলবাৰে কলিকতালৈ ৰাওনা হলোঁ। কলিকতাৰ মেট্ৰো ৰেলৱেত চাকৰি কৰি থকা আমাৰ চিনাকি যুবক অশোক তৰু বেনাৰ্জীক লগত লৈ বিদেশ ভ্ৰমণৰ টিকট আদিৰ সবিশেষ জানিবলৈ চৌৰঙ্গী ৰ'ডৰ 'Trade Wing Private Limited' লৈ গলোঁ। তেওঁলোকে আমাক বিদেশলৈ যোৱাৰ দুখন 'ভিছা' সংগ্ৰহ কৰাত সহায় কৰিলে। এই সংক্ৰান্তত কলিকতাস্থ আমেৰিকা যুক্ত-ৰাষ্ট্ৰৰ কনছুলেট জেনেৰেলৰ অফিচলৈ যাওঁতে আমাৰ কোনো সাক্ষাৎ-কাৰ নোলোৱাকৈ এবছৰৰ বাবে 'টুৰিষ্ট ভিছা' দিলে। বিদেশলৈ গ'লে তাত খৰচ কৰিবলৈ নিজ ইচ্ছামতে ধন লগত লৈ যাব নোৱাৰি।

বিদেশ ভ্ৰমণৰ সময়ত আমেৰিকান এম্বেছীয়ে আমাৰ প্ৰত্যেককে ৫২০ ডলাৰ লগত নিবলৈ অনুমতি দিলে। আমি ভাৰতীয় টকাৰ বিনিময়ত কলিকতাতে ডলাৰখিনি সংগ্ৰহ কৰিলোঁ। প্ৰত্যেক দেশৰ বিমান বন্দৰত সেই দেশত প্ৰচলিত মুদ্ৰা বিনিময় কৰাৰ সুবিধা আছে। হংকঙত ভাৰতীয় মুদ্ৰা হংকঙ ডলাৰলৈ সলনি কৰি লব পাৰি। কিন্তু অন্যান্য দেশবোৰে কেৱল ডলাৰহে বিচাৰে। বিদেশৰ পৰা উভতি অহাৰ পিচত কলিকতাৰ পৰা গুৱাহাটীলৈ আহিবলৈ ধনৰ প্ৰয়োজন হ'ব বুলি আমি কিছু ভাৰতীয় মুদ্ৰাও লগত নিছিলোঁ; লগতে সেই পথ-ছোৱাৰ বাবে দুখন বিমানৰ টিকট কিনি থলোঁ। এই টিকটৰ ম্যাদ ছয় মাহলৈ থাকে।

আমাক লগত নিবলৈ দিয়া ডলাৰখিনি আমেৰিকা যুক্তৰাষ্ট্ৰৰ নিচিনা বিশাল মহাদেশ এখনত ফুৰিবলৈ যথেষ্ট নহয় বাবে সেই দেশৰ বিভিন্ন ঠাইত ভ্ৰমণ কৰিবলৈ আমি কলিকতাতে আমেৰিকান ডলাৰেৰে এজনৰ পাঁচখনকৈ, দুজনৰ দহখন বিমানৰ টিকট কৰি ললোঁ। কলিকতাৰ পৰা 'জাপান এয়াৰ লাইন্সৰ' (JAL) বিমানেৰে গৈ পুনৰ উভতি আহিব পৰাকৈ 'এক্সকাৰ্‌ছন্‌' (Excursion) টিকটৰ ব্যৱস্থা কৰি লৈছিলো। এই টিকটৰ ম্যাদ চাৰি মাহলৈ থাকে। বিদেশ যাত্ৰাৰ যাবতীয় কাম-কাজ কলিকতাত সমাপ্ত কৰি ১৫ আগষ্ট তাৰিখে গুৱাহাটীলৈ উভতি আহিলোঁ। ইয়াৰ পিচৰ পৰাই স্বৰূপাৰ্থত আমাৰ বিদেশ যাত্ৰাৰ প্ৰস্তুতিৰ বাবে ব্যস্ততা আৰু উৎকণ্ঠা আহি পৰিল।

২৫ আগষ্ট, শুক্ৰবাৰে দুপৰীয়া বিদেশ ভ্ৰমণৰ উদ্দেশ্যে ঘৰৰ পৰা যাত্ৰা কৰি গুৱাহাটীৰ বৰঝাৰ বিমান বন্দৰত উপস্থিত হ'লোগৈ। আমাৰ আত্মীয়-স্বজন, বন্ধু-বান্ধৱে শুভ-কামনা কৰি আমাক বিদায় দিলে। যাত্ৰাৰ আগ-মুহূৰ্ত্তত এওঁলোকৰ শুভেচ্ছাবোৰে আমাৰ মন উলাহেৰে ভৰাই তুলিলে। নিৰ্দ্দিষ্ট সময়ৰ কিছু পলমকৈ আবেলি ৩-১০ মিনিটত এয়াৰ-বাছ বিমানখন কলিকতালৈ উৰা মাৰিলে। পঞ্চলিছ মিনিটৰ পিচতে আমি গৈ কলিকতাৰ দমদম বিমান বন্দৰত উপস্থিত হলোঁগৈ।

আমাৰ ভ্ৰমণৰ পথছোৱা এনেধৰণৰ : কলিকতাৰ পৰা থাইলেণ্ডৰ ৰাজধানী বেঙ্কক, বেঙ্ককৰ পৰা সূৰ্যোদয়ৰ দেশ জাপানৰ ৰাজধানী ট'কিঅ'ৰ সমীপবৰ্ত্তী নাৰিতা বিমান বন্দৰ ; আৰু তাৰ পৰা যুক্তৰাষ্ট্ৰৰ প্ৰশান্ত মহাসাগৰৰ উপকূলস্থ ছিয়াটট্‌ল্ বিমান বন্দৰলৈ। পিচদিনা কলিকতাৰ 'ট্ৰেড উইণ্ড'ৰ অফিচলৈ গৈ গম পালোঁ। যে ২৮ আগষ্টৰ দিনা আমি যাবলৈ ওলোৱা বেঙ্ককৰ পৰা জাপানলৈ এইছোৱা পথৰ টিকট বহু চেষ্টা কৰিও সেই মুহূৰ্ত্তলৈ তেওঁলোকে নিশ্চিত্ত কৰিব পৰা নাই। সেই অফিচৰে বিষয়ববীয়াই কলে যে আমাৰ তাৰিখটো এদিন পিচুৱালে বিমানৰ সকলো কনফাৰমেশ্যন পোৱা যাব ; কিন্তু পথছোৱাৰ অলপ সাল-সলনি হ'ব। তেতিয়া কলিকতাৰ পৰা এয়াৰ ইণ্ডিয়াৰ বিমানেৰে বেঙ্ককলৈ, বেঙ্ককৰ পৰা কাথে পেচিফিক্ এয়াৰ লাইন্সৰ বিমানেৰে হংকঙলৈ যাব লাগিব ; তাত ৰাতিটো কটাই পিচদিনা হংকঙৰ পৰা জাপানহৈ আমেৰিকা যুক্তৰাষ্ট্ৰলৈ জাপান এয়াৰ লাইন্সৰ বিমানত যাব পাৰিম। তেওঁৰ এই প্ৰস্তাবত আমি আনন্দেৰে সন্মতি জনালোঁ, কাৰণ যোৱাৰ আৰু এটা দিন পিচুৱালে ৩০ আগষ্টত 'ভাৰত বন্ধ' আছে, গতিকে তাৰ আগতেই যোৱাটো ভাল হ'ব ; একে খৰচতে প্ৰাচ্যৰ' আন এখন বিতোপন মহানগৰ হংকঙতো এভুমুকি মাৰিব পাৰিম।

২৯ আগষ্টৰ দিনা ৰাতিপুৱা হোটেলত গা-পা ধুই চাহ-জলপান খাই টেক্সি এখনেৰে নিৰ্দ্দিষ্ট সময়ৰ বহুত আগতেই দমদম বিমান বন্দৰলৈ যাত্ৰা কৰিলোঁ। আন্তৰ্জাতিক বিমানত ভ্ৰমণ কৰিলে যাত্ৰাৰ ডেৰ ঘণ্টা আগতেই বিমান বন্দৰত উপস্থিত হব লাগে। কলিকতাতে টিনত ভৰোৱা ৰসগোল্লা, ছুবিধমান শুকান মিঠাই, পঢ়িবলৈ ছুখনমান আলোচনী কিনি লৈছিলো। বিমান বন্দৰত উপস্থিত হৈ আন্তৰ্জাতিক বিভাগত সোমাই তাত থকা ষ্টেট বেঙ্কত তিনিশ টকা 'এয়াৰপ'ৰ্ট টেক্স' দিয়া হল। বস্তু-বাহানি বুক কৰি বিমানত উঠিবৰ বাবে 'বোৰ্ডিং কাৰ্ড' খন পালো। মাইকত ঘোষণা কৰাৰ লগে লগে

বোর্ডিং কাৰ্ড হাতত লৈ চিকিওৰিটিৰ অৰ্থাৎ নিৰাপত্তামূলক পৰীক্ষা-নিৰীক্ষাৰ বাবে এছকেলেটৰেদি ওপৰ মহলালৈ আহিলো। আমাক পৰীক্ষা-নিৰীক্ষা কৰাৰ পিচত বাছ এখনেৰে 'এয়াৰ ইণ্ডিয়াৰ' প্ৰকাণ্ড বিমানখনৰ ওচৰলৈ আনিলে। বিমানত সোমোৱাৰ লগে লগে বিমান পৰিচাৰিকাই সেউজীয়া পাতেৰে সৈতে এপাহ সতেজ ৰঙা গোলাপ ফুল প্ৰত্যেকজন যাত্ৰীলৈ আগবঢ়াই হাঁহিমুখে সম্ভাষণ জনালে। ৰূপোৱালী কাগজেৰে মেৰিওৱা ফুলৰ ঠাৰিত এটি সৰু সোণোৱালী পিন লগোৱা আছে। ফুলপাহ পুৰুষসকলে চাৰ্টৰ সন্মুখ ভাগত মাৰি ললে; মই আলফুলকৈ খোপাত গুজি ললোঁ।

কলিকতাৰ পৰা বেংককলৈ সময় লাগে ২ ঘণ্টা ২০ মিনিট। এয়ে মোৰ প্ৰথম বিদেশ ভ্ৰমণ। বিমানৰ ভিতৰৰ পৰিবেশটো দেখি বিদেশলৈ যাবলৈ ওলাইছোঁ বুলি অকণো অনুভৱ কৰা নাই। যাত্ৰী-বোৰৰ কিছুমানে বোর্ডিং পাছৰ নম্বৰ অনুসৰি আসন বিচাৰি পোৱা নাই, ভিতৰতে নিজৰ আসন বিচাৰি ইফালে-সিফাল কৰিব ধৰিছে; অলপ যেন শৃঙ্খলতাৰ অভাৱ। আমিও আমাৰ বোর্ডিং পাছৰ নম্বৰ অনুসৰি বহিবলৈ আসন বিচাৰি পোৱা নাছিলো; এয়াৰ লাইন্সৰ কৰ্মচাৰী এজনক মাতি কথাটো কোৱাত তেওঁ তুখন আসনত আমাক বহিবলৈ দিলে। অলপ পিচতে এজন যাত্ৰী আসন বিচাৰি মোৰ ওচৰলৈ আহিল আৰু মই বহি থকা আসনখন তেওঁৰহে বুলি কলে। আমি কৰ্মচাৰীজনলৈ আঙুলিয়াই দিলো। বিমানৰ ভিতৰৰ এনে খেলি মেলিত ৰঙা গোলাপৰ কোমল সুবাস যেন নিমিষতে নাইকীয়া হল। যাত্ৰীবোৰৰ প্ৰায় ভাগেই ভাৰতীয়। মোৰ কাষৰ আসনত খিড়িকীৰ কাষত বহিছে এটি প্ৰায় বাৰ-তেৰ বছৰীয়া দক্ষিণ ভাৰতীয় ল'ৰা। মাক-দেউতাক থাকে বেংকক্ত, দেউতাকে তাত চাকৰি কৰে, সিও তাৰেই স্কুলৰ অষ্টমমান শ্ৰেণীৰ ছাত্ৰ। আমাৰ পিচৰ আসনত বহিছে এহাল অসমীয়া স্বামী-স্ত্ৰী; লগত পাঁচ-ছয় বছৰীয়া এটি ল'ৰা আৰু কোলাত পাঁচ-ছয়মহীয়া এটি শিশু। ল'ৰাটিৰ অসমীয়া মাত কথাৰ পৰাই তেওঁলোক অসমীয়া বুলি গম পালোঁ।

অলপ পিচতে বিমানখন স্বদেশৰ মাটি এৰি আকাশলৈ উৰা মাৰিব। বিমানত বহি সবিস্ময়ে ভাবিছোঁ সঁচাকৈয়ে জানো যুক্তৰাষ্ট্ৰলৈ যাবলৈ ওলাইছো ? যাত্ৰাৰ আগ-মুহূৰ্ত্তত আশা-নিৰাশা, উৎকণ্ঠা আৰু নানা ভাবেৰে মন উগুল-থুগুল হৈ আছে। বিদেশ যাত্ৰাৰ প্ৰস্তুতিৰ বাবে প্ৰায় দুমাহে চলোৱা লৰাঢপৰাৰ অন্তত জীৱনৰ এই স্মৰণীয় মধুৰ মুহূৰ্ত্তটি আহি সমাগত হৈছে। অন্তৰ্য্যামী ভগৱানক স্মৰণ কৰি সুদীৰ্ঘ যাত্ৰাৰ সুমঙ্গল কামনা কৰি প্ৰণাম জনাই মৌনভাবে এই শুভযাত্ৰালৈ অপেক্ষা কৰিলো। দুপৰীয়া ১২-৩০ বজাত আমি কলিকতাৰ দমদম বিমান বন্দৰ এৰিলো। মুহূৰ্ত্ততে দেশৰ কেঁচা মাটিৰ গোন্ধ এৰি থৈ সশব্দে প্ৰচণ্ড বেগত বিমানখনে আকাশ মাৰ্গলৈ গতি কৰিলে। অলপ পিচতে বিমান পৰিচাৰিকাই সুগন্ধি অ'ডিকোলন, পানীত তিওৱা, ধোঁৱা ওলাই থকা গৰম সৰু টাৱেল একোখন ধুনীয়াকৈ মেৰিয়াই চেপেনাৰে তুলি ধৰি মুখ হাত মচিবলৈ প্ৰত্যেকজন যাত্ৰীকে দি গল। তাৰ পিচত এফালৰ পৰা ফলৰ ৰস আৰু কাজুৰ পেকেট বিলালে। কমলাৰ ৰস, আপেলৰ ৰস, বিয়েৰ, যাৰ যি মন যায় খাব পাৰে। অলপ পিচত দুপৰীয়াৰ খোৱাৰ আহাৰ পৰিবেশন কৰিলে ; গৰম গৰম মলমলীয়া গোন্ধৰ ভাৰতীয় খানা। পোলাও, মুৰ্গীৰ মাংস, ছালাদ, আচাৰ, বন্, দুটা ৰসগোল্লা আৰু লগতে মাখন, চচ্, নিমখ আৰু চেনিৰ সৰু সৰু পেকেটবোৰ, চামুচ, কাটা-চামুচ, কাগজৰ নেপ্‌কিন আদি থাল এখনত ধুনীয়াকৈ সজাই দিছে। শেষত আহিল গৰম গৰম কফি। পৰিচাৰিকা কেইগৰাকীয়ে প্ৰত্যেকজন যাত্ৰীকে সুন্দৰকৈ সোধ-পোচ কৰি আছে যদিও তেওঁলোকক ক্লান্ত যেন ভাব হ'ল।

খোৱা-বোৱা শেষ কৰি খিড়িকীৰে বাহিৰলৈ চালো। মাটিৰ পৰা বহুত ওপৰেদি আমাৰ বিমান দুৰন্ত গতিত পূব দিশলৈ ধাৱমান হৈছে ; তলত ডাৱৰৰ উৰ্ম্মিমালা দেখা পালো। ভাৰতীয় সময় আবেলি তিনি বজাত বেঙ্ককৰ 'ডন' মুৱাং' (DON MUANG) আন্তৰ্জাতিক বিমান বন্দৰত বিমান অৱতৰণ কৰিলে। বেঙ্ককত তেতিয়া আবেলি

পাঁচ বাজি পাঁচ মিনিট গৈছে। ইয়াৰ সময় আমাৰ দেশৰ সময়তকৈ আগবঢ়া। বিমানখন নামিবৰ সময়ত নিচেই তলেৰে উৰি আহোঁতে দেখিলোঁ আমাৰ দেশৰ দৰে একেই গছ-গছনি, পথাৰ, নদী। বিদেশলৈ আহিছো বুলি ভাব হোৱা নাই। এয়া শ্যামদেশৰ ৰাজধানী বেঙ্কক। শ্যামদেশক বৰ্ত্তমান থাইলেণ্ড বোলে। অসমৰ পূবে থকা ব্ৰহ্মদেশ বা মান দেশৰ উত্তৰ অঞ্চলত আৰু দক্ষিণ-পূব চীনৰ এক অংশত টাই বা শান জাতিৰ বসতি আছিল। এই জাতিৰে এটা ঠালে ত্ৰয়োদশ শতিকাত উত্তৰ ব্ৰহ্মাৰ মাঙলুং ৰাজ্যৰ পৰা চুকাফা নামৰ ৰাজকোঁৱৰ এজনৰ অধীনত পাটকাই পৰ্ব্বত অতিক্ৰম কৰি অসমত সোমাই অসমৰ উত্তৰ-পূব ভাগত আহোম ৰাজ্য স্থাপন কৰিছিল। এয়েই অসমত আহোম ৰাজ্যৰ পাতনি। তেওঁলোক অসমত আহোম নামে পৰিচিত। এওঁলোকৰ নাম অনুসৰিয়েই ৰাজ্য-খনৰ নাম 'অসম' বুলি কোৱা হয়। চুকাফা আৰু তেওঁৰ লগত অহা মানুহবিলাক আছিল টাই জাতীয় লোক। এওঁলোকে নিজকে টাই অৰ্থাৎ স্বৰ্গৰ পৰা অহা মানুহ বুলিছিল। এওঁলোকৰ পিচত টাই জাতীয় খাম্‌টি, আইটনীয়া তুৰুং আৰু খামজাং আদি লোকসকল পাটকাই পৰ্ব্বত পাৰ হৈ অসমত সোমাই অসমৰ বিভিন্ন অঞ্চলত বাস কৰি আছে। কৃষ্টি-সংস্কৃতিৰ পৰম্পৰাত আহোম আৰু টাইসকলৰ সামঞ্জস্য আছে।

বিমানৰ দুৱাৰ মুখত কৰিডৰৰ নিচিনা সুকোমল কাৰ্পেট পৰা, শীত-তাপ নিয়ন্ত্ৰিত বিজুলী চাকিৰ উজ্জ্বল 'এয়াৰ ব্ৰিজ' একোখন লগাই দিলে। বিমানৰ পৰা পোনেই এয়াৰ ব্ৰিজেৰে খোজকাঢ়ি আহি টাৰ্মিনেল ভবনৰ দুমহলাত উপস্থিত হ'লোহি। বিমান বন্দৰৰ হুলস্থুলৰ মাজত নোসোমোৱাকৈ পালোহি দুমহলাৰ জিৰণি কোঠা, 'লাউঞ্জ'। বেঙ্ককৰ জকমকীয়া বিশাল আকাৰৰ 'এয়াৰ-প'ৰ্ট টাৰ্মিনেল' দেখি তবধ মানিলোঁ। আহল-বহল চিক্‌চিকীয়া আইনাৰ দৰে মুখদেখা পৰিষ্কাৰ মজিয়াৰে বেগাই খোজকাঢ়ি যোৱা আমাৰ বিমানৰ যাত্ৰীসকলৰ লগে লগে আমিও arrival কাঁড় চিন ডালৰ নিৰ্দ্দেশ ক্ৰমে immigrationৰ

ফালে আগুৱাই গলোঁ। কৰিড'ৰৰ মাজে মাজে আছে 'কন্‌ভে বেল্ট' (Convey Belt)। ভাত খিয় হলে কিছুদূৰ খোজ নকঢ়াকৈ আপোনা-আপুনি গৈ থাকিব পাৰি। বেঙ্ককত দ্ৰুতভাবে বাঢ়ি অহা পৰ্য্যটক উদ্যোগৰ বাবে টাই-জাপান প্ৰকল্পৰ দ্বাৰা এই নতুন টাৰ্মিনেল ভবনটোৰ ১৯৮৮ চনত নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰা হৈছে। ইয়াত একে সময়তে বিশেষ ধৰণৰ সা-সুবিধাৰে বাৰ হেজাৰ বিমান যাত্ৰীয়ে অহা-যোৱা কৰিব পাৰে। প্ৰধান ভবনটোৰ পৰা বিমান জখলাৰে একে-লগে ২৬ খন বিমান সংযুক্ত কৰিব পাৰে। টাৰ্মিনেলৰ ভিতৰত শুল্ক বিহীন দোকানৰ পয়োভৰ। এই বিৰাট ভবনটোৰ কাষতে বিশাল পাৰ্কিঙ এলেকাত একেলগে ৫২ খন ডাঙৰ ডাঙৰ বিমান আহি বৈ থাকিব পাৰে। বিমানৰ পৰা নামি টাৰ্মিনেল ভবনত প্ৰবেশ কৰাৰ লগে লগে অনুভব কৰিলোঁ। আমি এতিয়া স্বদেশত নহয় বিদেশৰ মাটিত আছোঁ। দুই-এজন ভাৰতীয়ৰ বাহিৰে জাপান, কোৰিয়া, চীনদেশীয় লোক পশ্চিমীয়া সাজ-পোছাকেৰে ব্যস্তভাবে আহিছে, গৈছে। সেই ভিন্ন ভাষা-ভাষী মানুহৰ সমদলৰ মাজত সোমাই নিজকে এজন পৃথক অকলশৰীয়া বিদেশী বুলি অনুভব কৰিলোঁ। হনুলুলুলৈ যাবলৈ অহা সেই অসমীয়া পৰিয়ালটিও মানুহৰ খিছিলৰ মাজত হেৰাই গ'ল। অলপ পিচতেই আমি ইয়াৰ পৰা 'কাথে পেছিফিক্' বিমানেৰে হংকঙলৈ যাত্ৰা কৰিম। কাউণ্টাৰত কম্পিউটাৰ আগত লৈ ছোৱালীবোৰ বহি আছে! আমাৰ পাছ-প'ৰ্ট, টিকট আদি পৰীক্ষা কৰাৰ পিছত 'Departure'ৰ ফালে আগুৱাই গৈ নিৰাপত্তা তালাচীৰ দেওনা পাৰ হৈ লাউঞ্জত বহিলোঁগৈ। বিতোপন আহল-বহল কোঠালি; প্ৰাচ্য-পাশ্চাত্যৰ যাত্ৰীৰে পৰিপূৰ্ণ, আটায়ে বিমানত উঠিবলৈ কৰা ঘোষণাৰ প্ৰতীক্ষাত। শান্ত পৰিবেশ। অলপ সময়ৰ পিচতে মাইক যোগে বিমানত উঠাৰ ঘোষণা কৰিলে, লগে লগে কোঠালিৰ দুৱাৰ খোল খালে আৰু 'এয়াৰ ব্ৰিজৰ' মাজেদি আহি পোনেই বিমানৰ ভিতৰত সোমালো। প্ৰকাণ্ড বিমান; ভিতৰত সোমোৱাৰ লগে লগে ৰঙা স্কাৰ্ট আৰু বগাৰ ওপৰত ৰঙা আঁচ টনা

চাৰি পৰিহিতা কোমল বয়সীয়া তজবজীয়া টাই বিমান পৰিচাৰিকা কেইগৰাকীয়ে হাঁহিমুখে আমাক সম্ভাষণ জনাই আমাৰ আতিথ্যৰ বাবে ব্যস্ত হৈ পৰিল। তেওঁলোকৰ ব্যৱহাৰত আমাৰ মনবোৰ সতেজ হৈ পৰিল। বিমানৰ ভিতৰখন যেন এটা প্ৰকাণ্ড হল-ঘৰ। ঠিক্ সময়তে বিমান এৰিলে। পৰিচাৰিকাই যাত্ৰীবোৰক হাঁহিমুখে সুধি-পুচি বিভিন্ন ফলৰ ৰস, মচ্‌মচীয়া কাজু বাদামৰ পেকেট, ৱাইন যেয়ে যি খায় দি গৈছে। 'কাথে পেছিফিকে' আগবঢ়োৱা সেৱা খুব ভাল পালোঁ। অলপ পিচতে আনিলে সান্ধ্য-ভোজনৰ যাৱতীয় খাদ্য-সম্ভাৰ। আসনৰ সমুখত লাগি থকা ফ'ল্ডিং টেব্‌লখন খুলি ললোঁ। থালত ধুনীয়াকৈ সজাই দিছে কেইবাবিধো সিজোৱা পাচলি, মুৰ্গীৰ মাংস, মিছা-মাছৰ বিবিধ সুস্বাদু ব্যঞ্জন, ক্ৰীম, মিঠাই আদি। খাই উঠাৰ অলপ পিচতে আকৌ এবাৰ বিবিধ সুস্বাদু খাদ্যৰে পূৰ্ণ থাল একোখন পৰিবেশন কৰি গ'ল। ওপৰা-উপৰিকৈ দিয়া ইমানবোৰ আহাৰৰ আটাইখিনি খাব নোৱাৰিলো। সমুখৰ পৰ্দাৰ মেপত ৰঙা কাড় চিনেৰে দেখুৱাই আছে আমাৰ বিমানখন কিমান উচ্চতাৰে উৰিছে, কোনখিনি পাইছে ইত্যাদি! নিশাৰ এন্ধাৰ ফালি ফালি বিমানখন দক্ষিণ-চীন সাগৰৰ ওপৰেদি হংকঙ অভিমুখে উৰি গৈ আছে। তিনি ঘণ্টাৰ মূৰত হংকঙৰ আন্তৰ্জাতিক বিমান বন্দৰ 'কাই-টাক্'ত (Kai-Tak) বিমান অৱতৰণ কৰিলে। বিমানখন নমাৰ আগে আগে ওপৰৰ পৰা দেখিলোঁ ৰঙা, নীলা, হালধীয়া, সেউজীয়া অজস্ৰ বিজুলী চাকিৰ পোহৰেৰে তলখন জক্‌মকাই আছে। বিমানৰ পৰা নমাৰ লগে লগে যাত্ৰীবোৰক বাছেৰে টাৰ্মিনেল ভৱনলৈ আনিলে। অসংখ্য বিমানৰ ৰঙা-নীলা লাইটবোৰ ক্ষণে ক্ষণে আকাশত তিৰ-বিৰাই থকা দেখিলোঁ। বিয়াগোম বিমান বন্দৰ, বিৰাট আকাৰৰ লাউঞ্জ, অগণন মানুহ! ইমিগ্ৰেচনৰ বাবে আগুৱাই গৈ দেখিলো শাৰী শাৰী কাউণ্টাৰত কম্পিউটাৰ আগত লৈ চীনা ছোৱালীবোৰে যাত্ৰীবোৰৰ পাছ-প'ৰ্ট, টিকট, ভিছা আদি পৰীক্ষা-নিৰীক্ষা কৰাত ব্যস্ত। হংকঙত টুৰিষ্ট ভিছাৰ আৱশ্যক নহয়; কিন্তু ইয়াৰ আন্তৰ্জাতিক বিমান বন্দৰত নমাৰ লগে লগে

বিদেশী ভ্ৰমণকাৰীৰ যাৱতীয় কাগজ-পত্ৰ তন্ন-তন্নকৈ পৰীক্ষা কৰে। ভাৰতীয় মানুহক হংকঙত ত্ৰিশ দিন থাকিবলৈ অনুমতি দি ইমিগ্ৰেচন অফিচাৰে পাছ-পʼৰ্টখনত ষ্টাম্প মাৰি চহী কৰে। ইয়াৰ পিচত চিকি-উৰিটিত আমাৰ চুট্‌কেচ্ এটা খুলি-মেলি চালে। ইয়াত চেকিং ব্যৱস্থা অত্যন্ত কটকটীয়া। বিদেশৰ এই মহানগৰীখনৰ বিশাল বিমান বন্দৰত নিশা উপস্থিত হৈ অলপ অসহায় অনুভৱ কৰিলোঁ; তাতে আকৌ ভাষাৰ প্ৰাচীৰতো আছেই। ইয়াতে এজন বঙালী ভদ্ৰলোকক লগ পাই স্বস্তিৰ নিশ্বাস পেলালোঁ। ট্ৰলি এখনত চুট্‌কেচ্, বেগ কেইটা উঠাই বাহিৰলৈ ওলাই আহিলোঁ। ইয়াত ট্ৰলিৰ বাবেও শাৰী পাতিব লাগে। বাহিৰত অসংখ্য মানুহ; পুলিচে শাৰী পাতি বৈ থকা মানুহবোৰক নিয়ন্ত্ৰণ কৰি এজন এজনকৈ ওলাই আহিবলৈ দিছে। এখন দুখনকৈ টেক্সি আহি আছে, গৈ আছে। ভবনৰ ভিতৰৰ পৰা বাহিৰলৈ ওলাই আহি টেক্সিত উঠালৈকে আমাৰ এঘণ্টা সময় লাগিল। নিশাটো কটাবৰ বাবে এয়াৰ লাইন্সৰ তৰফৰ পৰা আমাক হোটেল দিয়াৰ বন্দোবস্ত নাছিল। জিৰণি লʼবৰ বাবে আমি নিজেই এটা হোটেল ঠিক কৰিব লাগিব, যʼত কোনো অসুবিধা নোপোৱাকৈ কম খৰচতে থাকিব পৰা যায়। আমাৰ লগত থকা ডলাৰখিনি লেখি লেখিহে খৰচ কৰিব লাগিব। বঙালী ভদ্ৰলোকজন বাছেৰে চহৰলৈ যাবলৈ ওলাল। আমাৰ বস্তু-বাহানি থকা বাবে বাছত যোৱা অসুবিধা। তেওঁ যাবলৈ ওলোৱা চহৰৰ নিৰ্দ্দিষ্ট ঠাই-ডোখৰৰ নামটো সুধি লʼলোঁ। তলৰ ভাগ বঙা, ওপৰৰ ভাগ ধোঁৱা বৰণৰ শীত-তাপ নিয়ন্ত্ৰিত জাপানত নিৰ্মিত সুদৃশ্য গাড়ীত বহাৰ লগে লগে সুমধুৰ পশ্চিমীয়া সঙ্গীত বাজি উঠিল। টেক্সি চালকক গাড়ী কাইলুনৰ "চুংকিন মেন্‌চন্"লৈ নিবলৈ কলোঁ। লগে লগে নিশাৰ হংকঙ মহানগৰীৰ অন্তহীন বিজুলী চাকিৰ স্বপ্নমেলাৰ মাজেদি আমাৰ টেক্সি আগবাঢ়িল। এয়া প্ৰাণোচ্ছল মোহময়ী নিশাৰ হংকঙ মহানগৰী। দশোদিশে বঙা, নীলা, হালধীয়া, সেউজীয়া লাইটৰ বৰ্ণালীয়ে এক মায়াবী মোহময় পৰিবেশৰ সৃষ্টি কৰিছে। দুয়োকাষে থকা সুউচ্চ

অনুপম অট্টালিকা সমূহৰ মাজেদি, প্ৰশস্ত মসৃণ ৰাজপথেদি আগুৱাই গৈ থাৰ মিনিটৰ মূৰত হংকঙৰ আটাইতকৈ ব্যস্ত অঞ্চল নাথান ৰ'ডৰ নিৰ্দিষ্ট ঠাইত উপস্থিত হ'লোহি ! টেক্সিৰ পৰা নমাৰ লগে লগে এজন পাঞ্জাবী যুৱকে আমাক তেওঁৰ হোটেলখনত থকাৰ বাবে অনুৰোধ কৰিলেহি। তেওঁৰ সৈতে লিফ্টেৰে ওপৰলৈ আহি পাঁচ মহলাত এটা কোঠালি ঠিক কৰি ললোঁ। ভাড়া ভাৰতীয় টকাৰ হিচাপত এজনৰ ২৪০ টকাকৈ। মজলীয়া মানদণ্ডৰ হোটেল ; কমন্-বাথ, কিন্তু এ, চি আৰু টি, ভিৰ ব্যৱস্থা আছে। বিমানতে গুৰু ভোজন কৰি আহিছোঁ, ভোক নাই, পানী এগিলাচ খাই অলপ সময় টি, ভি চালোঁ। চাৰিটা চেনেলৰ টেলিভিশ্বন. প্ৰত্যেকটোতে কেন্টনিজ ভাষাৰ কাৰ্য্য-ক্ৰমনিকা চলি আছে। ইয়াৰ বতৰ গ্ৰীষ্ম কালত আমাৰ দেশৰ দৰেই গৰম আৰু বৰষুণ হয়। চেপ্তেম্বৰৰ পৰা মাৰ্চলৈ বতৰ অতি সুন্দৰ হয় ; বৰষুণ শেষ হয় আৰু তাপ মাত্ৰাও কমি আহে।

ৰাতিপুৱা গা-পা ধুই কাগজ-পত্ৰ, বেগ্ আদি ঠিক্ঠাক্ কৰি থৈ বাহিৰলৈ ওলাই আহিলোঁ। আবেলি ৩-২০ মিনিটৰ ফ্লাইটত হংকঙৰ পৰা জাপানলৈ যাব লাগিব।

এসময়ৰ বেলি মাৰ নোযোৱা বৃটিছ সাম্ৰাজ্যৰ হংকঙেই সৰ্ব্বশেষ গুৰুত্বপূৰ্ণ উপনিবেশ। ১৮৯৮ চনৰ যুদ্ধৰ ফলস্বৰূপে বৃটিছ-চীন চুক্তি অনুসৰি বৃটিছে চীনৰ পৰা "লিজ্"ত লাভ কৰিলে এই হংকঙ। ১৯৯৭ চনৰ ১ জুলাইত এই "লিজ্"ৰ ম্যাদ উকলিব হংকঙে হেৰোৱা সাৰ্ব্বভৌমত্ব পুণৰ লাভ কৰিব। ইয়াৰ ফলত হংকঙে "পিপল্চ্ ৰিপাব্লিক অব চাইনা"ৰ সৈতে চামিল হব। গতিকে ইয়াৰ লগতে হংকঙবাসীৰ ভবিষ্যতৰ প্ৰশ্নও জড়িত হৈ আছে ; এই লৈ জনগণৰ মাজত জল্পনা-কল্পনাৰ শেষ নোহোৱা হৈছে। ১৯৮৮ চনলৈকে ইয়াৰ জনসংখ্যা ৫,৬,৮১,৩০০ জন হব। হংকঙৰ জনসংখ্যাৰ শতকৰা ৯৮ ভাগেই চাইনীজ। বৃটিছ, ভাৰতীয়, আমেৰিকান, জাপানী, ফিলি-পাইনৰ লোকো ইয়াত আছে।

আমি থকা হোটেলৰ ওচৰে-পাজৰে ভাৰতীয় মানুহৰ বিভিন্ন দোকান আৰু হোটেল আছে। এখোজ দুখোজকৈ খোজকাঢ়ি ওলাই গ'লোঁ। আলিত গাড়ীৰ বেছি ভিৰ নাই। প্ৰশস্ত মিহি বাট-আলি, আলিৰ দাঁতিত চালে চকু ৰোৱা আকাশলঙ্ঘী অট্টালিকাৰ শাৰী। পৰিস্কাৰ-পৰিপাটি সুদৃশ্য বাট-পথেৰে মনোমোহা মহানগৰী। হংকং হেনো একদৃষ্টিত মিনি নিউইয়র্ক। অৱশ্যে আমাৰ এছিয়াবাসীলৈকে নিউইয়র্ক দেখাৰ সৌভাগ্য হোৱা নাই। বহল বাটআলি পাৰ হবলৈও সুন্দৰ ব্যৱস্থা আছে। মানুহবোৰ দেখিবলৈ প্ৰায় একেধৰণৰ, খৰকৈ খোজকাঢ়ে। এখন দোকানত কার্ড দুখন কিনি সমুদ্ৰৰ পাৰলৈ কোনটো বাটেৰে যাব লাগে সুধিলোঁ। ইয়াত প্ৰচলিত মুদ্ৰাৰ নাম হংকং ডলাৰ। দোকানত থকা মানুহজনে ইংৰাজী বুজি নাপায়, বহুত সময় আকাৰ ইংগিতেৰে বুজাই থাকোঁতে আন এজন ইংৰাজী জনা মানুহ অহাত তেওঁ আমাক সাগৰৰ পাৰলৈ যোৱা পথৰ কথা বুজাই ক'লে। হংকঙৰ চৰকাৰী কার্য্যালয়বোৰত ইংৰাজী আৰু কেন্টনিজ ভাষা ব্যৱহাৰ হয়। কেন্টনিজ ভাষাতো গাণৰ স্বৰৰ দৰে সুৰীয়া ভাষা অর্থাৎ একোটা শব্দৰ ধ্বনি, উচ্চ-নিম্ন আদি ভিন ভিন সুৰৰ হ'লে বেলেগ বেলেগ অর্থ বুজায়। কেন্টনিজ ভাষাত নটা বিভিন্ন সুৰ আছে। ইয়াৰ প্ৰতিটো বর্ণই একো একোটা চিত্ৰ।

ষাঠি-সত্তৰ মহলীয়া সুদৃশ্য স্কাই-ক্ৰেপাৰবোৰ চাই চাই লাহে লাহে সাগৰৰ পাৰলৈ খোজ ললোঁ। আলিৰ দাঁতিত শাৰী শাৰী অলঙ্কাৰৰ দোকান। সোণ, হীৰা, মুক্তা, ৰুবি, জেদ্ আদি পাথৰৰ বিভিন্ন ডিজাইনৰ সূক্ষ্ম কাম কৰা বিচিত্ৰ আ-অলঙ্কাৰবোৰ শ'কেছত ধুনীয়াকৈ সজাই থৈছে। হংকঙৰ বিখ্যাত জেদ্ মার্কেট সপোনপুৰী লেখীয়া; মন মতলীয়া কৰা মনোমোহা বিচিত্ৰ বস্তুৰ দোকান। সেইবোৰ এখন্তেক চায়েই নয়ন সার্থক কৰিছোঁ। সুন্দৰ কাৰুকার্য্যৰে নানা ৰঙী চীনা মাটিৰ প্ৰকাণ্ড প্ৰকাণ্ড পাত্ৰবোৰ, সুন্দৰ সুন্দৰ দলিচা, বিভিন্ন ডিজাইনৰ ভেনিটি বেগ আৰু যে কত সামগ্ৰী! বজাৰ কৰিবলৈ দোকানে দোকানে ঘূৰি-ফুৰি চোৱা-চিতা কৰাটো ইয়াৰ প্ৰধান আকর্ষণ; ইয়েই হ'ল

বলিং। শুকশূন্ত হংকঙৰ বজাৰ বয়-বস্তুৰে উটৈনদী। ই পৃথিবীৰ যাবতীয় বস্তু-বাহানিৰ এখন আন্তৰ্জাতিক খোলা বজাৰ। দামো তুলনামূলক ভাবে সস্তা। কিন্তু দাম-দৰ নকৰিলে ঠগ খোৱাবো ভয়; ইয়াত খুব দাম-দৰ চলে। দক্ষিণ-পূব এচিয়াৰ প্ৰধান ব্যৱসায়-বাণিজ্যৰ কেন্দ্ৰ হংকঙৰ চোৰাং কাৰবাৰীৰ স্বৰ্গৰাজ্য বুলি কোৱা হয়।

হংকঙ মহানগৰী প্ৰধানকৈ দুটা ভাগত বিভক্ত। এফালে হংকঙ দ্বীপ, মাজত ভিক্টোৰিয়া হাৰবাৰ নামৰ সামুদ্ৰিক খাল আৰু আনটো ফালে কাইলুন উপদ্বীপ; কাইলুন চীনৰ ভূখণ্ডৰ সৈতে সংযুক্ত। হংকঙ দ্বীপত প্ৰধানকৈ চৰকাৰী কাৰ্য্যালয়ৰ সুউচ্চ অট্টালিকা সমূহ আছে। কাইলুনত বিমান বন্দৰ, ডাঙৰ ডাঙৰ হোটেল, নাইট ক্লাব, দোকান-বজাৰ আদি আছে। আমি চুংকিন মেন্‌চন্ নামৰ যি ঠাইৰ হোটেলত উঠিছো সেইখন কাইলুন্ অংশত অৱস্থিত।

হংকঙ দ্বীপৰ বাহিৰেও সৰু ডাঙৰ ২৩৬ টা দ্বীপ হংকঙৰ অন্তৰ্ভূক্ত। শাসন কাৰ্য্যৰ সুবিধাৰ্থে হংকঙ দ্বীপ, কাইলুন আৰু নতুন প্ৰদেশ নামেৰে তিনিটা ভাগ কৰি লোৱা হৈছে। এইবোৰ অঞ্চলতে ঘাইকৈ জন-সংখ্যা থুপ খাই আছে। হংকঙ আৰু কাইলুন আকাশলঙ্ঘী অট্টালিকাৰ বিতোপন চহৰ যদিও ইয়াৰ শতকৰা সত্তৰ ভাগ মাটি এতিয়াও হাবি-বননি আৰু ধাঁহেৰে আবৃৰি আছে। কিছুমান দ্বীপ এতিয়াও জনবসতিহীন। তিনিটা চাবি-আলি পাৰ হৈ কিছুদূৰ যোৱাৰ পিচত কাইলুনৰ সাগৰৰ পাৰৰ Tsim Sha Tsuiৰ "হাৰ্‌ব্ৰাৰ্ ক্ৰুজ্" পালোঁহি।

বন্ধাই খোৱা পৰিষ্কাৰ পৰিপাটি সাগৰৰ পাৰ। সাগৰৰ সুশীতল বতাহে শৰীৰ আৰু মন সতেজ কৰি তুলিলে। সমুখত সাগৰ. দুবৈত পাহাৰ, একাষে প্ৰশস্ত চিকুন আলি আৰু সুউচ্চ অট্টালিকা, কি যে এক মনোমোহা পৰিবেশ! সাগৰৰ পাৰত থিয় হৈ চীনা মহিলা এগৰাকীৰ দোকানৰ পৰা ঢাকনী দিয়া প্লাষ্টিক কাপত গৰম গৰম চাহ দুকাপ আৰু এবিধ খোৱা বস্তু কিনি দুয়ো-পাৰৰ সৌন্দৰ্য্য চাই চাই আমি খাবলৈ ললোঁ। মহিলা গৰাকীয়ে ইংৰাজী বুজি নাপায়।

খাই উঠি কাগজৰ কাপ-প্লেট পেলাবলৈ ওচৰতে আছে পৰিষ্কাৰ ডাষ্টবিন্। কোনেও চাহ, কফি বা আন কিবা খাই সাগৰৰ পানীত অলাগতিয়াল বস্তুখিনি দলিয়াই দিয়া নাই। ইয়াত এজন ভাৰতীয় মানুহ লগ পালোঁ। তেওঁৰ পৰা গম পালোঁ। এতিয়া Sight Seeingৰ সময় নহয়; কিন্তু পাঁচ মিনিটৰ মূৰে মূৰ কাইলুনৰ পৰা হংকঙ দ্বীপলৈ সক জাহাজবোৰ অহা-যোৱা কৰি থাকে।

টিকট কাটি জাহাজত উঠিব লাগে। বন্ধ গেটখনৰ বিন্ধাটোৰে এজনে ৬০ চেণ্ট মুদ্ৰা ভৰাই দিলেহে গেটখন আপোনা-আপুনি খোল খায়। অফিচ, স্কুল আদিৰ বাবে এই ফেৰীৰেই কাইলুনৰ মানুহ হংকঙলৈ, হংকঙৰ মানুহ কাইলুনলৈ অহা-যোৱা কৰে। পশ্চিমীয়া সাজ-পাৰ পিন্ধা পুৰুষ মহিলাৰে ফেৰীখন ভৰি পৰিছে। ভাস্কৰৰ সোণালী কিৰণে দশোদিশ সমুজ্জল কৰি তুলিছে। সমুদ্ৰৰ ঢৌ খেলি থকা পানীত তপনৰ সাত ৰঙৰ ৰশ্মি পৰি ক্ষণে-ক্ষণে বৰণ সলাইছে। ওপৰত স্বচ্ছ নীলা আকাশ। দুয়ো পাৰৰ অপূৰ্ব্ব দৃশ্যাৱলীৰ মাজেদি ফেৰীখন সমুদ্ৰৰ পানী ফালি আগুৱাই গৈছে হংকঙ দ্বীপলৈ। হংকঙ দ্বীপত উপস্থিত হৈ সাগৰৰ পাৰৰ বেঞ্চত কিছু সময় বহি বিস্ময় বিমুগ্ধ নেত্ৰে মাথো চাই ৰলো অনুপম ৰূপৰাজি। এয়া এক ৰম্যপুৰী। সুদৃশ্য অট্টালিকা আৰু বাট-পথেৰে সৈতে অনুপম পৰিবেশৰ বিপৰীতে চহৰৰ দাঁতি কাষৰীয়া কিছুমান অঞ্চলৰ জুপুৰী ঘৰত দৰিদ্ৰ পীড়িত লোকসকল অস্বাস্থ্যকৰ পৰিবেশত বাস কৰে বুলি কল্পনা কৰিব নোৱাৰি। তেনে অঞ্চলত বাস কৰা লোকৰ সংখ্যা হেনো এক নিযুতবো ওপৰ। "দি পিক" হংকঙ দ্বীপৰ আটাইতকৈ উচ্চ ভূমি। তালৈ কেৱল ট্ৰাম চলাচল কৰে। "দি পিক"ৰ ওপৰৰ পৰা হংকঙ, কাইলুন আৰু অন্যান্য দ্বীপ সমূহৰ সুন্দৰ ছবি এখন দেখা যায়। কিছু সময় হংকঙ দ্বীপত ঘূৰি-পকি পুণৰ টাৰ ফেৰীৰে কাইলুনলৈ উভতিলোঁ।

দুপৰীয়া নিৰ্দ্দিষ্ট সময়ত হোটেল এৰি টেক্সি এখনেৰে বিমান বন্দৰত উপস্থিত হলোগৈ। বিমান বন্দৰৰ এফালে পাহাৰ, গছ-গছনি নাই, কেৱল সেউজীয়া ঘাঁহ বনেৰে আৱৰা; পাহাৰৰ পাদ-দেশত

শাৰী শাৰী অট্টালিকা দূৰৈত সাগৰ। হংকঙৰ "কাই-টাক্" নামৰ বিশালাকৃতিৰ এই বিমান বন্দৰটো পৃথিৱীৰ ডাঙৰ আৰু ব্যস্ত বিমান বন্দৰবোৰৰ অন্যতম। বিমান বন্দৰত বিমান উঠা-নমাৰ শব্দই আকাশ বতাহ ৰজন-জনাই আছে। প্ৰশস্ত বানওৱেটো ক্ৰমান্বয়ে সাগৰৰ পানী যুঁৱলিত মিলিছেগৈ, আকৌ বিশালাকায় অজস্ৰ বিমান নীল সাগৰৰ ওপৰেৰে আহি ৰানওৱেত নামিছে। হংকঙৰ পৰা আমেৰিকালৈ আমাৰ বয়-বস্তুবোৰ বুক কৰি দিয়া হ'ল। চিকিউৰিটিৰ পিচত জাপান এয়াৰ লাইনচৰ প্ৰকাণ্ড বিমানখনত সোমোৱাৰ লগে লগে বগা শাৰী হাস্যময়ী জাপানী পৰিচাৰিকা কেইগৰাকীয়ে আমাক সম্ভাষণ জনালে। আবেলি ৩-১০ মিনিটত আমাৰ বিমানখন জাপান অভিমুখে প্ৰশান্ত সাগৰৰ ওপৰেৰে উৰা মাৰিলে। আমাৰ সমুখৰ আসনত বহিছে আমেৰিকান আদবয়সীয়া পুৰুষ-মহিলাৰ দল এটা। তেওঁলোকৰ কিছুমানে হাতত পানীয়ৰ গিলাচ লৈ খিয় হৈ গল্প-গুজবত ব্যস্ত হৈ আছে। টি-ভিৰ পৰ্দাত জাপানৰ চাবলগীয়া ঠাইবোৰ, উৎসৱবোৰ দেখুৱাই আছে। হংকঙৰ পৰা জাপানৰ আন্তৰ্জাতিক বিমান বন্দৰ নাৰিতা আহি পাওঁতে গধূলি সাত বাজিছে। বিমান কোঠত নামি শুল্ক আৰু নিৰাপত্তাৰ পৰীক্ষা নিৰীক্ষাৰ ডেওনা পাৰ হৈ লাউঞ্জ পালোঁহি। তাতে হোটেলৰ বন্দোবস্ত খাটাং কৰি বাহিৰলৈ আহিলো। অজস্ৰ লাইটৰ বৰ্ণালিয়ে বিমান বন্দৰত এক মোহনীয় পৰিবেশৰ সৃষ্টি কৰিছে। "নাৰিতা" বিশ্বৰ অত্যাধুনিক বিমান বন্দৰ বিলাকৰ ভিতৰতে অন্যতম। এয়াৰ লাইন্সৰ বাছেৰে বিমান বন্দৰৰ নিচেই ওচৰতে থকা "নাৰিতা গেষ্ট হাউচ"লৈ আহিলোঁ। হোটেলৰ তলৰ মহলাত থকা সুদৃশ্য ডাইনিং হলত ভাত খাই ওপৰ মহলালৈ গৈ আমাৰ কোঠাত সোমালোঁ। সুকোমল কাৰ্পেট ডাঙৰ কোঠাটোৰ ইমূৰৰ পৰা সিমূৰলৈ পাৰি থৈছে। দুখন পৰিষ্কাৰ বিচনা, কেইবাটাও চেনেল ধৰিব পৰা ৰঙীন টি-ভি: একাষে চোফা-চেট্, টেলিফোন, বিভিন্ন ধৰণৰ লাইট, সুন্দৰ আহল-বহল বাথৰুমেৰে সৈতে সু-সজ্জিত সু-ব্যৱস্থা। একাষে থকা বহল খিড়িকীৰ ডাঠ, দীঘল ধুনীয়া পৰ্দাখন

টানি দিলে। । চকুত পৰিল অজস্র লাইটেৰে জকমকাই থকা জাপানৰ নাৰিতা নগৰী।

ৰাতিপুৱা গা-পা ধুই তলৰ মহলালৈ আহি ৰাতিপুৱাৰ জা-জলপান খাই "টুৰ বুক" খন চাই ইয়াৰ ওচৰে পাজৰে চাবলগীয়া ঠাইবোৰৰ ভিতৰত "নাৰিতা মন্দিৰ" চোৱাটোকে ঠিক কৰিলো। এচিয়া মহাদেশৰ পূবত হোকাইজো, হনচু, চিকুকু আৰু কিউচু নামৰ চাৰিটা প্রধান দ্বীপৰ সমষ্টিৰে জাপান দ্বীপপুঞ্জ গঠিত। ইয়াৰ বাহিৰেও দাতি কাষৰত থকা এহেজাৰ সৰু সৰু দ্বীপ জাপানৰ অন্তৰ্গত। প্রধান দ্বীপ হনচুতেই জাপানৰ ৰাজধানী ট'কিঅ' অৱস্থিত। ট'কিঅ' নাৰিতা বিমান বন্দৰৰ পৰা প্রায় চল্লিশ মাইল দূৰৈত অৱস্থিত। বিমান বন্দৰৰ কাষৰ চহৰখন হ'ল 'নাৰিতা"। আবেলি পাঁচ বজাত আমি যুক্তৰাষ্ট্ৰৰ চিয়াটললৈ যাব লাগিব। হোটেলৰ পৰা ওলাই প্রশস্ত ৰাজপথৰ বহল ফুটপাথেদি অলপ দূৰ খোজকাঢ়ি গৈ খটখটিৰে নামি লোকেল ট্রেইনৰ ষ্টেচনলৈ গ'লোঁ। । গেটৰ মুখতে আছে কৰ্ত্তব্যৰত ৰাইফলধাৰী পুলিচৰ দল। ষ্টেচনটো মাটিৰ তলত। তাতে এজন অলপ ইংৰাজী জনা জাপানী ভদ্রলোকক সুধিলো মন্দিৰলৈ যোৱাৰ বিষয়ে। তেওঁৰ দিহামতে টিকট কাটি ইয়াৰ পিচৰ ষ্টেচনটোলৈ যাবলৈ ওলালোঁ। । মানুহজনো আমাৰ সৈতে আহিল, তেওঁ। সেইটো ষ্টেচন-লৈকে যাব। এজনৰ ভাড়া হ'ল ২১০ ইয়েন, ভাৰতীয় মুদ্রাৰে ২৩ টকা। জাপানত সকলো বস্তুৰে মূল্য পৃথিৱীৰ আন ঠাইতকৈ অত্যন্ত বেচি। সেইদৰে হোটেলবোৰত থকা-খোৱাও ব্যয়বহুল। বাকচ এটাত পইচা ভৰাই দি ক'লৈ যাম, কেইখন টিকট লাগে সেই হিচাপে চুইচ টিপি দিয়াত হিচাপৰ পইচাখিনি ৰাখি টিকট কেইখন আৰু বাকী পইচাখিনি আপোনা-আপুনি ওলাই আহিল। তাত টিকট দিবলৈ কোনো মানুহ নাথাকে। সুন্দৰ বৈদ্যুতিক ৰেলগাড়ীত উঠি পিচৰ ষ্টেচনটোত নামিলো। পৰ্ব্বত-পাহাৰেৰে ভৰা জাপান দেশ। মাটিৰ তলৰ ষ্টেচনৰ পৰা খটখটিৰে ওপৰলৈ খোজকাঢ়ি আহি চাৰি-আলি এটাৰ ওচৰতে বৈ মন্দিৰলৈ কোনফালে যাব লাগে আমাক বুজাই

দি জাপানী ভদ্রলোকজন আমাৰ পৰা বিদায় লৈ বিপৰীত ফালে যাবলৈ ওলাল। যাবৰ সময়ত তেওঁ কৈ গ'ল— "I know no English." আমি তেখেতে কৰা সহায়ৰ বাবে ধন্যবাদ দি বিদায় লৈ বহল আলিবাটটো পাৰ হ'লো।

ঠেক্ ওখ-চাপৰ বাটেৰে আগবাঢ়িছো। দুয়ো কাষে শাৰী শাৰী দোকান। জাপানৰ খুব সংখ্যক মানুহে ইংৰাজী বুজি পায় বা ভালদৰে ক'ব পাৰে। মানুহবোৰ বৌদ্ধ ধৰ্মাৱলম্বী। পথৰ দাতিত লগ পোৱা মানুহবোৰে ইংৰাজী বুজি নাপায় যদিও মন্দিৰৰ নামটো ক'লে কোনফালে যাব লাগে আঙুলিৰে দেখুৱাই দিয়ে। এতিয়া ইয়াত সুন্দৰ বতৰ। গৰম অনুভৱ কৰা নাই। হংকঙতকৈ জাপানত বতৰ ঠাণ্ডা পাইছো। বিভিন্ন সামগ্ৰীৰ দোকানবোৰৰ প্ৰায়বোৰতে চেল্‌চ্ গাৰ্ল' হিচাপে জাপানী ছোৱালী আৰু মহিলা আছে। পলিথিনৰ পেকেটত বিভিন্ন খোৱা বস্তু সজাই থোৱা আছে; খ'কেচত তৰহে তৰহে ধুনীয়া ধুনীয়া পুতলা, কাপ-প্লেট, বিভিন্ন গৃহ-সজ্জাৰ সামগ্ৰী। খোৱা বস্তুৰ দোকানত দেখিলো নানা জাতীয় শুকান আৰু জীয়া মাছ। মাছ জাপানীসকলৰ প্ৰিয় খাদ্য। ইয়াতে প্ৰচুৰ পৰিমাণে মাছ পোৱা যায়। প্ৰায় পোন্ধৰ মিনিট খোজকাঢ়ি গৈ মন্দিৰৰ ওচৰ চাপিলোঁ। এই বৌদ্ধ মন্দিৰটোৰ নাম "Naritasan Shinshoji Temple"; অলপ ওখ ঠাইত মন্দিৰৰ অৱস্থান। ওপৰলৈ উঠি যোৱা খট্‌খটিৰ দুয়ো কাষে থকা সৰু পুখুৰীত দেখিলোঁ অসংখ্য সৰু সৰু কাছ; মাছো আছে। কাছবোৰে শিলৰ ওপৰত পিলপিলাই ফুৰিছে। অসমৰ কামাখ্যা মন্দিৰৰ কাছৰ পুখুৰীটোলৈ মোৰ মনত পৰিল। খট্‌খটিৰে ওপৰলৈ উঠি গৈ মন্দিৰৰ প্ৰাঙ্গণত দেখিলোঁ আহল-বহল পকা চোতাল, ঠাই বিশেষে সৰু সৰু গোলাকৃতি শিলবোৰ ধুনীয়াকৈ চোতালত পাৰি দিছে। এয়া জাপানী চোতালৰ এক বৈশিষ্ট্য। দশোদিশে পৰিষ্কাৰ-পৰিচ্ছন্নতা। দুয়ো কাষে দুটা মন্দিৰ গৃহ; মাজত প্ৰধান গৃহ। মন্দিৰৰ আকৃতি-প্ৰকৃতি আৰু পৰিবেশ অসমৰ কীৰ্ত্তন ঘৰৰ লগত সাদৃশ্য থকা দেখিলো। প্ৰাঙ্গণৰ সোঁমাজতে

এটা পাত্রৰ পৰা ধোঁৱা ওলাই আছে। ভক্ত সকলে কাষতে থকা ধূপ জ্বলি থকা পাত্রটোত ভক্তি সহকাৰে দি সেই ধোঁৱাত হুয়োহাত সেকি, হাতেৰে নিজৰ গাৰ ফালে ধোঁৱা দি মন্দিৰলৈ খোজ লয়। তেওঁলোকক অনুসৰণ কৰি আমিও জ্বলি থকা পাত্রটিত ধূপ দি তাৰ ধোঁৱা ললো। জাপানী ভক্তসকল মৌন ভাবে আহিছে আৰু ওলাই গৈছে। মন্দিৰৰ চাৰিওফালে এক গহীন নীৰৱতা, পবিত্রতা বিৰাজমান। ক'তো অকণো হাই-উৰুমি নাই। মন্দিৰৰ বাৰান্দাত উঠি মন্দিৰৰ ভিতৰত দেখিলো ভক্তসকলে মাটিত আঠুকাটি বহি ভগবান বুদ্ধক সভক্তিৰে প্রার্থনা কৰি আছে। বৌদ্ধ ধর্মই এতিয়াও ইয়াৰ সকলো মানুহৰে অন্তৰ পৰশি আছে। মন্দিৰৰ পিচফালখন যেন টিলাকি ঠাই। পাহাৰীয়া ঠাই ; পাইন, মেপ্‌ল্ জাতীয় গছে অঞ্চলটি আবৰি আছে। সোঁহাতে থকা গৃহটিত এটা ঘণ্টা আছে, ভক্তসকলে আহি এই ঘণ্টাটো বজাই যায়।

নিজৰ কর্মকুশলতা আৰু কাৰিকৰী বিদ্যাৰ গুণত জাপানে আজি সমগ্র বিশ্বৰ বজাৰখন দখল কৰিবলৈ সমর্থ হৈছে। জাপানীসকল ধর্মপৰায়ণ, নম্র আৰু ভদ্র। ইতিহাসত জাপানৰ দ্রুত উন্নতি কাৰো লগত তুলনা নহয়। ১৮৬৮ চনলৈ জাপান মধ্যযুগীয় অৱস্থাত আছিল। কুৰি শতিকাত সেই জাপানেই বিভিন্ন দিশত উন্নতি লাভ কৰি আধুনিক আৰু উন্নতশীল দেশ হিচাপে পৰিগণিত হোৱাৰ লগতে পৃথিৱীৰ এটা গণ্যমান্য জাতি হৈ পৰিল। দ্বিতীয় বিশ্বযুদ্ধত ১৯৪৫ চনৰ ৬ আগষ্টত মার্কিন বিমানে আনবিক বোমা পেলাই জাপানৰ হিৰোচিমা নগৰখন সম্পূর্ণ ধ্বংস কৰিছিল। তাৰ তিনিদিন পিচতেই ৯ আগষ্টত নাগাচাকি নগৰত আন এটা আনবিক বোমা পেলাই নগৰখন মৃত্যুপুৰীলৈ ৰূপান্তৰিত কৰিছিল। যুদ্ধোত্তৰ কালত জাপানীসকলে কঠোৰ পৰিশ্রম আৰু অফুৰন্ত কর্মোদ্যমৰ যোগেদি বিজ্ঞান আৰু প্রযুক্তি বিদ্যাৰ যি বিকাশ ঘটালে তাৰ তুলনা পাবলৈ নাই। বর্ত্তমান জাপানে কল-কাৰখানা, খেতি-বাতি, চিকিৎসা বিজ্ঞান, ইলেকট্রনিকচ্ আদি সকলো দিশতে অদ্ভুত অগ্রগতি লাভ কৰি বিশ্বক চমক খুৱাইছে।

খট্‌খটিৰে তললৈ নামি আহিলোঁ। কিতাপ, কাৰ্ড আদিৰ দোকান এখনত জাপানী ছোৱালী এজনী বহি আছে। তাই ইংৰাজী বুজি নাপায়। কেইখনমান কাৰ্ড কিনিলোঁ। ইয়াতেই দিল্লীৰ এহাল আদহীয়া দম্পতিক লগ পালোঁ। অচিনাকি মানুহ গৰাকীয়ে দুৰৈৰ পৰাই মোক ভাৰতীয় সাজত দেখি হাত এবাৰ দিবলৈ আগ্ৰহেৰে আগবাঢ়ি আহিছে। তেওঁলোকে যুক্তৰাষ্ট্ৰৰ ছানফ্ৰান্সিস্কোত থকা তেওঁলোকৰ পো-বোৱাৰীৰ ঘৰৰ পৰা আগদিনা আহি পাইছে। তেওঁলোক ঘৰমুৱা পথিক। তেওঁলোকৰ লগত ইংৰাজী জনা এজনী জাপানী টুৰিষ্ট গাইড দেখা পালোঁ, তাইৰ গাত পশ্চিমীয়া সাজ-পাৰ।

পুনৰ ষ্টেচন অভিমুখে খোজকাঢ়ি আহি আছোঁ। আলিৰ দাঁতিৰ দোকান এখনত আমি দুয়োজনে দুটা "ফ্ৰুট জুচ্" খালোঁ আৰু আমাৰ কুকিজ বিস্কুটৰ দৰে দীঘল বিস্কুট এপেকেট কিনিলোঁ; দাম ল'লে-৫০০ ইয়েন অৰ্থাৎ ভাৰতীয় টকাৰে মূল্য ৫৫' ০ টকা। আকৌ বেলেৰে আহি আগৰ ষ্টেচনটোত নামি খোজকাঢ়ি হোটেল পালোঁহি। অলপ জিৰাই শতাই বিমান বন্দৰলৈ যাবলৈ সাজু হলোঁ। লিফটেৰে তলৰ মহলালৈ নামি আহি কাউণ্টাৰত চাবি চমজাই দিয়াৰ লগে লগে হোটেলৰ এগৰাকী পৰিচাৰিকাই আথে-বেথে আমাক নি সমুখত ৰৈ থকা প্ৰকাণ্ড আৰু ধুনীয়া এয়াৰ লাইনচৰ বাছখনত উঠাই দিলে। তেতিয়া দুপৰীয়া ২ বাজি ৩০ মিনিট গৈছে।

বিমান বন্দৰৰ চাবি মহলাত থকা "North Wing লৈ আহিলোঁ। আটাইবোৰ কাউণ্টাৰতে কম্পিউটাৰ আগত লৈ জাপানী ছোৱালীবোৰহে দেখিলোঁ। তেওঁলোকৰ মুখত হাঁহি আৰু খৰধৰ স্বভাব দেখি ভাল লাগিল। জাপানী সকলৰ দুটা দৈহিক বৈশিষ্ট চকুত পৰে। এভাগৰ চীনাসকলৰ সৈতে চেহেৰাৰ মিল আছে, এওঁলোক চাপৰ, নাক চেপেতা আৰু বহল মুখ মণ্ডলৰ; এই সকলক প্ৰকৃত মঙ্গোলীয় জাপানী বুলি ক'ব পাৰি। আন ভাগ ওখ, বগা ক্ষীণদেহী, উন্নত নাক আৰু দীঘলীয়া মুখ-মণ্ডলৰ। এওঁলোক মঙ্গোলীয় যদিও ককেছীয় লক্ষণ বিদ্যমান। এই ভাগ মানুহৰ উৎপত্তিৰ গুৰিতে

কোবিয়াবাসী। এনে চেহেৰাৰ মানুহ সাধাৰণতে উচ্চ শ্ৰেণীৰ জাপানীৰ মাজত দেখিবলৈ পোৱা যায়। চিয়াটললৈ যোৱা বিমান নিৰ্দ্ধাৰিত সময়তকৈ পলমকৈ যাব বাবে এয়াৰ লাইনচৰ খৰচত যাত্ৰীসকলক খাবলৈ কুপন দিলে। বিমান বন্দৰৰ ডাইনিং হলত আহি বহিলোঁ। বিৰাট হলঘৰ, মজিয়াত ধুনীয়া কাম কৰা চালে চকুৰোৱা বঙা কাৰ্পেট। ওপৰত বিভিন্ন ধৰণৰ বিজুলী বাত্তিৰ অপূৰ্ব্ব সমাৰোহ। একালে মজিয়াৰ পৰা মুধচলৈ থকা বহল আইনাৰ বেৰৰ মাজেদি ওচৰৰে বানৱেত থকা প্ৰকাণ্ড প্ৰকাণ্ড বিমানবোৰ চকুত পৰিল। ব্ৰেড, কমলাৰ কোঁহেৰে বন্ধা মুৰ্গীৰ মাংস আৰু চাহ খাই ভাব পৰা ওলাই আহিলোঁ।।

—৮১—

প্ৰকৃতিৰ ৰম্যভূমি আলাস্কা

গধূলি ছয় বাজি চল্লিশ মিনিটত জাপানৰ নাৰিতা আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ পৰা জাপান এয়াৰ লাইনচৰ প্ৰকাণ্ড বিমানখনেৰে আমেৰিকা যুক্তৰাষ্ট্ৰৰ পশ্চিম উপকূলৰ চিয়াট্‌ল্‌ চহৰৰ বিমান বন্দৰলৈ প্ৰশান্ত মহাসাগৰৰ ওপৰে ওপৰে এক সুদীৰ্ঘ বিমান যাত্ৰাৰ বাবে ওলালোঁ। বিমানখনত 'ক্ৰু'ৰ বাহিৰেও যাত্ৰীৰ সংখ্যা তিনিশ পঞ্চাশ-জন। প্ৰত্যেকখন আসনৰ ওপৰত নিজাকৈ এটা লাইট আৰু সৰু মুখৰ জোৰেৰে বতাহ অহা যন্ত্ৰ এটি আছে, সেইটো যাত্ৰীজনৰ গৰম লাগিলে নিজৰ গাৰ ফালে পোণাই ল'ব পাৰে। লাইটৰ চুইচ্‌ আসনৰ হাঁতোৰাত থাকে। বিমানখনত ফাৰ্ষ্ট ক্লাছ, এক্‌জিকিউটিভ্‌ ক্লাছ, আৰু ইকন'মি ক্লাছ—এই তিনিটা ভাগ আছে। আমি ইকন'মি ক্লাছৰ যাত্ৰী। ইকন'মি ক্লাছৰ সন্মুখৰ ভাগটো এক্‌জিকিউটিভ ক্লাছ, দুয়োটাৰ মাজত আঁৰ কাপোৰ দিয়া আছে। দেখাত দুয়োৰে মাজত বিশেষ পাৰ্থক্য নাই! সচৰাচৰ সন্মুখ ভাগত ফাৰ্ষ্ট ক্লাছৰ আসনবোৰ, তাৰ পিচত এক্‌জিকিউটিভ্‌ ক্লাছৰ আৰু শেষত ইকন'মি ক্লাছৰ আসনবোৰ থাকে। প্ৰথম দুয়ো শ্ৰেণীৰ আসনবোৰ বেছ আহল-বহল আৰু খোৱা-লোৱাৰ সা-সুবিধাও ইকন'মি ক্লাছতকৈ উচ্চমান বিশিষ্ট। বিমানত আসন গ্ৰহণ কৰাৰ পিচতেই 'পানীয়' আদি কি কি লাগে নেলাগে সেই বিষয়ে খা-খবৰ লয়। এক্‌জিকিউটিভ্‌ ক্লাছত লেখা-পঢ়া কৰাৰ সুবিধাও আছে। ইয়াৰ বাহিৰেও স্ম'কিং আৰু ননস্মকিঙৰ

বাবে সুকীয়া সুকীয়া ভাগ আছে। বিমানৰ ছিট নম্বৰ থকা বোৰ্ডিং কাৰ্ড কৰোঁতেই সেইমতে আসন দিয়ে। টিকট লোৱাৰ সময়তেই স্মকিং নে ননস্মকিং জনাব লাগে। ইকনমি ক্লাছৰ তিনিজনীয়া আসনৰ দুখন আসনৰ আমি ছিট্‌বেল্ট বান্ধি লৈ বহিলোঁ। এটা শাৰীত দহজনকৈ বহা আসনবোৰ :—বাওঁফালে তিনিজনীয়া, সোঁফালে তিনিজনীয়া আৰু মাজত চাৰিজনীয়া আসনবোৰ। মাজৰ চাৰিজনীয়া আসনৰ দুয়োকাষে অহা-যোৱা কৰিবলৈ দুটা বাট আছে—প্ৰতিটো বাট প্ৰায় তিনিফুট মান বহলৰ এয়াৰ ইণ্ডিয়াৰ বিমানৰ বাহিৰে এতিয়ালৈ আমাক কোনো বিমানত কাণত তুলা লবলৈ দিয়া নাই।

যাত্ৰাৰ আগমুহূৰ্ত্তত জৰুৰীকালীন সময়ত ল'ব-লগা সাৱধানতাৰ বিষয়ে পৰিচাৰিকাই বুজাই দিলে কেনেকৈ বহা আসনৰ তলত থকা 'লাইফ্ জেকেট' পিন্ধি বিপদৰ সময়ত সাগৰত কিছুসময় ওপঙি থাকিব পাৰি, জৰুৰী অৱস্থাত বিমান অৱতৰণ কৰিব লগা হ'লে কোনখন দুৱাৰেদি ওলাই আহিব লাগে. উশাহ-নিশাহ লোৱাত অসুবিধা হ'লে কিদৰে অক্সিজেন মুখা ব্যৱহাৰ কৰিব লাগে, ইত্যাদি। এইবোৰ দেখি শুনি মনৰ উৎফুল্লতাখিনি ক্ষন্তেকৰ বাবে হ'লেও কিছু সেমেকি গ'ল। নিৰ্দ্ধাৰিত সময়সূচী মতে ঠিক ৬ বাজি ৪০ মিনিটত আমাৰ বিমানখন ৰানওৱেত চলিবলৈ আৰম্ভ কৰিলে। ৰানওৱেদি কিছুদূৰ গতিকৰি প্ৰচণ্ড বেগত সশব্দে গতি কৰিলে আকাশ মাৰ্গলৈ—ভাব হল মাল পত্ৰৰে সৈতে চাৰিশযাত্ৰীলৈ প্ৰকাণ্ড হ'লঘৰ এটিহে যেন ক্ৰমাৎ ওপৰলৈ উঠি গৈছে। এইখিনি সময়ত মনটোক এক অনামি অস্থিৰতাই আবৰি আছে। মুখ-হাত মচিবলৈ অ'ডিকোলন সনা তিতি থকা গৰম টাৱেলবোৰ ট্ৰেখনৰ পৰা চেপেনাৰে তুলি পৰিচাৰিকাবোৰে প্ৰত্যেককে দি গল। বহা আসনবোৰো বেছ আৰামদায়ক। খিড়িকীৰে বাহিৰলৈ চাই তলত শুকুলা মেঘ-মালাৰ বাহিৰে একোৱেই চকুত নপৰিল। প্ৰত্যেকখন আসনতে একোখনকৈ খল আৰু গাৰু দি থৈছে। সন্মুখৰ বেগটোৰ পৰা মেগাজিন এখন উলিয়াই পঢ়োঁ। বুলি হাতত লৈ দেখোঁ পৰিচাৰিকাই যাত্ৰীসকলক পঢ়িবলৈ বাতৰি কাকত, বিধে

বিধে পানীয় আৰু কাজুৰ পেকেটবোৰ বিলাবলৈ ধৰিছে। জাপানী পৰিচাৰিকা কেইগৰাকীৰ ব্যৱহাৰ অত্যন্ত মধুৰ আৰু নম্ৰ। হাঁহি মুখে প্ৰত্যেকজন যাত্ৰীকে সোধ্ পোছ কৰি আছে। উন্নত নাক, বগা চেহেৰাৰ, সযতনে বান্ধি থোৱা কিচ্‌কিচিয়া ক'লা চুলিখিনিৰে প্ৰত্যেক-জনী পৰিচাৰিকাই দেখিবলৈ ধুনীয়া। ইতিমধ্যে যাত্ৰীবোৰক একাপৰ পৰা 'ডিনাৰৰ ট্ৰে'বোৰ দি গৈছে। এগৰাকী পৰিচাৰিকাক মাতি আনি ক'লোঁ-আমাক নিৰামিষ আহাৰহে দিবলৈ। তাইৰ নাম 'টমিকো'; বেছ ছুটিয়াৰ ছোৱালীজনী। কিছু সময় পিচত তাই আমাৰ ওচৰলৈ আহি এখন নিৰামিষ আৰু এখন আমিষ আহাৰৰ ডিচ্ দি বাৰে বাৰে ক্ষমা খুজিলে– ছয়োখন নিৰামিষ ডিচ্ দিব নোৱাৰাৰ বাবে। যাহওক চালাদ, চাও-চাও, বন, মাখন, জেম্, কেক্, কাষ্টাৰ্ড আদিৰে ৰাতিৰ সাজ আহাৰৰ পৰ্ব্ব শেষ কৰিলোঁ। এইবাৰ ট্ৰলিখন ঠেলি ঠেলি পৰিচাৰিকা কেইগৰাকীমানে জাপানীটি, আমেৰিকানটি বুলি মিহি মাতেৰে চাহ বিলাই ফুৰিছে। ডাঙৰ কাপত গৰম পানী দি যায়, চেনীৰ সৰু সৰু পেকেট, চাহপাতৰ পেকেট, গাখীৰৰ পেকেট আদি আগমুহূৰ্ত্তত দি যোৱা ট্ৰেখনতে থাকে। যাৰ যেনেদৰে লাগে ৰুচি অনুযায়ী মিলাই ল'ব লাগে। জাপানী চাহ সেউজীয়া, চাহত গাখীৰ নিদিয়ে, কিছুমানে চাহত নেমুটেঙাও চেপি দিয়ে। মোৰ কাষৰ আসনখনত খিড়িকীৰ কাষত বহিছে একনী বিশ, একৈশ বছৰীয়া চিংগাপুৰৰ ছোৱালী। তাই চিংগাপুৰৰ পৰা আহিছে, যাব মাৰ্কিন যুক্তৰাষ্ট্ৰৰ প্ৰশান্ত উপকূলৰ অৰেগন নামৰ ৰাজ্যখনলৈ, তাই তাৰ বিশ্ববিদ্যালয়ত মাষ্টাৰ ডিগ্ৰী কৰি আছে। ছোৱালীজনীৰ লগত কথা পাতি গম পালোঁ—ঘৰত আছে মাক-দেউতাক আৰু ভায়েক এটা। দেউতাকে ব্যৱসায় কৰে। সুধিলোঁ!—"চিংগাপুৰখন হেনো বৰ ধুনীয়া ঠাই নহয়নে?" কিয় জানো, তাই অলপপৰ একো প্ৰত্যুত্তৰ নিদি অলপ হতঃস্তত কৰি 'ইয়েচ্' বুলি লাহেকৈ শলাগিলে। নম্ৰ, মংগোলীয়া চেহেৰাৰ ছোৱালীজনীক আমাৰ অসমীয়া ছোৱালী যেনেই লাগিল। তাই 'জাপানী' খানা বাঁহৰ কাটা ছুডালেৰে তপাতপ

খাই শেষ কৰিলে। খোৱা-বোৱা শেষ হ'লত পৰিচাৰিকাই যাত্ৰীবোৰৰ প্ৰত্যেককে একোখনকৈ Migration Declaration Form দি গ'ল। তাত পাছপোৰ্ট নম্বৰ, পাছপোৰ্টখন হোৱা তাৰিখ, লক্ষ্য-স্থান, ক'ৰপৰা আহিছোঁ, লগত কি কি বস্তু আছে, ইত্যাদি লিখি দিব লাগে। ডিনাৰৰ পিচত আৰম্ভ কৰি দিলে এখন ইংৰাজী চিনেমা। বিমানখনৰ তিনিটা ভাগত প্ৰত্যেকটোতে থকা সুকীয়া সুকীয়া পৰ্দাত চিনেমা চলি আছে। চেনেল মিউজিক আৰু প্ৰদৰ্শন কৰা চিনেমাৰ কথা শুনিবৰ বাবে 'হেড্‌ফোনো' যাত্ৰীবোৰক দিছে। সকলোৱে 'হেড্‌ফোনে'ৰে চিনেমা উপভোগ কৰিছে। হেড্‌ফোনৰ সংযোগ বহি থকা আসনৰ হাঁতোৰাত লগোৱা থাকে। কোনোবাই চিনেমা নেচাই শুব খুজিলেও একো অসুবিধা নহয়। হেড্‌ফোন গুচালে চিনেমাখনৰ কোনো শব্দই আহি কাণত নপৰে, নিৰ্ব্বাক চিনেমাৰ দৰে কেৱল চাই থাকিব পাৰি।

বিমানখনৰ টয়লেট বা ৰেষ্টৰুমৰ ব্যৱস্থাও অতি সুন্দৰ, তাত টয়লেটৰ সকলো লায়ুত্তিয়াল বস্তু সুন্দৰকৈ সজোৱা থাকে। হাতোৰা এডালত টিপা মাৰিলে চাবোনৰ পানীও ওলায়। টয়লেটত সোমাই দুৱাৰৰ ওপৰত থকা হুকডাল বন্ধ কৰি দিলে টয়লেটৰ ভিতৰত লাইট জ্বলি উঠে আৰু দুৱাৰৰ বাহিৰ ফালে Lavatory Occupied লিখা লাইট জ্বলি উঠে ; ফলত ভিতৰত যে কোনোবা আছে সেইটো প্ৰমাণিত হৈ পৰে। আকৌ টয়লেটৰ পৰা ওলাই আহিলে দুৱাৰখনৰ বাহিৰফালে Lavatoıy Vacant লিখা লাইট জ্বলি উঠে ; ফলত ভিতৰত কোনো নথকাকে বুজায়। যেতিয়া টয়লেটৰ সন্মুখত বহুত মানুহ ৰৈ থাকে তেতিয়া Lavatory Occupied এই কথাষাৰ সকলোৱে দেখাকৈ ওপৰৰ লাইট জ্বলি উঠে। কিবা নাজানিলে পৰিচাৰিকাই তৎক্ষণাৎ বুজাই দিয়ে। জাপানী পৰিচাৰিকা কেইগৰাকীৰ মাৰ্জিত, নম্ৰ ব্যৱহাৰ দেখি মুগ্ধ হৈছিলোঁ। তেওঁলোকে প্ৰতিজন আৰোহীৰ প্ৰতি চকু ৰাখিছে আৰু যাৱতীয় সা-সুবিধাবোৰৰ ব্যৱস্থা মিঠা মাতেৰে কৰি দিছে। এগৰাকী বৃদ্ধাক টয়লেটলৈ যাবৰ সময়ত

ছুগবাকী পৰিচাৰিকাই আলফুলকৈ ধৰি নিয়াও দেখিলোঁ। । প্ৰত্যেকখন আসনৰ ওপৰত পৰিচাৰিকাক মাতিবলৈ 'বেল' এটা থাকে । চিনেমা-খন শেষ হলত পৰিচাৰিকাই খিড়িকীৰ ঢাকনীবোৰ নমাই উজ্জ্বল লাইটবোৰ নুমুৱাই দি কম পোহৰৰ লাইট জ্বলাই দিলে । বহা আসনখনৰ হাতোৰাত থকা বুটাম টিপি অলপ হেচি দি হেলনীয়াকৈ ল'লোঁ। । আসনৰ লগতে থকা বগা কোমল শলখন গাতলৈ টোপনি যাবলৈ চেষ্টা কৰিলোঁ। । ক্ৰমে নিশা গভীৰ হৈ আহিল । নিশাৰ অন্ধকাৰ ভেদ কৰি বিমান প্ৰশান্ত মহাসাগৰৰ ৩৯,০০০ ফুট ওপৰেদি প্ৰচণ্ড বেগত পুব দিশলৈ হোঁ-হো শব্দেৰে গতি কৰি আছে । কিছু সংখ্যক যাত্ৰীগভীৰ নিদ্ৰাত লালকাল দিছে । বিমান যাত্ৰী সকলক টোপনি অহাৰ সকলো আয়োজন কৰি দি পৰিচাৰিকা সকলেও নিজৰ নিজৰ আসনত বহি জিৰণি লৈছে । মোৰ মাজে মাজে চিল্‌মিল্‌কৈ টোপনি আহিছে । মাজে মাজে সাৰ পাই দেখোঁ চিংগাপুৰৰ যুৱতী জনীয়ে খিড়িকীৰ ঢাকনীখন অলপ অলপ কৈ দাঙি বাহিৰলৈ চাইছে । মোৰ হাতৰ ঘড়ীটোলৈ চাই দেখো- তেতিয়া নিশা বাৰ বাজিছে । তাইনো ইমানকৈ কি চাইছে বুলি ময়ো এবাৰ খিড়িকীৰ ঢাকনীখন দাঙি বাহিৰলৈ চাই তলৰ পৃথিবীত পোহৰৰ আভাস দেখা পাই আচৰিত হৈ ছোৱালীজনীক সুধিলোঁ,—"তলত সেয়া কিহৰ পোহৰ ?" তাই ক'লে -"It is dawn" তলত সুদূৰ প্ৰান্তলৈ বিয়পি আছে দোকমোকালিৰ কাহিলি কাহিলি পোহৰবোৰ । মায়াবিনী ৰহস্যপূৰ্ণ এগৰাকী নাৰীৰ দৰে এয়া দেখোন অচিনাকী পুৱতি । আমি প্ৰশান্ত মহাসাগৰৰ ওপৰেদি কল্পনা কৰা আন্তৰ্জাতিক তাৰিখ দেখা (International Date Line) পাৰ হৈ অহাৰ লগে লগে এটা দিন পিচুৱাই আহিলোঁ। । ইযাত এতিয়াহে ২১ আগষ্টৰ ৰাতিপুৱা হ'বলৈ আৰম্ভ কৰিছে । কিছুসময় পিচত আকৌ এবাৰ খিড়িকীৰ ঢাকনী খুলি তললৈ চাই দেখিলোঁ। দিনৰ উজ্জ্বল পোহৰে দশোদিশ আৱৰি ধৰিছে। ঘড়ীৰ সময় তেতিয়া নিশা তিনি বাজিছে । মোৰ বাবে এয়া অতি বিস্ময়জনক অভিজ্ঞতা । ছুচকুত টোপনিৰ আমেজ সানি এইমাত্ৰ

প'টেজ গ্লেচিয়াৰ (আলাস্কা)



আলাস্কাৰ "লেকহৃদ" বিমানবন্দৰ।

সাৰ পাই উঠা এয়া যেন অচিনাকী কুমাৰী পৃথিৱী। আমাৰ এই যাত্ৰা পূবমুখী হোৱা বাবে আৰু সমানে সমানে পৃথিৱীৰ গতিও পশ্চিমৰ পৰা পূবলৈ আছিল বাবে পূবৰ ঠাইবোৰ অতিক্ৰম কৰি সূৰ্য্যৰ ৰশ্মি পশ্চিমৰ ঠাইবোৰত পাবলৈ আৰম্ভ কৰিছিল। সেয়ে সূৰ্য্যৰ পোহৰ সোনকালে আঁতৰি গৈ দিন হোৱা যেন লাগিল।

দোকমোকালিৰ লগে লগে পৰিচাৰিকা কেইগৰাকীৰ ব্যস্ততা আৰম্ভ হ'ল। কম পোহৰৰ লাইটৰ সলনি বেচি পোহৰৰ লাইটবোৰ জ্বলাই দি গৰম তিতি থকা সৰু টাৱেল একোখন মুখ হাত মচিবলৈ প্ৰত্যেককে দি গ'ল। লগে লগে আহিল এপ্‌ল্‌ জুচ অৰেঞ্জ জুচ আদিত বৰফৰ টুকুৰা দিয়া বিভিন্ন পানীয়। আমি কি পানীয় পছন্দ কৰোঁ বুলি পৰিচাৰিকাবোৰে সুধিলে আমি পিছে সদায় বৰফ নথকা 'এপ্‌ল্‌ জুচ্‌' দিবলৈ কওঁ। তাৰ পাচত আহিল গৰম গৰম চাহ, কফি, জাপানী চাহ, আমেৰিকান চাহৰ সৈতে পেট ভৰি যোৱা জলপান। আমি ক্ৰমে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ওচৰ চাপি আহিছোঁ। স্পিকাৰত ঘোষণা কৰা শুনিলোঁ—আমি আধাঘণ্টাৰ পিচতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ পশ্চিম উপকূলস্থ চিয়াট্‌ল্‌ চহৰৰ বিমান বন্দৰত উপস্থিত হ'ম গৈ। কিছু সময়ৰ পিচত লাহে লাহে বিমানখনে গতি কমাই দি তললৈ নামিবলৈ ধৰিলে। বহা আসনৰ সন্মুখৰ ওপৰত থকা Faster your Seat belt আৰু No Smoking লাইট কেইটা আকৌ জ্বলি উঠিল। আবেলি ৩ বাজি ১৫ মিনিটত আমাৰ বিমান চয়াটল আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত অৱতৰণ কৰিলে। চিয়াট্‌লৰ সময় তেতিয়া ৩১ আগষ্টৰ দুপৰীয়া বাৰ বাজি তিনি মিনিট। যুক্তৰাষ্ট্ৰৰ উত্তৰ পশ্চিমে প্ৰশান্ত মহাসাগৰৰ পাৰৰ ওৱাশ্বিংটন ৰাজ্যত চিয়াট্‌ল্‌ নামৰ সুন্দৰ মহানগৰৰ কাষতেই এই বিমান বন্দৰ। সুদীৰ্ঘ এক বিমান যাত্ৰাৰ অন্ত পৰিল। নতুন দেশ, নতুন ঠাই, বিচিত্ৰ জীৱন দেখাৰ আশাত মন ৰোমাঞ্চিত হৈ পৰিল। হাতত বেগ দুটালৈ বিমানৰ পৰা নামি অহাৰ সময়ত দুৱাৰ মুখত থকা পৰিচাৰিকা টছি-কোৰ পৰা বিদায় লৈ ওলাই আহোঁতে তাই ৩৫০ জন যাত্ৰীৰ ভিৰৰ

মাজতো ব্যস্তভাবে মুখ উলিয়াই নম্র ভাবে অনুৰোধ কৰি আমাক ক'বলৈ নাপাহৰিলে এইবাৰ খোৱাৰ বিষয়ে আগতীয়াকৈ যাতে বিমান বন্দৰতেই কৈ থওঁ।

বিমানৰ পৰা নামি সুকোমল কাৰ্পেটেৰে আমৰা সুন্দৰ 'এয়াৰ ব্ৰিজ'ৰ মাজেৰে খোজকাঢ়ি আহি টাৰ্মিনেল ভৱনৰ তুমহলাত থকা "জাপান এয়াৰ লাইনচ্'ৰ জিৰণি কোঠা পালোঁহি। যন্ত্ৰচালিত ৰাহনত বয়বস্তুবোৰ আহি আমাৰ ওচৰ পালে। আমি আমাৰ বাকচ দুটা উঠাই লৈ 'ইমিগ্ৰেচন কাউণ্টাৰলৈ গ'লোঁ। তাত আমাৰ পাছপোৰ্ট, ভিছা আদি পৰীক্ষা কৰিলে। এইবাৰ গ'লো কাষ্টমচ্ কাউণ্টাৰলৈ। বৰ সুখৰ কথা যে তাত থকা ওখ-পাখ আমেৰিকান ভদ্ৰলোকজনে আমাৰ কোনো বস্তুৰেই পৰীক্ষা-নিৰীক্ষা নকৰি মোৰ স্বামীক কি কাম কৰে, ক্লাব ঘৰলৈ আহিছোঁ, আমেৰিকাত কিমান দিন থাকিম ইত্যাদি কেইটামান প্ৰশ্ন কৰি আমাক 'গ্ৰীণ চেনেলেদি যাবলৈ ক'লে। বিদেশত দেখিছোঁ ইমিগ্ৰেচনত সেই দেশত কিমান দিন থাকিব এই প্ৰশ্নটোত প্ৰধানকৈ গুৰুত্ব দিয়ে। জাপান হংকং আদিতো আমাক এই প্ৰশ্ন কৰিছিল। আমি এইবাৰ Delta Airlines ৰ বিমানেৰে আলাস্কা ৰাজ্যৰ এঙ্কোৰেজলৈ যাব লাগিব। এই বিমানৰ টিকট কলিকতাতে ক্ৰি আনিছোঁ। 'লাগেজ বুকিং কাউণ্টাৰলৈ গৈ শাৰীত থিয় হলোঁগৈ। কাউণ্টাৰত আছে এজনী ধুনীয়া আমেৰিকান ছোৱালী। আমাৰ পাল পৰাত টিকট আদি চাই ক'লে— এঙ্কোৰেজলৈ আজি মাত্ৰ এখনহে বিমান আছে। এইটোৱেই 'Last Flight'— এই বুলি খৰধৰ লগাই দিলে। কিন্তু বৰ কম সময়ৰ ভিতৰতে বিমান সলাব লগা হোৱা বাবে আমি যাব লগা Delta Airlines ৰ বিমানখন কিছু সময় আগতেই গুচি গ'ল। ছোৱালীজনীয়ে ব্যগ্ৰভাবে ফোনটো দাঙি খা-খবৰ কৰি আমাৰ Delta Airlines টিকট দুখন ৰাখি আমাক North West Airlines ৰ বিমানেৰে যোৱাৰ ব্যৱস্থা তৎক্ষণাৎ ক'ৰি দিলে। আমিও তেওঁৰ নিৰ্দ্দেশ মতে North West Airlinesৰ কাউণ্টাৰ বিচাৰি গৈ আমাৰ টিকট দুটা O,K কৰি বোৰ্ডিং পাছ

তুখন হাতত লৈ North West Airlines ৰ লাউঞ্জত আহি বহিলোঁ। বিশাল আকাৰৰ টাৰ্মিনেল ভৱনৰ ভিতৰতেই সকলো অফিচ আছে। বিমান সলনি কৰি আন বিমানত যাব লগীয়া হ'লে টাৰ্মিনেল ভৱনৰ বাহিৰলৈ ওলাই নহাকৈয়ে তাৰ ভিতৰতে কামবোৰ কৰিব পাৰি। সুশৃংখলিত ভাবে সকলো সাজু হৈয়েই থাকে। বিমান বন্দৰৰ কেইবা-জনো লোকে আমাক এই ফ্লাইটটো ধৰিবলৈ যথেষ্ট সহায় কৰিদিলে। তেওঁলোকৰ কৰ্ম-তৎপৰতা, ভদ্ৰতা আৰু সহানুভূতিশীল মনোভাব দেখি মুগ্ধ হলোঁ। তেতিয়া বিমানখন যাবলৈ প্ৰায় সাজুহৈ আছিল; সময় বৰ মুৰামুৰি হোৱা বাবে আমি আগতে ভবামতে এঙ্কোৰেজলৈ টেলিফোন কৰিব নোৱাৰিলোঁ। তাত থকা আমাৰ আত্মীয়ই চিঠিৰে আগতে জনাইছিল যাতে চিয়াটুলৰ পৰা তেওঁলোকলৈ 'Collect Call' এটা কৰোঁ। 'Collect Call' ৰ অৰ্থ এয়ে যে যালৈ ফোন কৰা হয়, তেওঁৱেই বিলখন পৰিশোধ কৰিব।

প্ৰকৃতিৰ ৰম্যভূমি আলাস্কা

দুপৰীয়া এক বাজি পাঁচ মিনিটত চিয়াটুল বিমান বন্দৰৰ পৰা এঙ্কোৰেজলৈ আভ্যন্তৰিণ পৰিবহনৰ সৰু বিমানখন উৰা মাৰিলে। চাৰে তিনিঘণ্টাৰ মূৰত আলাস্কা ৰাজ্যৰ এঙ্কোৰেজ বিমান বন্দৰ পামগৈ। আন্তঃৰাষ্ট্ৰীয় ডাঙৰ ডাঙৰ বিমানৰ তুলনাত এই বিমানখন বেচ সৰু। বিমানখনৰ সকলোবোৰ আসন যাত্ৰীৰে পৰিপূৰ্ণ। আমি একেবাৰে শেষৰ ফালৰ আসনত বহি চিটবেল্ট মাৰিলৈ দীঘলকৈ উশাহ এটা লৈ ভাবিছোঁ চাৰে তিনি ঘণ্টা পাছতেই আমি আমাৰ গন্তব্যস্থান পামগৈ। গৌড়বৰ্ণা জাপানী পৰিচাৰিকা কেইগৰাকীৰ সযতনে বান্ধি থোৱা কিচ কিচীয়া চুলি আৰু পৰিপাটি সাজৰ সলনি এইবাৰ জপঁৰা চুলিৰে আমেৰিকান বিমান পৰিচাৰিকাই প্ৰত্যেকজন যাত্ৰীলৈ আগ-বঢ়ালে গৰম গৰম চাহ, কফি, জা-জলপান, ফলৰস, কাজু বাদাম আদি।

বিমান সশব্দে গতি কৰিছে উত্তৰৰ 'আলাস্কা' ৰাজ্যলৈ। এইখনেই যুক্তৰাষ্ট্ৰৰ সৰ্ব্ববৃহৎ ৰাজ্য। যুক্তৰাষ্ট্ৰৰ প্ৰত্যেকখন ৰাজ্যৰে একোটাকৈ উপকল্প নাম আছে। 'আলাস্কা' ৰাজ্যক Last Frontier বুলি কোৱা হয়। এই ৰাজ্য উত্তৰ আমেৰিকাৰ উত্তৰ পশ্চিম কোণত অবস্থিত। ই আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৪৯ নং ৰাজ্য। ই আগেয়ে ৰুছ সাম্রাজ্যৰ শাসনাধীন আছিল। ডেনমাৰ্কৰ ভিটাচ, জোহাচেন বেৰিঙৰ নেতৃত্বত ৰুছ আৱিষ্কাৰকৰ দল এচিয়া আৰু উত্তৰ আমেৰিকা সংযোজিত হয় নে নহয় এই বিষয়ে অনুসন্ধান কৰিবলৈ জাহাজেৰে গৈছিল। বেৰিঙে ১৭৩২ ইং চনত আলাস্কা আৱিষ্কাৰ কৰে আৰু সেই ঠাইৰ নাম দিলে—'ৰাছিয়ান আমেৰিকা'। তাতেই জাহাজ ডুবি বেৰিঙৰ মৃত্যু হয়। তেওঁৰ নাম অনুসৰি বেৰিং প্ৰণালী নাম দিয়া হয়। এচিয়া আৰু উত্তৰ আমেৰিকাক বেৰিং প্ৰণালীয়ে পৃথক কৰিছে। ক্ৰমান্বয়ে আলাস্কাত ৰাছিয়ান উপনিবেশ গঢ়ি উঠিল। ১৮৫৪ ইং চনৰ ক্ৰিমিয়া যুদ্ধৰ পিচত ৰুছিয়াই 'আলাস্কা' বিক্ৰি কৰাটো ঠিক কৰি আমেৰিকাক প্ৰস্তাৱ দিলে। ১৮৬৮ ইং চনত ৰুছিয়াৰ জাৰ দ্বিতীয় আলেকজেণ্ডাৰে বাসত্তৰ লাখ ডলাৰত আলাস্কাখন আমেৰিকাক বিক্ৰী কৰে। তাৰ পিচতো বহুত দিনলৈ 'আলাস্কা' অনাদৃত ভাবে পৰি আছিল। ১৮৯৬ ইং চনত আলাস্কাৰ পূব সীমান্ত ইউকন উপনৈত যথেষ্ট পৰিমাণে সোণ চেকুৰা ওলোৱা বাতৰিয়ে গোটেই মহাদেশতে চাঞ্চল্যৰ সৃষ্টি কৰিলে। এই উপনৈৰ বালিত ইমান বেছি পৰিমাণে সোণৰ চেকুৰা আছিল যে তাৰ মানুহবোৰে থৰাহি বা আন তেনে পাত্ৰৰে অতি সহজতে নৈৰ বালিৰ পৰা সোণ উলিয়াব পাৰিছিল। ১৮৪৯ ইং চনত কালিফোৰ্ণিয়াত সোণ আৱিষ্কাৰ হওঁতে তাত যিদৰে মানুহৰ ভিৰ হৈছিল ঠিক তেনেদৰে ইয়াতো সোণ বুটলিবলৈ অহা মানুহৰ যথেষ্ট ভিৰ হৈছিল। আলাস্কাৰ দক্ষিণ পূব অঞ্চলত উদ্ঘাটন হোৱা সোণৰখনিতো যথেষ্ট পৰিমাণে সোণ পোৱা গৈছিল। এই অঞ্চলতে বৰ্ত্তমান আলাস্কাৰ ৰাজধানী জুনো (Juneau) অৱস্থিত। কেইবছৰমান পিচত সোণৰ ভিৰ কমি অহাত এইবাৰ

আলাস্কাৰ খনিজ আৰু বনজ সম্পদবোৰ মানুহৰ দৃষ্টিগোচৰ হ'ল। যি সকলে সোণ বুটলিবলৈ আহিছিল তাৰে প্ৰায় ভাগেই চেমঅ'ন মাছ আৰু জন্তুৰ নোমৰ ব্যৱসায়ত হাত দিলে। মাছ ধৰাটো ইয়াৰ এটা প্ৰধান উদ্যোগ। ইয়াত প্ৰচুৰ চেম্‌অ'ন মাছ ধৰা হয় আৰু টিনত ভৰাই আন ঠাইলৈ চালান দিয়া হয়। ১৯৫৯ চনত আলাস্কাক আমেৰিকা যুক্তৰাষ্ট্ৰৰ সংবিধানৰ অন্তৰ্ভুক্ত কৰি ৪৯ তম্‌ ৰাজ্য হিচাবে গ্ৰহণ কৰে। সৰুতে ভূগোলত পঢ়িছিলোঁ— আলাস্কাত ছমাহ দিন আৰু ছমাহ ৰাতি হয়: কেওদিশে বৰফ আবৰি থাকে। এস্কিমো বিলাকে তাত বৰফৰ ঘৰ সাজি বাস কৰে আৰু কুকুৰে টনা 'শ্লেজ' গাড়ী ব্যৱহাৰ কৰে। তেনে এখন বিস্ময়কৰ ৰাজ্য চাবলৈ উদগ্ৰীৱ হৈ পৰিছিলোঁ। এনেতে বিমানত ঘোষণা কৰা শুনিলোঁ— দহ মিনিট পিচতেই আমি এঙ্কোৰেজ পামগৈ। বিমানখন ক্ৰমান্বয়ে তললৈ নামিবলৈ ধৰিলে। তলৰ মাটি স্পষ্টভাবে আমাৰ চকুত ধৰা দিছে। বিমানখন অৱতৰণ কৰাৰ কিছু আগৰে পৰা নিচেই তলেৰে উৰি আহিছে। তলত দেখিলোঁ এক বিস্তীৰ্ণ মুকলি অঞ্চল। গছ-গছনি একেবাৰেই চকুত পৰা নাই। তললৈ চায়েই অনুমাণ কৰিব পাৰি যে—আমি পৃথিৱীৰ এক অন্য প্ৰান্তত উপস্থিত হৈছোঁহি। অধীৰ উৎকণ্ঠাৰে অচিনাকি এই বিশাল মহাদেশৰ সীমান্তৰ এমূৰীয়া ৰাজ্য-খনৰ মাটিত ভৰি দিবলৈ মনটো উচ্‌পিচ্‌ কৰিছে। তিনি ঘণ্টা বিশ মিনিট উৰণৰ পিচত বিমানখনে 'এঙ্কোৰেজৰ' আভ্যন্তৰীণ বিমান বন্দৰত এটা মৃদু জোকাৰণি তুলি ভূমি স্পৰ্শ কৰিলে। কিছুদিনলৈ আমাৰো দীঘলীয়া বিমান যাত্ৰাৰ বিৰতি হ'ল। আমি এতিয়া আমেৰিকাৰ মাটিত। মোৰ ঘড়ীত সময় চিয়াট্‌ল্‌ৰ সময়ানুসৰি ৪ বাজি ৩৫ মিনিট। আনহাতে আলাস্কাৰ সময় তেতিয়া পাঁচ বাজি পয়ত্ৰিশ মিনিট।

বিমানৰ পৰা নামি অহাৰ লগে লগে মোৰ স্বামীয়ে কলে তেওঁ-লোকে যদি আমাৰ Cable পাইছে এয়াৰ পোৰ্টলৈ নাহিব নে? মই হাঁহি হাঁহি প্ৰত্যুত্তৰত ক'লো—নাহিলেও ক্ষতি নাই, ইয়াততো এতিয়া সোনকালে ৰাতি নহয়েই, বেচি ভাগ সময় দিনেই হৈ থাকে—গতিকে

কোনো ভয়ো নাই। তেনেকৈ ক'লো যদিও বিদেশৰ অচিনাকি ঠাইখনত বিমানৰ পৰা নামি আপোনজনৰ মুখ দেখিবলৈ মন ব্যাকুল হৈ আছে। বিমানৰ পৰা খৰধৰকৈ নামি লাউঞ্জ পালোঁহি। বিমান বন্দৰৰ কেওদিশে মুকলি পৰিবেশ। আবেলিৰ কোমল ৰ'দ জাকে চাৰিওফালে আৱৰি আছে। আমাক আগবঢ়াই নিবলৈ কোনোৱা নিশ্চয় আহিছে বুলি ইফালে-সিফালে চালোঁ। অনুসন্ধিৎসুতাৰে চাই কিন্তু কাকো নেদেখিলোঁ। ভাবিলোঁ বিশেষ কাৰণত চাঁগে ঠিক সময়ত আহিব পৰা নাই; হয়তো এতিয়াই আহি পাবহি। লাউঞ্জত অলপ সময় অপেক্ষা কৰি নিশ্চিত হলোঁ ক'ৰবাত কিবা বেমেজালি হৈছে। আমাৰ সহযাত্ৰী সকলৰ কিছুমান ততাতৈয়াকৈ দিহাদিহি গ'ল। কিছুমানে পৰিষ্কাৰ চিক্‌চিকীয়া প্ৰশস্ত সুদৃশ্য লাউঞ্জৰ চোফাত বহি বন্ধু-বান্ধৱীৰ সৈতে কথা-বতৰা পতাত ব্যস্ত। কিছুসময় ইফালে-সিফালে চাই কাষতে থকা অটোমেটিক টেলিফোনটো দেখি ফোন এটা কৰোঁ বুলি বেগৰ পৰা নোটবুকখন উলিয়াই ফোন নম্বৰটো চাই ওচৰ চাপি গম পালোঁ তাৰ এটা ফুটাৰে পোষ্কৰ চেণ্ট সুমুৱাই দিলেহে ডায়েল ঘূৰাব পাৰি। আমাক নতুনকৈ অহা বুলি গম পাই আমাৰ সৈতে একেখন বিমানতে চিয়াটল্‌ৰ পৰা অহা ওখ-পাখ, বগা-বগা ধুনীয়া চেহেৰাৰ চাৰি গৰাকী পুৰুষ মহিলাই উপযাচি আমাক সহায় কৰিবলৈ আগবাঢ়ি আহিল। ইফালে আমাৰ হাতত আমেৰিকান ডলাৰৰ বাহিৰে চেণ্ট এটিও নাই। স্বামীয়ে লৰালৰিকৈ টাৰ্মিনেল ভৱনৰ ভিতৰতে থকা কিতাপ আৰু বাতৰি কাকতৰ দোকানত ডলাৰ ভঙাবলৈ গ'ল। তাত ভঙনীয়া বিচাৰোঁতে দিব নোৱাৰোঁ বুলি ক'লে; কাৰণ ক্ৰেতাই কিবা কিনিলে মূল্যটো ফুটা এটাৰে ভৰাই দিব লাগে। বস্তুৰ মূল্যটো জমা হৈ বাকী পইচাখিনি আপোনা-আপুনি ওলাই আহে। তেওঁ বাতৰি কাকত এখনকে কিনি ভঙনীয়া পইচা লৈ আহিল। এতিয়া বুজিছোঁ ভ্ৰমণৰ সময়ত হাতত ভঙনীয়া পইচা থকাটো একান্ত আৱশ্যক। ইফালে আমেৰিকান মহিলা এগৰাকীয়ে তেওঁৰ পৰা পোষ্কৰ চেণ্ট ফুটাটোৰে সুমুৱাই দি ডায়েল ঘূৰাই

ৰিটিভাৰটো দাঙি গম পালেযে ঘৰত কোনো নাই। তেওঁ আমাক ক'লে, মেচেজটো অৰ্থাৎ কবলগীয়াখিনি কওক, 'ঘৰত মানুহ নাই।' এতিয়াহে বিপদত পৰিলোঁ। মানুহেই যদি ঘৰত নাই, আমি কোৱা কথাখিনি কোনেনো শুনিব ? ইয়াৰ অফিচ, দোকান-বজাৰৰ কাম-কাজ, ঘৰুৱা কাম-বন সকলো মেচিনৰ দ্বাৰাই কৰে বুলি শুনিছো। যদিও ফোনৰ সৈতে সংযুক্ত এনচাৰিং মেচিনৰ কথা আমি তেতিয়াও একো গম পোৱা নাছিলোঁ। মহিলা গৰাকীয়ে ফোনত ক'লে,— Mrs Phukan's uncle and Aunt are waiting here at airport, Please come and pick them up." আমাৰ এখেতেও ফোনত দুআষাৰ কথা ক'লে। ইয়াত মানুহে ঘৰৰ বাহিৰলৈ গ'লে ফোনৰ সৈতে সংযুক্ত এনছাৰিং মেচিনটো 'অন্' কৰি থৈ যায়। পিচত ঘৰলৈ উভতি আহি কোনোবাই তেওঁলোক নাথাকোঁতে কোৱা কথাখিনি শুনিব পাৰে। আমেৰিকান মহিলা কেইগৰাকী আমাৰ সৈতে হাঁহি-মাতি বহুত সময় এনেকৈ আছিল, যেন তেওঁলোক আমাৰ বহুদিনৰ চিনাকিহে। তেওঁলোকে মাথো সৌজন্যৰ কাৰণে এইদৰে সময় ক্ষতি কৰি আমাক উপযাচি সহায় কৰিলে মনে মনে ভাবিলোঁ,—এয়া হয়তো আমেৰিকান সকলৰ আতিথ্য আৰু মুকলি মুৰীয়া ৰঙীয়াল স্বভাৱৰ প্ৰথম নমুনা। তেওঁলোক হেনো পোন প্ৰথমবাৰৰ বাবে এই চহৰলৈ আহিছে। ধন্যবাদেৰে তেওঁলোকক বিদায় দিলোঁ।

ফোনৰ পৰ্ব্ব সিমানতে শেষ কৰি দুহাতত হেণ্ডবেগ্ আৰু আমেৰিকান বাতৰি কাকতৰ শকত টোপোলাটো লৈ আমাৰ লাগেজবোৰ লবলৈ 'এক্‌চিলেটৰেৰে' তলৰ মহলালৈ আমি আহিলোঁ। তিনি মহলীয়া ডাঙৰ টাৰ্মিনেল ভৱন। স্বয়ংক্ৰিয় লাগেজ কেৰিয়াৰত লাগেজ্‌বোৰ আহি আছে। সেইটো নম্বৰত লাগেজবোৰ অহা শেষ হোৱাত দেখোঁ আমাৰ চুট্‌কেচ্ দুটা অহা নাই। লগে লগে টাৰ্মিনেল ভৱনৰ ভিতৰতে থকা North West Air Lines ৰ অফিচলৈ গৈ আমাৰ চুট্‌কেচ্ দুটা আহি নোপোৱা কথাটো জনালোঁ। তাত থকা কৰ্ম্ম-চাৰীজনে তৎক্ষণাৎ আমাৰ নাম, ঠিকনা, টেলিফোন নম্বৰ, চুট্‌কেচৰ ৰং,

আকাৰ আদি সকলো কথা লিখি ল'লে। পিচদিনা ৰাতিপুৱা ন-বজাৰ আগে আগে চুটকেচ দুটা বিচাৰি দিব বুলি নিশ্চয়কৈ ক'লে; ফোন কৰি জনাব বুলিও ক'লে। মানুহজনে আমাক যথেষ্ট সহানুভূতি দেখুৱাইছিল। ৰাতিটোৰ বাবে পিন্ধা কাপোৰ-কানি আছেনে নাই তাৰো বুজ লৈছিল। তাৰ পৰা ওলাই আহি দেখোঁ, আন এটা স্বয়ং ক্ৰিয় লাগেজ কেৰিয়াৰত আমাৰ চুটকেচ্ দুটা আহি আছে। সেই দুটা তুলিলৈ পুণৰ অফিচলৈ গৈ চুটকেচ্ দুটা পোৱা কথাটো জনাই আহিলোঁ।

বিমান বন্দৰৰ পৰা আমাৰ ভতিজা জী-জোঁৱাইৰ ঘৰলৈ টেক্সিৰে যোৱাটোকে ঠিক কৰি বাহিৰলৈ আহিলোঁ। ভতিজা জোঁৱাই ডঃ অৰবিন্দ তামুলীফুকন আলাস্কাৰ এঙ্কোৰেজ বিশ্ববিদ্যালয়ত চিভিল ইঞ্জিনিয়াৰিং বিভাগৰ অধ্যাপক। এজন কৃষ্ণাংগ যুবকে বস্তুখিনি বাহিৰলৈ অনাত সহায় কৰিলে। তেওঁ টিপ্ বুলি কৈ বক্চিচ্ খোজাত স্বামীয়ে পঁচিশ চেণ্টৰ মুদ্ৰা এটা দিওঁতে কম হোৱা বুলি নল'লে। "Thank you for your help" বুলি স্বামীয়ে কোৱাত মূৰ দুপিয়াই হাঁহি মাৰি ভবনৰ বাহিৰলৈ গুচি গ'ল।

শীত-তাপ নিয়ন্ত্ৰিত সুদৃশ্য গাড়ীৰ ভিতৰত বাজি আছে পশ্চিমীয়া সংগীতৰ সুৰ। ড্ৰাইভাৰজনক আমি যাবলগীয়া এঙ্কোৰেজ চহৰৰ নিৰ্দ্দিষ্ট গন্তব্যস্থানৰ নাম আৰু ঘৰৰ নম্বৰটো কলোঁ। লগে লগে মিহি আহল-বহল ৰাজপথেদি গাড়ী দ্ৰুতগতিত ধাৱমান হ'ল। কিছুদূৰ যোৱাৰ পিচত চালকজনক আকৌ এবাৰ ঠাইখিনিৰ নামটো মনত পেলাই দিলোঁ। তেওঁ মুখেৰে একো এটা শব্দ নকৰি গাড়ী দুৰন্ত-গতিত চলাই লৈ গৈ আছে। এঙ্কোৰেজ চহৰৰ Fox hall drive নামৰ অঞ্চললৈ কিমান দূৰ আমি একো ধাৰণা কৰিব পৰা নাই। তেতিয়াও এঙ্কোৰেজৰ বাজ আলিৰ দুয়ো কাষৰ শ্যামলা বননি, দূৰৈৰ পাহাৰ আৰু আকাশ জুৰি আবেলিৰ কোমল মিঠা এচেৰেঙা ৰ'দ জিল-মিলাই আছে। প্ৰায় পোন্ধৰ মিনিট যোৱাৰ পিচত আলিৰ দাঁতিত 'Fox hall drive' নামটো চাইনবোৰ্ডত দেখি মনটো উৎফুল্লিত



টুমৰোলেণ্ডৰ একাংশ।

এপক'ট চেন্টাৰৰ স্পেচ্‌শ্বিপ্ আৰ্থ, ডিজনীলেণ্ড।

হৈ পৰিল। বাজ আলিৰ পৰা গাড়ীখন এইবাৰ আবাসিক অঞ্চলৰ ভিতৰলৈ চলাই নিলে। যুৱকজন সুদক্ষ গাড়ীচালক। একেকোবেই ওকে ধৰণৰ শাৰী শাৰী আবাসিক গৃহবোৰৰ মাজৰ ঠিক ২২৮১ নং ঘৰটোৰ সম্মুখৰ চোতালত গাড়ী তৎক্ষণাৎ ৰখাই দিলে। কাষৰ ঘৰটোৰ সম্মুখত কেইটামান সৰু ল'ৰাই কিবা খেলি আছে। তাৰে এটা দীপালীহঁতৰ সৰু ল'ৰা 'নীল' যেন অনুমান হ'ল। আমাক গাড়ীৰ পৰা নমা দেখি সি তৎক্ষণাৎ দৌৰ মাৰি ঘৰৰ ভিতৰলৈ গৈ মাকক খবৰ দিলেগৈ। দীপালীয়ে বিমান বন্দৰলৈ ফোন কৰি আছিল। তেওঁ বাহিৰলৈ বেগেৰে আহি উল্লাসেৰে মোক সাৱতি ধৰি আথে-বেথে আমাক ভিতৰলৈ লৈ গ'ল। তেওঁক দেখি আমাৰ মন অবুজ আনন্দই ভৰাই তুলিলে। তেয়ো আমাক পাই আনন্দত অধীৰ হৈ পৰিল। লৰাধপৰাকৈ কৰা তেওঁৰ আতিথ্যই আমাৰ যাত্ৰাৰ ক্লান্তি পলকতে আঁতৰাই পেলালে। দীপালীৰ মুখত শুনিলোঁ, আমাৰ চিঠিৰ পৰা তেওঁ আমি অহা সময়, ফ্লাইট নম্বৰ আদি গম পাই সেই হিচাপে দুদিনো বিমান বন্দৰলৈ গৈ আমাক লগ নেপাই উভতি আহিছে। গতিকে তাৰেই জাপান এয়াৰ লাইনচ্‌ৰ অফিচলৈ ফোন কৰাত তেওঁলোকে কম্পিউটৰত চাই আমি চিঠিত লিখা মতে ভাৰতৰ পৰা যাত্ৰা কৰা নাই আৰু আমি 'ডেল্টা এয়াৰ লাইনচ'ৰ কোনটো ফ্লাইটত চিয়াটলৰ পৰা এঙ্কোৰেজলৈ আহিম তাৰ খবৰ দিলে। আজি দীপালীয়ে বিমান বন্দৰলৈ গৈ ডেল্টা এয়াৰ লাইনচ্‌ৰ ফ্লাইটটোত আমাক নাপাই ঘৰলৈ উভতি আহি চিয়াটলত থকা 'ডেল্টা এয়াৰ-লাইনচ্‌ৰ' অফিচলৈ ফোন কৰি গম পালে যে জাপানৰ পৰা অহা বিমানখন অহাত পলম হোৱা বাবে এঙ্কোৰেজলৈ অহা ডেল্টা ফ্লাইটটো ধৰিব নোৱাৰিলোঁ। আমি নৰ্থ-ৱেষ্টৰ ফ্লাইটত এঙ্কোৰেজলৈ আহি থকা বুলি তেওঁলোকে জনালে। মিঃ ফুকন বাহিৰলৈ গৈছিল, আবেলি আহি পোৱাৰ কথা। নীলক ঘৰত থৈ আৰু লগতে টেলিফোনৰ এনচাৰিং মেচিনটো অন কৰি তেওঁ বিমান বন্দৰলৈ চাপলি মেলিলে। কিন্তু তাত চাৰিওফালে বিচাৰি আমাক লগ নাপাই, টিকট কাউন্টাৰত

গৈ খবৰ কৰাত আমি North West Flight ত এক্লোবেজ আহি পোৱা বুলি কলে। বিমান বন্দৰৰ স্পীকাৰত আমাৰ নাম ঘোষণা কৰি আমাক টিকট কাউন্টাৰলৈ আহি তেওঁক লগ ধৰিবলৈ ক'লে। কিছুসময় অপেক্ষা কৰাৰ পিচতো আমাক নহা দেখি আমি টেক্সিৰে ঘৰ গৈ পোৱা বুলি ভাবি আকৌ ঘৰলৈ টাপলি মেলিলে। ঘৰ আহি পাই আমাক নেদেখি খুব চিন্তিত হ'ল। এনচাৰিং মেচিনটোৰ পৰা আমি বিমান বন্দৰৰ পৰা কৰা মেচেজটো পালে। ইতিমধ্যে আবেলি সেইখিনি সময়ত স্কুল, অফিচ আদি চুটি হোৱাৰ বাবে ৰাষ্টাত প্ৰচুৰ গাড়ীৰ সমাবেশত ট্ৰেফিক জেম হয়। তেওঁলোকৰ ঘৰৰ পৰা সেইখিনি সময়ত বিমান বন্দৰলৈ যাবলৈ আধা ঘণ্টাৰো বেচি সময় লাগে। সেয়ে তেওঁ বিমান বন্দৰৰ ওচৰতে থকা বান্ধৱী মালা কল্যানক কথাটো কোৱাত তেওঁ লগে লগে গাড়ী লৈ বিমান বন্দৰলৈ গ'ল। বিমান বন্দৰৰ তিনি মহলীয়া ভৱনটোৰ সকলোতে আমাক বিচাৰি নোপোৱাত মালাই তেওঁলৈ ফোন কৰিলে। ফোনত মালাৰ লগত কথা কৈ থাকোঁতেই নীলে বাহিৰৰ পৰা চিঞৰি চিঞৰি কৈছে— They are here, they are here. "বাহিৰলৈ দৌৰি গৈ দেখে যে আমি দুয়ো টেক্সিৰ পৰা নামিছো তেওঁৰ বৰ বেয়া লাগিল; ইমানবাৰ বিমান বন্দৰলৈ আনিবলৈ গৈয়ো শেষত টেক্সিৰেহে আহিব লগা হ'ল বাবে, এই কথা লৈ এওঁলোকে কেইবাদিনলৈকে অনুশোচনা কৰি থাকিল।

আহি পোৱাৰ পাঁচ মিনিট পিচত চাহ-কাপ হাতত লৈ বহিছো মাত্ৰ; লগে লগে টেলিফোন বাজি উঠিল; ৱাশ্বিংটন ডিচিৰ পৰা আমাৰ এখেতৰ বন্ধু পুত্ৰ মামুনে কৰিছে; বহুত প্ৰশ্ন কৰিলে; ভালে ভালে আহি পালোনে? তেওঁৰ তালৈ কেতিয়া যাম, ইত্যাদি। ৱাশ্বিংটনত তেতিয়া নিশা দহ আৰু এক্লোবেজত গধূলি সাত বাজিছে। বিচিত্ৰাৰটো থোৱাৰ লগে লগে আকৌ টেলিফোন বাজি উঠিল— আঢ়ৈ হাজাৰ মাইল নিলগৰ ফিনিক্স চহৰৰ পৰা মোৰ ভনী আৰু ভনী জোঁৱায়ে আমালৈ ফোন কৰিছে। ইমান দূৰৈৰ পৰা কথা কৈছে যদিও কথাবোৰ স্পষ্ট—যেন একেখন চহৰৰ পৰাহে ফোন কৰিছে।

"বাসৰেনুৰ শেষ বিন্দুৰ নগৰী এক্সোবেক্স"

,, নিশা জিৰণিৰ অন্তত দেহা আৰু মন সজীৱ হৈ পৰিছে। পিচদিনা বাস্তিপুৰা আঠ বজাত সাৰ পালোঁ। বাহিৰলৈ চালো কিন্তু আমাৰ দেশৰ বাস্তিপুৱা পাঁচ বজা যেনহে লাগে। ঘৰটো দুমহলীয়া, তলত ড্ৰয়িং, ডাইনিং, কিচেন, বৈঠকম, দুখন গাড়ী থব পৰা গেৰেজ, লিভিংৰুম আদি আৰু ওপৰত বেড্ৰুমবোৰ আছে। মাটিৰ তলতো কেইটা মান কোঠা আছে। আমি থকা কোঠালিৰ খিড়িকীখনৰ Mini Blinds ৰ সূতাডাল টানি বাহিৰলৈ চাই কোমল প্ৰশান্তিৰে আৱৰা সুন্দৰ ছবি এখনৰ দৰে ঠাইখন দেখি বাস্তিপুৱাই মনটো ভাল লাগি গ'ল। চাৰিওফালে চকু জুৰোৱা সেউজৰ সমাবোহ। সেউজৰ এনে নয়নাভিৰাম দৃশ্য আগতে ক'তো দেখা মনত নপৰে। চহৰখনৰ তিনিওফালে গছ-গছনি নথকা ধূসৰ পাহাৰ। দলিচাৰ দৰে কোমল মিহিকৈ কাটি থোৱা সেউজীয়া ঘাঁহনিৰ মাজে মাজে শাৰী শাৰী একে ধৰণৰ চাপৰ চাপৰ কাঠৰ বৰণৰ দুমহলীয়া ঘৰবোৰ। ঘৰৰ চালবোৰ কজলা বৰণৰ ছিনথেটিক টাইলচ্ৰ। মিহি চিকচিকীয়া আইল-বহল পৰিষ্কাৰ আলিবাটবোৰ। আলিৰ দাঁতিত মলা-নৰ্দমা নাই। আলি-বাটৰ দুয়োকাষে ঘৰবোৰ, এক ডেৰফুট মান ওখ ঘৰবোৰৰ চৌহদ। ইঘৰ সিঘৰৰ মাজত ইটাৰ দেৱাল বা আন কোনো বেৰ নাই, গেট নাই। গোটেই চৌহদটো সম্পূৰ্ণ মুকলি বাবে কাটি থোৱা সেউজী লনখন চালে চকু-বোৱা। এই সেউজী ঘাঁহনিৰ মাজতে ঘৰটো।

সেউজী সেউজী সেউজী অ'
সেউজী ধৰণী ধুনীয়া—

ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা দেৱৰ এই গীতটিৰ কথা কেইফাঁকি যেন জীৱন্ত হৈ মোৰ চকুত ধৰা দিছেহি। এওঁলোকৰ ঘৰৰ সমুখত চাপৰ বাৰ্চ গছ অ মাউণ্টেইন এছ্, এজোপা।

মাউণ্টেইন এছ জোপাৰ গুটিবোৰ থোপা-থোপে লাগি আছে যেন জকমকাই ফুলি থকা এজোপা ফুলহে। অসমৰ আগষ্ট মাহৰ গৰমৰ বতৰৰ পৰা আহি এক্ৰোবেকৰ শান্ত-শীতল, নিবিবিলি পৰিবেশত আমাৰ মানুহ দৰে উমলনা শীতল বতৰ পাই বিচনাত পৰি কেইবা-ঘণ্টাও থকি টোপনিত লালকাল দিওঁ। আমাৰ দেশত দিন হ'লে আমেৰিকাত ৰাতি হয়; আকৌ ৰাতি হ'লে তাত দিন হয়। "জেট্ ল'গৰ বাবে টোপনিটো মিলাই লওঁতেও কেইদিন মান লাগে। মটৰ গাড়ী, স্কুটাৰৰ হুলস্থুল নাই। হৰ্নৰ শব্দ নাই, মানুহৰ চিঞৰ-বাখৰ কোলাহল নাই; চাৰিওকালে এক নিবিড় প্ৰশান্তি বিৰাজমান।

ওপৰ মহলাৰ খিড়িকীৰে বাহিৰৰ অনুপম সৌন্দৰ্য্য দেখি তন্ময় হৈ পৰোঁ। শিল্পীয়ে আঁকা ধূসৰ, সেউজীয়া, কজলা আৰু ৰংচুৱা বোলসনা এখন সুন্দৰ ছবি কোনোবাই যেন মোৰ কোঠালীৰ খিড়িকী মুখত আঁৰি থৈছে। আলিবাটলৈ চাই দেখোঁ বাহিৰত এটিও জন প্ৰাণী নাই। মাথোন দুই এখন সুন্দৰ চিক্‌চিকীয়া গাড়ী মন্থৰ গতিত চলি গৈ আছে। পৰিষ্কাৰ, পৰিপাটিকৈ পৰিকল্পিত ভাবে সজাই তোলা সুন্দৰ নগৰ। প্ৰকৃতিৰ সৈতে মানুহেও একেসংগে হাত মিলাই সজাই তুলিছে অনুপম এই নগৰী। ঘৰৰ পদূলিয়ে পদূলিয়ে বিভিন্ন ফুলৰ সমাৰোহ। এনেহেন সুন্দৰ ৰবকাল বতৰত ঘৰৰ ভিতৰত সোমাই থাকিবৰ মন নগ'ল; ইয়াৰ পৰা উত্তৰলৈ ক্ৰমে তুন্দ্ৰা অঞ্চল আৰম্ভ হৈছে। সেউজৰ আকুল আহ্বানত, দূৰৈৰ ধূসৰ পৰ্ব্বতৰ স্বপ্নাতুৰ সৌন্দৰ্য্যত মোহিত হৈ মন যায় এটি পখিলা হৈ উৰি ফুৰিবলৈ।

গা-পা ধুই তলৰ মহলাৰ ডাইনিং কমলৈ আহি গম পালোঁ দীপালীৰ বাহিৰে আটায়ে কেতিয়াবাই স্কুল-কলেজলৈ গৈছে। এওঁ-লোকৰ প্ৰথম পুত্ৰ ৰশ্মি একাদশ শ্ৰেণীৰ, একমাত্ৰ কন্যা মিমি দশম শ্ৰেণীৰ আৰু মুমলীয়া সন্তান নীল পঞ্চম শ্ৰেণীৰ ছাত্ৰ। আমেৰিকা যুক্তৰাষ্ট্ৰৰ সকলো ঠাইতে স্কুল কলেজ, অফিচ আদি ৰাতিপুৱা আঠ বজাৰ পৰা আৰম্ভ হয়। কৰ্মস্থান দূৰৈত হোৱা বাবে আৰু ইয়াত পলমকৈ ৰাতি পুৱায় কাৰণে এন্ধাৰ হৈ থাকোঁতেই চাৰে ছয় মান

বজাত শোৱাপাটি এৰি কিবা অলপ মুখত দি লবালৰিকৈ ওলাই যায়।

চাহ জলপান খাই ডাইনিং কমত গল্প কৰি থাকোঁতেই এগৰাকী দক্ষিণ ভাৰতীয় মহিলা আমি ভাৰতৰ পৰা অহা বুলি গম পাই খবৰ লবলৈ আহিল।

আজি এক চেপ্তেম্বৰ শুকুৰবাৰ। ৰাতিপুৱা বতৰ অলপ ডাৱৰীয়া আছিল যদিও দুপৰীয়ালৈ বতৰ ফৰকাল হৈ পৰে। সুন্দৰ ৰ'দালি বতৰ। বৰফাবৃত পৰ্বত, অসংখ্য নদ-নদী, নিজৰা, মাছেৰে পৰিপূৰ্ণ বিশাল বিশাল হ্ৰদ; নীলা-সেউজীয়া বঙৰ বৰফৰ নৈ আৰু হেজাৰ-বিজাৰ মনোৰম দ্বীপ, বিভিন্ন গছ-গছনিৰে পূৰ্ণ অৰণ্যাঞ্চল আদিৰে এই বৃহৎ আলাস্কা ৰাজ্যখনৰ ভিতৰতেই যেন ছয়খন ৰাজ্য সোমাই আছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ শেষ আৰু সৰ্ব্ববৃহৎ এই ৰাজ্যখন শেহতীয়া আবিষ্কাৰ। উত্তৰ গোলাৰ্দ্ধৰ একেবাৰে উত্তৰ মুৰত অৱস্থিত বাবে এই ৰাজ্যখনৰ প্ৰাকৃতিক বৈচিত্ৰ্য যুক্তৰাষ্ট্ৰৰ আন ৰাজ্যৰ সৈতে তুলনা নহয়। প্ৰাকৃতিক তাৰতম্য আৰু বিচিত্ৰতা অনুসৰি এই ৰাজ্য-খনক মুঠতে ছয়টা ভাগত ভগাব পাৰি। সেই ভাগ কেইটা হ'ল দক্ষিণ পূব আলাস্কা, দক্ষিণ-মধ্য আলাস্কা, মধ্যৱৰ্ত্তী অঞ্চল, পশ্চিমাঞ্চল, দক্ষিণ-পশ্চিম আলাস্কা আৰু সুমেৰু বা পৃথিবীৰ উত্তৰ মুৰ। প্ৰত্যেক অঞ্চলৰে শীত-তাপ, বতৰ আদিৰ যথেষ্ট তাৰতম্য আছে।

দক্ষিণ-পূব আলাস্কা অঞ্চলটো ইউৰোপৰ স্কটলেণ্ড আৰু ডেনমাৰ্কৰ সৈতে একে অক্ষাংশতে অৱস্থিত। আলাস্কা ৰাজ্যৰ ৰাজধানী 'জুনো' (Juneau) এই অঞ্চলতে অৱস্থিত। এই জুনোতেই এসময়ত সোণৰ খনি আবিষ্কাৰ হৈছিল। মাছ ধৰা, পৰ্য্যটন আৰু বনাঞ্চলৰ বাবে এই অঞ্চল বিখ্যাত। এই অঞ্চলত অনেক সৰু বৰ দ্বীপ আছে। প্ৰুচ্ আৰু হেম্‌লক গছে এই দ্বীপ বিলাক আগুৰি আছে। ১৮৮০ ইং চনত জুনোত সোণ চেকুৰা আবিষ্কাৰ হৈছিল। সোণৰ আবিষ্কাৰক কেন্দ্ৰ কৰি এই চহৰখন গঢ় লৈ উঠিছে। তুষাৰাবৃত পৰ্ব্বত আৰু গিৰিশৃঙ্গ, শিলে শিলে বাগৰি অহা জুৰি, সেউজীয়া ঘাঁহনি আৰু

ৰবফৰ নদীৰে পূৰ্ণ এই অঞ্চলটোক "ভ্ৰমণকাৰীৰ ভূস্বৰ্গ" বুলি কোৱা হয়।

দক্ষিণ আৰু মধ্য আলাস্কাৰ সৰ্ব্ববৃহৎ, ক্ৰমবৰ্দ্ধমান আধুনিক নগৰী এঙ্কোৰেজ। আলাস্কা ৰাজ্যৰ আধাতকৈও সৰহলোক এই অঞ্চলত বাস কৰে। 'চাৰ্চ' আৰু 'স্প্ৰচ্' গছৰ বননি, আকাশলংঘী তুষাৰাবৃত চূড়া, সাগৰৰ সুৰক্ষিত বন্দৰ আৰু সামৰিক ঘাটিৰ বাবে এই অঞ্চল বিখ্যাত। এঙ্কোৰেজক কোৱা হয় "ৰামধেনুৰ শেষ বিন্দুৰ নগৰী"। প্ৰকৃতিৰ অতুলনীয় সৌন্দৰ্য্য-সুষমাৰে ভৰপুৰ কোমল সেউজী সাজেৰে যৌৱন উপচি পৰা তাই যেন ৰূপকথাৰ এক অনিন্দ্য সুন্দৰী ৰূপকন্যা।

আমেৰিকা যুক্তৰাষ্ট্ৰৰ সকলো ঘৰ-দুৱাৰ, দোকান পোহাৰ, অফিচ-আদালত, স্কুল-কলেজ, মটৰ, গাড়ী, ৰেল আদি শীত তাপ নিয়ন্ত্ৰিত। ঘৰৰ বাহিৰলৈ ওলাই আহি গম পালোঁ বাহিৰত বেছি শীত পৰা নাই। এটা চুৱেটাৰ পিন্ধিয়েই বাহিৰলৈ ওলাব পাৰি। আলাস্কা ৰাজ্যখন উত্তৰ গোলাৰ্দ্ধৰ একেবাৰে উত্তৰ মূৰত অৱস্থিত বাবে ইয়াত জহকালিৰ দিনবোৰ বৰ দীঘল। আনহাতে শীতকালি দিনবোৰ চুটি আৰু ৰাতিবোৰ বৰ দীঘল হয়। এতিয়া গধূলি আঠ বজাতো ৰ'দ-জাক এনেকৈ জিলমিলাই আছে যেন আমাৰ অসমৰ জহকালি আবেলি চাৰিহে বাজিছে। ৰাতি ন-বজাত হে বেলিমাৰ যায়। জুন, জুলাই আৰু আগষ্ট এই কেইটা মাহ ইয়াত 'চামাৰ' অৰ্থাৎ গৰমৰ দিন। এই সময়ত এঙ্কোৰেজৰ বতৰ অতি মনোৰম হয়। জহকালি সেউজীয়া ঘাঁহ আৰু ফুলেৰে এঙ্কোৰেজ সুশোভিত হৈ পৰে। এই তিনি মাহত নিশা এঘাৰ বজাতো সোণালী ৰ'দৰ পোহৰে চৌদিশ আৱৰি থাকে। এই সময়ছোৱা এঙ্কোৰেজ বাসীৰ কাৰণে অতি আনন্দৰ দিন, উৎকৃষ্ট দিন। তেতিয়া নিশা এঘাৰ বজাতো অসমৰ আবেলি চাৰি-পাঁচ বজাৰ দৰে মানুহে বাহিৰত খেলে, ফুৰে, জগিং কৰে, বাগানত ফুল ৰুৱে আৰু শাক পাচলিৰ খেতি কৰে। ৰাতিপুৱা আঠ বজাত কোমল মিঠা ৰ'দ ওলায়। বতৰ গধূলি আঠ বজালৈ

একেদৰে থাকে বাবে কেতিয়া ৰাতিপুৱা কেতিয়া দুপৰীয়া আৰু কেতিয়া আবেলি হয় ; ঘড়ী নাচালে ধৰিবই নোৱাৰি। দিনটোৰ যেন শেষ নাই, কেৱল দিন আৰু দিন। কবিতা কবিতা লগা এক মনোৰম পৰিবেশ। এঙ্কোৰেজলৈ জহকালি ফুৰিবলৈ অহা এজন মানুহৰ মুখত শুনিছিলোঁ—"তাত দুদিন থাকিলো এদিনো বেলি মাৰ যোৱা নেদে-খিলোঁ।" মোৰ বাবেও এয়া এক বিস্ময়জনক অভিজ্ঞতা। ঘড়ীৰ সময়ৰ মতেহে এওঁলোকৰ জীৱন চলে।

চেপ্তেম্বৰ মাহৰ শেষৰ পৰা এঙ্কোৰেজত ঠাণ্ডা পৰিবলৈ আৰম্ভ কৰে। জহকালি অন্ত হোৱাৰ লগে লগে গছৰ পাতবোৰ হালধীয়া, ৰঙা, ক'লা আৰু ফাকু ৰঙৰ হৈ দেখিবলৈ ফুলৰ দৰে ধুনীয়া হৈ পৰে। পিচত পাতবোৰ সৰি সৰি গছবোৰ নঙঠা হয়। বাৰ্চ গছৰ পাতবোৰ শীতৰ আগমণিৰ লগে লগে সেউজীয়াৰ পৰা ক্ৰমে হালধীয়া বৰণৰ হৈ পিচলৈ সোণোৱালী বৰণত ৰঙচুৱা বোল সানি অপৰূপ শোভাৰে জাতিষ্কাৰ হৈ পৰে। সৰল জাতীয় গছৰ পাতবোৰ ভীষণ শীততো সৰি নাযায়। কেৱল সেউজীয়া বৰণে শীত বেছিকৈ পৰাৰ লগে লগে ঘন সেউজীয়া ৰং লয়। মানুহৰ ঘৰৰ সন্মুখত থকা 'মাউ-ণ্টেইন এছ' গছ বিলাকৰ পাতবোৰ ঠাণ্ডাৰ লগে লগে ক'লা হৈ পৰে আৰু তাত থোপা-থোপে লাগি থকা ৰক্তিম্ বৰ্ণৰ ধুনীয়া গুটি-বোৰ আৰু অধিক ৰঙা হৈ মোহনীয় হৈ পৰে। পৰ্ব্বতৰ টিঙত শুকুলা বৰফে এচমকা-দুচমকাকৈ দেখা দিয়ে। ক্ৰমে শীত বেছি হোৱাৰ লগে লগে বৰফো বেছিকৈ পৰিবলৈ ধৰে। নবেম্বৰ-ডিচেম্বৰ মাহত গোটেই এঙ্কোৰেজ নগৰী শুকুলা বৰফে আৱৰি ধৰে। তেতিয়া তাৰ বাসিন্দা সকলে এটলীয়া মুকলি ঠাইত 'স্কি' কৰিবলৈ আৰম্ভ কৰে। এঙ্কোৰেজ নগৰীয়েও সেউজীয়া সাজ সলনি কৰি ৰূপালী সাজ পিন্ধি জোনালী নিশাৰ পৰীৰ দৰে জিলিকি উঠে। দিনবোৰ ক্ৰমে চুটি হৈ আহিবলৈ ধৰে। বেলিৰ পোহৰো তেতিয়া একেবাৰে নিস্তেজ হয়। সূৰ্য্যৰ পোহৰ তেতিয়া হেলনীয়া কৈ আহি এই অঞ্চলত পৰে বাবে ৰ'দৰ আভাও সামান্য পৰিমানহে আহে। নবেম্বৰৰ শেষত

বাতিপুৱা আঠ বজাতো ঘিটমিটীয়া এন্ধাৰ হৈ থাকে। আবেলি চাৰে চাৰি বজাতে এন্ধাৰ হয়। দিনবোৰ ভীষণ চুটি হৈ আহিবলৈ ধৰে। দিনত ছয়-সাত মিনিটকৈ দিনৰ পোহৰ কমি গৈ থাকে। আকৌ ডিচেম্বৰ মাহত দিনবোৰ ইমান চুটি হয় যে বেলি ওলায় চাবে ন মান বজাত ; আৰু গধূলি হয় দিনৰ আঢ়ৈ বজাতেই। বেচি ভাগ সময় ডাৱৰীয়া হৈয়েই থাকে। কেতিয়াবা ৰ'দ একেবাৰে নোলায়েই। এইকেশ ডিচেম্বৰলৈ এনেকৈ কমি গৈ থাকে। তাৰ পাচত আকৌ দিনৰ পোহৰ প্ৰতিদিনে ছয়-সাত মিনিটকৈ বাঢ়ি গৈ থাকে। ক্ৰমে বৰদিনৰ উৎফুল্লি-মুৎফুল্লি পৰিবেশ আহি পৰে। দোকান বজাৰবোৰ ধুনীয়াকৈ সজাবলৈ আৰম্ভ কৰে। ইমান শীততো মানুহবোৰ কৰ্মোদ্যোগী, উল্লাসিত আৰু প্ৰাণোচ্ছল। ঠেৰেঙা লগা শীততো তাৰ জীৱন যাত্ৰা স্বাভাৱিক ভাবে আগৰ দৰেই চলি থাকে। লাইটৰ পোহৰে-নিশাৰ এন্ধাৰকো দিনৰ দৰে পোহৰ কৰি ৰাখে। এন্ধাৰ থাকোঁতেই মানুহ স্কুল কলেজ অফিচ আদিলৈ যায় ; আৰু এন্ধাৰৰ মাজেদিয়েই আবেলি উভতি আহে। শীত কালি লেপৰ তলৰ পৰা ওলাব নোখোজা আমাৰ দেশৰ ল'ৰা-ছোৱালীৰ বাবে এয়া ভাবিব নোৱাৰা কথা।

এঙ্কোৰেজ বা আলাস্কাৰ সৈতে যুক্তৰাষ্ট্ৰৰ আন ঠাইবোৰৰ শীতৰ পাৰ্থক্য এয়ে যে—ইয়াত শীত লাহে লাহে পৰিবলৈ আৰম্ভ কৰে আৰু কেইবামাহ জুৰি থাকে। প্ৰায় সাত মাহ বৰফে আৱৰি থকাৰ পিচত এপ্ৰিল, মে' মাহত বৰফবোৰ গলি গলি নাইকীয়া হলে শীতৰ অন্তত ঘাঁহবোৰ পুনৰ গজিবলৈ আৰম্ভ কৰে। জহকালি নানা বৰণৰ ফুল আৰু ঘাঁহেৰে সমভূমিবোৰ ঢাক খাই পৰে। বৰফে আৱৰা শীতৰ দিনবোৰত বহুতে নিজৰ নিজৰ "গ্ৰীণ হাউচ"ত ফুল আৰু শাক-পাচলিৰ খেতি কৰে। গ্ৰীণ-হাউচবোৰ হ'ল আইনাৰ ঘৰ। ইয়াৰ ভিতৰত ঘাঁহ জাতীয় উদ্ভিদৰ খেতি, বিভিন্ন ফুল আৰু ফলৰ গছ পোতা হয় আৰু এইবোৰ কৃত্ৰিম উপায়েৰে ডাঙৰ কৰা হয়। তেনে ঘৰৰ ভিতৰত ৰ'দৰ উত্তাপ পোৱা যায় যদিও বতাহ, ধূলি বা বৰফে

গছ বিলাকৰ ক্ষতি সাধন কৰিব নোৱাৰে। শীতৰ অন্তত গছ পুলি-বোৰ তুলি আনি বাহিৰৰ বাগানত পুতি দিয়ে।

পিচদিনা দীপালীয়ে সুধিলে—"খুড়ীদেউ, আমেৰিকাখন আহি আপোনাৰ কেনে লাগিছে"? কলোঁ, "সকলো ভলোটা দেখোন। আমাৰ তাত দিন হ'লে ইয়াত ৰাতি, খোজ কাঢ়িব লাগে পদপথৰ সোঁফালেদি, ইয়াত মানুহৰ গা-ধোৱা সময়ো গধূলি, লাইটৰ চুইচবোৰো ওপৰলৈ দিলেহে জ্বলে। আমাৰ ইয়াত অপৰিষ্কাৰ ঠাইৰ সলনি ইমান পৰিষ্কাৰ, বিশৃংখলাৰ সলনি পৰিপাটিতা এইবোৰেই চকুত পৰিছে।" সঁচাকৈয়ে ইয়াৰ পৰিষ্কাৰ পৰিচ্ছন্নতাৰ তুলনা নাই। নানান কথা পাতি থাকোঁতে দিনটোৰ বহুত সময় পাৰ হৈ গ'ল। আবেলি এওঁলোকৰ সৈতে গাড়ীৰে চহৰখনত এপাক মাৰিবলৈ ওলালোঁ। গাড়ীত থকা চুইচ অন্ (Remote Control) কৰিলে গেৰেজৰ দুৱাৰখন স্বয়ংক্রিয়ভাবে ওপৰলৈ উঠি যায় আৰু অফ কৰিলে তললৈ নামি আহি বন্ধ হয়। সেইবাবে প্রচণ্ড শীতৰ দিনবোৰত আৰু গ্রীষ্ম প্রধান অঞ্চলত উৎকট গৰমৰ দিনবোৰত শীত-তাপ নিয়ন্ত্রিত ঘৰৰ লগত সংলগ্ন গেৰেজৰ শীত-তাপ নিয়ন্ত্রিত গাড়ীত বহি বাহিৰলৈ নোযোৱাকৈয়ে অফিচ, কাৰ্য্যালয়, স্কুল-কলেজ দোকান-পোহাৰ, বিমান বন্দৰ আদিৰ ভিতৰ পাবগৈ পাৰি।

গাড়ী এখন প্রায় প্রত্যেক পৰিয়ালৰ থাকেই। এটা পৰিয়ালত দুই তিনিখনকৈ গাড়ী থকা ইয়াত সাধাৰণ কথা। পুৰুষ মহিলা সকলোৱে নিজৰ গাড়ী নিজে চলায়। আমাৰ ইয়াৰ দৰে দৰমহা দি ড্রাইভাৰ নাৰাখে। ছাত্র-ছাত্রী বিলাকৰ প্রায় ভাগেই নিজৰ নিজৰ গাড়ীৰে শিক্ষানুষ্ঠানলৈ অহা যোৱা কৰে। ইয়াৰ মটৰ গাড়ী বিলাকৰ ষ্টীয়েৰিং বাওঁ হাতে। পথেদি খোজ কাঢ়ি গলেও সোঁ-ফালেদিহে যাব লাগে। পদ-পথবোৰো যথেষ্ট আহল-বহল। বাছৰ বাহিৰে আন গাড়ীবোৰত প্রত্যেকজন আৰোহীয়ে বান্ধি লবলৈ "চিট্ বেল্ট" থাকে। গাড়ীত যাওঁতে "চিট্ বেল্ট" মাৰি নগলে পুলিচে ধৰিলে জৰিমনা ভৰিব লাগে। কিছুমান গাড়ীত কেচুৱা বহুৱাবৰ

বাবে সুৰুীয়া আসন (Baby Seat) লগাই লয়। কেচুৱাটো তাত নাৰাখি কোলাত লৈ গ'লে পুলিচে ধৰাৰ ভয় আৰু পঞ্চাশ ডলাৰ পর্য্যন্ত জৰিমনা ভৰিব লাগে। পুলিচৰ গাড়ী অহৰহ বিকট শব্দ কৰি গোটেই চহৰখনতে ঘূৰি ফুৰে। বাট-পথবোৰ যথেষ্ট আহল-বহল; একেলগে চাৰি-পাঁচখন গাড়ী যাব পাৰে; সেইদৰে অহা পথেদিও একেলগে চাৰি-পাঁচখন গাড়ী আহিব পাৰে। আলিত বগা চিন দি ভাগ কৰা থাকে।

নলা-নৰ্দমাৰ ব্যৱস্থা মাটিৰ তলেৰে; গতিকে ওপৰত মিহিকৈ কাটি থোৱা কোমল ঘাঁহনিহে চকুত পৰে। ক'তো এটুকুৰা কাগজ বা গছৰ শুকান পাত এটিও পৰি থকা দেখা নাযায়। ডাঙৰ গছৰ ভিতৰত ইয়াত বাৰ্চ আৰু সৰল জাতীয় গছহে মাত্ৰ দেখা যায়। শীত কালি মাটিৰ তলত বৰফৰ কণিকা হয় বাবে এই গছৰ শিপা-বোৰ বেছি তললৈ নাযায়। সেইবাবে গছবোৰ বেছি ওখও নহয়। য'তে ততে গৰু-ছাগলী এটিও দেখিবলৈ পোৱা নাযায়। প্ৰত্যেক ঘৰৰ পচুলি মুখৰ পৰা আলিৰ দাঁতিলৈকে বিবিধ ফুলে জকমকাই থাকে। ফুলনিবোৰ বৰ ডাঙৰ নহয় যদিও কম ঠাইতে পৰিপাটিকৈ ৰোৱে; আৰু চাৰিওফালে সুকোমল ঘাঁহেৰে আৱৰা বাবে ঘৰৰ সৈতে ফুলনিখন দেখিবলৈ সুন্দৰ ছবি এখনৰ দৰে হয়। ফুল খাবলৈ গৰু-ছাগলী নাই; তদুপৰি কোনেও ফুল এপাহো নিছিঙে। ল'ৰা-ছোৱালীকো সৰুৰে পৰা তেনে শিক্ষা দিয়া হৈছে। সেইবোৰত কোনো ৰখীয়া নাই; যেনেকৈ ৰাখিছে তেনেকৈয়ে আছে। নিজৰ দেশখন, ঠাইখন, অঞ্চলটো সুন্দৰকৈ ৰাখিবলৈ ইয়াৰ প্ৰতিজন ব্যক্তি সচেতন। কাঁইটীয়া তাঁৰৰ বেৰ দিয়া আহল-বহল মুকলি ঠাইত গৰু ঘোঁৰা চৰিবৰ বাবে ব্যৱস্থা আছে।

ইয়াৰ প্ৰায়বোৰ মানুহৰে ঘৰত পোহনীয়া কুকুৰ, মেকুৰী আছে; কিন্তু আমাৰ দেশৰ দৰে বাটে-ঘাটে অনাই-বনাই ঘূৰি ফুৰা গৰাকী বিহীন কুকুৰ দেখা নাযায়। কোনোবাই কোনো এটা কুকুৰ বাহিৰত ঘূৰি ফুৰা দেখিলেই Wild animal Shelter লৈ ফোন কৰি দিয়ে।

কুকুৰবোৰৰ ডিঙিত নম্বৰ থাকে। সেই নম্বৰ মতে অফিচৰ পৰা গিৰীহঁতলৈ ফোন কৰি সোধে—কুকুৰটো কিয় এৰি দিয়া হৈছে, লাগে নে, নালাগে। যদি নালাগে বুলি কয় তেতিয়া 'এনিমেল' অফিছে কুকুৰটো লৈ গৈ পৰীক্ষা কৰি চায়। যদি কুকুৰটোৰ কিবা অসুখ হৈছে আৰু কেইবাদিনো খাবলৈ পোৱা নাই ; তেতিয়া গিৰীহঁতৰ ওপৰত গোচৰ তৰি জৰিমনা আদায় কৰে। কাৰণ গিৰীহঁতৰ কুকুৰটো পুহিবৰ ইচ্ছা নাথাকিলে তাত থকা 'এনিমেল শ্বেলটাৰত' দিব লাগে। এনেয়ে এৰি দিব নোৱাৰে। কুকুৰ মেকুৰীৰ সামান্য অসুখ হ'লেই ফোন কৰি দিয়া মাত্ৰকে এম্বুলেন্স আহি ঘৰৰ পৰা হস্পিতাললৈ তুলি লৈ যায়হি। আমাৰ দেশত পোহনীয়া জন্তুৰ কথা বাদেই মানুহেও ইমান যত্ন পাবনে ?

তীব্ৰবেগী হেজাৰ বিজাৰ গাড়ী মটৰ বিৰতি নোহোৱাকৈ গৈ থাকে ; কতো কেতিয়াও হৰ্ণ বজোৱা শুনা নাযায়। ইয়াত হৰ্ণ বজোৱাটো অশিষ্টাচাৰ বুলি গণ্য হয়। আমাৰ দেশত পিচে গাড়ী মটৰৰ হৰ্ণৰ শব্দই পৰিবেশ আৰু অধিক বিষময় কৰি তোলে। এই কোলাহলবোৰে স্নায়ু মণ্ডলীক দুৰ্ব্বল কৰি তোলে। গাড়ীবোৰ ক'ত কিমান বেগত যাব লাগিব বাটৰ কাষৰ চাইন ব'ৰ্ডত লিখা থাকে। সেই নিৰ্দ্দেশ অমান্য কৰি কোনোৱে গাড়ী চলালে পুলিচৰ গাড়ীত থকা 'ৰাডাৰত' ধৰা পৰে ; তেতিয়া তৎক্ষণাৎ পুলিচৰ গাড়ী আহি আইন অমান্যকাৰী গাড়ী চালকক টিকট দিয়ে, অৰ্থাৎ জৰিমনা ভৰিব লগা হয়। টিকটটোত জৰিমনাৰ পৰিমাণ লিখা থাকে আৰু সেইমতে চালকে জৰিমনাৰ ধন কৰ্ত্তৃপক্ষলৈ পঠাব লাগে। অৱহেলা কৰিলে জেইল পৰ্য্যন্ত হ'ব পাৰে। ইয়াৰ আইন কানুন যথেষ্ট কটকটীয়া। ইয়াৰ পুলিচৰ যথেষ্ট ক্ষমতা আছে আৰু জনসাধাৰণেও পুলিচক মানি চলে। বিপদত পৰা মানুহক পুলিচে সদায় সহায় আগবঢ়াবলৈ সাজু হৈ থাকে।

পথৰ সংযোগ স্থলত স্বয়ংক্ৰিয় সংকেতৰ ব্যৱস্থা, আছে। এই অটোমেটিক চিগনেলৰ লাইটবোৰৰ নিৰ্দ্দেশমতে ব্যস্ত ৰাজপথৰ গাড়ীবোৰ

ৰৈ যায় আৰু পুনৰ গাবলৈ ধৰে। সকলো ফালে মাথোন ব্যস্ততা। লানি নিছিগাকৈ গৈ থকা তীব্ৰবেগী গাড়ীৰ ব্যস্ততা, আনফালে প্ৰশস্ত ৰাজপথত খোজ কাঢ়ি যোৱা জনৰ পাৰ হৈ যোৱাৰ ব্যৱস্থা সুবিধা জনক কৰি থৈছে। আমাৰ দেশৰ ট্ৰেফিক সংকেত বোৰৰ ৰঙা, সেউজীয়া, হালধীয়া লাইট জ্বলাৰ দৰে ইয়াৰ চাৰি আলিৰ দাঁতিত Walk, "Do'nt Walk" আদি নিৰ্দেশবোৰ স্বয়ংক্ৰিয় ভাবে জ্বলি উঠে। Walk লিখাটো ওলালে গাড়ী আহি থকা ফালে ৰঙা লাইট জ্বলি উঠে। তেতিয়া বাটৰ দ্ৰুতগামী গাড়ীবোৰ ৰৈ যায় আৰু খোজ কাঢ়ি যোৱা জনে বহল পথটো পাৰ হ'ব পাৰে। কেতিয়াবা Walk লিখাটো ওলোৱাৰ অলপ পিচতেই, মানে আপুনি বাটটোৰ মাজ পাওঁতেই, "Do'nt Walk" লিখাটো জ্বলি উঠে। তেতিয়াও কিন্তু দুয়োফালৰ গাড়ীবোৰ ৰৈ থাকি আপোনাক বাটটো পাৰ হৈ যাবলৈ সুবিধা দিয়ে। Walk লিখাটো সোণকালে পাবলৈ হ'লে চাৰি আলিৰ বাটৰ কাষৰ খুটাত থকা বুটামটো টিপি দিব লাগে। বাটৰ কাষে কাষে স্বয়ংক্ৰিয় টেলিফোন আছে। তাত থকা এটা ফুটাৰে পোন্ধৰ চেণ্ট ভৰাই দিলেই ফোনৰ ডায়েল ঘূৰাব পাৰি, লাইন বা সংযোগ নাপালে পইচা খিনি নিজে নিজেই ওলাই আহিব।

আমি এঙ্কোৰেজ চহৰৰ মাজেৰে গৈ Earthquake Park ৰ সন্মুখত গাড়ীৰ পৰা নামিলোঁ। ১৯৬৪ ইং চনত দক্ষিণ মধ্য আলাস্কাত এটা ডাঙৰ ভূমিকম্প হৈছিল আৰু এঙ্কোৰেজ চহৰতো তাৰ প্ৰবল জোকাৰণি অনুভূত হৈছিল। এঙ্কোৰেজৰ এফালে সাগৰ। সেই ভূমিকম্পৰ ফলত বহুতো মানুহৰ মৃত্যু হৈছিল আৰু সাগৰৰ ঢৌ আহি অঞ্চলটো বুৰাই পেলাইছিল। ৩০ ফুট গভীৰ ফাঁটৰ মাজত গাড়ী, ঘৰদুৱাৰবোৰ সোমাই গৈছিল। সেই ভয়ংকৰ ভূমিকম্পৰ ধ্বংসলীলাৰ চিনবোৰেৰে সৈতে এই অঞ্চলটো ধুনীয়াকৈ দেৱালৰ দ্বাৰা পৰিবেষ্টিত আৰু সংৰক্ষিত কৰি পাৰ্ক এখন কৰি থৈছে। তাত ধ্বংসাৱশেষৰ ছবিবোৰ সুন্দৰকৈ সজাই থৈছে ; বৰ্ণনা, চন, তাৰিখ আদিও লিখি থোৱা আছে। ভূমিকম্পৰ ফলত তললৈ সোমাই যোৱা অঞ্চলটো

তেনেকৈয়ে সযত্নে ৰাখি থৈছে ।

এঙ্কোৰেজ আহি পোৱাৰ পিচত কেইদিনমান জিৰাই-শতাই যুক্ত-ৰাষ্ট্ৰৰ বিভিন্ন ঠাই ফুৰাৰ ভ্ৰমণ সূচীখন ঠিক কৰি ললোঁ । আমি চাবলৈ ওলোৱা ঠাইবোৰ হৈছে - নিউ ইয়ৰ্ক, ওৱাশ্বিংটন ডি, চি, কলম্বাছ, হিউষ্টন, ফিনিক্স, লছ এঞ্জেলছ, আদি । ইয়াৰ বিভিন্ন ঠাইৰ অতিপাত শীত আৰু ভীষণ গৰমৰ পৰা হাত সাৰিবৰ বাবে শীত প্ৰধান ঠাইৰ পৰা ক্ৰমে গৰম ঠাইবোৰলৈ আমাৰ ভ্ৰমণ সূচীখন প্ৰস্তুত কৰি ললোঁ । ই এখন বিশাল মহাদেশ সেইদৰে এখন মহা-নগৰৰ পৰা আনখনৰ দূৰত্বও বহুত বেছি । এই কেইদিন ইয়াৰ বিভিন্ন ঠাইত থকা আমাৰ আত্মীয়-স্বজন বন্ধু-বান্ধবীবোৰৰ পৰা টেলিফোন পাই আছোঁ । তেওঁলোকৰ সৈতে কিমান সময় ফোনত কথা বতৰা পাতিছোঁ তাৰ হিচাপ নাই । বিশেষকৈ সপ্তাহান্তত অৰ্থাৎ শনি আৰু দেওবাৰে একে লেঠাৰিয়ে কেইবাজনৰ পৰা ফোন পাওঁ । তেওঁলোকৰ লগত কথা পাতি মনত বুজাব নোৱাৰা আনন্দ অনুভৱ কৰোঁ । তেওঁলোকেও অসমীয়া মাত কথা শুনি আনন্দিত হয় ।

আজি দেওবাৰ । ৰাতিপুৱাই যুক্তৰাষ্ট্ৰৰ উত্তৰ-পূৰ্ব্বাঞ্চলৰ 'অহাইঅ' ৰাজ্যৰ কলম্বাছৰ পৰা ডাঃ অনিল ঠাকুৰীয়া আৰু দক্ষিণৰ ৰাজ্য টেক্সাসৰ হিউষ্টন নগৰৰ পৰা আমাৰ ভতিজী বিমাৰ ফোন পাইছোঁ । প্ৰত্যেকেই আমাক তেওঁলোকৰ ঘৰৰ খবৰ, দেশৰ বা-বাতৰি, আত্মীয়-স্বজন, বন্ধু-বান্ধবীৰ কথা, তেওঁলোকৰ ফালে কেতিয়া যোৱা হ'ব ; ইত্যাদি নানান প্ৰশ্ন কৰিছে । ইয়াত এটা কথা বিশেষভাবে মন কৰিবলগীয়া যে কোনো এখন ঠাইলৈ গৈ পোৱা বা উভতি অহাৰ দিনটো যাতে (যদি তাত আপোনাক লগধৰি আদৰিবলৈ কোনোবা আছে) বন্ধৰ দিনত পৰে । ইয়াত মানুহে সপ্তাহৰ পাঁচোটা দিন নিজৰ জীৱিকাৰ কামত অতি ব্যস্ত থাকে । শনি আৰু দেওবাৰে এওঁলোকৰ 'Weekend' অৰ্থাৎ জিৰণিৰ দিন ।

যুক্তৰাষ্ট্ৰৰ বিভিন্ন ঠাইৰ সময় পাৰ্থক্য যথেষ্ট বেছি । ইয়াত চাৰিটা সময় মণ্ডল আছে । সেইবোৰ হ'ল প্ৰাচ্য, মধ্য, পৰ্ব্বত্য আৰু প্ৰশান্ত

মহাসাগৰীয় সময়। গতিকে ইয়াৰ বেলেগ বেলেগ ঠাইত ঘড়ীৰ সময়ো ভিন্ ভিন্ হয়। এক্লোবেজত আবেলি সাত বাজিলে হিউষ্টনত নিশা দহ বাজে। পুব উপকুলৰ নিউইয়ৰ্কত ৰাতিপুৱা ন'-বাজিলে দক্ষিন পশ্চিমৰ এৰিজোনা ৰাজ্যৰ ফিনিক্স নগৰৰ ঘড়ীৰ কাঁটা তেতিয়া ৰাতিপুৱা ছয় বজাত থাকে। এইদৰে এখন দেশতে ক'ৰবাত বেলিমাৰ গলে ক'ৰবাত তেতিয়া দুপৰীয়াৰ প্ৰখৰ ৰ'দৰ জিলিকনিয়ে পোহৰাই ৰাখে।

ইয়াত টেলিফোনৰ ব্যৱস্থা অতি উন্নত আৰু নিখুঁত। এক নম্বৰটো টিপি দি ফোনৰ নম্বৰটো ডায়েল কৰিলে লগে লগে সংযোগ পোৱা যায়। দেশৰ বাহিৰলৈ ফোন কৰিব খুজিলেও সহজে সংযোগ পোৱা যায় আৰু হাজাৰ হাজাৰ মাইল দূৰৈত থকা জনৰ লগত কথা পাতিলে একেখন ঠাইৰ মানুহৰ লগত কথা পতাৰ নিচিনা লাগে। 'কৰ্ডলেছ' টেলিফোনবোৰৰ ৰিচিভাৰটো নিৰ্দ্দিষ্ট এক দূৰত্বলৈ নি কথা পাতিব পাৰি। আজি কালি আমাৰ দেশটো এইবিধ টেলিফোন ওলাইছে। এঘৰ মানুহৰ এটা ফোনৰে কেইবাটাও ৰিচিভাৰ থাকে; ৰান্ধনী ঘৰত এটা থাকিবই, যাতে ৰন্ধা-বঢ়া খোৱা আদি কৰি থাকোঁতে সহজে ফোনটো ধৰিব পাৰে। আমাৰ দৰে ফোন আহিছে বুলি ৰান্ধনী ঘৰৰ পৰা লৰ মাৰি যাব নালাগে। সেইদৰে শোৱা কোঠা, বহা কোঠা আদিতো এটা এটা ৰিচিভাৰ থাকে। ৰিং কৰিলে যি কোনো এটা ৰিচিভাৰ তুলি ললেই হ'ল। ঘৰৰ বাহিৰলৈ গ'লে ঘৰৰ যদি আন কোনো মানুহ নাথাকে, ফোনৰ সৈতে সংযুক্ত সৰু ৰেকৰ্ডিং মেচিনটো 'অন' কৰি থৈ গলে কোনোৱাই সেই সময়ত ফোন কৰিলে কথাখিনি তাত স্বয়ংক্ৰিয় ভাবে ৰেকৰ্ডত আবদ্ধ হৈ থাকে।

আমি কলিকতাতে ট্ৰেভেল এজেন্টৰ সৈতে যোগাযোগ কৰি যুক্তৰাষ্ট্ৰৰ বিভিন্ন ঠাইৰ আভ্যন্তৰীণ বিমান সেৱাৰ বিমানেৰে ভ্ৰমণ কৰিবলৈ এটা পৰিকল্পনা কৰি লৈছিলোঁ। অৱশ্যে কিছুমান ঠাই ৰেল আৰু বাছেৰেও ভ্ৰমণ কৰিব লাগিব। যুক্তৰাষ্ট্ৰত ইখন ঠাইৰ পৰা আন এখনলৈ বিমানেৰে আহ-যাহ কৰিবলৈ ভাৰততে ভাৰতীয় টকাৰে টিকট কিনি লৈছিলোঁ। ইয়াৰ ম্যাদ ব্যৱহাৰ হোৱা দিনৰ পৰা

বাঢ়ি দিনলৈ থাকে। এই টিকট বা কুপনৰ নাম 'ভুছা' (Visit U.S.A)। এই টিকট বা কুপনেৰে যুক্তৰাষ্ট্ৰৰ যি কোনো আভ্যন্তৰীণ সেৱাৰ বিমানতে ভ্ৰমণ কৰিব পাৰি; মাত্ৰ কেইদিন মান আগতে বিমান অফিছৰ লগত যোগাযোগ কৰি কোন তাৰিখে ক'লৈ যোৱা হ'ব সেই কথাটো O,K অৰ্থাৎ থাটাং কৰি ল'ব লাগে। খৰচৰ ফালৰ পৰাও বহুখিনি ধন ৰাহি হয়। আনহাতে যুক্তৰাষ্ট্ৰত আভ্যন্তৰীণ বিমানৰ টিকট ২১ দিনৰ আগতে বা যিমান দিন আগতে কিনা যায় যেই হিচাপে কম দামত পোৱা যায়। বিমান যাত্ৰাৰ কেইদিনমান আগতে বা মুৰামুৰি সময়ত টিকট কিনিলে বহুত বেছি ডলাৰ ভৰিব লাগে। 'ভুছা' কুপন এখনেৰে যি কোনো দূৰত্বৰ ঠাইলৈ যাব পাৰি। এখন কুপনেৰে ওৱাশ্বিংটন ডি. চিৰ পৰা নিউইয়ৰ্কলৈও যাব পাৰি বা সেইখন নিউইয়ৰ্কৰ পৰা লছ্ এঞ্জেলিছলৈ যোৱাটো ব্যৱহাৰ কৰিব পাৰি। এই কুপন কেইখন কিনিবৰ সময়ত কোন ঠাইলৈ ভ্ৰমণ কৰিব সঠিক কৈ জনাব লাগে। নিৰ্দ্দিষ্ট দিনটো সুবিধা অনুযায়ী ছমাহৰ ভিতৰতে পৰাকৈ কৰি ল'লেই হয়। ঠাই সলাব লাগিলে বিমান অফিছত আগতীয়াকৈ জনাব লাগে। ঠাই সলনি কৰিলে এখন কুপনত পঁচিছ ডলাৰ ওপৰঞ্চি মুদ্ৰা ভৰিব লাগে। আমি যুক্তৰাষ্ট্ৰত 'ভুছা' কুপনেৰে Dleta Air Iines ৰ বিমানত নিৰাপদে আৰু আৰামেৰে ভ্ৰমণ কৰিছিলোঁ।

ইয়াৰ শ্বপিংচেণ্টাৰ বা দোকান পোহাৰবোৰ মনোগ্ৰাহী কৈ সজোৱা চালে চকুৰোৱা। এই দোকান পোহাৰৰ ঘৰবোৰ বাহিৰৰ পৰা দেখাত বৰ আকৰ্ষণীয় বা চকুত লগা বিধৰ নহয়; "বক্স টাইপৰ" আহল-বহল ঘৰ। শ্বপিং চেণ্টাৰৰ সন্মুখত শ শ গাড়ী ৰাখিব পৰাকৈ মুকলি ঠাই, সুন্দৰ পাকিং—প্লেচ। তাত গাড়ীবোৰ প্ৰণালীবদ্ধ ভাবে থ'বলৈ চিন দিয়া থাকে। সেইমতে চিজিল লগাই গাড়ীবোৰ ৰখা হয়। ইয়াত য'লৈকে যোৱা যায়; তাতেই কেৱল প্ৰথমে শ-শ গাড়ী ৰখোৱা ঠাইবোৰহে দেখা যায়। শাৰীৰিক ভাবে অক্ষম-লোকৰ বাবে দোকানৰ একেবাৰে সন্মুখতে বিশেষ এটা চিন দি গাড়ী থোৱা ঠাইৰ ব্যৱস্থা

আছে। এনে ঠাইত আন সুস্থ মানুহে গাড়ী থ'লে জৰিমনা ভৰিব লাগে। ছপিং চেণ্টাৰৰ প্ৰকাণ্ড আইনাৰ দুৱাৰখনৰ ওচৰ চপাৰ লগে লগে আপোনা আপুনি খোল খায়। আৰু আঁতৰি গ'লে আপোনা-আপুনি বন্ধ হয়। দোকানৰ ভিতৰখন শীত-তাপ নিয়ন্ত্ৰিত। পৰিষ্কাৰ পৰিচ্ছন্ন, মিহি আহল-বহল মজিয়া; ভিতৰত প্ৰবেশ কৰাৰ লগে লগে মনটো পুলকিত হৈ পৰে। আমি আহিছোঁ 'গ্ৰোচাৰিলৈ'— আমাৰ দেশৰ গেলা-মালৰ দোকানৰ লেখীয়া। এইবোৰক 'চুপাৰ মাৰ্কেট' বুলিও কয়। এইবোৰৰ প্ৰায় ভাগেই ২৪ ঘণ্টাই খোলা থাকে। দোকানৰ দুৱাৰ মুখতে পাতল ট্ৰলি পোৱা যায়। তাৰে এখন লৈ ঠেলি ঠেলি গৈ থাকক। দোকানৰ বস্তুবোৰ প্ৰায় তিনি ফুটমান ওখ ঠাইত হেলনীয়াকৈ ভাগে ভাগে সজাই থয়; যাতে গ্ৰাহকে নিজ পছন্দমতে তাৰ পৰা চাই-চিতি লবলৈ সুবিধা হয়। দোকানত বস্তু দিবলৈ কোনো মানুহ নাথাকে। বিবিধ দ্ৰব্যৰ মূল্য কাষতে লিখা থাকে; ফলত দৰদাম কৰাৰ প্ৰশ্নই নুঠে। সুন্দৰ কৈ ভাগে ভাগে সজাই থোৱা আছে ডাঙৰ ডাঙৰ আকাৰৰ আলু, পিয়াজ, ধুই-পখালি পৰিষ্কাৰ কৰি থোৱা সজীব কবি, মূলা, গাজৰ, মটৰ, বিলাহী, ৰঙালাউ, জাতিলাউ, যুকিনি (জাতিলাউৰ দৰে) আৰু সেউজীয়া সতেজ নানা তৰহৰ শাক-পাচলি। আন এটা ভাগত সজাই থোৱা আছে বিবিধ ফল-মূল। ভাগে ভাগে আছে বিবিধ চাউল, দাইল, আটা, ময়দা আদি। আন এটা ভাগত সজাই থোৱা আছে বিধে বিধে মাছবোৰ। মাছবোৰ কাটিকুটি ধুই-পখালি পেকেটত ভৰাই থোৱা হয়। মাংসৰ শাৰী বোৰতো বিধে বিধে মাংস ৰকমে সজাই থোৱা আছে। গাখীৰৰ শাৰীত আছে প্লাষ্টিকৰ পাত্ৰত নানাবিধ গাখীৰ; গাখীৰৰ পৰা তৈয়াৰী আইছক্ৰীম, ক্ৰীম, চিজ, দৈ, মাখন আদি নানা বিধ বস্তুৰ ধুনীয়া ধুনীয়া পাত্ৰবোৰ। ফলৰ ৰসৰ সৰু ডাঙৰ পাত্ৰবোৰ সজাই থোৱা আছে। গাখীৰৰ পাত্ৰবোৰত Expiry date লিখা থাকে। এক সপ্তাহ বা তাতোকৈ বেছি দিন ফ্ৰিজত ভৰাই থৈ দিলেও বেয়া হোৱাৰ সম্ভাৱনা নাই। চৰ্ব্বি থকা-নথকা

নানা বিধ গাখীৰ বিশুদ্ধ কৰি ভিটামিন মিহলাই প্লাষ্টিকৰ পাত্ৰত ভৰাই বিক্ৰী কৰে। ইয়াত মানুহে গাখীৰ গৰম কৰি নাখায়। গাখীৰ শেষ হ'লে পাত্ৰটো আবৰ পেলোৱা পাত্ৰত পেলাই দিয়ে। এনেকৈ এঘৰ মানুহবে কিমান যে প্লাষ্টিকৰ আৰু কাগজৰ ধুনীয়া ধুনীয়া বাচন, বটল, কাগজৰ নেপকিন্ আদি পেলাবলগীয়া হয়। সেইদৰে বেছৈাৰা বোৰতো কাগজৰ কাপ-প্লেট, গিলাচ, প্লাষ্টিকৰ কাটা চামুচ, আদি ব্যৱহাৰ কৰাৰ পিচত পেলাই দিয়া হয়।

কেক্‌ৰ দীঘলীয়া শাৰীত আছে বিধে বিধে কেক্। পাউৰুটিও কিমান বিধৰ যে সজাই থোৱা আছে। প্ৰত্যেক বিধেই বেলেগ বেলেগ সোৱাদৰ, তদুপৰি বিবিধ বিস্কুটৰ পয়োভৰ। ইয়াত বিস্কুটক 'কুকিচ্' বুলিহে কয়। ইয়াৰ মানুহে আমাৰ দৰে যত্ন আৰু সময় খৰচ কৰি খোৱা বস্তু তৈয়াৰ কৰি নাথাকে। কালাকান্দ, বৰফি, পে'ৰা আদি তৈয়াৰ কৰিবলৈ পেকেটত ভৰাই থোৱা পাউদাৰ ব্যৱহাৰ কৰে। এনে পাউদাৰৰ পেকেট বজাৰত কিনবলৈ পোৱা যায়। সেইখিনি খুলি লৈ খোলাত ঢালি দি অ'ভেনত সুমুৱাই দিলেই মিঠাই তৈয়াৰ হৈ গ'ল। সেইদৰে কেক্ তৈয়াৰ কৰিবলৈও পাউদাৰৰ পেকেট পোৱা যায়। পেকেটত যে কিমান ধৰণৰ "ৰেডিমেড্" খোৱা বস্তু পোৱা যায়, তাৰ অন্ত নাই ; ঘৰলৈ আনি অ'ভেনত গৰম কৰি খালেই হ'ল। গাখীৰৰ পৰা তৈয়াৰী বিবিধ খোৱা বস্তুৰে দোকান ভৰপূৰ।

এই দেশত খোৱা বস্তু যিদৰে উভৈনদী, সেইদৰে সস্তা আৰু নিৰ্ভেজাল। ঔষধ-পাতিকে আদি কৰি ঘৰুৱা লাগতিয়াল সকলো বস্তু একেখন দোকানতে অতি সোণকালে আৰু সহজে কিনিব পাৰি। বস্তু কিনি ট্ৰলিখনত ভৰাই লৈ ঠেলি ঠেলি গৈ থাকক। দুৱাৰ মুখতে চেলছমেনে কম্পিউটাৰত দোকানৰ পৰা লোৱা বস্তুখিনিৰ হিচাপ কৰি পইচা ল'ব। পইচা দিবৰ সময়তো তাত শাৰী পাতি থিয় হোৱাৰ নিয়ম। দুজন বা তিনিজন গ্ৰাহক হ'লেও এই নিয়মৰ ব্যতিক্ৰম নহয়। ইয়াত দেখিছো নিয়ম নিয়মেই ; তাৰ হেৰ্‌ ফেৰ্‌ নাই। আহিবৰ সময়ত সুন্দৰকৈ পলিথিনৰ বেগত ভৰাই দিয়া বস্তুখিনি লৈ

চেলছমেনক দাম শেধাই ধন্যবাদ দি ওলাই আহক্‌। এইবোৰ দোকানত বেচি ভাগ স্কুল কলেজৰ ছাত্ৰই কাম কৰে। ইয়াত কাম কৰিলে ঘণ্টা হিচাবত পাৰিশ্ৰমিক পায়। তেওঁলোকৰ আজৰি পৰৰ এইটো এটা ভাল উপাৰ্জ্জন। ইয়াৰ দ্বাৰা তেওঁলোকে অন্ততঃ নিজৰ হাতখৰচ খিনি উলিয়াই লয়।

আলাস্কাৰ এঙ্কোৰেজলৈ কিছুমান শাক-পাচলি দূৰ ঠাইৰ পৰা আহে বাবে দাম বৰ বেছি। কিছুমান বস্তু 'চেলত' বিক্ৰী কৰে; বস্তুবোৰৰ কাষত For Sale বুলি লিখা থাকে। অৱশ্যে এই নিয়মটো আমাৰ দেশত ৰেহাই মূল্যত দিয়া পুৰণি বেয়া বস্তু কম মূল্যত বিক্ৰী কৰাৰ দৰে নহয়। দোকানত যেতিয়া কোনো বিধ বস্তু বেচিকৈ জমা হয় তেতিয়া 'চেল'ত দিয়ে। 'চেল'ত দিয়া কেমেৰা, ঘড়ী, নানান যন্ত্ৰপাতিৰ বিজ্ঞাপন বাতৰি কাকতত ওলাই থাকে। এনে বস্তুৰ মূল্য মূল দামতকৈ বহুত কম। অমিতা, কৰ্দ্দৈ আদিও চেলত বিক্ৰি হোৱা দেখিলোঁ।

ইয়াৰ মানুহে বজাৰ-সমাৰ কৰোঁতে সৰহকৈ ধন লগত লৈ নুফুৰে। সচৰাচৰ সকলোৱে 'ক্ৰেডিট কাৰ্ড' হে ব্যৱহাৰ কৰে। এনেবোৰ কাৰ্ডৰ জৰিয়তে নিৰ্দ্দিষ্ট বেঙ্ক বা প্ৰতিষ্ঠানৰ পৰা ডলাৰখিনি ল'ব পাৰি। প্লাষ্টিকৰ সৰু 'ক্ৰেডিট কাৰ্ড' খন যিটো বেঙ্ক বা প্ৰতি-ষ্ঠানৰ পৰা লোৱা হয় তাৰ নাম কাৰ্ডখনত মোহৰ মৰা থাকে; লগতে কাৰ্ডৰ গৰাকীৰ নাম, ঠিকনা বিতংকৈ কম্পিউটাৰেৰে পঢ়িব পৰা ভাষাত লিখা থাকে। ইয়াত এজন মানুহৰ হাতত বেলেগ বেলেগ বেংক বা প্ৰতিষ্ঠানৰ কেইবাখনো 'ক্ৰেডিট কাৰ্ড' থকা দেখা যায়। হাতত হয়তো এক ডলাৰো নাই, তথাপি লগত লৈ ফুৰা ক্ৰেডিট কাৰ্ডেৰে দোকান বজাৰত যি কোনো বস্তু কিনা, হোটেলত থাকিলে তাৰ খৰচটো আদায় দিয়া, ৰেষ্টোৰাত খাই তাৰ খৰচ পৰিশোধ কৰা আদি সকলো কাম কৰিব পাৰি। আনকি শিক্ষানুষ্ঠানৰ মাচুল, হস্পিতালৰ বিল, আয়কৰ আদিও এই কাৰ্ডৰ দ্বাৰা কৰিব পৰা ব্যৱস্থা হৈছে। এই কাৰ্ডৰ প্ৰতিষ্ঠান বোৰে মাহত এবাৰকৈ কাৰ্ডৰ গৰাকীলৈ এখন ষ্টেট্‌মেণ্ট

আৰু বিল পঠিয়ায়। মাহৰ শেষত কাৰ্ডৰ গৰাকীয়ে সেই মাহৰ গোটেইখিনি ধন শোধ কৰিব পাৰে অথবা তাৰে সামান্য এভাগ ডলাৰ দিবও পাৰে ; বাকীখিনি ধন পিচৰ মাহত শোধ কৰিব পাৰে। তেতিয়া অলপ সুত ভৰিব লগা হয়।

আলাস্কাত চাকৰি কৰা মানুহৰ দৰমহা যুক্তৰাষ্ট্ৰৰ আন ঠাইতকৈ সৰহ। ইয়াৰ সকলো ঠাইতে চাকৰিয়াল সকলে পোন্ধৰ দিনৰ মূৰে মূৰে দৰমহা পায়।

তিনি চেপ্তেম্বৰ, দেওবাৰে দুপৰীয়া এক বজাত আমি এঙ্কোৰেজ নগৰৰ পৰা এশ মাইল নিলগৰ প'টেজ ভেলিলৈ (Portage Valley) ফুৰিবলৈ ওলালোঁ। ইয়াত দূৰত্ব বুজাবলৈ কিলোমিটাৰৰ সলনি মাইল হে ব্যৱহাৰ কৰে। চেপ্তেম্বৰ মাহৰ সুন্দৰ ফৰকাল বতৰ। সূৰ্যৰ সোণালী কিৰণে চৌদিশ উপচাই দিছে। সাগৰৰ পাৰে পাৰে সুন্দৰ মসৃন পথেৰে আমাৰ 'কেম্পাৰ' গাড়ীখন আগবাঢ়িছে। এনে কেম্পাৰ গাড়ীৰ ভিতৰতে কেইবাজনেও শুব পৰা বিছনা স্তোভ, ফ্ৰিজ, আদিৰ সকলো সুবিধা আছে। কেম্পাৰ গাড়ীতকৈ কিছুমান ডাঙৰ ডাঙৰ গাড়ী আছে। তেনে গাড়ী ভাড়ালৈ ল'ব পাৰি ; সেইবোৰক 'Motor Home' বুলি কয়। এনে গাড়ীৰ ভিতৰতো স্তোভ ফ্ৰিজ্ আদিৰ উপৰিও কেইবাজনো শুব পৰা ফ'ল্ডিং বিচনা, টি, ভি, চেট, মাইক্ৰ'ৱেভ, টয়লেটকে আদি কৰি ঘৰুৱা সকলো লাগতিয়াল আহিলা পাতিৰ ব্যৱস্থা থাকে। আলাস্কা উপসাগৰৰ পাৰত এঙ্কোৰেজ চহৰখন অৱস্থিত। এই উপসাগৰৰ কুক্-ইনলেট (Cook Inlet) নামৰ জলভাগৰ এটা অংশ দীঘলীয়াকৈ পূৱৰ পৰা উত্তৰলৈ ভূমি ভাগৰ মাজলৈ সোমাই গৈছে। সেই জলভাগৰ নাম নিক্ আৰ্ম (Knik Arm) ; টাৰ্নাগেইন আৰ্ম (Tarnagain Arm) নামৰ উপসাগৰৰ আন এটা অংশ দীঘলীয়া আকৃতিৰে পূবৰ পৰা পশ্চিম ভূ-ভাগৰ মাজলৈ সোমাই গৈছে। এই দুই জলৰাশিৰ মাজৰ সমতল অংশত এঙ্কোৰেজ চহৰৰ অৱস্থিতি হোৱাত ই আলাস্কা ৰাজ্যৰ ৰেল পথ আৰু স্থল পথৰ এটা প্ৰধান বাণিজ্যিক কেন্দ্ৰ হৈ পৰিছে। আমি

জলৰাশিৰ পাৰে পাৰে ক্ৰমাৎ উত্তৰলৈ গৈ আছোঁ, কাষে কাষে গৈছে বেল আলিটো। কিছু দূৰ যোৱাৰ পিচত আলিৰ দাঁতিত দেখিলোঁ ভ্ৰমণকাৰী চৰাইৰ বাবে কৰা এখন পাৰ্ক। ইয়াৰ বনাঞ্চলত অলেখ বনৰীয়া চৰাই দেখা যায়। ভ্ৰমণকাৰী চৰাইবোৰে প্ৰত্যেক বছৰে শীতৰ আৰম্ভণিৰ লগে লগে উত্তৰৰ শীত প্ৰধান অঞ্চলৰ পৰা উৰি আহি ইয়াত জিৰণি লয়হি। বসন্ত সমনি হোৱাৰ লগে লগে আকৌ ঘূৰি যায়গৈ। এনেকৈ অহা যোৱা কৰোঁতে পৰ্ব্বত-পাহাৰ, নৈ, সাগৰ পাৰ হ'বলগীয়া হয় যদিও ক'তো বাট-পথ ভুল নকৰে ; এইটো সিহঁতৰ সহজাত প্ৰবৃত্তি। প্ৰকৃতি-প্ৰিয় লোকসকলে এই সময়ত চৰাইবোৰ চাবলৈ এনেকুৱা পাৰ্ক বিলাকলৈ আহে। এঙ্কোৰেজ নগৰত শীত বেছিকৈ পৰিবলৈ ধৰাৰ লগে লগে ইয়াৰ চৰাইবোৰ আন ঠাইলৈ উৰি গুচি যায়। চুৱাৰ্ড-এঙ্কোৰেজ হাইৱেৰ দুয়োকাষে কিছু দূৰৰ মূৰে মূৰে দেখা যায় কেম্প, গ্ৰাউণ্ডবোৰ। প্ৰধান আলিৰ পৰা অলপ ভিতৰলৈ সোমাই যোৱা পথেৰে গৈ তাত থকা কেম্প, গ্ৰাউণ্ডত মানুহে সপ্তাহান্তত আহি মাছ মাৰে, চিকাৰ কৰে ; এই কেম্পিং পাৰ্ক বিলাকত নিশা থাকিবলৈ সৰু সৰু কেবিন আছে ; সেইবোৰ ভাড়াত ল'ব পাৰি। এনে ঠাইবোৰত খোৱা-পানী, টয়লেট্, পিক্‌নিক্ টেবুল, কাপোৰ ধোৱা মেচিন, ফায়াৰ প্লেচ আদিৰ ব্যৱস্থা থাকে। কিছু দূৰ যোৱাৰ পিচত পথৰ দুয়োকাষে বহুতো ডাঙৰ ডাঙৰ মৰা গছ থিয় হৈ থকা চকুত পৰিল। ১৯৬৪ চনত এই অঞ্চলত হোৱা প্ৰবল ভূমিকম্পৰ ফলত সাগৰৰ ঢৌ বাগৰি আহি ইয়াত বানপানীৰ সৃষ্টি কৰিছিল। বানপানীৰ ফলত মৰি যোৱা গছবোৰ এতিয়াও তেনেদৰে থাকি সেই ভয়াবহ ভূমিকম্প আৰু বানপানীৰ কথাকেই যেন সোঁৱৰাই আছে। আজি পঁচিছ বছৰ জুৰি এই শুকান গছবোৰ এইদৰে আছে, কোনেও সেইবোৰ কাটি লৈ যোৱা নাই। আমাৰ দেশত আকৌ সংৰক্ষিত বনাঞ্চলৰ মূল্যবান গছবোৰ চোৰাং কাৰবাৰীয়ে কাটি টহিলং কৰিব লাগিছে। এই মুহূৰ্ত্তত মোৰ এই কথাটোৱেই ঘনে ঘনে মনলৈ আহিছে ;

প্ৰকৃতিৰ এক অবিস্মৰণীয় সৌন্দৰ্য্য সুষমাৰে সমৃদ্ধ প'ৰ্টেজ ভেলি আলাস্কাৰ অন্যতম আকৰ্ষণ। আমেৰিকাৰ বাহিৰেও আন দেশৰ যথেষ্ট সংখ্যক ভ্ৰমণকাৰী ইয়াৰ ৰূপৰ দুৰ্ব্বাৰ আকৰ্ষণত প্ৰত্যেক বছৰেই ইয়ালৈ আহে। মেক অঞ্চলত তাপৰ মাত্ৰ অতি কম বাবে গোটেই বছৰেই তুষাৰপাত হৈ সেই অঞ্চলবোৰত আৰু পৰ্ব্বতৰ গাত বৰফ-বোৰ তৰপে তৰপে জমা হ'বলৈ ধৰে। এইদৰে জমা হোৱা বৰফৰ ওজন বৃদ্ধি হোৱাৰ ফলত ভৰ সহিব নোৱাৰি সেই ঠাইৰ পৰা বৰফৰ স্তূপবিলাক ধীৰে ধীৰে নিম্ন অংশলৈ গতি কৰে। এইদৰেই বৰফৰ নৈ বা হিমপ্ৰৱাহৰ সৃষ্টি হয়। পৰ্ব্বতৰ গাৰে হিমপ্ৰৱাহবোৰ বৈ আহি নামনি অঞ্চলত সেইবোৰ যেনিতেনি গতি কৰা দেখা যায়। প'ৰ্টেজ ভেলিটো দেখিলোঁ। পৰ্ব্বতৰ পৰা নামি অহা শুভ্ৰ হিমপ্ৰবাহৰ সমুখৰ অংশ গলি গলি সৃষ্টি হৈছে বৰফৰ চেঁচা সুনীল জলধাৰাৰে প্ৰকাণ্ড হ্ৰদ। হ্ৰদৰ চেঁচা পানীত বুৰ গৈ আছে প্ৰকাণ্ড প্ৰকাণ্ড বৰফৰ স্তম্ভবোৰ। মধ্যাহ্ন সূৰ্য্যৰ সোণালী আভাৰে ৰঞ্জিতা হৈ বৰফৰ স্তম্ভবোৰ গাঢ় নীলা, সেউজীয়া বৰণৰ হৈ ঠাই ডোখৰ বৰ্ণাঢ্য হৈ পৰিছে। লেকৰ পাৰৰ পাৰ্কিং এলেকাৰ নিচেই কাষতে আছে "The Begich Boggs Visitor Center"; মে' মাহৰ পৰা নবেম্বৰৰ এক তাৰিখলৈ ৰাতিপুৱা ন বজাৰ পৰা গধূলি সাত বজালৈ এই চেন্টাৰটো দৰ্শকৰ বাবে খোলা থাকে। "প্ৰাকৃতিক বন-বিভাগ"ৰ দ্বাৰা "Ice Forest"ৰ বিষয়ে ইয়াত দেখুওৱা "গ্লেচিয়াৰ থিয়েটাৰ" চাবলৈ আমিও টিকট কাটি সোমালোঁ। তুষাৰাবৃত্ত অঞ্চল আৰু বৰফাবৃত্ত পৰ্ব্বতৰ পৰা বৰফৰ নৈবোৰে কেনেকৈ নিম্ন অংশলৈ গতি ক'ৰে, সেই বৰফৰ ৰাজ্যৰ আচৰিত কাণ্ড কাৰখানাবোৰ; তাত বাস কৰা ভালুক, 'কেৰিবু-হৰিণা', মুছ, ভেৰা, কেৰ্কেটুৱা আদি জীৱ-জন্তুবোৰ; চৰাই মাছ আৰু বৰফৰ ওপৰত ফুলা নানা ৰঙী ফুলৰ সমাবেশ চিনেমাৰ পৰ্দ্দাত দেখি সঁচাকৈয়ে জীৱন্ত ৰূপত দেখা যেন লাগিল। আলাস্কাত তিনি প্ৰকাৰৰ ভালুক আছে; গাৰ বং বেলেগ বেলেগ। মুগা, মাটিয়া আৰু ক'লা বৰণৰ। ভৱনৰ ভিতৰতে কিতাপ, ফটো আদি কিনিব পৰা যায়।

তাৰ পৰা ওলাই অলপ খোজকাঢ়ি গৈ নৈ সুঁতি এটাৰ ওপৰত থকা কাঠৰ প্লেটফৰ্মৰ পৰা নিচেই তলৰ পানীৰ যুৰলীত ঘূৰি-ফুৰা সাগৰৰ চেমঅ'ন মাছবোৰ দেখি বৰ ভাল লাগিল। সাগৰৰ পৰা চেমঅ'ন মাছবোৰে এনে পানী ভাগলৈ (নৈৰ ঘোপলৈ) কণী পাৰিবলৈ আহে। কণী পাৰাৰ পিচত ডাঙৰ মাছজনী ৰঙা বৰণৰ হৈ মৰি যায়। প্ৰকাণ্ড প্ৰকাণ্ড মাছ, দেখিবলৈ বৌ মাছৰ নিচিনা; এইবিধক "মাছৰ ৰজা" বুলি কয়। অলপ আঁতৰলৈ গৈ গাড়ীতে বহি দিপালীয়ে ঘৰতে ৰান্ধি অনা টাৰ্কিৰ মাংস, ৰুটি, কেক্ আদিৰে দুপৰীয়াৰ আহাৰ খালোঁ।

প'টেজ গ্লেচিয়াৰৰ অনুপম সৌন্দৰ্য্যৰাজি নিচেই ওচৰলৈ গৈ চাবলৈ প'টেজ লেকত এঘন্টাৰ বাবে ভ্ৰমণ কৰিবলৈ টিকট কাটি দুমহলীয়া বগা বৰণৰ ব'টখনত শাৰী পাতি উঠিলোঁ। "বৰফৰ লেকত নৌকা বিহাৰ" কথাষাৰ ভাবিলেই মন এক বুজাব নোৱাৰা উন্মদনাত নাচি উঠে। আহল-বহল ধুনীয়া ব'টখনত শাৰী শাৰীকৈ পাৰি থোৱা আৰামদায়ক চকীবোৰৰ এখনত বহি লৈ বাহিৰলৈ চকু ফুৰাই দেখিলোঁ, ৰ'দ পৰি হ্ৰদৰ পানীবোৰ জিক্‌মিকাই আছে। দেশ-বিদেশৰ ভ্ৰমণকাৰী পুৰুষ-মহিলাৰে ব'টখন পৰিপূৰ্ণ; প্ৰত্যেকৰে হাতত বিভিন্ন ধৰণৰ কেমেৰা; আশী-নবৈ বছৰীয়াস্বামী-স্ত্ৰী, আদহীয়া পুৰুষ-মহিলা, ডেকা-গাভৰু, সৰু ল'ৰা-ছোৱালী, কোলাত নবজাত শিশু লৈ আহিছে শ্বেতাঙ্গী গাভৰু। এই দেশৰ বিমান ভ্ৰমণত, ৰেষ্টোৰাত, দোকান-পোহাৰ আদিত মাত্ৰ দুদিনমান আগতে ভূমিষ্ঠ হোৱা নব জাতকক কোলাত লৈ ফুৰা যুবতী মাতৃসকলক দেখিছোঁ। চহৰৰ কোলাহল আৰু ব্যস্ততাপূৰ্ণ যান্ত্ৰিক জীৱনৰ পৰা আঁতৰি আহি ক্ষন্তেকৰ বাবে নিজকে বিলাই দিছে প্ৰকৃতিৰ মনোমোহা পৰিবেশৰ মাজত। আমাৰ সমূখত মাইকত ছোৱালী এজনীয়ে প'টেজ গ্লেচিয়াৰৰ বৰ্ণনা দি গৈছে। এই বিশাল লেকৰ গভীৰতা ছয়শ ফুট। লেকৰ পানী ফালি ফালি ব'টখন ক্ৰমাৎ আগুৱাই গৈ আছে। লেকৰ পানীত ওপঙি থকা বৰফৰ প্ৰকাণ্ড প্ৰকাণ্ড স্তম্ভবোৰৰ মাত্ৰ দহ ভাগৰ এভাগহে পানীৰ ওপৰত ওলাই আছে, বাকী অংশ পানীৰ তলত ডুব গৈ আছে।

ইয়াত প্ৰকৃতিয়ে প্ৰতি মুহূৰ্ত্তত ৰূপ সলনি কৰে। গাখীৰৰ দৰে বগা বৰফৰ স্তম্ভবোৰ ক্ৰমে গাঢ় নীলা, তাৰ পিচত লাহে লাহে সেউজীয়া ৰঙত পৰিণত হয়। কোনো অদৃশ্য আলোক শিল্পীয়ে যেন পোহৰৰ ৰং সিচি দি ক্ষণে ক্ষণে বৰফৰ ৰূপ সলনি কৰি আছে। চাৰিও-ফালৰ ওখ ওখ পাহাৰবোৰ শুকুলা বৰফে ঢাকি আছে। পাহাৰৰ ওপৰৰ পৰা তললৈ বৈ আহিছে বৰফৰ নৈ। গ্লেচিয়াৰৰ ওপৰত সূৰ্য্যৰ সোণালী ৰশ্মি পৰি মুকুতা জিলিকাৰ দৰে ঝল্‌মল্‌ কৰি চাৰিওফালে এক বৰ্ণনাতীত মায়াবী দৃশ্যৰ সৃষ্টি কৰিছে। যিমানেই বৰফৰ নৈৰ ওচৰ চাপি আহিছোঁ মনৰ উত্তেজনাও বাঢ়ি আহিছে। ক্ৰমাৎ বৰফৰ নৈৰ মুখামুখি হলোঁহি। তেতিয়া ব'টৰ প্ৰায়বোৰ যাত্ৰীয়েই খটখটিৰে ওপৰৰ ডেকলৈ গৈছে; আমিও ডেকলৈ গ'লোঁ। ফেৰ্‌ফেৰীয়া চেঁচা বতাহজাকে শৰীৰ স্পৰ্শ কৰি গ'ল। ডেকত থিয় হৈ নিচেই ওচৰৰ পৰা বৰফৰ নৈৰ মায়াবী ৰঙৰ খেলা চাই কিমান সময় মন্ত্ৰমুগ্ধ হৈ আছিলোঁ মনত নাই। বিৰাট বিৰাট আকৃতিৰ নীল বৰণৰ বৰফ এক গোট হৈ ধীৰে ধীৰে আহি আছে। এনেতে প্ৰকাণ্ড বৰফৰ স্তম্ভ এটা খহি আহি ভীষণ শব্দ কৰি পানীত পৰি হেন্দোলনি তুলিলে; ব'টখন কঁপি উঠিল। প্ৰায় প্ৰত্যেকজন যাত্ৰীয়ে নিচেই ওচৰৰ পৰা অপূৰ্ব্ব গ্লেচিয়াৰৰ ফটো তোলাত ব্যস্ত। আমিও দুটামান স্নেপ্‌ ললোঁ। বিস্ময় বিমুগ্ধনেত্ৰে চাই ৰলোঁ স্তুপীকৃত হৈ থকা এই বিশাল অপূৰ্ব্ব সৌন্দৰ্য্য-বাহাৰ। এই পাৰ্থিব ৰূপৰাজি বৰ্ণনাতীত, ই উপলব্ধিৰহে বস্তু, অনুভৱহে কৰিব পাৰি। এই বিশাল নীলাভ বৰফৰ সমদল দেখি বাৰে বাৰে সৃষ্টিকৰ্ত্তা ভগবানৰ অপাৰ মহিমাৰ কথা মনলৈ আহি আপোনা-আপুনি মূৰ দোঁ খায়। মোৰ মনত পৰিছে শঙ্কু মহাৰাজৰ "বিগলিত কৰুণা জাহ্নবী যমুনা" নামৰ ভ্ৰমণ পুথিখনৰ "সুমন" নামৰ সেই ছোৱালীজনীৰ কথা। পতিতপাৱনী গঙ্গাৰ মূল উৎস বিচাৰি ভাৰতৰ দুৰ্গমতম তীৰ্থপথ যমুনোত্ৰী-গঙ্গোত্ৰী গোমুখীৰ পথত এনে বৰফৰ নৈৰ কোমল বৰফৰ মাজত সোমাই অন্তঃসলিলা স্ৰোতস্বিনী গঙ্গাৰ প্ৰবল সোঁতত জানো সেই মাৰাঠী যুৱতীজনী হেৰাই যোৱা নাছিল?

এখন্টাৰ ব'ট ট্ৰিপটো উপভোগ কৰি প'টেজ ভেলিৰ পৰা বিদায়লৈ চুৱাৰ্ড বন্দৰ অভিমুখে যাত্ৰা কৰিলোঁ ; ক্ৰমে দৃষ্টিৰ পৰা আঁতৰি গ'ল প'টেজ ভেলিৰ অনিন্দ্যসুন্দৰ নৈসৰ্গিক ৰূপ ।

এক্লোৰেজত জহৰ দিনবোৰত ফুৰা-চকা কৰিবলৈ উৎকৃষ্ট সময় । তেতিয়া দিনবোৰ যথেষ্ট দীঘল হয় বাবে বহুত দূৰলৈকে ফুৰিবলৈ গৈ দিনটো শেষ নোহওঁতেই উভতি আহিব পাৰি । প'টেজ ভেলিৰ পৰা চুৱাৰ্ড বন্দৰলৈ এইছোৱা পথৰ ছুয়োকাষৰ প্ৰাকৃতিক দৃশ্য অতি মনোৰম । আলাস্কা উপসাগৰৰ পানীৰ সোঁত এটা দীঘলীয়া আকৃতিৰে ভূ-ভাগৰ ভিতৰলৈ সোমাই আহিছে । এনে পানী ভাগক চাউণ্ড বুলি কোৱা হয় । উপকূল অঞ্চলত এনেকুৱা বহুতো চাউণ্ড দেখা যায় । আলাস্কা উপসাগৰৰ ৰ্‌ৰাইং চাউণ্ডতেই চুৱাৰ্ড বন্দৰ অৱস্থিত । এক্লো-ৰেজৰ পৰা ইয়াৰ দূৰত্ব ১২৮ মাইল । ভীষণ সাঁওতো এই অঞ্চলৰ সাগৰৰ পানী গোট মাৰি বৰফ নহয় বাবে চুৱাৰ্ডক বৰফ-মুক্ত বন্দৰ বুলি কোৱা হয় । তদুপৰি এই ঠাইত পানী যথেষ্ট দ আৰু সোঁত থকা বাবে সাগৰৰ জাহাজ বাৰ মাহে এই বন্দৰ লৈ আহিব পাৰে । সামুদ্ৰিক শিল্প-বাণিজ্যৰ কেন্দ্ৰ এই চহৰৰ জনসংখ্যা মাত্ৰ তিনি হাজাৰ । মাছৰ ব্যৱসায়, নৌ শিল্প আৰু পৰ্য্যটনৰ ওপৰতে এই চহৰ নিৰ্ভৰ-শীল । ইয়াত প্ৰচুৰ পৰিমাণে মাছ ধৰা হয় ; তাৰ ভিতৰত চেমঅ'ন, হেৰিং, কেভিয়াৰ, হেলিবাট আদি জাতীয় মাছেই উল্লেখনীয় । আগষ্ট মাহত এই বন্দৰত পতা মাছ ধৰা প্ৰতিযোগিতা আলাস্কাবাসীৰ বাবে অন্যতম আকৰ্ষণ । সাগৰৰ পাৰে পাৰে ইখনৰ গাত সিখন লগাকৈ আছে অসংখ্য ধুনীয়া ধুনীয়া ৰংবিৰঙৰ অত্যাধুনিক মেচিনৰ'ট ; কিছু-মানত পাল তৰি দিয়ে । এই ব'টবোৰেৰে পানীৰ মাজলৈ গৈ হুইল বৰশী বা জালেৰে মাছ ধৰি আনি পাৰত থকা কেন্দ্ৰত বিক্ৰি কৰে । সেই কেন্দ্ৰবোৰত মাছবোৰ পৰিষ্কাৰ কৰি আন ঠাইলৈ চালান দিয়ে । মাছ মাৰি আছে, বিক্ৰি কৰিছে ; তথাপিও ক'তো অকণো গোন্ধ-ভাপ নাই, আবৰ্জনা পৰি থকা নাই, চাৰিওকালে পৰিষ্কাৰ পৰিপাটি । মাছ মৰা ব'টবিলাকো আটক ধুনীয়া ; ভিতৰখন বিভিন্ন সা-সুবিধাৰে

যেনেকৈ আৰাম-দায়ক তেনেকৈ অত্যন্ত ব্যয় বহুলো।

অলপ আঁতৰত আছে চাহ-জলপান খোৱাৰ বাবে মুকলি ঠাই, পিক্‌নিক্ স্পট্। চকী-মেজ সজাই থোৱা আছে; কাষতে আছে চৌকা; ভাত খৰিবে জুই জ্বলাই মাছ সেকি খাব পাৰি। ইয়াৰ মানুহ বনভোজলৈ গ'লে জুইত সেকি মাছ খায়, মঙহ খায়; তাতো এক মজা আছে। জন সমাজৰ পৰা বহুত দূৰৈত কোনো নিৰিবিলি ঠাইত বনভোজ আদিলৈ গ'লে বা কোনো ঠাইত কিবা খালে, ইয়াত কোনেও কাপ-প্লেট, কাগজ, কলৰ বাকলি আদি য'তে ত'তে নেপেলায়। তেনে ঠাইতো জাবৰ পেলাবলৈ ডাষ্ট্‌বিনৰ ব্যৱস্থা আছে। চুৱার্ড বন্দৰৰ প্ৰাকৃতিক সৌন্দৰ্য্যৰ তুলনা নাই। সাগৰত বগা পালতৰা মেচিনব'ট্‌ কেইখনৰ সৈতে তৰঙ্গায়ীত উৰ্ম্মিমালা আৰু সিপাৰে নীল বৰণীয়া পাহাৰৰ গাত অৰুণৰ কিৰণে বহুণ সানি সমুজ্জল কৰি তুলিছে। দূৰ দিগন্তত সাগৰ আৰু আকাশৰ নীল বৰণ একাকাৰ হৈ পৰিছে। দাঁতি কাষৰীয়া পাহাৰবোৰ বিভিন্ন বৰণেৰে মোহনীয় হৈ পৰিছে; কোনোখন পাহাৰে আকৌ গাঢ় নীল ৰঙেৰে নিজকে বোলাইছে। ইয়াৰ এই নৈসৰ্গিক সৌন্দৰ্য্যক চুইজাৰলেণ্ডৰ প্ৰাকৃতিক সৌন্দৰ্য্যৰ সৈতে বিজোৰা হয়।

এস্কিমোবিলাক আলাস্কাৰ নেটিভ বা স্থানীয় অধিবাসী। চহৰ অঞ্চলৰ ফালে ফুৰিবলৈ গ'লে এস্কিমোবিলাকক বাটে-পথে দেখা পাওঁ। তেওঁলোক চাপৰ, নাক-মুখ মোটা, মিঠা বৰণীয়া। বৰ্ত্তমান যুগত এস্কিমোবিলাকে আগৰ দৰে বৰফৰ ঘৰ সাজি বাস নকৰে। বৰ্ত্তমান চৰকাৰৰ পৰা তেওঁলোকে বহুতো আৰ্থিক সাহাৰ্য্য পায়। তেওঁলোকক থাকিবলৈ কাঠৰ চাপৰ চাপৰ ঘৰ সাজি দিছে। পৰম্পৰাগতভাবে চলি অহা থাঁহৰ চপৰাবে ওপৰখন ঢাকি দিয়া বৰফৰ ঘৰৰ সলনি এই কাঠৰ ঘৰৰ ব্যৱস্থা। ব'ট্‌, স্ন' মেচিন আদি সকলো আধুনিক সামগ্ৰী তেওঁলোকৰ আছে। চিল (Seal) আৰু সিন্ধুঘোটক (Walrus) নামৰ সাগৰীয় জন্তু চিকাৰ কৰি সেইবোৰৰ দাঁতৰ ব্যৱসায় কৰিবলৈ এস্কিমোবিলাকক চৰকাৰে অনুমতি পত্ৰ দিছে। হাতীৰ দাঁতৰ দৰে

এনেকুৱা দাঁত উচ্চ মূল্যত বিক্ৰী হয়। আন মানুহে এনে ব্যৱসায় কৰিলে বহুত ডলাৰ জৰিমনা ভৰিব লাগে। এবাৰ হেনো প্ৰেচিডেণ্ট কেনেডীৰ ভাতৃ টেড্‌, কেনেডী আৰু তেওঁৰ পুতেকক আলাস্কাৰ পৰা "চিল"ৰ দাঁত অনা অপৰাধত পুলিচে কবাৰস্ত কৰিছিল। বৰ্ত্তমান এওঁলোকৰ মাজৰ কিছুমান লোক শিক্ষিত হৈছে। কিন্তু প্ৰায় ভাগেই মদ, ভাং খাই অলস জীৱন যাপন কৰে; মানুহবোৰ অকামিলা, এলেহুৱা।

সাত-চেপ্তেম্বৰ, বৃহস্পিতবাৰে আমি এঙ্কোৰেজ নগৰৰ ডাউন-টাউনত অৰ্থাৎ নগৰাঞ্চলত থকা "এঙ্কোৰেজ মিউজিয়াম" চাবলৈ গলোঁ। ভিতৰত প্ৰবেশ কৰি চিকচিকিয়া পৰিষ্কাৰ মজিয়াখন দেখি ভাব হ'ল যেন এইমাত্ৰহে তৈয়াৰ কৰি উলিয়াইছে। ইয়াত দেখিলোঁ পুৰণি নেটিভবিলাকৰ ব্যৱহৃত বিভিন্ন সামগ্ৰী। মাছ মৰা নাও, চিলৰ দাঁতৰ পৰা কৰা নানবিধ বস্তু, আ-অলঙ্কাৰ, জন্তুৰ ছালেৰে তৈয়াৰী নানা সাজ-পোচাক। এস্কিমোসকলে বেতিয়া সাগৰত "তিমি" মাছ ধৰে তেতিয়া তেওঁলোকে লগে-ভাগে ডাঙৰকৈ উৎসৱ পাতে; ৰং-ধেমালি, নৃত্য-গীত কৰি মাছটো কাটে আৰু খায়। বৰফৰ ওপৰত কুকুৰে টনা শ্লেজ গাড়ী কেইখনমান চকুত পৰিল। মিউজিয়ামৰ পৰা ওলাই আহি চাইনীজ্‌ ৰেষ্টোৰা এখনত সোমাই চুপ, ভাত, চাউচাউ আদিৰে মধ্যাহ্ন ভোজন সেইদিনা বাহিৰতেই কৰিলোঁ।

পশ্চিম আলাস্কা আৰু সুমেৰু অঞ্চলেই প্ৰধানকৈ এস্কিমোবিলাকৰ বাসস্থান। আলাস্কাৰ পশ্চিম অংশতো সোণ পোৱা গৈছিল; বৰ্ত্তমান মাছ-মৰা এই অঞ্চলৰ লোকৰ প্ৰধান ব্যৱসায়। শীত-কালি প্ৰচণ্ড বতাহ আৰু জহকালি শীত, বৰষুণ আৰু ডাৱৰীয়া বতৰ পশ্চিম আলাস্কাৰ বৈশিষ্ট্য। ইয়াৰ প্ৰধান চহৰ নোম (Nome)।

এই ৰাজ্যৰ দক্ষিণ-পশ্চিম অঞ্চলটো আলাস্কা উপদ্বীপ আৰু বহুতো দ্বীপৰ সমষ্টিৰে গঠিত হৈছে। মহাদেশখনৰ আটাইতকৈ ডাঙৰ আগ্নেয় অঞ্চল ইয়াতেই আছে। এই অঞ্চলত "এলুইট" নামেৰে এটা জাতিয়ে বাস কৰে। তেওঁলোকৰ নিজৰ ভাষা-ৰীতি-নীতি আৰু

পৰম্পৰা আছে। অষ্টাদশ শতিকাত কছবিলাকৰ সৈতে এওঁলোকে বেহা-বেপাৰ কৰিছিল। ক'ডিয়েক এই অঞ্চলৰ প্ৰধান চহৰ। ইয়াতো প্ৰচুৰ চিল-মাছ পোৱা যায়।

চেপ্তেম্বৰ মাহৰ সুন্দৰ ফৰকাল বতৰত গধূলি সাত বজাতো যেতিয়া সোণালী ৰ'দজাকে এক্সোৰেজ নগৰৰ চাৰিওফালে উজ্জ্বল পোহৰ বিলাই থাকে তেতিয়া আমাৰ দেশৰ আবেলি চাৰিমান বজা যেনহে লাগে। এনে সময়ত স্কুলৰ পৰা আহি ওপৰ শ্ৰেণীৰ ল'ৰা-ছোৱালীয়ে কিবা অলপ খাই লৈ হোম্-ৱৰ্ক কৰিবলৈ নিজৰ নিজৰ কোঠালিত সোমায়। গৃহিণী গৰাকীয়ে গধূলিৰ আগে আগে ৰাতিৰ সাজ আহাৰ তৈয়াৰ কৰাত ব্যস্ত হয়। ইয়াৰ মানুহে দিনৰ ভাগত পাতলীয়া আহাৰ খায়। গধূলী কৰ্ম্মস্থলীৰ পৰা আহি ৰাতিৰ সাজ খায়। এনেকুৱা ৰ'দালি আবেলি বেলিকা মনোমোহা পৰিবেশত এই আবাসিক অঞ্চলটোৰ পদপথেদি খোজকাঢ়ি ফুৰিবলৈ অতি সুন্দৰ। পদপথেৰে খোজকাঢ়ি গ'লে সোঁফালেৰেহে যাব লাগে। পথত মানুহ দেখিবলৈ-নাই। দুই-এজন জগিং কৰা লোক কেতিয়াবা লগ পোৱা যায়। দুই-চাৰিটা সৰু ল'ৰাই স্কুলৰ পৰা আহি আহল-বহল মিহি বাটত চাইকেল চলাইছে বা কাঠ এচটাত চকা লগাই বাটত চলাই ফুৰিছে। আমালৈ চাই সিহঁতে "হাই" বুলি মাত এষাৰ দিয়ে। প্ৰত্যুত্তৰত আমিও হাঁহি এটিৰে "হাই" বুলি কওঁ। আমেৰিকানসকল অতি ৰঙীয়াল স্বভাৱৰ। দোকানে-পোহাৰে, বাটে-পথে লগ পালে চিনাকি অচিনাকি সকলোৱে হাঁহি এটিৰে "হাই" বুলি সম্ভাষণ জনায়। উপযাচি কথা কোৱা নাইবা সম্ভাষণ জনোৱা অভ্যাসটো হেনো বিলাতত নাই। আবাসিক অঞ্চলত গাড়ীৰ যাতায়ত কম ; এনেকুৱা অঞ্চলত গাড়ীবোৰে মন্থৰ গতিত যায়। নীলৰ বন্ধু সাত বছৰীয়া পেগীয়েও স্কুলৰ পৰা আহি বাটত তাৰ সৰু চাইকেলখন চলাই ফুৰিছে। এওঁলোকৰ কাষৰ ঘৰটোত থাকে দুই আমেৰিকান বাই-ভনী ; দুয়োজনীৰে দুটাকৈ সন্তান। এজনীৰ সামৰিক পদবীধাৰী স্বামীয়ে আন এখন ঠাইত নতুন পত্নীৰ সৈতে ঘৰ কৰিছেগৈ। আনজনীৰ ইঞ্জিনিয়াৰ স্বামীয়ে পাৰ্চনেল

চেক্রেটৰীজনীৰ সৈতে পুণৰ বিবাহ পাশত আৱদ্ধ হৈ আগৰ পত্নী; ল'ৰা-ছোৱালীৰ পৰা আঁতৰি গৈছে। উপাৰ্জনশীল ছয়ো। ভাই-ভনীয়ে সন্তান কেইটাৰ সৈতে একেলগে এই ঘৰটোতে থাকি সংসাৰ চলাইছে। একেখন চহৰত থকা ভেওঁলোকৰ মাক-দেউতাকো মাজে মাজে ইয়ালৈ খবৰ কৰিবলৈ অহা দেখা পাওঁ। দেখিলো, কোনো ঘৰৰ সমুখত গৃহিনী বা গৃহস্থই গাড়ীখন পানীৰ পাইপেৰে ধোৱাত লাগিছে। প্ৰত্যেক ঘৰৰ সমুখত বেলেগ বেলেগ ধৰণৰ ধুনীয়া ধুনীয়া বং-বিৰঙৰ ফুলৰ পৰোভৰ। কেইঘৰ মানৰ পদূলি মুখত আছে ক্লাৱাবিং কেবেজ নামৰ বন্ধা কবিৰ নিচিনা বঙা বৰণৰ এবিধ উদ্ভিদ। দুঘৰ মানৰ পদূলিত জকমকাই ফুলি আছে নাৰ্জিফুল; বতাহত উৰি আহি নাকত লাগিছেহি চিনাকি ফুলৰ সুবাস।

প্ৰত্যেক ঘৰৰ সমুখত আলিৰ দাঁতিত দুফুট মান ওখ খুটা এটাৰ ওপৰত থাকে চিঠিৰ বাকচ "মেইল বক্স"তো; একেই আকৃতিৰ বাকচবোৰ। ডাকত দিবলগীয়া চিঠিবোৰ গৃহস্থই নিজৰ মেইল বক্স-টোত ভৰাই থৈ দিয়ে আৰু বাকচটোৰ বাহিৰ ফালে কাড় চিন থকা মাৰি ডাল ওপৰলৈ দাঙি থয়। মেইল-মেন বা ডাকোৱালজনে গাড়ী লৈ আহে। যদি কাড় চিনটো ওপৰ মুৱা হৈ থাকে তেতিয়া গাড়ীৰ পৰা ননমাকৈ হাত মেলি বাকচটো খুলি চিঠি কেইখন লৈ যায় আৰু ডাকত অহা চিঠি কেইখনো তাতে ভৰাই থৈ যায়। যদি মেইল বক্সটো জোখতকৈ বেছি ওখ বা চাপৰ হয় অথবা শীতকালি বাকচ-টোৰ বাহিৰত লাগি থকা বৰফবোৰ চাফা কৰি থোৱা নহয় তেতিয়া মেইল-মেনে অভিযোগ-পত্ৰ এখন লিখি বাকচটোত ভৰাই থৈ যায়। বাকচটোত তলা মৰা নিয়ম নাই; কিয়নো বাকচবোৰ খুলি কোনেও চিঠি-পত্ৰ চুৰ কৰি লৈ নাযায়।

পাঁচ-ছয়টা ঘৰৰ আঁতৰে আঁতৰে আলিৰ দাঁতিত আছে ফায়াৰ কলবোৰ। ইয়াৰ কৰ্তৃপক্ষ জুইৰ পৰা সদা সতৰ্ক হৈ থকা দেখা যায়। জুই নুমুৱা গাড়ী বাটত প্ৰায়েই ভহল দি থকা দেখা পাওঁ। ক'ৰবাত জুই লাগিলে তৎক্ষণাৎ ফায়াৰ-ব্ৰিগেড আহি সেই কলৰ মুখ

খুলি পানী উলিয়াই পাইপ লগাই জুই নুমুৱায়। মানুহৰ ঘৰবিলাকতো নিৰাপত্তাৰ বাবে সঙ্কেট-ঘণ্টা বখাৰ ব্যৱস্থা আছে। কাৰোবাৰ ঘৰত জুই লাগিবলৈ আৰম্ভ কৰিলে বা ঘৰত অস্বাভাৱিক ধোঁৱা ওলালে ঘৰত লগাই থোৱা সঙ্কেট-ঘণ্টাটোৱে বিকট শব্দ কৰি স্বয়ংক্রিয়ভাবে বাজিবলৈ ধৰে ; লগে লগে পুলিচ, ফায়াৰ-ব্রিগেড আহি হাজিৰ। বহুতে গাড়ীবিলাকতো এনেকুৱা সঙ্কেট-ঘণ্টা বা এলার্ম লগাই লয়।

খোজকাঢ়ি বেছি দূৰলৈ আগবাঢ়ি গ'লে বাট হেৰুৱাবো ভয় ; একে ডিজাইনৰ শাৰী শাৰী ঘৰবোৰ। ঘৰবোৰৰ নম্বৰ চাইহে বিচাৰি উলিয়াব পাৰি। কিছুদূৰ খোজকাঢ়ি গ'লে পোৱা যায় ওচৰা-ওচৰিকৈ থকা দুটা পৰিষ্কাৰ নীলা-পানীৰ হ্রদ। সবল গছৰ ছাঁত হ্রদৰ পাৰত বহিবলৈ বেঞ্চ পাতি থোৱা আছে। পাতি-হাঁহবোৰে মুকলি মনেৰে হ্রদৰ পানীত সাঁতুৰি নাদুৰি ফুৰিছে ; কিছুমানে এটা হ্রদৰ পৰা আনটোত উৰি পৰিছেগৈ। এই হাঁহবোৰক মানুহে খোৱা বস্তু দিয়া নিয়ম নাই। খোৱা বস্তু দিলে হাঁহবোৰে আন ঠাইলৈ উৰি যাবলৈ পাহৰি যায়, বেছি শীতত ইয়াত থাকিলে মৰি যোৱাৰ সম্ভাৱনা। এই উৰণীয়া হাঁহবোৰ আলাস্কাৰ উত্তৰ দিশৰ শীত প্রধান অঞ্চলৰ পৰা আহি জিৰণি লৈছেহি, আকৌ এক্টোবৰত প্রচণ্ড শীত পৰিবলৈ আৰম্ভ কৰাৰ আগে আগে অন্য ঠাইলৈ উৰি গুছি যাব। হ্রদৰ পাৰতে হাঁহবোৰে কণী পাৰি থয়। সেই কণীবোৰ কোনেও নৈ নাযায়। কণী ফুটি পোৱালী ওলায় আৰু পোৱালী ডাঙৰ হোৱাৰ লগে লগে হাঁহবোৰ আন ঠাইলৈ উৰি গুছি যায়। এইদৰে প্রত্যেক বছৰে ইয়ালৈ হাঁহৰ জাক আহে।

পৃথিবীৰ সকলো দেশতকৈ সমৃদ্ধিশালী দেশ আমেৰিকা যুক্তৰাষ্ট্র। এই দেশৰ জীৱন-ধাৰণৰ মানদণ্ড যথেষ্ট উন্নত। প্রাচুৰ্য্যৰে ভৰা এই দেশ। অফুৰন্ত প্রাণ-শক্তিৰে কর্মী মানুহবোৰে অক্লান্ত শ্রম কৰি নদন-বদন কৰি তুলিছে এই বিশাল মহাদেশখন। একেই আকাশ, একেই বতাহ, একেই গছ-গছনি, নদী-নিজৰা, পথাৰ ; অথচ আমাৰ দেশৰ দৈন্যতাৰ বিপৰীতে ইয়াত প্রাচুৰ্য দেখা পাওঁ। আমাৰ

দেশৰ দৈন্যতাৰ ছবিখন চকুৰ আগত ভাঁহি উঠিলে অজান বেদনাই মনটো কঁপাই দিয়ে।

নির্জন পৰিবেশত হ্রদৰ পাৰত বহি জলাশয়ৰ মনোৰম শোভা চাই থাকোঁতে বহু সময় পাৰ হৈ গ'ল। ঘড়ীলৈ চাই দেখোঁ সন্ধিয়া আঠ বাজিছে। লবালৰিকৈ ঘৰলৈ খোজ দিলোঁ। পোহনীয়া কুকুৰক সান্ধ্য ভ্রমণৰ বাবে লৈ অহা এহাল মাৰ্কিন যুৱক-যুৱতীক বাটত লগ পালোঁ।

আঠ চেপ্তেম্বৰ, শুকুৰবাৰে আবেলি এঙ্কোৰেজৰ পৰা ৩৬০ মাইল উত্তৰে থকা আলাস্কাৰ আন এখন ডাঙৰ নগৰ ফেয়াৰবেংকচ্‌লৈ জাৰ্মানীত নির্মিত কেম্পাৰ গাড়ীখনেৰে যাত্রা কৰিলোঁ। গাড়ীখনত ফুকন দম্পতি, তেওঁলোকৰ পুত্র নীল আৰু আমি দুজন। ইয়াৰ মানুহৰ বাবে দুশ তিনিশ মাইল গাড়ী চলাই যোৱাটো তেনেই সাধাৰণ কথা। এঙ্কো-ৰেজ নগৰখন এৰি অহাৰ পিচত আলিৰ দুয়োকাষে থকা বার্চ গছৰ পাতবোৰৰ হালধীয়া ৰহণ চকুত পৰিল। আমাৰ অসমৰ দৰে গভীৰ অৰণ্যানী দেখিবলৈ পোৱা নাই। শ শ মাইল জুৰি আলিৰ দুয়ো-কাষে আছে স্প্রুচ আৰু বার্চ গছৰ শাৰী, দুয়োকাষে পাহাৰ। আঁতৰে আঁতৰে আছে সামৰিক শিবিৰবোৰ; শিবিৰৰ বেছি অংশই থাকে মাটিৰ তলত। ওপৰত বন-পাত আদি দি থৈছে বাবে সামৰিক শিবিৰ বুলি ধৰিবই নোৱাৰি। মাজে মাজে চকুত পৰে কেম্প গ্রাউণ্ড-বোৰ। জনবসতিৰ পৰা বহুত দূৰৈত, পাইন গছ আবৃত্তাঞ্চলৰ মাজে মাজে দেখিলোঁ সৰু সৰু কেবিনবোৰ। এনেকুৱা বন-জঙ্গলৰ মাজত ভালুক আদি বনৰীয়া জন্তু ওলায় যদিও আমেৰিকানসকল অতি দুঃসাহসী বাবে লগত বন্দুকটো লৈ নির্ভয়ে এনে জনহীন ঠাইত আঁহি থাকেহি। বাটৰ কাষৰ নাম-ফলিবোৰত লিখা থাকে ক'ত পিক্‌নিক্‌ খোৱা স্থান, ক'ত গাড়ী ৰখোৱা স্থান, ক'ত খোৱা বস্তু পোৱা যায় ইত্যাদি। কাঠৰ পিক্‌নিক্‌ টেব্‌ল, জাবৰ পেলোৱা পাত্রৰ ব্যৱস্থাও কৰি ৰাখিছে। আমেৰিকান সকলে চহৰৰ ব্যস্ততাপূর্ণ যান্ত্রিক জীৱনৰ পৰা সপ্তাহান্তত গভীৰ বননিৰ মাজলৈ নিবিড় প্রশান্তি বিচাৰি আহে।

শ শ মাইল বিস্তৃত পাইন বনাঞ্চল অতিক্রম কৰি আগুৱাই গৈ আছোঁ ক্রমে উত্তৰলৈ। মাজে মাজে নির্জন পথৰ দাঁতিত চকুত পৰে মেইল বক্সবিলাক। বাটত ক'তো এটিও গৰু, ঘোঁৰা আৰু আনকি মানুহো দেখিবলৈ পোৱা নাই। এবাৰ মাত্র আলিৰ দাঁতিৰ পিতনিত এটা ডাঙৰ "মুছ" (Moose) দেখিলোঁ। আলিৰ দুয়োফালৰ পৰা অহা গাড়ী কেইখনমান ৰখাই গাড়ীৰ পৰা নামি আহি মানুহবোৰে "মুছ" টো চোৱাত ব্যস্ত। এই জন্তুটো দেখিবলৈ ম'হৰ দৰে। মতা-মাইকী উভয়ৰে হৰিণাৰ দৰে এজোৰ ঠাল-ঠেঙুলী থকা প্রকাণ্ড শিং থাকে, আকৃতিও একোটা প্রকাণ্ড ম'হৰ সমান ডাঙৰ। এঙ্কো-ৰেজৰ বাটে-পথে কেতিয়াবা মুছ ওলায়; কেতিয়াবা আহি মানুহৰ বাৰীৰ শাক-পাচলিও খায়। ইয়াৰ মানুহে "মুছ"ৰ মঙহ

আলাস্কাৰ দ্বিতীয় বৃহত্তম নগৰী ফেয়াৰবেংকচ্‌ৰ জনসংখ্যা সাতাইশ হাজাৰ। এই নগৰখন আলাস্কাৰ মধ্যবর্ত্তী অঞ্চলৰ তানানা উপত্যকাত অৱস্থিত। এই অঞ্চলত সোণৰ খনি আবিস্কৃত হোৱাৰ পিচত এই চহৰখন গঢ় লৈ উঠিছে। ৰূপ, তাম, নিকেল, জিঙ্ক, লিড্, আদি খনিজাত দ্রব্যৰ বাবে এই অঞ্চল বিখ্যাত; ইয়াতেই ৰাজ্যখনৰ একমাত্র কয়লাৰ খনি আছে। খনিত কাম কৰা লোক, ৰেড্ ইণ্ডিয়ান, এস্কিমো, ব্যৱসায়ী আদিৰেই চহৰখন পৰিপূর্ণ। পর্য্যটকৰ ওপৰত নির্ভৰ কৰিও এই ঠাইৰ বহু লোকে জীৱন-নির্ব্বাহ কৰে।

আজি বতৰো বেছ সুপ্রসন্ন। আমি দুশ মাইল অতিক্রম কৰিছোঁ যদিও সুন্দৰ ৰ'দালি আবেলিটো এতিয়াও অস্ত পৰা নাই। আঠ বজালৈকে আবেলি আবেলি লগা ৰ'দ জিলিকি থাকিব বনে-উপবনে। পুবফালে সুদূৰত জিলমিলাই থকা দেখিছোঁ বৰফাবৃত্ত উত্তৰ আমেৰিকাৰ সর্ব্বোচ্চ পর্ব্বত "মাউণ্ট মেকিন্‌লি।" এইপর্ব্বতৰ উচ্চতা সমুদ্র পৃষ্ঠৰ পৰা ২০,৩২০ ফুট। অহকালি মাউণ্ট মেকিনলি দর্শন কৰিবলৈ প্রত্যেক বছৰে ইয়ালৈ প্রায় দহ লাখ পর্য্যটক আহে। এঙ্কোৰেজৰ পৰা ফেয়াৰবেঙ্কচ্‌লৈ মটৰেৰে গ'লে বাটতে Denali National Park পোৱা যায়; মাজে মাজে স্বচ্ছ পানীৰ হ্রদবোৰ

দেখি আহিছোঁ। আলিৰ দাঁতিত দেখিলোঁ কাইটীয়া তাঁৰৰ বেৰ দিয়া আহল-বহল খুঁটি-পামবোৰত নোদোকা-নোদোকা গৰু-ধোঁবাবোৰ। গৰু-ধোঁবাক খুৱাবৰ বাবে বিস্তীৰ্ণ এলেকা জুৰি কৰিছে ঘাঁহৰ খেতি। এই অঞ্চলত গম খেতিও হয়; আলুৰ খেতিও দেখি আহিছোঁ। ভৌগলিক পৰিসীমা অনুসৰি এই দেশত জনসংখ্যা কম। গাওঁ বুলি জন-বসতি অঞ্চল ইয়াত দেখা নাই। মাৰ্কিন যুক্তৰাষ্ট্ৰত গাওঁ আৰু চহৰৰ কোনো পাৰ্থক্য নাই। ডাঙৰ চহৰৰ পৰা আঁতৰৰ কম বসতিৰ চহৰৰ দৰে সকলো সা-সুবিধা থকা চহৰতলীক ইয়াত "কানট্ৰি চাইড" বুলি কয়। এইফালে ঘূৰিবলৈ আহি মন কৰিলো পৰ্য্যটকৰ বাবে কৰা সৰু সৰু ঘৰবোৰৰ সৈতে একো একোটা অঞ্চল গঢ় লৈ উঠিছে।

ছয়োকাষে প্ৰকৃতিৰ অপৰূপ শোভা চাই চাই তন্ময় হৈ গৈ আছোঁ। মাইলৰ পিচত মাইল অতিক্ৰম কৰিছোঁ বৰ্ণময় স্বপ্নালী পৰিৱেশৰ মাজেদি। শীতৰ আৰম্ভণীৰ আগে আগে ইয়াৰ গছৰ পাতবোৰে ক্ৰমে হালধীয়া আৰু ৰঙা বৰণ ধৰে। বাৰ্চ গছৰ পাতবোৰ সৰিয়হ ফুলৰ নিচিনা ৰঙেৰে শ শ মাইল জুৰি এক অবৰ্ণনীয় ৰূপৰ সৃষ্টি কৰিছে। ছয়োকাষৰ পাহাৰৰ গাত ফুল সদৃশ ৰঙচুৱা বননি, নামনিত গভীৰ সেউজীয়া পাতেৰে প্ৰুচ গছবোৰ, ঘাঁহ, বন, জোপোহা সকলোবোৰ ৰঙা আৰু হালধীয়া ৰঙেৰে ৰঞ্জিতা হৈ পৰিছে। আগতে কেতিয়াও নেদেখা প্ৰকৃতিৰ এই অপৰূপ শোভাই মন আপ্লুত কৰি তুলিছে। ওপৰত মেঘমুক্ত নীল আকাশৰ উদাৰ নিমন্ত্ৰণ। সদ্যস্নাতা প্ৰকৃতি কুঁৱৰীয়ে যেন দুহাতত জেতুকাৰ বোল সানি গুণাৰ বুটাবছা মেজেঙ্কৰী পাটৰ সাজেৰে বিভূষিতা হৈ লাস্যময়ী ভঙ্গীমাৰে কোনোবা কোঁৱৰৰ প্ৰতীক্ষাত। তাইৰ কৰ্কালত সংগীত মধুৰ নিজৰাৰ কৰধনী, ডিঙিত বনৰীয়া ফুলৰ সাতসৰী। ক্ৰমে ৰৌদ্ৰস্নাতা মনোৰম আবেলিটো শেষ হৈ আহিল; ন বজাত এন্ধাৰ নামি আহিল। নিশা দহ বজাত হাইৱেৰ একাষে গাড়ীখন ৰখাই লগত লৈ অহা চাহ-জলপান খালোঁ। পুণৰ যাত্ৰা আৰম্ভ হ'ল। নিশা এঘাৰ বজাত ফেয়াৰ.বেঙ্কচ্ আহি পাই হোটেল এটাত উঠিলোঁহি। বিচনাত পৰাৰ ক্ষন্তেক পিচতে গভীৰ টোপনিত পৰিলোঁ।

ৰাত্তিপুৱা শুই উঠি আমি থকা তিনি মহলাৰ কোঠাটিৰ খিড়িকীৰে তললৈ চাই দেখিলোঁ। হোটেলখনৰ একাষে থকা বিশাল পাৰ্কিং প্লেচত মাৰ্চিডিচ, হণ্ডা, টয়টা আদি গাড়ীৰ সমাবেশ। অহাই আছিছে, যোৱাই গৈছে। মোটেলত এইটোৱেই সুবিধা যে গাড়ী ৰাখিবলৈ আহল-বহল পাৰ্কিং প্লেচ থাকে, কিন্তু হোটেলত তেনে সুবিধা নাথাকে। গা-পা ধুই উঠি প্ৰথম মহলাত থকা ৰেষ্টোৰাত সোমাওঁতেই সোণালী চুলিৰ ছোৱালীজনীয়ে গতানুগতিকভাবে ৰাতিপুৱাৰ সম্ভাষণ জনাই প্ৰশ্ন কৰিলে "Smoking or No Smoking ?" ইয়াৰ ৰেষ্টোৰা ৰেষ্টোৰেন্ট বিলাকতো এনে ধৰণৰ দুটা ভাগ থাকে। আমি No Smoking কোঠাত বহিলোগৈ। ধূমপান নিষেধ ভাগত বহা লোকৰ সংখ্যা ধূমপান কৰা ভাগতকৈ অধিক দেখিলোঁ। গোটেই বিশ্বতে ধূমপান কৰাৰ ফলত বছৰি পাঁচিছ লাখ মানুহ মৃত্যুৰ মুখত পৰে। যুক্তৰাষ্ট্ৰতো বছৰি চাৰি লাখ মানুহৰ ধূমপানজনিত ৰোগৰ মৃত্যু হয়। আনহাতে ভাৰতত ধূমপানৰ ফলত হোৱা মৃত্যুৰ সংখ্যা ন লাখ। ধূমপান কৰা লোকসকলৰ হাওঁফাওঁৰ কৰ্কট ৰোগ, হৃদৰোগ, ব্ৰঙ্কাইটিছ আদি ৰোগ বেছিকৈ হোৱা পৰিলক্ষিত হয়। চিগাৰেটত থকা "নিকোটিন" নামৰ পদাৰ্থই বিশেষকৈ শৰীৰৰ বিস্তৰ ক্ষতি কৰে। বৰ্ত্তমান এই কাৰণতেই সমগ্ৰ আমেৰিকা যুক্তৰাষ্ট্ৰত ধূমপান-বিৰোধী আন্দোলন গঢ়ি উঠিছে। ইয়াত দেখিছোঁ ধূমপান-নিষেধ ব্যৱস্থা অতি কটকটীয়া। বৰ্ত্তমান এই দেশত চিগাৰেট খোৱাটো প্ৰায় বন্ধ হোৱাৰ দৰেই হৈছে। যিখিনি মানুহ এতিযাও নিচা-যুক্ত হৈ আছে, অতি সোণকালে সেইখিনিও নিঃশেষ হব বুলি আশা কৰিছে। আমাৰ দেশৰ চিগাৰেট প্ৰেমী-সকলৰ বাবে এনেবোৰ আদৰ্শ অনুকৰণীয়। অৱশ্যে ড্ৰাগছৰ সমস্যা এই দেশত এতিয়াও ভয়াবহ হৈ আছে, যিটো বৰ্ত্তমান আমাৰ দেশত বিয়পি পৰিছে। আমি আনৰ ভাল গুণটো নিশিকি বেয়া অভ্যাস বা আচৰণবোৰ আয়ত্ব কৰিবলৈ লৈছোঁ। এই দেশৰ সকলো শিক্ষানুস্থান, কৰ্ম্মস্থলী, সামাজিক অনুষ্ঠান আদিত ধূমপান সম্পূৰ্ণৰূপে বন্ধ কৰিছে। তদুপৰি, শাৰীত থিয় হওঁতে, দুৰন্টাতকৈ কম উৰণৰ

ক্ষেত্ৰত উৰাজাহাজতো একেই ব্যৱস্থা লৈছে। নিজৰ ঘৰতো চিগাৰেট খালে পৰিয়ালৰ লোকৰ যদি আপত্তি থাকে তেতিয়া তেওঁ চিগাৰেট খোৱাৰ বিৰুদ্ধে আদালতৰ আশ্ৰয় লব পাৰে। কাৰণ ওচৰত ধূমপান কৰিলে সেই ধোঁৱা শ্বাস-প্ৰশ্বাসত দেহৰ ভিতৰলৈ গৈ তেজত মিহলি হৈ অনিষ্ট সাধন কৰে। অতি সুখৰ কথা যে বৰ্ত্তমান আমাৰ দেশতো চৰকাৰে চিগাৰেট খোৱাটো স্বাস্থ্যৰ বাবে ক্ষতিকাৰক আৰু মৃত্যুৰো এটা কাৰণ বুলি উপলব্ধি কৰি ধূমপানৰ ক্ষেত্ৰত নিষেধাজ্ঞা জাৰি কৰিছে।

সুন্দৰভাবে পৰিকল্পিত আধুনিক ব্যস্ত নগৰী ফেয়াৰ্‌বেঙ্কচ্‌। ৰেডিঅ' ষ্টেচন, কমাৰ্চিয়েল টেলিভিজ্যন চেণ্টাৰ, পাব্লিক ব্ৰ'ডকাষ্টিং চিষ্টেম সমন্বিতে ই এখন ব্যস্ত নগৰী। একত্ৰিশখন পাব্লিক স্কুল আৰু আঠখন প্ৰাইভেট স্কুলেৰে সৈতে শিক্ষাৰ ক্ষেত্ৰতো যথেষ্ট আগবঢ়া। গৰমৰ দিনত জুনৰ পৰা চেপ্তেম্বৰৰ মাজ ভাগলৈ যেতিয়া ইয়াত টিক্‌টিকীয়া ৰঙা, হালধীয়া আৰু নীলা ফুলৰ অপৰূপ শোভাই চাৰিও-ফালে আৱৰি থাকে তেতিয়া দিন আৰু ৰাতিৰ পাৰ্থক্য খুব কমেই দেখা যায়। তেতিয়া বিশ ঘণ্টাৰো অধিক সময় দিনৰ পোহৰে কেউদিশ পোহৰাই ৰাখে। জুন-জুলাই মাহত বতৰ অতি সুন্দৰ হয়, তেতিয়া মাত্ৰ এটা চুৱেটাৰ পিন্ধিয়েই বাহিৰলৈ ওলাই যাব পাৰি। দিনটোও যথেষ্ট দীঘল হয়। তেতিয়া ৰাতি প্ৰায় চাৰে এঘাৰ মান বজাতহে অলপ সময়ৰ বাবে সন্ধিয়াৰ উমান পোৱা যায়। আকৌ নিশা ছুই বজা মানত ৰাতি পুৱাবলৈ আৰম্ভ কৰেই। দূৰ দিগন্তৰ নীল আকাশত জিলিকি থকা মাউণ্ট মেকিন্‌লি পৰ্ব্বতৰ উচ্চ শিখৰ তেতিয়া স্পষ্টভাবে চকুত পৰে। এতিয়া দিনবোৰ ক্ৰমাৎ চুটি হ'বলৈ আৰম্ভ কৰিছে।

শীতকালি ফেয়াৰ্‌বেঙ্কচে শুভ্ৰ হীৰাৰ দৰে ৰূপোৱালী সাজ পিন্ধি অন্য এক ৰূপেৰে পৰ্য্যটকক মুগ্ধ কৰে। সৰু সৰু বৰফৰ টুকুৰাবোৰ, তুলা উৰাদি, বৰষুণ পৰাদি আলি-পদূলি, ঘৰ-দুৱাৰ, গছ-গছনি একাকাৰ কৰি গোটেইখন বৰফময় হৈ পৰে, কেওদিশে বৰফ আৰু বৰফ। তেতিয়া

মাত্র অলপ সময়ৰ বাবেহে দিন হয়। ডিচেম্বৰ মাহত বৰফৰ প্ৰতি-ক্ৰিয়াত ধুঁৱলী-কুঁৱলী হোৱা বাবে দিন নে ৰাতি ধৰিব নোৱাৰা হৈ পৰে। অভিনৱ এই প্ৰকৃতিৰ ৰূপ!

ফেয়াৰ্‌বেঙ্কচ্‌ৰ পৰা ৩৫০ মাইল দূৰত সুমেৰু অঞ্চল, যাক কোৱা হয় মাজৰাতি সূৰ্য্য উঠাৰ দেশ; পৃথিবীৰ উত্তৰ গোলাৰ্দ্ধ। জহকালি সুমেৰু অঞ্চলত দুমাহ বেলি ডুব নাযায়, কেৱল দিন হৈ থাকে; আকৌ শীতকালত দুমাহ সূৰ্য্য উদয় নহয় অৰ্থাৎ ৬০ দিন নিশাৰ এন্ধাৰতেই ডুব গৈ থাকে। আমেৰিকাৰ বাকী ৰাজ্যবোৰৰ সৈতে এই অঞ্চলৰ যথেষ্ট প্ৰাকৃতিক তাৰতম্য। শীতকালি এই অঞ্চলৰ তাপমাত্ৰা শূণ্য ডিগ্ৰিৰ ১৭ ডিগ্ৰি তলত থাকে। সুমেৰু অঞ্চল অনুৰ্ব্বৰ, গছ-গছনি নাই। ইয়াৰ উপকূল অংশ উত্তৰ মহাসাগৰৰ পানীয়ে ঢৌৱাই আছে। বছৰৰ সাত-আঠ মাহ এই অঞ্চলত বৰফ গোট মাৰি থাকে।

সুমেৰু অঞ্চল প্ৰধানকৈ এস্কিমো বিলাকৰ বাসস্থান যদিও কম সংখ্যক শ্বেতাঙ্গলোকো তাত আছে। এই অঞ্চলত পোৱা জীৱ-জন্তুৰ ভিতৰত মেৰু-দেশীয় ভালুক, সিন্ধুঘোটক, কেৰিবু নামেৰে এজাতিৰ হৰিণা, ফেচাঁ আদিয়েই প্ৰধান। এস্কিমো বিলাকে তিমি-মাছ ধৰি খাদ্য হিচাপে ব্যৱহাৰ কৰে। এই অঞ্চলৰ প্ৰধান নগৰ কোট্‌জিবুৰ জনসংখ্যা তিনি হাজাৰ আৰু বেৰোৰ জনসংখ্যা মাত্ৰ দুহেজাৰ চাৰিশ। মাছ মৰা, চিকাৰ কৰা আৰু পৰ্য্যটকৰ ওপৰতেই ইয়াৰ জনগণৰ জীৱিকা নিৰ্ভৰ কৰে। বৰ্ত্তমান প্ৰচুৰ প্ৰাকৃতিক সম্পদো আহৰণ কৰা হৈছে। এই অঞ্চলৈ হাইওৱে গৈছে যদিও প্ৰধানকৈ বিমানেৰেই যাতায়ত কৰা হয়।

হিমচেচাঁ শীতল বৰফে আগুৰা বিস্ময়জনক প্ৰকৃতিৰ মাজত ১৯৬৮ চনৰ জুলাই মাহত সুমেৰু উপকূলৰ প্ৰুধ-বেত যেতিয়া খাৰুৱা তেল উদ্ঘাটন হ'ল তেতিয়া লগে লগে এই অঞ্চলত এক নতুন যুগৰ সূচনা হ'ল। সমগ্ৰ দেশজুৰি এই বাতৰিয়ে আলোড়নৰ সৃষ্টি কৰিলে। প্ৰথমে নৈৰ বালিত সোণ চেকুৰা ওলাওঁতে আলাস্কালৈ যেনেকৈ মানুহৰ

সোঁত (Gold Rash) বৈছিল, এতিয়া আকৌ পনীয়া সোণ ওলোৱাৰ বাতৰিয়ে বহু লোকক আকৰ্ষণ কৰিলে। আলাস্কাৰ উত্তৰৰ সুমেৰু অঞ্চলৰ পৰা দক্ষিণৰ বৰফ-মুক্ত বন্দৰ ভলদেজলৈ আঠশ মাইল দীঘল "ট্ৰান্স-আলাস্কা" পাইপ লাইন বহুৱা হ'ল। প্ৰাকৃতিক সৌন্দৰ্য্যৰে সমৃদ্ধ ভলদেজ.ক "আলাস্কাৰ চুইজাৰলেণ্ড" বুলি কোৱা হয়। দুৰ্গম বৰফাবৃত অঞ্চলটো প্ৰকৃতিৰ বুকুৰ পৰা পনীয়া সোণ উলিয়াই, পাইপ লাইন বহুৱাই তেল অনা কাৰ্য্য সচাঁকৈয়ে দুঃসাহসিক আৰু কষ্ট-সাধ্য। ১৯৭৩ চনত এই পাইপ লাইনৰ কাম আৰম্ভ হৈ ১৯৭৭ চনত সম্পূৰ্ণ হৈ উঠে। এই সুদীৰ্ঘ পাইপ লাইনটো বতৰৰ অৱস্থা অনুযায়ী ক'ৰবাত মাটিৰ ওপৰেদি আৰু ক'ৰবাত মাটিৰ তলেদি বহুওৱা হৈছে। এই কাৰ্য্যত অসমৰ এজন সুদক্ষ ইঞ্জিনিয়াৰ, বৰ্ত্তমান আলাস্কাৰ "এঙ্কোৰেজ বিশ্ববিদ্যালয়"ৰ চিভিল ইঞ্জিনিয়াৰিং বিভাগৰ অধ্যাপক ডঃ অৰবিন্দ তামুলী ফুকনে আমেৰিকাৰ অন্যতম সৰ্ব্ববৃহৎ "আলাস্কা পাইপ লাইন"ৰ অন্যতম প্ৰধান উপদেষ্টা আৰু অভিযান্ত্ৰিক পৰামৰ্শদাতা হিচাপে কাৰ্য্য নিৰ্ব্বাহ কৰি যথেষ্ট সুনাম অৰ্জন কৰিছে। এই দেশৰ মানুহৰ কৰ্মৰ প্ৰতি থকা অসীম আগ্ৰহ, গভীৰ নিষ্ঠা, অধ্যৱসায়, ধৈৰ্য্য আৰু সাহসৰ তুলনা নাই। সেই বাবেই তুষাৰ অঞ্চললৈ আহিও অশেষ কষ্ট স্বীকাৰ কৰি খাৰুৱা তেল আহৰণ কৰিবলৈ সক্ষম হৈছে। এই গুণৰ বলতেই দেশখন উন্নতিৰ শিখৰত অৱস্থান কৰিছে। খনিজ তেল উৎপাদনত যুক্তৰাষ্ট্ৰৰ স্থান পৃথিৱীৰ ভিতৰত প্ৰথম। পৃথিৱীৰ প্ৰায় শতকৰা ত্ৰিশ ভাগ তেল ইয়াৰ পৰা উৎপন্ন হয়। এই দেশত প্ৰায় ষাঠী লাখ কিলোমিটাৰ দৈৰ্ঘ্যৰ পাইপ লাইনৰ সহায়ত দেশৰ বিভিন্ন অংশলৈ তেল সৰবৰাহ কৰা হয়। তেলৰ প্ৰাচুৰ্য্যই ইয়াৰ পথ-পৰিবহনৰ উন্নতিত বহুখিনি বৰঙণি যোগাইছে। খনিজ তেলৰ দৰে প্ৰাকৃতিক গেচ্ উৎপাদনতো যুক্তৰাষ্ট্ৰই পৃথিৱীৰ ভিতৰত সৰ্ব্বশ্ৰেষ্ঠ স্থান অধিকাৰ কৰিছে। পৃথিৱীৰ প্ৰায় দুই-তৃতীয়াংশ গেচ্ এই দেশতে উৎপন্ন হয়।

ফেয়াৰ্‌বেঙ্কচ্‌ৰ ঐতিহাসিক আকৰ্ষণীয় "আলাস্কা-লেণ্ড" পাৰ্ক

চাবলৈ সোমালোঁ। বিশাল পাৰ্কখনৰ গেটৰ কাষতে জকমকাই ফুলি আছে নাৰ্জি আৰু নানা ৰঙী বিদেশী ফুলবোৰ। ইয়াত আলাস্কা ৰাজ্যখনৰ পুৰণি দিনবোৰৰ এখন মনোৰম ছবি দেখিবলৈ পোৱা যায়। সেই সময়ৰ ঘৰ, গীৰ্জা, ৰেল, জাহাজ, ডাক্তৰৰ ঘৰ আদি যেনেকুৱা আছিল ঠিক তেনেদৰে আহল-বহলকৈ সজাই থৈছে। আলাস্কাত এতিয়াও বহুতো ৰুছ পৰিয়াল আছে। ৰুছিয়াৰ পৰা যুক্তৰাষ্ট্ৰই এই ৰাজ্যখন কিনাৰ পিচতো বহুতো ৰুচিয়াৰ মানুহ ইয়াত থাকি গ'ল। এতিয়াও কিনাই আৰু চিটকা নামৰ ঠাই দুখনত ৰুচিয়াৰ খ্ৰীষ্টীয় ধৰ্ম্মানুষ্ঠান আৰু নৈষ্ঠীক গীৰ্জা কিছুমান আছে। এই দেশৰ মানুহে পুৰণি বস্তু, ঘৰ-দুৱাৰ আদি অতি যত্নেৰে সংৰক্ষণ কৰি থয়। আগৰ দিনত এই ৰাজ্যৰ মানুহে ঘৰৰ বেৰবোৰ গোটা গোটা ডুখৰীয়া কাঠ বিলাক পথালিকৈ দি ঘৰ সাজিছিল; এইবোৰক কোৱা হয় "ল'গ কেবিন" (Log-Cabin) ; এনে ঘৰৰ আহি পাৰ্কত ৰাখি থৈছে। ঘৰৰ ভিতৰত প্ৰকাণ্ড প্ৰকাণ্ড ভালুকৰ ছালবোৰ সজাই থোৱা দেখিলোঁ। এস্কিমোবিলাকে তৈয়াৰ কৰা বিভিন্ন হাতৰ কামৰ বস্তুও সজাই থৈছে। "টোটেম পোল" (Totem Pole) কিছুমান বাহিৰত দেখিলোঁ। এস্কিমো-বিলাকে প্ৰকাণ্ড ওখ পোণ গছ এডাল গোটে গোটে ছাল একুৱাই তাত মানুহৰ মুখ, চৰাই আদিৰ নক্সা কাটি, ৰং দি আকৌ মাটিত গছৰ দৰে পুতি থয়; এইটোকে "টোটেম পোল" বুলি কয়। তেওঁলোকৰ হাতৰ কামৰ ই এক নিদৰ্শন। পাৰ্কখনৰ প্ৰায়বোৰ ঘৰ ঠাণ্ডা পৰিবলৈ আৰম্ভ কৰাৰ বাবে বন্ধ আছে। মুঠতে "আলাস্কা-লেণ্ড"ত সোমালে পুৰণি জগত এখনত ঘূৰি ফুৰা যেন লাগে। ল'ৰা-ছোৱালীৰ বাবে সৰু ৰেল এখনো তাত আছে, সেইখনত উঠি গোটেই "আলাস্কা-লেণ্ড" পাৰ্কত ঘূৰি আহিব পাৰি। ৰেষ্টোঁৰা, টয়লেটৰ ব্যৱস্থাতো আছেই। এই দেশৰ সকলো পাৰ্ক, দোকান-পোহাৰ, বাট-পথ আদি আমি অনুমান কৰিব নোৱাৰা ধৰণে যথেষ্ট আহল-বহল, পৰিষ্কাৰ-পৰিপাটি আৰু পৰিকল্পিত।

"আলাস্কা-লেণ্ড"ৰ পৰা ওলাই ফেয়াৰবেংকচৰ পৰা ৬৫ মাইল

উত্তৰ-পূবৰ "Chena Hot Spring" লৈ যাত্ৰা কৰিলোঁ। ই হ'ল চেনা নৈৰ কাষৰ গৰমপানীৰ উঁহ। বাটতে ফেয়াৰবেঙ্কচ্‌ৰ "আলাস্কা বিশ্ববিদ্যালয়"খন চাবলৈ সোমালোঁ। ১৯১৭ চনত এই বিশ্ববিদ্যালয়খন স্থাপন কৰা হৈছে। বৃহৎ পৰিসৰৰে সৈতে সুশৃঙ্খলিত. চৌহদত, মনোৰম পৰিবেশত বিশ্ববিদ্যালয়খন অৱস্থিত। বিভিন্ন স্থাপত্যৰে বিশাল ভৱনবোৰ, গছ-গছনি আৰু ফুলেৰে চৌদিশ জাতিষ্কাৰ হৈ থকা নিৰিবিলি পৰিবেশটো দেখি উত্তৰ ভাৰতৰ "ৰুড়কি বিশ্ববিদ্যালয়"ৰ ছবিখন ছাটকৈ মনলৈ আহিল। দুয়োখন বিশ্ববিদ্যালয়ৰ ভৱনবোৰৰ আহি আৰু পৰিবেশৰ সামঞ্জস্য আছে।

চেনা গৰম পানীৰ উঁহৰ ওচৰলৈ গৈ দেখিলোঁ পাহাৰৰ নামনিত হালধীয়া ৰং সনা বননিৰ মাজত বহুতো ভ্ৰমণকাৰীৰ গাড়ী আহি ইতিমধ্যে ভৰি পৰিছে। পাহাৰৰ এচলীয়া ঠাইত এটি সৰু নিজৰা আৰু গৰম পানীৰ উঁহ। পানীবোৰ ভক্‌ভকাই উতলি আছে। পানীৰ পৰা অহা গন্ধকৰ গোন্ধ কিছুদূৰলৈ বিয়পি পৰিছে। কাষতে থকা এটা ঘৰলৈ পাইপেৰে এই গৰম পানী নি চুইমিং-পুলত পেলাইছে। ইয়াৰ কিছুমান চুইমিং পুল ঘৰৰ ভিতৰত থাকে। কাৰণ তেতিয়া শীতকালিৰ ঠেঁৰেঙা লগা নিশাবোৰত শীত-তাপ নিয়ন্ত্ৰিত ঘৰৰ ভিতৰতে সাতুৰিব পৰা যায়। চুইমিং পুলত গোলাপী ৰঙৰ ল'ৰা-ছোৱালী আৰু উন্মুক্ত নিৰাভৰণ দেহেৰে যুবতীসকলে বিকিনি পৰিধান কৰি গা ধুইছে, তাঁহি আহিছে উচ্ছল হাঁহিৰ তৰঙ্গ। কাষৰ বেৰত আঁৰি থৈছে কানি কাপোৰবোৰ। ঘৰটোৰ ভিতৰতে থকা দুটামান বাথ টাবত আকৌ একোটা পৰিয়ালৰ মাক-দেউতাক, সৰু ল'ৰা-ছোৱালী আটায়ে ডুব গৈ আছে। মই ঘৰটোৰ কাষ চাপি দুৱাৰ মুখৰ পৰাই এই জলকেলি ভুমুকিয়াই চোৱা দেখি দীপালীয়ে প্ৰশ্ন কৰিলে, "খুৰীদেউ, কেনেকুৱা লাগিল ?" হাঁহি মাৰি উত্তৰ দিলোঁ, "বৃন্দাবনত গোপিনীৰ বস্ত্ৰহৰণ দেখোন।" তেওঁ খিল্‌খিলাই হাঁহি ৰঙ্গা-বঢ়া কৰিবলৈ গাড়ীৰ ওচৰলৈ গ'ল। মই বাহিৰত বহুৰঙী ডাঙৰ ডাঙৰ গাৰ্ডেন ছাটিৰ ছাত পাৰি থোৱা চকী এখনত বহি প্ৰকৃতিৰ

নয়নাভিৰাম ঠাই ডোখৰৰ চাৰিওফালে চকু ফুৰাবলৈ ধৰিলোঁ। । চাৰিও-ফালে পাহাৰ, মাজে মাজে সৰল গছবোৰ। পাহাৰৰ নামনিত ফাঁকু খেলি ৰক্তিম আৰু সোণবৰণীয়া হৈ থকা বাৰ্চ গছবোৰ। মাজতে আছে এটা ৰেষ্ট হাউচ আৰু এখন ৰেষ্টোঁৰা। চহৰৰ পৰা শ শ মাইল দূৰৈত ইমান জঙ্ঘলৰ মাজতো মানুহ থাকিব পাৰে ভাবিলে আচৰিত লাগে। ইয়াতো আছে সৰু ল'ৰা-ছোৱালীয়ে মুকলি-মুৰীয়াকৈ খেলিব পৰা আহল-বহল পাৰ্ক। গছৰ তলে তলে শাৰী-শাৰীকৈ আঁতৰে আঁতৰে আছে "লগ-কেবিন" বোৰ। এই ঘৰবোৰ মানুহে ভাড়া লৈ থাকে। এই সৰু সৰু কুটীৰবোৰৰ সমুখত আছে নানাৰঙী বতৰৰ ফুল আৰু প্লাষ্টিক টাববোৰত নানা জাতীয় পুষ্পলতা। ফুল-পাতেৰে সুশোভিত এই কুটীৰবোৰ দেখিলে ৰামায়ণৰ ৰাম-সীতাৰ বনবাসৰ সেই পৰ্ণকুটীৰলৈ মনত পৰে। চৌদিশে পাহাৰ, লাস্যময়ী এখনি নৈ, গভীৰ জঙ্ঘলৰ মাজত ঘৰ, যেন শিল্পীয়ে কেনভাচত আঁকি থোৱা সুন্দৰ ছবি এখনহে। এটি লগ-কেবিনৰ বাৰান্দাত এহাল প্ৰায় নব্বৈ বছৰীয়া পকা সুমথিৰা বৰণৰ আমেৰিকান স্বামী-স্ত্ৰী বহি আছে। ক'ত আমাৰ নাতি-নাতিনীৰ মৰমসনা পৰিৱেশৰ মাজত থকা ককা-আইতা আৰু ক'ত এই নিৰ্জন বননিৰ মাজত দিন কটোৱা এই আমেৰিকান ককা-আইতা! এওঁলোকৰ সমাজ ব্যৱস্থা আৰু দৃষ্টিভঙ্গী আমাৰ পৰা সম্পূৰ্ণ পৃথক। নিবিড় অৰণ্যৰ মাজত চাৰিওফালে এক গভীৰ নিঃসঙ্গতা বিৰাজমান। প্ৰকৃতিৰ এনেকুৱা মনোৰম পৰিবেশত তেওঁলোকে এই বৃদ্ধ বয়সত গভীৰ উপলব্ধিৰে হয়তো নিঃসঙ্গ মনত শান্তি বিচাৰি পাইছে। কবি বায়ৰণৰ ভাষাত কবলৈ গ'লে—

"There is pleasure
In the pathless woods
There is rapture on the lonely shore."

শীতকালি এই ঠাইৰ ৰূপ সলনি হয়। পৰ্ব্বত-পাহাৰ, গছ-বন, নৈ-নিজৰা বৰফে আবৰি ধৰে। এনে সময়ত ভ্ৰমণকাৰী ইয়ালৈ "স্কীই,"

কৰিবলৈ আছে। ইয়াত দেখিছোঁ প্ৰকৃতিৰ সৈতে খেলা কৰিবলৈ মানুহ উদ্বাউল। আমি ইফালে সিফালে কিছু সময় ফুৰি-চাকি গাড়ীৰ ওচৰলৈ আহি দেখোঁ বন্ধা-বঢ়া শেষ হৈছে। গৰম গৰম খিচিৰিৰে সৈতে ঘৰৰ পৰা লৈ যোৱা মাংসৰ ৰোষ্ট আৰু আচাৰেৰে গাড়ীত বহি সৰু-সুৰা পিক্‌নিক্ এটা খালোঁ। খাই-বৈ উঠি ফেয়াৰ্‌বেঙ্কচ্ নগৰত ফুৰি-চাকি আবেলি পুণৰ এঙ্কোৰেজ অভিমুখে যাত্ৰা কৰিলোঁ;

এঙ্কোৰেজলৈ ঘূৰি আহোঁতে বাটত দেখিলোঁ বৃহৎ এলিয়াস্কা পাইপ লাইনটো। পুণৰ দৃষ্টিত ধৰা দিলেহি মেকেন্‌লিৰ তুষাৰাবৃত পৰ্ব্বত-মালা। ইয়াৰ মানুহে চহৰৰ পৰা আঁতৰৰ এই ঠাইবোৰলৈ চিকাৰ কৰিবলৈ, মাছ মাৰিবলৈ, ৰবৰৰ নাৱেৰে (Raft) খৰস্ৰোতা নৈত খেলিবলৈ আহে। প্ৰায়ভাগ মানুহৰে মাছ-মৰা, পানীত সাতোঁৰা, নাও-বোৱা আৰু পানীৰ অন্য খেল-ধেমালিৰ প্ৰতি বৰ চখ। সৰু আৰু মজলীয়া চহৰবোৰত প্ৰায় মানুহৰে নিজাকৈ একোখন নাও-জাতীয় মটৰ-বোট্ থাকেই। এঙ্কোৰেজৰ প্ৰায় মানুহৰেই লেকৰ পাৰত "চামাৰ কটেজ" আছে। গতিকে সপ্তাহান্তৰ বন্ধৰ দিনত ধুনীয়া ৰ'দালি বতৰত শনিবাৰে ৰাতিপুৱা নিজৰ বোট্‌খন্ পিক্-আপ্-ট্ৰাকৰ ওপৰত তুলি দি বা গাড়ীত বান্ধি দি "চামাৰ কটেজ"লৈ যায়গৈ। আকৌ ৰবিবাৰে উভতি আহে। এই দেশৰ মানুহে কামৰ সময়ত যিদৰে অক্লান্ত পৰিশ্ৰম কৰে, সেইদৰে জিৱণিৰ সময়খিনিও সুন্দৰভাবে উপ-ভোগ কৰি লয়। অলপ সময়ো মেল-মাৰি, শুই-বহি নকটায়। এক্ষাৰ হোৱাৰ পিচত বাটৰ কাষৰ গেছ-ষ্টেচনৰ লগতে থকা ৰেষ্টোঁৰা এখনত খাবলৈ সোমালোঁ। ইয়াত পেট্ৰলক গেছোলিন, চমুকৈ গেছ বুলিহে কয় আৰু পেট্ৰল-পাম্পবোৰক কয় গেছ-ষ্টেচন। ৰেষ্টোঁৰাত খোৱা পানী বিচাৰিলে সহজতে পোৱা নাযায়। ইয়াৰ মানুহে খোৱাৰ পিচত পানীৰ সলনি চাহ, কফি, ফলৰ ৰস বা মদহে খায়। ব্ৰেক-ফাষ্ট বা লাঞ্চত ফলৰ ৰস থাকেই। যুক্তৰাষ্ট্ৰত মানুহে সুৰাপান কৰে যদিও আমাৰ দেশৰ দৰে অতিমাত্ৰা খাই মাতলামি নকৰে। গাড়ী চলাওঁতে আৰু অফিচলৈ যাওঁতে সুৰাপান কৰা নিষেধ; কোনোবাই

সেই নিয়ম ভঙ্গ কৰিলে কঠোৰ শাস্তি পায়; আনকি তেওঁলোকৰ চাকৰিও যাব পাৰে। নিশাৰ নিৰ্জন পথত দ্রুত গতিত গাড়ীয়ে শ শ মাইল অতিক্রম কৰি গৈছে। ঘনে ঘনে চকুৰ পতা জাপ খাব খোজে। গাড়ীৰ ক'ন্ডিং বিচনাখন টানি লৈ, গাকত মূৰটো থৈ, কম্বলখন গাত লৈ ভালকৈ এঘুমটি মাৰি ললোঁ। নিশা ডেৰ বজাত ঘৰ আহি পায়েই পোনেই বিচনাত পৰিলোঁ।

পিচদিনা ৰবিবাৰ। শুই উঠোঁতে যথেষ্ট পলম হ'ল। আজি কাৰো স্কুল-কলেজ, অফিচ নাই। আবেলি এঙ্কোৰেজতে থকা এঘৰ দক্ষিণ-ভাৰতীয়লোকৰ ঘৰলৈ আমাক নিমন্ত্রণ কৰিছে। এই চহৰত ভাৰতীয়লোকৰ সংখ্যা নিচেই কম। যি কেইঘৰ আছে তেওঁলোকৰ মাজত বেছ মিলাপ্রীতি থকা দেখিলোঁ। আবেলি আমি আটাইবিলাকে তেওঁলোকৰ ঘৰলৈ গলোঁ। বে কল্যাণ দক্ষিণ ভাৰতীয় লোক, ইঞ্জিনিয়াৰ; তেওঁৰ পত্নী মালা এঙ্কোৰেজ বিশ্ববিদ্যালয়ৰ কেমিষ্ট্রিৰ ডেম'নষ্ট্রেটৰ। এওঁলোকৰ দুই কন্যা ক্রমে চৈধ্য আৰু যোল্ল বছৰীয়া নন্দিতা আৰু নমিতাই আমাক কি-ব'ৰ্ড বজাই হিন্দী গীত গাই শুনালে। মালা নাচ-গানত পাকৈত মহিলা। আমি এঙ্কোৰেজলৈ প্রথম আহি পোৱাৰ পিছদিনা তেওঁ আমাৰ খবৰ লবলৈ আহিছিল। সেইদিনা কোট-পেন্ট পিন্ধা স্মাৰ্ট সুদৰ্শনা মানুহ গৰাকীক আজি পাতল থুৰিমেলা কলপাত বৰণৰ শাৰী আৰু নাক-ফুলটিৰ সৈতে সম্পূৰ্ণ ভাৰতীয় সাজত সুন্দৰ লাগিছে। তেওঁ অতি যতনেৰে আদৰ-সাদৰকৈ আমাক ইদ্‌লি আৰু দ'চা কৰি খুৱালে। তেওঁলোকৰ পৰা বিদায় লৈ নিশা দহ বজাত ঘৰ পালোঁহি।

এদিন পুৱাভাগতে দীপালীয়ে তেওঁৰ গাড়ীখন ড্রাইভ কৰি ডাউন টাউনৰ 6 th Avenue ত থকা "Alaska Experience Theatre" দেখুৱাবলৈ লৈ গ'ল। এই হল ঘৰটোত এঘণ্টাৰ মূৰে মূৰে আলাস্কাৰ বিষয়ে এখন তথ্যচিত্র দেখুৱাই থাকে। বাহিৰৰ ফালে দেখিলোঁ এস্কিমোবিলাকৰ বিভিন্ন হস্তশিল্পজাত বস্তু বিক্রীৰ বাবে সজাই থৈছে। হল ঘৰটোৰ গোলাকৃতিৰ প্রকাণ্ড বেৰখনৰ পৰ্দাত

"Alaska, the Great Land" নামৰ তথ্যচিত্ৰখন চাই বিস্মিত হ'লোঁ। ১৮০° লেন্সলৈ বিশেষভাবে পৰিবৰ্ত্তিত কৰা ছবিখন ইমান ডাঙৰ আৰু জীৱন্ত হৈ পৰে যেন আমি পৰ্ব্বতৰ ওপৰলৈ গৈ বৰফৰ মাজৰ পৰা গ্লেচিয়াৰৰ ওপৰে ওপৰে এই ৰাজ্যৰ আচৰিত বস্তুবোৰ স্বচক্ষে চাই ফুৰিছোঁ। আলাস্কাৰ জীৱ-জন্তু, চৰাই-চিৰিকটি, বৰফাবৃত পাহাৰ-পৰ্ব্বত, এস্কিমোবোৰ আৰু সীমান্তৰ এই ৰাজ্যখন কেনেকৈ আদিম অৱস্থাৰ পৰা প্ৰগতিৰ পথত আগুৱাই আহিছে সকলোবোৰ ভালদৰে চোৱাৰ সুবিধা পালোঁ। এই ছবিবোৰ বিমান, হেলিকপ্টাৰ, নাও, ৰিভাৰ-ৰেফ্ট্, ৰেলৰ পৰা তোলা হৈছে।

এঙ্কোৰেজৰ প্ৰশান্তিময় পৰিবেশত কেইদিনমান জিৰাই শতাই এই দেশৰ কিছু কথা শিকি-বুজি, দেখি-শুনি ১৭ চেপ্তেম্বৰৰ দিনা যুক্তৰাষ্ট্ৰৰ আন কেইখনমান ঠাই চোৱাৰ উদ্দেশ্যেৰে ইয়াৰ পৰা প্ৰথমতে ৱাশ্বিংটন ডি-চি লৈ যোৱাটো ঠিক কৰিলোঁ। এই দেশৰ বিভিন্ন ঠাইৰ অৱস্থান অনুসাৰে অতিপাত শীত আৰু অতিপাত গৰমৰ পৰা হাত সৰাৰ বাবে শীত প্ৰধান ঠাইৰ পৰা ক্ৰমে গৰম ঠাইবোৰলৈ আমাৰ ভ্ৰমণ-সূচীখন প্ৰস্তুত কৰি ল'লোঁ। সেইবাবে ১৪ চেপ্তেম্বৰৰ আবেলি আমাৰ বিমানৰ "ভুছা টিকট" কনফাৰ্ম কৰিবলৈ বিমান বন্দৰলৈ ওলাই গ'লোঁ। এঙ্কোৰেজত বিমান বন্দৰ মুঠতে চাৰিটা ; এটা আন্তৰ্জ্জাতিক, এটা আভ্যন্তৰীন আৰু দুটা ল'কেল। ল'কেল বিমানবোৰ সৰু সৰু, এনে বিমান কেৱল আলাস্কাৰ ভিতৰতেই ঘূৰি ফুৰে। আলাস্কা এখন বিশাল ৰাজ্য ; এই ৰাজ্যৰ নগৰবোৰৰ অৱস্থানৰ দূৰত্বও বেচি বাবে এখন নগৰৰ পৰা আন এখন নগৰলৈ ইয়াৰ মানুহে সচৰাচৰ বিমানেৰে অহা-যোৱা কৰে। অইন ৰাজ্যৰ তুলনাত আলাস্কাৰ বাসিন্দা সকলে এনে বিমানৰ ব্যৱহাৰ বেচি কৰে। ইয়াৰ প্ৰায় মানুহৰে একোখন সৰু বিমান আছে। এঙ্কোৰেজৰ লেক্‌বোৰ বিভিন্ন আকৃতিৰ আৰু সেইবোৰ বহু দূৰলৈ বিস্তৃত। লেক্‌বোৰৰ পাৰত অসংখ্য সৰু সৰু বিমান পৰি থকা দেখিবলৈ পালোঁ। নীলা, বগা, ৰঙা বিভিন্ন ৰঙৰ বিমানবোৰ চাই ভাল লাগে। কিছুমান দুজনীয়া আৰু কিছুমান

তিনিজনীয়া আসনৰ। এখনৰ মূল্য ভাৰতীয় টকাৰে পাঁচ লাখৰ পৰা আঠ লাখ পৰ্য্যন্ত। যিবোৰ বিমানৰ তলত দুখন নাও সংযুক্ত থাকে সেইবোৰৰ বাণওৱে লেকৰ পানীতেই ; বিমানবোৰ লেকৰ পানীতেই নামেহি আৰু তাৰে পৰাই উৰা মাৰে। শীতকালি লেকৰ পানীবোৰ যেতিয়া গোটমাৰি বৰফ হয় তেতিয়াও বৰফৰ ওপৰতেই বিমানবোৰ উঠা-নমা কৰে। এনে বিমানত বিশেষ ধৰণৰ টায়াৰ লগোৱা থাকে। পানীত থকা কিছুমান বিমান লেকৰ পাৰত সংলগ্ন কৰি বান্ধি থোৱা আছে আৰু অসংখ্য বিমান পাৰৰ ঘাঁহ-বনৰ মাজত পৰি আছে। এংকোৰেজৰ "Lake Hood" পৃথিৱীৰ ভিতৰতে আটাইতকৈ ডাঙৰ Float Plane Airport। বিমান বন্দৰলৈ যোৱাৰ বাটত ল'কেল বিমান বন্দৰ দুটাত সৰু সৰু অজস্ৰ বিমান দেখিলোঁ।

১৫ চেপ্তেম্বৰ, শুকুৰবাৰ ; আজি আন এঘৰ ভাৰতীয় মানুহৰ ঘৰলৈ সান্ধ্য-ভোজনৰ নিমন্ত্ৰণ জনাইছে। দীপক ঘোষ এজন ইঞ্জিনিয়াৰ, কলিকতাৰ লোক ; পত্নী বাণী ঘোষ। গধূলি আমি আটায়ে তেওঁলোকৰ ঘৰ গৈ পাই দেখোঁ মালাইতৰ পৰিয়ালো ইতিমধ্যে আহিছে। আন এহাল নব-দম্পতিকো তেওঁলোকৰ ঘৰত লগ পালোঁ ; স্বামী-স্ত্ৰী দুয়ো গুজৰাটী ; সৰুৰে পৰা লণ্ডনতে ডাঙৰ দীঘল হৈছে, কিন্তু কথা-বতৰা, চাল-চলন, পিন্ধা-উৰাত তেওঁলোক সম্পূৰ্ণ ভাৰতীয় হৈয়েই আছে। দক্ষিণ ভাৰতীয় এনে বহুত পৰিয়াল এটা পুৰুষ আগৰেই বিদেশত আহি আছে যদিও বিদেশত জন্ম লাভ কৰি ডাঙৰ-দীঘল হোৱা তেওঁলোকৰ সতি-সন্ততিক ভাৰতীয় ৰীতি-নীতি, ভাষা-সংস্কৃতি আদি শিকাই-বুজাই সম্পূৰ্ণ ভাৰতীয় কৰি গঢ়ি তুলিছে। ইয়াত বসতি কৰা ভাৰতীয়সকলে আমেৰিকাত জন্ম হৈ পাশ্চাত্য পৰিবেশৰ মাজত ডাঙৰ-দীঘল হোৱা তেওঁলোকৰ ল'ৰা-ছোৱালীক ইয়াতে থকা ভাৰতীয় ল'ৰা-ছোৱালীৰ সৈতে বিয়া-বাৰু হোৱাটো বিচাৰে।

তাতে গোটখোৱা সৰু ল'ৰা-ছোৱালীকেইটাই তেওঁলোকে নতুনকৈ কিনা ডাঙৰ দুমহলীয়া ঘৰটোত লুকা-ভাকু খেলাত আৰু ডাঙৰ কেইজনমানে লিভিং ৰুম বা ফেমিলি ৰুমত টি ভি চোৱাত মগ্ন।

আহকালি শনিবাৰে আৰম্ভ হ'ব লগা সপ্তাহান্তৰ উৎফুল্লতাখিনি ভকুৰ-বাৰৰ গধূলিৰ পৰাই আৰম্ভ হৈছে। আমি এহা-কোঠাত বাণী যোষৰ লগত কথা-বতৰা পাতি থাকোঁতে ঘৰৰ গিৰিহঁতে এপিটাইজাৰ হিচাপে ফলৰ ৰস বা ৱাইন কি খাম সুধি স্নেক্‌চ্‌ৰ সৈতে আলহীৰ আগত পৰিবেশণ কৰি গৈছে। এই দেশত পুৰুষ-মহিলা উভয়ে ঘৰুৱা কাম-বোৰ কৰে। ঘৰুৱা কামত স্বামীয়ে স্ত্ৰীক সহায় কৰাটো কৰ্তব্য বুলি ধৰে। গতিকে প্ৰবাসী ভাৰতীয় সকলেও এই নিয়মটো শিকি লৈছে। ল'ৰা-ছোৱালীবোৰে খাই উঠাৰ পিচত আমি আটায়ে খোৱা বস্তুবোৰ নিজে নিজে আনি লৈ ডাইনিং টেবুলত একেলগে খাবলৈ বহিলোঁ। বাণীয়ে ভাত, ৰুটি, মুৰ্গীৰ মাংস, ফুলকবিৰ তৰকাৰী, অম্বল, মাছৰ জোল, দহি-বৰা আদি সুন্দৰকৈ ৰান্ধি থৈছিল। মালা আৰু নিতেন-হঁতৰ পৰিয়ালে নিৰামিষ আহাৰহে খালে। খাই-বৈ উঠি গল্প-গুজৰ কৰি থাকোঁতে বাণীয়ে মাজতে এবাৰ উঠি গৈ ঘৰতে কৰা ৰস-মালাই, গোলাপ জামু আৰু চাহ আনি পৰিবেশণ কৰিলে। তেওঁলোকৰ পৰা বিদায় লৈ নিশা বাৰ বজাত ঘৰ পাই আকাশত দেখিলোঁ। এটি দীঘলীয়া পোহৰ ; ইয়েই অ'ৰোৰা-বৰিয়লিচ (Aurora Borealis) ; উত্তৰ-মেৰু দিশত ওলোৱা ই এক জ্যোতিৰ্মণ্ডল। উত্তৰ-আলাস্কাৰ পৰা ৰাতি ইয়াক এক নিয়মিত সময়ৰ ব্যৱধানত দেখা যায়। উজ্জ্বল পোহৰত ইয়াৰ ৰং ঈষৎ হালধীয়াৰে সেউজবুলীয়া ; অৱশ্যে দূৰত্ব অনুযায়ী ৰঙৰ বিভিন্নতা প্ৰকাশ পায়। ইয়াৰ নিম্নতম সীমা ভূ-পৃষ্ঠৰ পৰা ৭০ মাইল বা ১১০ কিঃ মিঃ ওপৰত। ইয়াৰ আকাৰ আৰু গঠন বিভিন্ন ৰূপত ধৰা দিয়ে ; বহু মাইল জুৰি ইয়াৰ বিস্তৃতি। কেতিয়াবা পূবা-পশ্চিমাকৈ বায়ু-মণ্ডলত কেইবাশ মাইল জুৰি উদ্ভাষিত হৈ দীঘলীয়া সূক্ষ্ম ৰশ্মি কেউদিশে উজ্জলি উঠে। কল্পনাতীত আশ্চৰ্য্য-জনক ইয়ো এক অনন্য দৃশ্য।

—x—

এঙ্কোৰেজৰ পৰা ৱাশ্বিংটনলৈ

চাওঁতে চাওঁতে আমাৰ এঙ্কোৰেজৰ পৰা উভতি যোৱা দিনটো আহি পালেহি। নিশা এক বাজি ত্ৰিশ মিনিট পুনৰত চিয়াটলৈল যাত্ৰা আৰম্ভ কৰিলোঁ। তিনি ঘণ্টা উৰণৰ পিচত স্থানীয় সময় মতে পাঁচ বাজি বিশ মিনিট যোৱাত চিয়াটল বিমান বন্দৰৰ ওচৰ চাপিলোঁ। বিমানখন নামিবৰ সময়ত নিচেই তলেদি মহানগৰখনৰ ওপৰে ওপৰে গৈ থাকোঁতে ৰঙা, নীলা, হালধীয়া অগণন বিজুলী চাকিৰে তিৰবিৰাই থকা চিয়াটল নগৰীক সপোনপুৰীৰ নিদ্ৰামগ্ন ৰাজকুঁৱৰী যেন লাগিল। অনুপম সেই দৃশ্য! এঙ্কোৰেজৰ পৰা চিয়াটললৈ আহি পাওঁতে সময় লাগিল তিনি ঘণ্টা। চিয়াটলৰ সময় এঙ্কোৰেজৰ সময়তকৈ এঘণ্টা আগবঢ়া। ঘড়ীত সময় মিলাই ললোঁ। টাৰ্মিনেল ভবনত ৱাশ্বিংটনলৈ যোৱা Delta Air Lines ৰ লাউঞ্জত আহি বহিলোঁ। কিছু সময়ৰ পিচতে ছয় বাজি পঞ্চলিশ মিনিটত আন এখন বিমানত উঠি পূব উপকূলৰ আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাজধানী ৱাশ্বিটনলৈ উৰা মাৰিলোঁ। চিয়াটলৰ পৰা ৱাশ্বিংটনলৈ দূৰত্ব ২৩৮০ মাইল। বিমানখন প্ৰথমতে বহুত ওপৰেদি, ৰকি পৰ্ব্বতৰ ওপৰে ওপৰে উৰি আহিছে। পুৱাৰ সূৰ্য্যৰ সোণালী ৰশ্মি পৰি সোণ বৰণীয়া হৈ পৰা মেঘৰ উৰ্ম্মিমালা দূৰ-দিগন্তলৈ বিয়পি আছে। তাৰ পিচত বিমানখন যথেষ্ট তলেদি বিস্তীৰ্ণ সমতল ভূমিৰ ওপৰেদি বহুত সময় জুৰি উৰি যোৱা বাবে তলৰ শস্য শ্যামলা কৃষিক্ষেত্ৰ পৰিষ্কাৰভাবে দেখিবলৈ পালোঁ। এনে এটা সময় আছিল যেতিয়া আমেৰিকাৰ এই বিশাল ভূখণ্ডত কেৱল আদিবাসী সকলেহে বস-বাস কৰিছিল। নতুন দেশ আবিষ্কাৰ হ'ল

আৰু হ'ল তথাকথিত সুসভ্য জাতিৰ আগমন আৰু বস-বাস। এচিয়াৰ পৰা দুশ বছৰৰ আগতে দেশখনলৈ বিভিন্ন দিশত পৰিবৰ্ত্তন আহিল, ক্ৰমাৎ প্ৰগতিৰ পথত আগবাঢ়ি বৰ্ত্তমান পৃথিবীৰ ভিতৰতে সমৃদ্ধিশালী হৈ পৰিছে। বৰ্ত্তমানৰ যন্ত্ৰ-সভ্যতাৰ চৰম শিখৰত উপনীত হোৱাৰ উপৰিও মহাকাশতো উপনিবেশ পাতিবলৈও প্ৰচেষ্টা চলাইছে।

১৪৯২ চনত স্পেইনৰ ৰাণীৰ আৰ্থিক সাহায্যৰ বলত ইটালি-দেশীয় নাবিক খৃষ্টফাৰ্ কলম্বাচে আটলাণ্টিক মহাসাগৰ পাৰ হৈ আহি এই নতুন মহাদেশখন আবিষ্কাৰ কৰে। কিন্তু তেওঁ এইখন নতুন মহাদেশ বুলি গম পোৱা নাছিল। তেওঁলোকে ভাৰতবৰ্ষত উপস্থিত হোৱা বুলি ধাৰণা কৰি মহাদেশখনৰ স্থানীয় লোকসকলক "ইণ্ডিয়ান" বুলি কৈছিল। আমেৰিকাৰ আদিবাসীসকলক সেই বাবে "ৰেড্ ইণ্ডিয়ান" বা "আমেৰিকান ইণ্ডিয়ান" বোলা হয়। দৰাচলতে তেওঁ আমেৰিকাৰ ওচৰৰ দ্বীপ এটাতহে অৱতৰণ কৰিছিল। সেই কাৰণেই আমেৰিকাৰ ওচৰৰ দ্বীপ-পুঞ্জক "ওৱেষ্ট ইণ্ডিজ" বা পশ্চিম ভাৰতীয় দ্বীপপুঞ্জ বোলে। কলম্বাচৰ পিচত এমেৰিগো ভেচপুচি নামৰ স্পেইনৰ আন এজন নাবিকে ১৪৯৯ চনত সমুদ্ৰ যাত্ৰা কৰি আহি আমেৰিকাৰ ভূ-খণ্ডত অৱতৰণ কৰিলে। তেওঁ প্ৰথমে "ছাণ্টো ডমিনগো" নামে এটা দ্বীপত পদাৰ্পণ কৰিছিল। এইজন নাবিকেই পোন-প্ৰথমতে গম পাইছিল যে কলম্বাচে আৱিষ্কাৰ কৰা এই ভূমি-খণ্ড প্ৰকৃততে এচিয়া মহাদেশৰ, ভাৰতবৰ্ষ নহয়। ভেচপুচিয়ে কিতাপ এখন লিখিলে, নাম ৰাখিলে "The New World"। এজন বিখ্যাত ভূগোলবিদে কিতাপখন পঢ়ি পৰামৰ্শ দিলে যে এই নতুন ঠাইখনৰ নাম এমেৰিগোৰ নামেৰেই নামাকৰণ কৰা হওক। সেয়ে হ'ল; নতুন দেশে নাম পালে 'আমেৰিকা'। ইয়াৰ পিচত আটলাণ্টিক মহাসাগৰ পাৰ হৈ নতুন দেশলৈ আহিল বহুতো নাবিক আৰু অনু-সন্ধানকাৰী আবিষ্কাৰক। নতুন দেশৰ নতুন নতুন কাহিনীবোৰে ইউৰোপবাসীক চমকিত কৰি তুলিলে।

সেই সময়ত আমেৰিকাৰ বিশাল ভূমি-খণ্ডত ৰেড্ ইণ্ডিয়ানবোৰে

বস-বাস কৰিছিল। এওঁলোকে এসময়ত এচিয়া মহাদেশৰ পৰা বেৰিং প্ৰণালীয়েদি আহি তাত বসতি কৰিছিল। এওঁলোক মঙ্গোলিয়ান জাতিৰ লোক বুলি অনুমান কৰা হয়। এওঁলোকৰ মাজত সভ্যতাৰ পোহৰ পৰা নাছিল যদিও মধ্য আমেৰিকা, মেক্সিকো, পেৰু দেশৰ মায়া, আজ্‌তেক, ইনকা আদি জাতিসকলৰ মাজত উচ্চ সভ্যতা গঢ়ি উঠিছিল।

স্পেইনৰ এই লোকসকলে এই "নতুন দেশ"ত প্ৰচুৰ পৰিমাণে সঞ্চিত হৈ থকা সোণ আৰু ৰূপৰ কথা জানিব পাৰিছিল। নতুন মহাদেশৰ অমূল্য সম্পদবোৰৰ সম্ভেদ পাই স্পেইনৰ পৰা আমেৰিকালৈ চহকী ব্যৱসায়ীৰ সোঁত বৰলৈ ধৰিলে। এই ক্ষেত্ৰত আগভাগ ল'লে স্পেইনবাসীয়ে। আমেৰিকাৰ আদিবাসীসকলক খৃষ্টান ধৰ্মত দীক্ষিত কৰিবলৈ স্পেইনৰ পৰা আহিল মিছনাৰীসকল। লাহে লাহে এই নতুন মহাদেশখনত স্পেইনে উপনিবেশ স্থাপন কৰাৰ ফলত স্পেইনীয় জীৱনযাত্ৰা প্ৰণালী দক্ষিণ আৰু উত্তৰ আমেৰিকাৰ এক বিস্তীৰ্ণ অঞ্চলত বিয়পি পৰিল। তাৰ পিচত পৰ্তুগীজ আৰু ফৰাচীসকল আহি ৰেড্‌-ইণ্ডিয়ানবোৰক যুদ্ধ-বিগ্ৰহত পৰাভূত আৰু উচ্ছেদ কৰি উপনিবেশ প্ৰসাৰ আৰু সুদৃঢ় কৰিলে। স্পেইনে আমেৰিকাত উপনিবেশ স্থাপন কৰাৰ প্ৰায় এশ বছৰ পিচতহে ইংৰাজসকল সপ্তদশ শতিকাৰ প্ৰাৰম্ভণত এই মহাদেশলৈ আহিল। নতুন দেশত বস-বাসলৈ প্ৰতিদ্বন্দ্বিতা আৰম্ভ হ'ল। ইংলেণ্ডৰ ৰজা ১ম জেমচৰ ৰাজত্বত আটলাণ্টিক উপ-কূলৰ উত্তৰ অংশত ইংৰাজ উপনিবেশ স্থাপনৰ অধিকাৰ দাবী কৰা হ'ল। ১৬০৭ চনত ভাৰ্জিনিয়া কোম্পানীয়ে জেমচ টাউনত প্ৰথমে স্থায়ী ঘাটি স্থাপন কৰে। বিভিন্ন বস্তু-বাহানিৰ ব্যৱসায় কৰি তেওঁ-লোকে দেখিলে যে উপনিবেশৰ সমৃদ্ধিৰ প্ৰধান উপায় ধঁপাত খেতিহে। নতুন উপনিবেশ ভাৰ্জিনিয়াত থকা ইংৰাজসকলে ৰেড্‌-ইণ্ডিয়ানসকলৰ পৰা ধঁপাতৰ খেতিৰ বিষয়ে জানিব পাৰি হাতে-কামে লাগি গ'ল। প্ৰচুৰ ধঁপাত উৎপাদন কৰি সেইবোৰ ইংলেণ্ডত বহু বেচি দামত বিক্ৰী কৰি কোম্পানী লাভবান হ'ল। ধঁপাতে ভাৰ্জিনিয়া উপনিবেশখনক

সম্পদশালী কৰি তুলিলে ; সগতে ভাৰ্জিনিয়াৰ ধঁপাতে প্ৰচুৰ জনপ্ৰিয়তা অৰ্জন কৰিলে। ৰজা জেমচে কিন্তু ইংলেণ্ডত ধূমপানৰ জনপ্ৰিয়তা মুঠেই ভাল নাপাইছিল। তেওঁ ধঁপাতৰ ওপৰত উচ্চ হাৰত শুল্ক বহুৱালে আৰু ধূমপানৰ বিৰোধীতা কৰি A Counterblaste to Tobacco নামেৰে এখন কিতাপ লিখি প্ৰকাশ কৰিছিল। তেওঁ হেনো ধূমপানৰ ধোঁৱাক নৰকৰ ধোঁৱাৰ লগত তুলনা কৰিছিল। সি যিয়েই নহওঁক, ধূমপানৰ জনপ্ৰিয়তা নকমিল। ভাৰ্জিনিয়াৰ ধঁপাতে সেই সময়তে যি জনপ্ৰিয়তা অৰ্জন কৰিছিল সি আজিও প্ৰায় চাৰিশ বছৰলৈকে অক্ষুন্ন হৈ আছে। কিছু বছৰৰ পিছত ভাৰ্জিনিয়া ৰাজ-উপনিবেশ (crown colony) বুলি ঘোষিত হোৱাত ভাৰ্জিনিয়া কোম্পানী এই ব্যৱসায়ৰ পৰা প্ৰচুৰ লাভবান হোৱাৰ পৰা বঞ্চিত হ'ল। ক্ৰমাৎ ইংৰাজ সকলে আধিপত্য স্থাপন কৰি আটলাণ্টিক উপকূলত তেৰখন উপনিবেশ স্থাপন কৰিছিল। ইয়াৰ পিছত ইউৰোপৰ আন দেশবোৰৰ পৰাও আমেৰিকালৈ মানুহৰ সোঁত বৰলৈ ধৰিলে। আমেৰিকাত স্পেইনক বাদ দি ইংলেণ্ডৰ প্ৰধান প্ৰতিদ্বন্দী আছিল ফ্ৰান্স ; কিন্তু অষ্টাদশ শতিকাৰ পিছৰ ছোৱাত ফ্ৰান্সক পৰাভূত কৰি ইংলেণ্ডে উপনিবেশৰ ক্ষেত্ৰত আমেৰিকাত অপ্ৰতিদ্বন্দী হৈ পৰিল।

অষ্টাদশ শতিকাৰ দ্বিতীয় ছোৱাত এই তেৰখন উপনিবেশৰ লগত ইংলেণ্ডৰ নানা কাৰণত বিবাদ আৰম্ভ হয় আৰু ইয়াৰ পৰিণতি আমেৰিকাৰ স্বাধীনতা যুদ্ধ। এহাতে স্বায়ত্ব শাসনৰ অধিকাৰ, আনহাতে বাণিজ্যিক পৰাধীনতা—এই অসংগতিৰ পৰা উদ্ভৱ হৈছিল গ্ৰেট ব্ৰিটেইন আৰু উপনিবেশৰ মাজত সংঘৰ্ষ। সাত বছৰীয়া ৰণত গ্ৰেট ব্ৰিটেইনৰ ৰাজকীয় ঋণ বহুগুণে বৃদ্ধি পাইছিল। উপনিবেশবোৰ বহিৰাক্ৰমণৰ পৰা ৰক্ষাৰ হকে কৰিব লগা সামৰিক ব্যয়ৰ এক অংশ উপনিবেশীয়ে বহন কৰা উচিত বিবেচনা কৰি ব্ৰিটিছ সংসদে ১৭৬৫ চনত উপনিবেশবোৰত দলিল পত্ৰ আদিত টিকট লগোৱাৰ বিধান কৰিলে ; ইয়েই বিখ্যাত "ষ্টাম্প এক্ট"বা টিকট কৰ আইন। ইয়াৰ ফলত উপনিবেশীসকল আৰু বেচিকৈ অসন্তুষ্ট হ'ল ;

লগে লগে ব্যাপক বিক্ষোভ আৰম্ভ হ'ল। ব্ৰিটিছ সংসদত উপনিবেশৰ পৰা কোনো প্ৰতিনিধি নাছিল বাবে তেওঁলোকে এই আইন মানি নল'লে। উপনিবেশীৰ সমস্বৰ প্ৰতিবাদৰ ফল স্বৰূপে এই আইন প্ৰত্যাহাৰ কৰা হ'ল যদিও ব্ৰিটিছ সংসদে ইটো। সিটো বস্তুৰ ওপৰত শুল্ক বহুৱায়। শেষত চাহৰ ওপৰত লগোৱা শুল্কক কেন্দ্ৰ কৰি ঘটনা তীব্ৰতৰ হ'ল। ইষ্ট ইণ্ডিয়া কোম্পানীক এই শুল্কৰ পৰা ৰেহাই দিলে, কাৰণ ই আছিল ইংৰাজ কোম্পানী। ইষ্ট ইণ্ডিয়া কোম্পানীৰ চাহ বোজাই জাহাজ এখন বোষ্টন বন্দৰত প্ৰৱেশ কৰাৰ লগে লগে কিছু লোকে চাহৰ বাকচবোৰ পানীত পেলাই দিলে। ব্ৰিটিছ চৰকাৰে বোষ্টন বন্দৰ বন্ধ কৰি দিলে আৰু সেই বন্দৰত অৱস্থিত মাছাচুছেট উপনিবেশখনৰ স্বায়ত্ব শাসনৰ অধিকাৰ প্ৰত্যাহাৰ কৰিলে। এনে দমন নীতিত ক্ষুব্ধ হৈ উপনিবেশৰ প্ৰতিনিধি সকলে ১৭৭৬ চনত ফিলাডেলফিয়াত আমেৰিকাৰ স্বাধীনতা ঘোষণা কৰিলে। স্বাধীনতা ঘোষণা কৰি তেৰখন উপনিবেশ সংগঠিত হৈ সাত বছৰ ধৰি গ্ৰেট ব্ৰিটেইনৰ লগত যুদ্ধ কৰি সফলতা লাভ কৰে। যুদ্ধৰ সমাপ্তিত ১৭৮৩ চনত গ্ৰেট ব্ৰিটেইনে আমেৰিকাৰ আটলাণ্টিক উপকূলস্থ তেৰখন উপনিবেশৰ স্বাধীনতা স্বীকাৰ কৰি লয়। এখন নতুন গণতান্ত্ৰিক ৰাষ্ট্ৰৰ পাতনি মেলিলে, নাম হ'ল "আমেৰিকা যুক্তৰাষ্ট্ৰ" যাক চমুকৈ কোৱা হয় U. S A. (United States of America)। বৰ্ত্তমান উত্তৰ আমেৰিকাৰ পঞ্চাশখন ৰাজ্যই "ফেডাৰেল" ভিত্তিত সংযুক্ত হৈ গঠন কৰা প্ৰজাতান্ত্ৰিক চৰকাৰৰ দ্বাৰা শাসিত দেশ।

বিমানৰ স্পিকাৰত কৰা ঘোষণাই মোৰ তন্ময়তা ভাঙি দিলে। চাৰি ঘণ্টাৰ মূৰত পালোঁহি যুক্তৰাষ্ট্ৰৰ মধ্য-পূব অঞ্চলৰ চিন্‌চিনাটি বিমান বন্দৰ। ইয়াত কিছুমান যাত্ৰী নামি গ'ল আৰু নতুনকৈ কিছুমান যাত্ৰী বিমানত উঠিল। ইয়াত বিমানখন এঘণ্টা সময় ৰ'ল। আমি এই সময়খিনি বিমানতে বহি কটালোঁ। খিড়িকীৰে বাহিৰলৈ চাই দেখিলোঁ শাৰী-পাতি বৈ আছে বিমানবোৰ, ইখনৰ পিচত সিখন উৰিছে ; সেইদৰে ইখনৰ পিচত আন এখন নামিছে। দৃশ্যটো দেখি

গুৱাহাটীৰ বেচৰকাৰী বাছ আস্থানৰ বাছৰ শাৰীলৈ মনত পৰিল। মোৰ বাবে এই দৃশ্য অতি ৰোমাঞ্চকৰ। বিমানৰ ভিতৰত বহি এই দৃশ্য চাই চাই সময়খিনি সুন্দৰকৈ কটাই দিলোঁ। পুনৰ যাত্ৰা আৰম্ভ হ'ল। এঘণ্টা উৰণৰ পিচত বিমান ৱাশ্বিংটন ডি, চিৰ ৱাশ্বিংটন নেচ্‌নেল বিমান বন্দৰত নামিলেহি। ৱাশ্বিংটনত তেতিয়া আবেলি চাৰি বাজিছে। মোৰ ঘড়ীত চিয়াটলৰ সময়মতে দুপৰীয়া এক বাজিছে। বিমানৰ পৰা লাউঞ্জলৈ এয়াৰ-ব্ৰিজৰ মাজেদি নামি আহোঁতে দেখিলোঁ মামুনে উৎকণ্ঠিত ভাবে আমালৈ বৈ আছে। তেওঁ অধীৰ আগ্ৰহেৰে মোৰ স্বামীক সাৱতি ধৰি ক'লে - "After seventeen years"; আমি হাঁহি মাৰি তেওঁ কেনে আছে সুধিলোঁ।

ৱাশ্বিংটন নেচ্‌নেল বিমান বন্দৰ আৰ্লিংটনৰ এটা মূৰত পট'মাক নদীৰ কাষতে দেশৰ ভিতৰতে এটা ব্যস্ত বিমান বন্দৰ। আমি বস্তু-বাহানিবিলৈ টেক্সি এখনেৰে অলপ দূৰ গৈয়েই পট'মাক নদীৰ ওপৰৰ "আৰ্লিংটন মেম'ৰিয়াল ব্ৰিজ" পাৰ হৈ ৱাশ্বিংটন ডি, চিত সোমালোঁ। দলঙৰ ইটো পাৰে ভাৰ্জিনিয়া। ডাউন টাউনত মামুনে আগতেই আমাৰ কাৰণে সংৰক্ষণ কৰি থোৱা "Holiday Inn" নামৰ হোটেল এখনৰ তিনি মহলাৰ দুজনীয়া কোঠালি এটাত আহি সোমালোঁ। কোঠালিটো সু-সজ্জিত, আহল-বহল আৰু গোটেইখন মজিয়া কোমল কাৰ্পেটেৰে আবৰা। শীত-তাপ নিয়ন্ত্ৰিত কোঠালিটোত দুখন সুকোমল বিচনা, আঠোটা চেনেলৰ ৰঙীন টি, ভি, টেলিফোন, বিভিন্ন ধৰণৰ লাইট, একাষে চোফা-চেট; দীঘল খিড়িকীৰে মহানগৰীৰ বাট-পথ সুন্দৰকৈ দেখা যায়। অলপ জিৰাই-শতাই টেক্সি এখনেৰে গৈ পাঞ্জাবী মানুহৰ ৰেষ্টোঁৰা এখনত ৰাতিৰ আহাৰৰ বাবে সোমালোঁ। ৰেষ্টোঁৰাৰ ভিতৰখন সুন্দৰকৈ সজোৱা আৰু গোটেইখন আমেৰিকান যুবক-যুবতী; পুৰুষ-মহিলাৰে ঠাহ খোৱা। মামুনৰ কথামতে ভাৰতীয় খানা পৰিবেশন কৰা হ'ল; দুবিধ মুৰ্গীৰ মাংস, পোলাও আৰু ইটো সিটো বহুতো। আমি ইমানবোৰ খাব নোৱাৰোঁ। বুলি কোৱাত মামুনে ক'লে, "থাওঁক-চোন খুৰী, আপোনালোকক জানো আকৌ কেতিয়াবা এনেকৈ মিল

এটা অঁকাৰ কৰিবলৈ লগ পাম।" সেইদিনা হোটেললৈ আহি আমি তিনিওজনে বেছ ৰাতিলৈকে গল্প গুজব কৰিলোঁ।

ৰাতিপুৱা গুই উঠি কোঠালি-সংলগ্ন অত্যাধুনিক ভাওৰ বাথৰুমত গা-পা ধুই দীঘল খিড়িকীৰ কাষত বহি বাহিৰৰ শোভা চাই চাই ঘৰলৈ দুখনমান চিঠি লিখিলোঁ। ৰাতিপুৱাৰে পৰা কিন কিনীয়া বৰষুণ দি আছে। মহানগৰীত এপাক ঘূৰি আহোঁ বুলিও ওলাই যাবলৈ মন যোৱা নাই। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাজধানী ৱাশ্বিংটন ডি, চি; এই নগৰখন কলম্বিয়া জিলা বা ৰাজ্যত অৱস্থিত। ৰাজধানী বাবে এই নগৰক আন ৰাজ্যবোৰৰ পৰা পৃথক কৰি এখন কেন্দ্ৰীয় শাসনাধিকাৰত থকা জিলা হিচাপে ৰখা হৈছে। ১৭৯১ চনত জৰ্জ ৱাশ্বিংটনে নানা বিবাদৰ পিচত পট'মাক নৈৰ পাৰত এই ৰাজধানীৰ স্থান নিৰূপন কৰে। মেজৰ এল, এনফেণ্টে ৱাশ্বিংটন নগৰৰ পৰিকল্পনা কৰিছিল। নগৰখন পট'মাক নৈৰ উত্তৰ পাৰত অৱস্থিত; সিটো পাৰে ভাৰ্জিনিয়া জিলা বা ৰাজ্য; সিটো পাৰেও ৱাশ্বিংটনৰ ৰাজ্যৰ কিছু অংশ আছে। যুক্তৰাষ্ট্ৰৰ প্ৰতিৰক্ষা দপ্তৰৰ সদৰ পেণ্টাগন এই অংশতে অৱস্থিত। এই মহানগৰত পুলিচ, ফায়াৰ আৰু এম্বুলেন্স গাড়ীবোৰে বিকট শব্দ কৰি দিনে-নিশাই বাটে-ঘাটে ঘূৰি ফুৰে। যুক্তৰাষ্ট্ৰৰ মানুহ বিলাকক প্ৰধানকৈ পাঁচোটা ভাগত ভগাব পাৰি। ইউৰোপ মহাদেশৰ পৰা অহা লোকসকলক শ্বেতাঙ্গ বা হোৱাইট; আফ্ৰিকাৰ পৰা অহা নিগ্ৰোসকলক কৃষ্ণাঙ্গ বা ব্লেক; এচিয়াৰ বিভিন্ন দেশৰ পৰা অহা সকলক এচিয়ান-আমেৰিকান; আদিবাসী ৰেড্ ইণ্ডিয়ানসকলক আমেৰিকান-ইণ্ডিয়ান আৰু মেক্সিকো, মধ্য আমেৰিকা আৰু দক্ষিণ আমেৰিকাৰ স্পেনিছমূলৰ লোকসকলক হিস্পানিক বুলি কয়। ৱাশ্বিংটনত ব্লেকৰ সংখ্যা যথেষ্ট বেছি। এওঁলোকক "নিগ্ৰো" বুলি ক'লে বেয়া পায়; সেয়েহে "ব্লেক" বুলি কোৱা হয়।

যুক্তৰাষ্ট্ৰৰ চহৰ-নগৰৰ সকলো ঠাইতে সুন্দৰ সুন্দৰ মটৰ গাড়ী ভাড়াত পোৱা যায়; পেট্ৰল, মবিলৰ খৰচ নিজে বহন কৰিব লাগে; গাড়ী নিজে চলাব লাগে। ঘণ্টা বা দিন হিচাপত ভাড়া লয়।

যিখন ঠাইত গাড়ীখন ভাড়া হিচাপে লোৱা হয় সেই অফিচতে বা সেই কোম্পানীৰ আন নগৰত থকা অফিচতো গাড়ীখন ঘূৰাই দিব পাৰি। যুক্তৰাষ্ট্ৰৰ বাহিৰৰ পৰা তাতে যোৱা মানুহে "International Driving Licence" এখন কৰাই লৈ গ'লে গাড়ী ভাড়া কৰি নিজে চলাই ফুৰিব পাৰে। পেচ ষ্টেচনবিলাকত Full Service আৰু Self Service বুলি দুটা ভাগ থাকে। প্ৰথমটোত তেওঁলোকৰ মানুহে গাড়ীত পেট্ৰোলিন ভৰাই দিয়ে, দ্বিতীয়টোত নিজেই পেট্ৰোলিন অৰ্থাৎ পেট্ৰল ভৰাই লব লাগে। এনেবোৰ কাম প্ৰায় ভাগ ছোৱালীয়েই কৰা দেখিছো। ইয়াত সকলো কাম ল'ৰা বা ছোৱালীয়ে সমানেই কৰে। পেট্ৰলৰ মূল্যও আমাৰ দেশতকৈ বহুত কম ; টকাৰ হিচাপত আমাৰ দেশৰ মূল্যতকৈ আধা হয়। অৱশ্যে উপসাগৰীয় যুদ্ধৰ পিচত পেট্ৰলৰ দাম যথেষ্ট বৃদ্ধি পাইছে। পেছ ষ্টেচনৰ লগতে থাকে পৰিষ্কাৰ 'ফাষ্ট-ফুড'ৰ দোকান ভিতৰত সুন্দৰ জিৰণি কোঠা। ঘৰটোৰ বাহিৰত থকা খুটা এটাৰ সন্মুখত গাড়ীৰ আইনাখন নমাই লৈ অৰ্ডাৰ দিলে দোকানৰ মানুহে তৎক্ষণাত গৰম গৰম খোৱা বস্তু গাড়ীতে আহি দি থৈ যায় ; ইয়াকে Drive in Window বুলি কয়। খুটা-টোত মাইক্ৰ'ফোন ফিট কৰা থাকে। স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীয়েই এনেবোৰ দোকানত কাম কৰে, ঘণ্টা হিচাপত পাৰিশ্ৰমিক পায়। এনে দোকানৰ ভিতৰত বহি লৈ খোৱা-বোৱা কৰাৰ ব্যৱস্থাও আছে। এনে দোকানত খোৱা-বস্তু নিজে লব লাগে, কোনো ৱেটাৰ বা পৰিচাৰিকা নাই ; এনেবোৰত কম খৰচতে খোৱা-বোৱা কৰিব পাৰি। আমি "M. C. Donald's" নামৰ ফাষ্ট-ফুডৰ দোকানত প্ৰায়েই খাইছিলোঁ। এই নামৰ দোকানবোৰ দেশখনৰ সকলো চহৰ-নগৰতে আছে। ইয়াত বেছৰ 'চেক্' ভঙাব পাৰি।

এই দেশত প্ৰায় প্ৰত্যেক মানুহৰে গাড়ী আছে বাবে নিৰ্দ্দিষ্ট ঠাইত গাড়ী ৰখা বা পাৰ্কিং কৰাও এটা ডাঙৰ সমস্যা হৈছে। সেই বাবে কেইবা মহলাৰ বিৰাট বিৰাট ভবনবোৰ গাড়ী পাৰ্কিঙৰ বাবে সাজি উলিয়াইছে। এনেবোৰ ভবনত শ শ গাড়ী পাৰ্ক কৰিব

পাৰি এনেবোৰত গাড়ী থোৱা আৰু পইচা পোৱা কায়দা-কিটিপো সুকীয়া। বন্ধ গেটখনৰ কাষতে থকা ফুটাইদি "পাৰ্কিং টেক্স" ভৰাই দিলেহে লোহাৰ নঙলাডাল খোল খায়, তেতিয়া গাড়ীখন ভিতৰলৈ যাব পাৰে। পাৰ্কিং টেক্স লবলৈ বা নঙলাডাল খুলি দিবলৈ তাত কোনো মানুহ নাথাকে, থকাৰ প্ৰয়োজনো নাই। ৰাস্তাত গাড়ী ৰখাই থোৱাৰ বাবে প্ৰত্যেকখন গাড়ীৰ বাবে এটাকৈ ঘড়ীৰ দৰে মিটাৰ থাকে। তাত গাড়ীখন যিমান সময়লৈকে ৰখাই থব ইচ্ছা কৰে সেই সময় অনুযায়ী তাত থকা ফুটা এটাৰে মুদ্ৰা ভৰাই দিব লাগে। পহৰাৰত পুলিচে সেইবোৰ নিৰীক্ষণ কৰি থাকে। হিচাপতকৈ সময় অধিক হ'লে জৰিমনা ভৰিব লাগে। অন্যথাই পুলিচে গাড়ী-খনৰ চকাত ডাঙৰ তলা এটা লগাই থৈ যায়। ডাক্তৰৰ চেম্বাৰ, দোকান-পোহাৰ, বেঙ্ক আদি সকলোতে ঘৰটোৰ আয়তনতকৈ গাড়ী পাৰ্কিঙৰ বাবে বহুত বেচি ঠাই ৰখা দেখা যায়।

ৰাতিপুৱা আৰু বজাত মামুন আহি আমি থকা হোটেলৰ কাষতে থকা তেওঁৰ এপাৰ্টমেণ্টলৈ নিলেহি। ইয়াত শীত এতিয়াও তেনেকৈ পৰা নাই, আমাৰ দেশৰ আঘোন-মহীয়া বতৰ। এই অঞ্চলৰ গ্ৰীষ্ম কালৰ বতৰ গৰম আৰু সেমেকা, বসন্ত কালেই আটাইতকৈ মনোৰম। শীতকালত আকৌ বগা বগা বৰফৰ টুকুৰাবোৰ উৰি উৰি বাট-পথ, ঘৰ-দুৱাৰ, গছ-গছনি বৰফে ঢাকি ধৰে।

কেইবা মহলীয়া ঘৰত থকা এপাৰ্টমেণ্টবোৰত থকা-মেলাৰ ব্যৱস্থা সুবিধাজনক। শীত তাপ নিয়ন্ত্ৰিত দুটা বা তিনিটা কোঠালি থকা কোমল কাৰ্পেটেৰে ঢকা মজিয়া; ফ্ৰিজ, ইলেকট্ৰিক ষ্টোভ আদি সকলো আধুনিক সা-সুবিধাৰে পাকঘৰ; সুন্দৰ বেইকম আদিৰে এইবোৰ ভাড়াত পোৱা যায়। এটা ডাঙৰ ঘৰত বহুতো পৰিয়ালে ভাড়া লৈ থাকিব পাৰে। মামুন অৰ্থাৎ কে, জামান চৌধুৰীৰ পিতৃয়ে স্বাধীনতাৰ বহু বছৰ পূৰ্ব্বতেই চিলেটৰ (বৰ্ত্তমানৰ বাংলাদেশত) পৰা অসমৰ ছয়গাওঁলৈ আহি ব্যৱসায় কৰি জীৱিকা নিৰ্ব্বাহ কৰিছিল। এওঁলোকৰ সৈতে আমাৰ পৰিয়ালৰ মধুৰ সম্পৰ্ক আছিল। অসমতে

জন্যলৈ ডাঙৰ দীঘল হোৱা মামুনে হাইস্কুল শিক্ষান্তত কলেজ পোৱাৰ পিচত ১৯৭১ চনত পৰিয়ালৰ লোকৰ সৈতে অসমৰ পৰা পূৰ্ব্বৰ ঠাইলৈ গুচি গ'ল। তাৰ পিচত সময়ৰ সোঁতত হেৰাই গ'ল বহুতো বছৰ। আমাৰ সৈতে থকা তেওঁলোকৰ যোগসূত্ৰও ছিঙি গ'ল। এওঁ বৰ্ত্তমান ৱাশ্বিংটনৰ ডাঙৰ হোটেল এখনৰ এগৰাকী উচ্চস্তৰৰ বিষয়া। অসম আৰু অসমীয়া মানুহৰ প্ৰতি গভীৰ আকুলতা তথা ভালপোৱা থকা এইজন যুৱকৰ উৎসাহী মন আৰু কৰ্ম্মৰ প্ৰতি থকা একনিষ্ঠতাই আমাক মুগ্ধ কৰিলে। এওঁৰ এগৰাকী বিবাহিতা ভগ্নী বৰ্ত্তমান লণ্ডনৰ বাসিন্দা আৰু আন গৰাকী বিবাহিতা ভগ্নী থাকে বাংলাদেশত। মামুনে আমালৈ ফলৰ ৰস, ফল-মূল আৰু চাহ আগবঢ়াই দি ফোনৰ ডায়েল ঘূৰাই কাৰোবাৰ লগত কথা-পাতি ফোনটো আমাৰ কাণে আগবঢ়াই দিলে। সিফালৰ পৰা ফোনত কথা কোৱা গৰাকী হ'ল লণ্ডনত বস-বাস কৰা তেওঁ জ্যেষ্ঠা ভগ্নী "আৱা"। আমাৰ বাবে ইয়ো এক আচৰিত হবলগীয়া অভিজ্ঞতা। অতি সহজতে লণ্ডনত থকা জনৰ সৈতে ফোনত কথা হলোঁ, কথাবোৰ অতি স্পষ্টকৈ শুনিলো। আগতেই উল্লেখ কৰিছোঁ যে যুক্তৰাষ্ট্ৰৰ ফোনৰ ব্যৱস্থা অতি উন্নত আৰু নিখুঁত। ৰঙ্-নাম্বাৰ বা লাইন বেয়া হোৱাৰ প্ৰশ্ন নুঠে। এই দেশৰ বিভিন্ন ঠাইত থকা আমাৰ কেইবাজনো চিনাকি অসমীয়া মানুহৰ সৈতে ইয়াতে বহি কথা-বতৰা হলোঁ। নিউইয়ৰ্কৰ দাঁতি-কাষৰৰ বাসিন্দা ডাক্তৰ অশ্বিনী চৌধুৰী আৰু তেওঁৰ পৰিবাৰে তেওঁলোকৰ ঘৰলৈ আমাক আগ্ৰহেৰে নিমন্ত্ৰণ জনালে। প্ৰস্তাৱ দিলে, তেওঁলোকে আমাক নিউইয়ৰ্কখন দেখুৱাব।

আগদিনা খোৱা ভাৰতীয় ৰেষ্টোৰাখনত ভাত খাই "গ্ৰে হাউণ্ড" বাছেৰে মহানগৰীখন ভ্ৰমণৰ বাবে ওলালোঁ। বাছৰ-চালকজনে গাইডৰো কাম কৰিছে। শীত-তাপ নিয়ন্ত্ৰিত ভুখ ডাঙৰ বাছ। চালকজনে গাড়ী চলাই চলাই মাইকেৰে মহানগৰখনৰ প্ৰত্যেকটো পথৰ, প্ৰত্যেকটো ভবনৰে বৰ্ণনা দি গৈছে। বাট-পথবোৰো যথেষ্ট আহল-বহল, বাটৰ কাষত থকা শাৰী শাৰী সেউজীয়া গছ-গছনিয়ে নগৰখনৰ সৌন্দৰ্য্য

বঢ়াই তুলিছে। আমেৰিকান সকলৰ ইংৰাজী উচ্চাৰণ বুজিবলৈ আমাৰ অলপ অসুবিধা হৈছিল. তথাপিও মনোযোগেৰে কথাবোৰ শুনি বুজিবৰ চেষ্টা কৰি গৈছো। মুকলি ঠাই, সুন্দৰ সুন্দৰ পাৰ্ক, বিজুলী বাত্তি ফোৱাৰা, মূৰ্ত্তি, গ্ৰীক্ স্থাপত্যৰ আহিত নিৰ্মিত বিভিন্ন প্ৰাসাদ-বোৰৰ সৈতে গোটেই মহানগৰখন সুন্দৰকৈ সজোৱা। সুউচ্চ অট্টালিকা ইয়াত নাই। স্বকীয় গাম্ভীৰ্যতাৰে এয়া ৱাশ্বিংটন ডি, চি। আমেৰিকাৰ সকলো ঠাইতে বিশালতা চকুত পৰে: ডাঙৰ বাট-পথ, ডাঙৰ দোকান-পোহাৰ, ডাঙৰ ভৱন, বিশাল পাৰ্ক ইত্যাদি। ছাত্ৰ-ছাত্ৰী, ৰাজনীতিজ্ঞ, অন্য দেশৰ পৰা অহা লোকৰ বিভিন্ন সমাবেশেৰে ৱাশ্বিংটন মেট্ৰপলিটান অঞ্চলৰ জনসংখ্যা প্ৰায় ত্ৰিশ লাখ।

ৱাশ্বিংটন মনুমেণ্ট বা স্মৃতিস্তম্ভৰ একেবাৰে ওপৰত জ্বলি থকা ৰঙা বিজুলী চাকিৰ তিৰবিৰণি বহুত দূৰৈৰ পৰাই চকুত পৰে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰথম ৰাষ্ট্ৰপতি জৰ্জ ৱাশ্বিংটন, যিজনা ব্যক্তিয়ে আমেৰিকাৰ স্বাধীনতা যুদ্ধত উপনিবেশীৰ সেনাধ্যক্ষৰ ভূমিকাত নেতৃত্ব দি বৃটিছৰ বিপক্ষে যুঁজি বিজয়ী হৈছিল, সেই মহান ব্যক্তিজনাৰ স্মৃতি ৰক্ষাৰ্থে চাৰে পাঁচশ ফুট ওখ আকাশলম্বা এই স্মৃতিস্তম্ভটো গঢ়ি তোলা হৈছে। মনুমেণ্টৰ কেউদিশে দূৰ-দূৰণিলৈ বিয়পি আছে পৰিষ্কাৰ সেউজীয়া মুকলি ঠাই। এই মহানগৰৰ ঘৰবোৰ এই স্তম্ভটোতকৈ ওখকৈ সাজিব নিদিয়ে। মাজে মাজে আছে শাৰী শাৰী আপেল গছ। এপ্ৰিল-মে' মাহত এই গছবোৰত গুলপীয়া ৰঙৰ ফুল ধৰি জাপানৰ চেৰীফুলৰ দৰে গছবোৰ ফুলেৰে উপচি পৰি কোমল সেউজীয়া ঘাঁহনিৰ মাজত অভিনৱ ৰূপেৰে জিলিকি উঠে। ডাঙৰ ডাঙৰ গীৰ্জা, আৰ্ট গেলেৰী আদিৰ মাজেদি গৈ আছো। শাৰী শাৰীকৈ আছে বিভিন্ন ৰাষ্ট্ৰৰ ৰাষ্ট্ৰদূত বিলাকৰ বাসভৱনবোৰ। এই বৈচিত্ৰময় মহানগৰখন তন্ন তন্নকৈ চাবলৈ কেইবাদিনো সময় লাগিব। পেন্সিলভেনিয়া এভিনিউৰ পূব মূৰত যুক্তৰাষ্ট্ৰৰ কেপিটল (Capital) ভৱনটো অৱস্থিত। পুৰণি গ্ৰীক স্থাপত্যৰ আহিত তৈয়াৰ কৰা মাৰ্বলৰ এই বিশাল ভৱনটোৰ আৰ্হি ডক্তৰ উইলিয়াম থৰ্নটন নামৰ এজন

স্থাপতিয়ে কৰিছিল। অলপ দূৰ গৈয়ে দেখিলোঁ আমেৰিকাৰ সৰ্ব্ববৃহৎ পুথিভঁড়াল "লাইব্ৰেৰী অব কংগ্ৰেছ।"

"স্পেচ্ মিউজিয়াম" (Space Museum) চাওঁ বুলি ভিতৰত সোমালোঁ। মানুহে প্ৰথমে আকাশত উৰিবলৈ চেষ্টা কৰাৰ দিনৰে পৰা আৰম্ভ কৰি বৰ্ত্তমান আধুনিক যুগত আবিষ্কৃত আকাশ আৰু মহাকাশৰ বিভিন্ন যানবোৰ ইয়াত স্তৰে স্তৰে সজাই থৈছে। আমেৰিকাৰ ৰাইট্ ভাতৃদ্বয়ৰ আবিষ্কৃত আকাশী জাহাজখনো ইয়াত ৰাখি থৈছে, যিখনত উঠি তেওঁলোকে ১৯০৩ চনত এখন চহৰৰ ওপৰেৰে চাৰিপাক ঘূৰি আহিছিল। চাৰ্লচ লিণ্ডবাৰ্গে যিখন আকাশী জাহাজত উঠি আটলাণ্টিক মহাসাগৰ পাৰ হৈছিল সেইখনো ইয়াত সুন্দৰকৈ ৰাখি থৈছে। নীল আৰ্মষ্ট্ৰঙে যিখন মহাকাশ যানত উঠি চন্দ্ৰত অৱতৰণ কৰিছিল সেইখনো চাবলগীয়া। প্ৰথম আৰু দ্বিতীয় মহাযুদ্ধত ব্যৱহাৰ হোৱা যুঁজাৰু বিমান সমূহেও ইয়াত ঠাই পাইছে। আকাশীযান আৰু মহাকাশৰ বিভিন্ন আহিঁৰ যানসমূহ চাই শেষ কৰিব নোৱাৰা এই বিশাল মিউজিয়ামটো লৰালৰিকৈ চাই ওলাই আহিলোঁ। বাহেৰে গৈ থাকোঁতে দেখিলোঁ বিভিন্ন সংগ্ৰহালয়, "নেচনেল মিউজিয়াম অব্ আমেৰিকান হিষ্ট্ৰি" আদি। আমেৰিকা যুক্তৰাষ্ট্ৰ বিশালতাৰ চানেকি। অভাৱনীয় সৌন্দৰ্য্য, বিশাল মহিমা, ধন-সম্পদৰ প্ৰাচুৰ্য্যৰ উপৰিও আছে সীমাহীন প্ৰাণ সম্পদ। 'ৱাৰ্ক কালচাৰ' এওঁলোকৰ হাড়ে-হিমজুৰে, কৰ্ম্ম সংস্কৃতি আৰু দৰ্শনক এওঁলোকে সন্মানৰ চকুৰে চায়। প্ৰতিজন নাগৰিকৰ দায়িত্ব সচেতনতাই তৰধ মনায়।

ৱাশ্বিংটন মহানগৰৰ কিছু দূৰত পটমাক নৈৰ পাৰত আব্ৰাহাম লিঙ্কনৰ স্মৃতিত সজা "লিঙ্কন স্মৃতিসৌধ" (Lincoln Memorial) চাবলৈ গলোঁ। সেইজনা মহৎ পুৰুষৰ স্মৃতি ৰক্ষাৰ বাবে ই এক সৰ্ব্ববৃহৎ প্ৰচেষ্টা। কুৰি শতিকাৰ স্থাপত্য আৰু ভাস্কৰ্য্যৰ ই এক অপূৰ্ব্ব নিদৰ্শন। অতি ওখ ভেটিৰ ওপৰত তৈয়াৰী এই স্মৃতি ভৱনৰ দৈৰ্ঘ্য হ'ল ১৮৮ ফুট আৰু প্ৰস্থ ১১৮ ফুট। মাৰ্ব্বলেৰে বন্ধোৱা খট্খটীয়েদি উঠি গৈ ভিতৰৰ সমুখ ভাগতে দেখিলোঁ বগা মাৰ্ব্বলেৰে

নির্মিত আব্রাহাম লিঙ্কনৰ বিৰাট মূৰ্ত্তি ; চকীৰ হাতোবাত হাত ছুখন থৈ সাম্য দৃষ্টিৰে সমুখলৈ চাই আছে। এই সুন্দৰ মূৰ্ত্তিটো ডেনিয়েল চেষ্টাৰ নামৰ লোক এজনে নির্মাণ কৰি উলিয়াইছে। এই ঠাই ডোখৰতে এসময়ত আছিল ফ'ৰ্ডচ্ থিয়েটাৰ (Ford's Theater)। ইয়াতেই তেতিয়াৰ যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি আব্রাহাম লিঙ্কনে ৰাতি থিয়েটাৰ চাই থাকোঁতে (১৮৬৫ চনৰ চৈধ্য এপ্ৰিল) জন বুথ নামৰ ডেকা এজনে লিঙ্কনক গুলী কৰি হত্যা কৰে। ১৮৬৫ চনৰ চৈধ্য এপ্ৰিল তাৰিখটো লিঙ্কনে বিজয় দিৱস হিচাপে পালন কৰিব খুজিছিল ; কাৰণ চাৰি বছৰ জুৰি চলা যুক্তৰাষ্ট্ৰৰ উত্তৰ আৰু দক্ষিণৰ ভয়াবহ গৃহযুদ্ধৰ সমাপ্ত হৈছিল মাথোন। উত্তৰ-পক্ষৰ নেতৃত্ব লোৱা লিঙ্কনৰ সৈন্যবাহিনীয়ে দক্ষিণ আমেৰিকাৰ বাহিনীক পৰাভূত কৰি যুক্তৰাষ্ট্ৰৰ ঐক্য ৰক্ষা কৰে আৰু মূলতে নিগ্ৰোসকলৰ মুক্তিৰ পথ মুক্ত কৰি দিয়ে। ইয়াৰ এমাহৰ আগতে লিঙ্কন দ্বিতীয়বাৰৰ বাবে ৰাষ্ট্ৰপতিৰ পদত অধিষ্ঠিত হৈছিল।

ফ'ৰ্ডচ্ থিয়েটাৰক চৰকাৰে গৰাকীৰ পৰা কিনি ল'লে আৰু সেয়েই হৈ উঠিল বিখ্যাত "লিঙ্কন মিউজিয়াম।" ৱাশ্বিংটন মহানগৰীৰ আঁতৰত সেউজীয়া বননিৰে আবৃত মনোৰম ভূমিত ৰক্ষা কৰা হৈছে এটা স্মৃতি। সমুখৰ কৃত্ৰিম হ্ৰদ এটাৰ সিপাৰে ৮০০ ফুট ওখ ৱাশ্বিংটন স্মৃতি-স্তম্ভ। এই দেশৰ প্ৰথম ৰাষ্ট্ৰপতি জৰ্জ ৱাশ্বিংটনৰ স্মৃতি ৰক্ষাৰ বাবেও চৰকাৰে কৰিবলৈ যেন একো বাকী ৰখা নাই।

পট'মাক নৈৰ আনটো পাৰত আছে আৰ্লিংটন নেচনেল কবৰস্থান ; ঠাইখন ভাৰ্জিনিয়া ৰাজ্যৰ ভিতৰত পৰে। শাৰী-শাৰীকৈ থকা বগা মাৰ্বলৰ সীমাহীন কবৰবোৰ চকুত পৰিল। ইয়াত যুক্তৰাষ্ট্ৰৰ বহুতো প্ৰখ্যাত লোকৰ সমাধি আছে। ১৮৬৪ চনৰ পৰা আৰ্লিংটনক সেনা বাহিনীৰ জাতীয় সমাধিস্থান হিচাপে গণ্য কৰা হয়। ৪০০ শ একৰবো অধিক ঠাই জুৰি থকা এই সমাধিস্থানত দহ মাইল অকোৱা-পকোৱা ধুনীয়া পকা আলিবাট আছে আৰু ধুনীয়া ধুনীয়া গছ-গছনিৰে সমাধিস্থানখন মনোমোহা কৰি তুলিছে।

বাহুখনত ঘূৰি-পকি মহানগৰীৰ মাজেদি গৈ আছো। মাজে মাজে হোটেলবোৰৰ সমুখত কিছুমান যাত্ৰী নামি গৈছে। অৱশেষত পালোঁহি আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি-ভৱন "হোৱাইট্ হাউচ্।" পৃথিৱীখ্যাত ধুনীয়া এই ভৱনটো আমি ধাৰণা কৰাতকৈ, ৱাশ্বিংটন মহানগৰীৰ আন আন প্ৰকাণ্ড প্ৰকাণ্ড সুদৃশ্য ভৱনবোৰৰ তুলনাত যথেষ্ট সৰু দেখিলোঁ।

ৱাশ্বিংটন মহানগৰীত বাটৰ কাষত "We are hungry, please help us" বুলি লিখা প্লে-কাৰ্ড হাতত লৈ থিয় হৈ থকা মানুহ দেখিবলৈ পাইছোঁ। এই দেশৰ চৰকাৰে নিবনুৱা বা উপাৰ্জনহীন লোকসকলক দিনৰ আৰু ৰাতিৰ সাজ আহাৰ খাবলৈ একোখন কাৰ্ড দিয়ে। সেই কাৰ্ড দেখুৱাই খাদ্য বস্তুৰ দোকানত তেওঁলোকে উপযুক্ত আহাৰ খাব পাৰে। সুৰা আৰু মাদকদ্ৰব্য সেৱনৰ বাবে এই লোকসকলে এইদৰে পইচা বিচাৰে।

আমেৰিকাৰ দোকান-পোহাৰ, বেঙ্ক, অফিচ, বিমান বন্দৰ সকলো ঠাইতে বেছিকৈ ছোৱালীহে দেখা যায়। ছোৱালীবোৰ তেজাল, ধুনীয়া ভজবজীয়া, সাহসী আৰু খৰস্ৰোতা নৈৰ দৰে প্ৰাণোজ্জ্বল। চিনাকিয়েই হওঁক বা অচিনাকিয়েই হওঁক বাটে-পথে লগ পালে, হাঁহি মুখে "হাই" বুলি মাত এষাৰ দিয়ে। এই দেশৰ সকলো ঠাইতে পুৰুষ আৰু নাৰীয়ে সমানে আন মানুহক সহায় কৰিবলৈ উপযাচি আগবাঢ়ি আছে। তেওঁলোকৰ এই স্বভাবটো সঁচাকৈয়ে আদৰণীয়। অবাৰত কথা-পাতি বা এনেয়ে মেল মাৰি সময় কটোৱা এওঁলোকৰ স্বভাব-বিৰুদ্ধ কথা। এওঁলোকৰ জীৱন অতি দ্ৰুত গতিত চলে। আমেৰিকাৰ শতকৰা ৯৫ ভাগ মহিলাই শিক্ষিতা। সৰুৰে পৰা এওঁলোকৰ প্ৰত্যেকেই স্বাৱলম্বী হবলৈ বিচাৰে। ঘৰুৱা কাম-বন কৰি থকাতকৈ ইয়াৰ মহিলাই বাহিৰত কাম কৰি সময় কটাবলৈ বেছি ভাল পায়। পুৰুষ আৰু মহিলা উভয়ে ঘৰুৱা কামবোৰ কৰে। ছোৱালী বিলাকে সচৰাচৰ হাইস্কুল শিক্ষা সমাপ্ত কৰাৰ পিচত চাকৰি এটা যোগাৰ কৰি নিজাববীয়াকৈ অৰ্থাৎ মাক-দেউতাকৰ পৰা

আন্তৰি আহি বেলেগে থাকিবলৈ লয়। আমাৰ দেশৰ দৰে মাক-দেউতাকৰ ওপৰত নির্ভৰ নকৰে। সাধাৰণতে মেধাবী ছাত্র-ছাত্রীয়েহে মহাবিদ্যালয় বা বিশ্ববিদ্যালয়লৈ পঢ়িবলৈ যায়।

ইয়াত যেন কাৰো বিৰাম বিশ্ৰাম নাই। বন্ধৰ সময়ত ছাত্র-ছাত্রীয়ে ধন ঘটাত লাগি যায়। দোকানত, অফিচত পাৰ্ট-টাইম কৰে; গাড়ী মচা, ঘাঁহ কটা, বাতৰি কাকত বিলোৱা, ব্যৱসায়, কৃষিপামত এশ এটা কাম। উদ্দেশ্য হ'ল, স্বাৱলম্বী হোৱাৰ গৌৰৱ, লগতে ব্যক্তিত্বৰ বিকাশ আৰু প্ৰকাশত অভিভাৱকৰ প্ৰভাৱৰ পৰা মুক্ত হোৱা। খৰচৰ বোজা মাক-বাপেকে বহন কৰাটো ইয়াৰ ছাত্র-ছাত্রীয়ে অসম্মান আৰু অপমানজনক কথা বুলি গণ্য কৰে। সমবায় পদ্ধতিত ছাত্র-ছাত্রীয়ে ধন ঘটাৰ ব্যৱস্থাও কৰিছে; দুই-চাৰিজন ছাত্র-ছাত্রীয়ে এই পদ্ধতি অনুসৰি সময়-সুবিধা বুজি পাল পাতি কোনোৱে পঢ়ে বা শ্ৰেণীত উপস্থিত থাকে আৰু কোনোৱে উপাৰ্জনৰ কাম কৰে। তদুপৰি চৰকাৰ, বিশ্ববিদ্যালয় আৰু ব্যৱসায় প্ৰতিষ্ঠানৰ তৰফৰ পৰা ছাত্র-ছাত্রীক বৃত্তি দি সহায় কৰে। তাৰ বিনিময়ত তেওঁলোকে অনুষ্ঠানত খাটি দিব লাগে। তদুপৰি বেঙ্কবোৰেও উদাৰভাৱে ঋণ সাহায্য আগবঢ়ায়। ছাত্র-ছাত্রীৰ আৰ্জনৰ পথ ওলালে সেই ঋণ পৰিশোধ কৰে।

যুক্তৰাষ্ট্ৰত চাকৰি পোৱা টান নহয় আৰু যথেষ্ট পৰিমাণৰ ধন উপাৰ্জন কৰাৰ পথো আছে। বিশেষ প্ৰশিক্ষণ প্ৰাপ্ত যুবকে যুক্তৰাষ্ট্ৰত যি সা-সুবিধা নাইবা পাৰিশ্ৰমিক পায়, তাৰ এটাও ভাৰতত নাই; বহুত সময়ত সা-সঁজুলিৰ অভাৱত বিশেষ প্ৰশিক্ষণো অকামিলা হয়। দুই একে স্বদেশলৈ উভতি আহি পৰিবেশৰ লগত খাপ খুৱাবৰ বাবে সংগ্ৰাম চলায়। ভাৰতৰ কথা বাদেই, পাশ্চাত্য দেশৰ যুবক চামেও যুক্তৰাষ্ট্ৰৰ প্ৰলোভনত স্বদেশ ত্যাগ কৰিবলৈ ধৰিছে; ইয়েই হ'ল ব্ৰেইন্ ড্ৰেইন (Brain Drain)।

ইয়াত দেখিলোঁ, কামত সৰু-বৰ নাই। কৰ্ম্মই ধৰ্ম্ম এই দেশৰ এয়েই যেন মহৎ বাণী। কৰ্ত্তব্যৰ প্ৰতি থকা গভীৰ নিষ্ঠা আৰু

অনুৰাগ দেখি অভিভূত হৈছো। ইয়েই আমেৰিকা-সমাজৰ প্ৰাচুৰ্য্য আৰু খ্যাতিৰ মূল কাৰণ।

আমেৰিকাত পুত্ৰ সন্তান আৰু কন্যা সন্তানক সমান চকুৰে চোৱা হয়। আমাৰ দেশত নিচেই সকবে পৰা ছোৱালীজনীক ল'ৰা-টোতকৈ গুৰুত্ব দিয়াৰ ফলত ছোৱালীজনীয়ে নিজস্ব সত্তা হেৰুৱাই পেলায়। পিন্ধন-উৰণটো এওঁলোক বৰ টিপ-টপ নহয়; চুটি পেণ্ট বা স্কাৰ্ট, জিনৰ ৰং যোৱা পেণ্ট, ওপৰত ঢিলা চাৰ্ট, আউল-বাউল একোচা সোণালী চুলি, প্ৰসাধনবিহীন মুখমণ্ডল, এয়াই বৰ্ত্তমানৰ ফেশ্যন। দোকানবোৰতো আজিকালি মিহি, কোমল কাৰ্ডিগেনৰ ঠাইত গধুৰ, মোটা, পেধেপা হলো চুৱেটাৰহে পোৱা যায়। বৰ্ত্তমান ইয়াত এই ফেশ্যনেই চলিছে।

—+—

মনোমোহা কাৰমেল

ৱাশ্বিংটনৰ পৰা কাৰমেল

আমেৰিকা যুক্তৰাষ্ট্ৰত ৰেলভ্ৰমণ বৰ আৰামদায়ক আৰু চমকপ্ৰদ। ৰেলভ্ৰমণৰ অভিজ্ঞতা আহৰণ কৰো বুলি ৱাশ্বিংটনৰ পৰা নিউইয়ৰ্কলৈ ৰেলেৰে যোৱাটোকে ঠিক কৰিলোঁ, মামুনো আমাৰ সৈতে যাবলৈ ওলাইছে। তেওঁ আমাক নিউইয়ৰ্কৰ পৰা ৫৫ মাইল আঁতৰৰ কাৰমেলত থৈ উভতি আহিব। তেওঁ ক'লে, "নিউইয়ৰ্কৰ নিচিনা ঠাইখনত খুৰাইঁতক অকলে যাব দিব নোৱাৰি।" লগে ভাগে আহিবলৈ পাই আমি ভালেই পালোঁ। এই দেশৰ পশ্চিম-উপকূলৰ ঠাইবোৰতকৈ পূৱ উপকূলৰ ঠাইবোৰত হেনো বেছি অপৰাধমূলক ঘটনা সংঘটিত হয়। ড্ৰাগচ্ আদি খাবলৈ ব্লেক যুবক মানুহক পইচা-পাতি খোজা, জোৰ-জুলুম কৰা, হত্যাকাণ্ড, ধৰ্ষণ, ডকাইতি, চুৰিমৰা আদি বহুতো ভয়াবহ ঘটনা কাগজে পত্ৰই প্ৰায় সদায়েই পঢ়িবলৈ পোৱা যায়।

২০ চেপ্টেম্বৰ, বুধবাৰে ৰাতিপুৱা শুই উঠি গা-পা ধুই বস্ত্ৰ-বাহানি বান্ধি আমি সাজু হৈ আছোঁ। মামুনে আগদিনা কৈ থোৱা মতে ৰাতিপুৱা চাৰে ন বজাত আমাৰ হোটেললৈ আহিল। দহ বজাত হোটেল এৰি টেক্সি এখনেৰে ৰেল ষ্টেচনলৈ আহিলো। স্বকীয় গাম্ভীৰ্য্যতাৰে, আভিজাত্যপূৰ্ণ, গ্ৰীক ভাস্কৰ্য্য আৰু স্থাপত্যৰ আৰ্হিত নিৰ্মিত ৱাশ্বিংটন ডি, চিৰ ৰেল ষ্টেচনটোৰ নাম "ইউনিয়ন ষ্টেচন"। বাহিৰত শ্বেত বৰণৰ সুন্দৰ কাৰুকাৰ্য্য; সুশোভিত চালে চকুৰোৱা এটি অট্টালিকা, ৰেল ষ্টেচন বুলি ধাৰণাই নহয়।

আমি এখন ঠাইৰ পৰা আন এখন ঠাইলৈ যাওঁতে যাকচ-পত্ৰ লগত লৈ গৈছো। ইয়াত আমাৰ দেশৰ দৰে ষ্টেচন বা আন ঠাইত বস্তু কঢ়িয়াবলৈ প'টাৰ বা মুটিয়া পোৱা নাযায়, নিজেই সকলো বস্তু কঢ়িয়াব লাগে। আমি অসমৰ পৰা আহোঁতে মজলীয়া আকাৰৰ দুটা ভি, আই, পি চুটকেচহে লগত আনিছিলো। কাপোৰ-কানিও যিমান পাৰোঁ কমকৈ নিছিলো। চুটকেচ দুটা বিমানত "বুক" কৰিয়েই দিয়া হয়, ঔষধ-পাতি আৰু এসাজকৈ কাপোৰ ভৰাই লবলৈ কলিকতাত দুটা সৰু বেগ কিনি লৈছিলো। এষোৰজত আৰু এটা চামৰাৰ চুটকেচ লগ হৈ মুঠতে তিনিটা চুটকেচ হ'ল। ইয়ালৈ আহি বুজিলোঁ। ভি, আই, পি চুটকেচ দুটা আনি আমি বৰ ভুল কৰিছো; কাৰণ এনেধৰণৰ চুটকেচবোৰ এনেয়েই বৰ গধুৰ, তাতে কাপোৰ কানি সুমুৱালে আৰু বেছি গধুৰ হৈ লৈ ফুৰাবলৈ যথেষ্ট অসুবিধা হয়। মানুহে বহুত কষ্ট কৰি আমাৰ গধুৰ চুটকেচ দুটা কঢ়িয়াই নি ৰেলত তুলি দিয়াত যথেষ্ট সহায় হ'ল। ইয়াত দেখিছো মানুহবোৰে পাতল সৰু বেগ এটা লৈ ভ্ৰমণ কৰে। বিমানৰ পৰা উঠা নমা কৰোঁতেও লক্ষ্য কৰিছোঁ, কিছুমান মানুহে সৰু "ফ'ল্ডিং লাগেজ কেৰিয়াৰ" এখোখন নিজাকৈ লগত লৈ ফুৰে। লগত সৰু দুট চুটকেচ এটা আনিলেও বিমানৰ পৰা লাউঞ্জলৈ নামি আহোঁতে বা লাউঞ্জৰ পৰা বিমানত উঠোতে নিজৰ "লাগেজ কেৰিয়াৰত" চুটকেচটো উঠাই ঠেলি লৈ যায়; আমাৰ দৰে কেকোঁ-জেঁকোকৈ কঢ়িয়াই ফুৰা মানুহ ইয়াত দেখা নাই। চকা লগোৱা পাতল চুটকেচ বিদেশ ভ্ৰমণত যে কিমান লাগতিয়াল এতিয়াহে বুজিছো। ইয়াৰ সকলো বস্তুৱেই ডাঙৰ আৰু আহল-বহল। আলিবাট, দোকান, পাৰ্কিং প্লেচ, বিমান বন্দৰ, ৰেল ষ্টেচন আদি ইমান ডাঙৰ ডাঙৰ যে ইফালৰ পৰা সিফাললৈ অহা-যোৱা কৰোতেও বেচ সময় লাগে। ইয়াৰ বিমান বন্দৰেই হওঁক বা ৰেল ষ্টেচনেই হওঁক মজিয়াবোৰ চিকুচিকিয়া মিহি বাবে চকা লগোৱা পাতল চুটকেচবোৰ ঠেলি নিবলৈ যথেষ্ট সুচল হয়।

তিনিয় এখাব বজাত আজি যাবলগীয়া বেলখন যোৱাৰ সময় । ইয়াত বেল, বিমান, বাছ আদি ঠিক সময়ত ঘড়ীৰ কাঁটাই কাঁটাই চলে ; সময়ৰ হেৰফেৰ নাই । দুয়াৰ বিলাকো আপোনা-আপুনি বন্ধ হয় আৰু খোল খায় । আমি বেলৰ "ন' স্মকিং" ডবাত বহিলো । বেলত চিগাৰেট খোৱা আৰু নোখোৱা মানুহৰ বাবে সুকীয়া ব্যৱস্থা থাকে । ইয়াত নিয়ম মানি নিয়মেই, ব্যতিক্রম নহয় । নিয়ম উলঙ্ঘা কৰোঁতাজনক দোষী সাব্যস্ত কৰি শকত জৰিমনা আদায় কৰা হয় । ডবাৰ ভিতৰত দুয়োফালে দুখন দুখনকৈ সুকোমল আসন, মাজেদি অহা-যোৱা কৰা বাট । এই আসনবোৰ বিমানৰ আসনৰ দৰে আৰাম-দায়ক আৰু নিজ ইচ্ছাবে সুইচ্ টিপি হেলনীয়াকৈও ল'ব পাৰি । প্রত্যেকখন আসনৰ সমুখত জপাই থব পৰা সৰু মেজ, ওপৰৰ ফালে চুটকেচ, বেগ আদি যাৱতীয় বস্তু থোৱাৰ ব্যৱস্থা আছে । চাহ-চৰবৎ খাই কাগজৰ কাপ-প্লেটবোৰ পেলাবলৈ প্রত্যেক আসনৰ লগতে একোখন মোনা আছে । সুকোমল সুন্দৰ কাৰ্পেটপৰা পৰিস্কাৰ মজিয়া আৰু খিড়িকীত ধুনীয়া পৰ্দ্দাৰে সৈতে শীত-তাপ নিয়ন্ত্রিত বেলৰ ভিতৰখন দেখি মনটো পুলকিত হৈ পৰিল । বেলৰ ভিতৰখন বিমানৰ দৰেই সুন্দৰ, কেৱল পৰিচাৰিকা বা হোষ্টেচহে" নাই । "ইনাৰ ষ্টেট্" এই বেলখন যাব ৱাশ্বিংটনৰ পৰা নিউইয়র্কলৈ, দূৰত্ব ২৫০ মাইল । লোকেল ট্রেইনৰ তুলনাত "ইনাৰ ষ্টেট" বেলখন বেছি সা-সুবিধা থকা । বিমানৰ দৰেই এই বেল-ভ্রমণ যথেষ্ট ব্যয়বহুল বাবে প্রায় ভাগ মানুহে বিমানত নাইবা নিজৰ গাড়ীতেই অহা যোৱা কৰে , সময়ো বাহি হয় । বেলখনে যাত্রা আৰম্ভ কৰিলে ঠিক এঘাৰ বজাত । তীব্রবেগী বৈদ্যুতিক বেল-গাড়ী । দুৰন্ত গতিত যোৱা বেলখনে আধাঘণ্টাৰ পিচত বাল্টিমোৰ ষ্টেচন পালেহি । আমেৰিকাৰ পশ্চিম উপকূলতকৈ পুব উপকূলৰ ৰাজ্যবোৰ তুলনামূলক হিচাবে সৰু বাবে এখনৰ পিচত আনখন ৰাজ্য সোনকালে পোৱা যায় । বেলখনত যাত্রীৰ সংখ্যাও বৰ কম, আমি অহা ডবাটোৰ প্রায়বোৰ আসনেই খালি হৈ আছে । ষ্টেচনবোৰত বেলখন মাত্র দুই মিনিট সময় ৰয় । বেলখন ষ্টেচনত ৰোৱাৰ লগে

লগে আমাৰ দেশৰ দৰে "চাহ গৰম, গৰম চাহ", "পান-বিড়ি চিগাৰেট", এইধৰণৰ চিঞঁৰৰ ঐক্যতান কৰি ফেৰিৱালাই খিড়িকীৰ মুখে মুখে আহি কোলাহল কৰা পৰিৱেশ ইয়াত নাই। ষ্টেচনত কম সংখ্যক মানুহে উঠা-নমা কৰে; কোনো হাই-উৰুমি নাই। ইয়াৰ ৰেল-ভ্ৰমণত আৰাম আছে কিন্তু আমাৰ দেশৰ ৰেল ভ্ৰমণৰ দৰে বৈচিত্ৰ্য নাই। ৰাতিপুৱা শুই উঠি লৰালৰিকৈ আহিব লগীয়া হোৱাত চাহ কাপ খাবলৈ নহ'ল। ৰেলতে চাহ আৰু কেক কিনি খালোঁ। ৰেল আলিৰ দুয়োকাষে আমাৰ দেশৰ চিৰপৰিচিত দৃশ্য, বিস্তীৰ্ণ প্ৰান্তৰ জুৰি থকা শস্য-শ্যামলা খেতি-পথাৰ, ৰেল চাবলৈ লৰি লৰি অহা নাঙঠ শিশুৰ হাত বাউলিৰ সলনি দেখিলোঁ, গছ গছনিৰ মাজে মাজে ভেটি নোহোৱা সৰু সৰু ঘৰবোৰ। ঠায়ে ঠায়ে দেখিলোঁ শ শ গাড়ী একেলগে দ'ম হৈ থকা; এইবোৰ বিক্ৰিৰ বাবে ৰখা পুৰণি গাড়ী। শিল্প প্ৰধান অঞ্চলৰ মাজেদি ৰেলখন আগুৱাই গৈ আছে; বগা, ঈষৎ হালধীয়া, মাখন ৰঙৰ, ইটা ৰঙৰ মৰম লগা ঘৰবোৰ; কজলা, ৰঙা, বগা, মুগা ৰৰণীয়া ঘৰৰ ছালবোৰ গছ-গছনিৰ মাজত ছবিৰ দৰে লাগিছে। মাজে মাজে চকুত পৰে বিস্তীৰ্ণ অঞ্চল বিয়পি থকা সমাধিস্থান। তিনিটামান ষ্টেচন পাৰ হৈ অহাৰ পিচত আকাশ মেঘাচ্ছন্ন হৈ বৰষুণ দিবলৈ আৰম্ভ ক'ৰিলে। মামুনে মোৰ স্বামীৰ সৈতে বিগত দিনৰ কথা-বতৰা পতাত ব্যস্ত। কথাত ভাগ লৈ মাজে সময়ে দৃষ্টি নিক্ষেপ কৰিছোঁ বাহিৰৰ নতুন পৰিবেশলৈ। আবেলি তিনি বজাত ব্যস্ততাপূৰ্ণ "নিউইয়ৰ্ক পেন্ ষ্টেচন" পালোঁহি। ভূগৰ্ভস্থ ৰেল ষ্টেচনত আমি নামিলো। নিউইয়ৰ্কত মাটিৰ তলেদিও ৰেল চলাচল কৰে। তেতিয়া কেইবাটাও চলন্ত-চিৰি বন্ধ হৈ আছিল বাবে আ'মি তিনিটা ডাঙৰ ডাঙৰ খট্‌খটি খোজকাঢ়ি চুটকেচ, বেগ হাতত লৈ ওপৰলৈ উঠি বাহিৰ পাইলোঁহি। বাহিৰত তেতিয়া কলহৰ কাণে-ঢলা বৰষুণ, হেজাৰ-বিজাৰ মানুহৰ ব্যস্ততাৰ অন্ত নাই। বস্তুয়ে বাহানিয়ে টেক্সিৰ বাবে বহুতো মানুহে অপেক্ষা কৰি আছে। টেক্সি আহিছে আৰু গৈছে; পুলিচে মানুহক সহায় কৰি দিছে। আধা ঘণ্টা অপেক্ষা

ৰুণাৰ পিচত এখন টেক্সি পালোঁ। আৰু তাতে উঠি আগবাঢ়িছো। নিউইয়র্ক মহানগৰীৰ মাজেৰে ; দেখিলোঁ। শাৰী শাৰী গগণচুম্বী অট্টালিকা ; এনেকৈ গৈ ওচৰতে থকা "নিউইয়র্ক মেট্ৰো নৰ্থ" ৰেল ষ্টেচনলৈ আহিলো। ইয়াৰ পৰা "লোকেল ট্ৰেইনেৰে" নিউইয়র্কৰ পৰা ৫৫ মাইল নিলগৰ কাৰমেললৈ আবেলি তিনি বজাত যাত্ৰা কৰিলোঁ। প্ৰায়-দহ মিনিট সময় ৰেলখন মাটিৰ তলেৰে গৈছে, ক্ৰমে ওখ-চাপৰ, নিৰ্জন পাহাৰী ঠাই আৰম্ভ হৈছে। কাৰমেলৰ "ব্ৰিউষ্টাৰ" ষ্টেচনত ৰেলখন খুব কম সময় ৰব বাবে আমি বয়-বস্তুৰে সৈতে নামিবলৈ সাজু হৈ আছিলো। আবেলি চাৰে-চাৰি বজাত নিৰ্দ্দিষ্ট ষ্টেচন পালোঁহি। তেতিয়াও কিনকিনিয়া বৰষুণ দি আছে।

ষ্টেচনটো সৰু ; কোঠাৰ ভিতৰত বহোঁ বুলি ভাবি দেখোঁ যে জিৰণি কোঠাতো বন্ধ কৰি ষ্টেচন মাষ্টৰজন গুছি গৈছে। বাহিৰৰ বাৰান্দাতে থিয় হৈ অপেক্ষা কৰিলো। ইয়াত ঠাণ্ডা পৰা নাই। আলাস্কাৰ পৰা আহোঁতে নিউইয়র্কৰ ফালে জাৰ পাম বুলি দিপালীয়ে আমাক মোটা উলৰ গৰম চুৱেটাৰ দি পঠাইছিল। চিলঙৰ নিচিনা অলপ ওখ চাপৰ পাহাৰীয়া ঠাই ; মানুহৰ বসতি সেৰেঙা। দহ মিনিট পিচত ৰুণাই আমাক নিবলৈ গাড়ী লৈ আহি পালেহি। ৰুণা (নিৰোজ চৌধুৰী) উত্তৰ গুৱাহাটীৰ জীয়ৰী, ছয়গাওঁৰ ডাক্তৰ অশ্বিনী চৌধুৰীৰ পত্নী। সভা এখনত ব্যস্ত থাকিবলগীয়া হোৱাত ডঃ চৌধুৰী আহিব নোৱাৰিলে। গাড়ীৰ পৰা নামিয়েই আমাৰ কুশল-বাৰ্ত্তা সুধি পেণ্ট চাৰ্ট পৰিহিতা ৰুণাই ক্ষিপ্ৰতাৰে আমাৰ চুটকেচ কেইটা দাঙি গাড়ীত তুলিব ধৰোতেই আমি বাধা দি ধৰাধৰিকৈ গাড়ীত তুলি দিলো। দহ মিনিট পিচতে কাৰমেলত বসতি কৰা ডঃ চৌধুৰীৰ বাসভবন পালোঁহি। ৰুণাৰ ভনীয়েক কনৌজ দত্ত হাজৰিকাই (ৰাণা) তেওঁলোকৰ তাতে আমাৰ বাবে অপেক্ষা কৰি আছিল। ৰাণাৰ স্বামী তেজপুৰৰ অজয় দত্ত হাজৰিকাই সেই থিনি সময়ত আন এখন ঠাইত কাম কৰি আছিল। তেওঁ ল'ৰা ছুটিৰে সৈতে এওঁলোকৰ ঘৰৰ প্ৰায় কাষতেই থাকে। সেইদিনা ৰাতি আমি সকলোৱে একেলগে বহি

বহুত পৰলৈ কথা বতৰা পাতিলোঁ। একেখন ঠাইৰে মানুহখিনি বিদেশত গোটা-খোৱা আনন্দই পৰিবেশটো মধুৰ কৰি তুলিছে।

পিচদিনা ৰাতিপুৱা ন বজাত সাৰ পাই খিড়িকীৰে বাহিৰলৈ চাই দেখিলোঁ, ওখ-চাপৰ ঠাইত আহল-বহল চৌহদেৰে আঁতৰে আঁতৰে থকা ঘৰবোৰ, চাৰিওফালে সেউজী ঘাঁহনিৰ কোমল শোভা। পাইন, উইপিং-উইলো জাতীয় গছ-গছনিৰ মনোৰম শোভাৰে এয়া নিৰিবিলি কাৰমেল। ঠাইখন ভাৰতৰ ডেৰাডুনৰ নিচিনা লাগিল। পাতল বসতিৰ স্বাস্থ্যকৰ পাহাৰীয়া ঠাই। চহৰখন সৰু যদিও সকলো সুবিধা বিদ্যমান।

ৰাতিপুৱাই মামুন ৱাশ্বিংটনলৈ যাবলৈ ওলাল। চাহৰ টেবুলত আমি আটায়ে একেলগে বহি তেওঁৰ সৈতে শেষবাৰৰ বাবে ইটো-সিটো কথা পাতিলোঁ। তেওঁ যাবলৈ ওলোৱাত মনটো বেয়া লাগিল। মনতে ভাবিছোঁ, আকৌ কেতিয়াবা জানো তেওঁৰ সৈতে আমাৰ দেখা-দেখি হ'ব? তেওঁ বহুতো কষ্ট কৰি আমাক ফুৰালে, বিলাসী হোটেলত ৰাখিলে; এই সহযোগিতা আৰু বদান্যতাৰ বাবে অশেষ ধন্যবাদ জনাই মধুৰ অন্তৰেৰে তেওঁক বিদায় দিলোঁ। ৰাণাই গাড়ীৰে নি মামুনক ৰেল ষ্টেচনত নমাই থৈ আহিল। আমি ইয়াৰ পৰা ২৫ তাৰিখে অহাইঅ' ৰাজ্যৰ ৰাজধানী কলম্বাচলৈ যোৱাটো ঠিক কৰিছোঁ। গতিকে বিমানৰ টিকট এতিয়াই কৰি থোৱা ভাল। ৰুণাৰ সৈতে গ'লো "এয়াৰ লাইনচ্" অফিচলৈ, গাড়ীৰে চহৰখন অলপ ফুৰিও আহিলোঁ। ইয়াৰ মানুহে পুৰণি বস্তু, ঘৰ-দুৱাৰ, গছ-গছনি সুন্দৰকৈ সংৰক্ষণ কৰি ৰাখে। হ্ৰদৰ পাৰত দুশ বছৰীয়া পুৰণি সৰু কোর্ট হাউচটো চালে-চকুৰোৱাকৈ জিলিকি আছে। সেইটো ভাঙি তাৰ ঠাইত নতুনকৈ ডাঙৰ ভবন নিৰ্মাণ কৰাৰ যেতিয়া পৰিকল্পনা কৰা হ'ল তেতিয়া তাৰ বাসিন্দাসকলে আপত্তি দৰ্শাই ঘৰটো ভাঙিব নিদিলে। মানুহবোৰ বৰ ঐতিহ্য আৰু সৌন্দৰ্য্য সচেতন। তেওঁলোকে নিজৰ ঘৰখন, ঘৰৰ বাহিৰখন পৰিস্কাৰ-পৰিচ্ছন্নকৈ ৰাখে। কেৱল নিজৰ ঘৰখন পৰিস্কাৰ-পৰিচ্ছন্নকৈ ৰাখিলেই নহ'ব, বাট-পথ,

চুবুৰীয়াৰ ঘৰৰ আগফাল আৰু পিচফালৰ ঘাঁহনি-ডৰাওঁ কাটি দেখিবলৈ সুন্দৰকৈ ৰাখিব লাগিব। কাৰোবাৰ লনৰ ঘাঁহ দীঘলহৈ দেখবলৈ অশুৱনি হলে ওচৰ-চুবুৰীয়াই অভিযোগ তুলি পুলিচত গোচৰ দিব পাৰে; এই ক্ষেত্ৰত শকত জৰিমনা ভৰিব লাগে। য'তে ত'তে জাবৰ পেলালেও জৰিমনা ভৰিব লাগে। আমাৰ দেশৰ গুৱাহাটীৰ দৰে তথাকথিত মহানগৰবোৰৰ দুৰাৱস্থাৰ কথা ভাবিলে দুখ লাগে। ইয়াৰ বাবে কৰ্ত্তৃপক্ষৰ লগতে মহানগৰ বাসীসকলৰ উদাসীনতা আৰু অসহযোগিতাও সমানে জগৰীয়া। ইয়াত কোনো এক অঞ্চলত ঘৰ সজাৰ আগতে বাট-পথ, নলা-নৰ্দ্দমাৰ সু-ব্যৱস্থা আগতে কৰি লোৱা নিয়ম। আমাৰ দেশত আকৌ ইয়াৰ ঠিক ওলোটাটোহে হয়। পৰিকল্পনা নকৰাকৈ ঘৰবোৰ জধে-মধে য'তে-ত'তে সজাৰ ফলত বৰষুণ এজাক আহিলেই নানান বিলাই বিপত্তিৰ সন্মূখীন হ'ব লগাত পৰে। বাট-পথবোৰো বহুত দিন পিচতহে ভাল কৰা হয়।

চহৰৰ মাজে মাজে থকা স্বচ্ছ নীলা পানীৰ প্ৰাকৃতিক হ্ৰদবোৰৰ কাষে কাষে আছে নিমজকৈ কাটি থোৱা কোমল, সজীৱ, সেউজী পৰিস্কাৰ ঘাঁহনি। আবেলি হ্ৰদৰ পাৰলৈ ফুৰিবলৈ ওলাই গ'লো। শীতৰ শুকুলা বৰফে আবৰি থকা সেমেকা দিনবোৰৰ অন্তত এয়া শৰৎ কালৰ শুকান বাট পথেৰে যেতিয়া কামেলাৰ ফৰকাল আবেলি। আবেলিৰ সোণালী ৰ'দজাক নিৰৰ পাহাৰ, পাইন বননি, হ্ৰদৰ নীলা পানী আৰু কোমল ঘাঁহে-বনে বিয়পি পৰিছে। হ্ৰদৰ নীলা জলৰাশিত শৰৎকালৰ নিৰ্ম্মল আৰু শান্ত আকাশৰ প্ৰতিবিম্ব দেখিবলৈ পালোঁ। পানীত ইফালে সিফালে যোৰ পাতি চৰি ফুৰিছে কিছুমান শুকুলা ৰাজহাঁহ। হ্ৰদৰ পাৰত বহি চাই থাকিবলৈ কি যে মোহনীয় পৰিবেশ। William Butler Yeats ৰ "The wild Swans at Coole" নামৰ কবিতাৰ কথা কেইফাঁকি মোৰ চকুত জীৱন্ত হৈ ধৰা দিছেহি। 'কুলি" নামৰ হ্ৰদৰ পাৰৰ সেই ৰাজহাহঁ কেইটা যেন চকুৰ আগত দেখিবলৈ পালোঁ।

"The trees are in their autumn beauty,
The woodland paths are dry,
Under the October twilight the water
Mirrors a still sky ;
Upon the brimming water among the stones
Are nine-and fifty swans."

হ্ৰদৰ অপৰূপ ৰূপ লাবণ্য দেখি ভাবিছোঁ প্ৰকৃতি সুন্দৰ, পৃথিবী কবিতাময় :

কাৰমেলৰ হ্ৰদবিলাকত প্ৰচুৰ মাছ আছে। ইয়াৰ বাসিন্দাসকলে অনুমতি পত্ৰ লৈ মাছ মাৰিব পাৰে। দাঁতি কাষৰীয়া হাবিত হৰিণা পহুও যথেষ্ট আছে। চেপ্তেম্বৰ-অক্টোবৰ মাহতহে মানুহে পহু চিকাৰ কৰিবলৈ অনুমতি পায়। কিন্তু মানুহ বসতি কৰা অঞ্চলত পহু মৰা নিষেধ। সেই সময়ত হাবিৰ পৰা পহুবোৰ আহি মানুহৰ ঘৰৰ কাষে-কাষে, চহৰৰ বাটে-পথে ঘূৰি ফুৰে। শীতকালত ইয়াৰ বাট-পথ, গছ-গছনি, ঘৰৰ চাল, হ্ৰদৰ পানী, চহৰৰ কেওদিশ বৰফময় হৈ এক অনন্য শোভাৰে জিলিকি উঠে। হ্ৰদৰ পানীবোৰ গোটমাৰি বৰফ হয়। ফেব্ৰুৱাৰী মাহতেই ইয়াত বছৰটোৰ ভিতৰত বেছি শীত পৰে। পথত দুফুট পৰ্য্যন্ত বৰফ জমা হয়। তেতিয়া গাড়ীৰে নিমখ চটিয়াই বাটৰ ওপৰৰ বৰফবোৰ গলোৱা হয়। সেই সময়ত মানুহে গাড়ী চলাওঁতে পিচলি নপৰিবৰ বাবে গাড়ীৰ চকা সলনি কৰি বৰফত চলাব পৰা ডাঙৰ ডাঙৰ চকা লগায়। বহুতে এনে সময়ত ডাঙৰ গাড়ীও ব্যৱহাৰ কৰে।

আলাস্কা, টেক্সাচ, এৰিজোনা আদি ৰাজ্যৰ পৰা আমাৰ আত্মীয় ছোৱালীহঁতে টেলিফোনেৰে আমাৰ খা-খবৰ লৈ আছে। ইয়াত টেলি-ফোনৰ যোগেদিয়েই অতি সহজে দূৰ-দূৰণিৰ মানুহৰ সৈতে কথা-বতৰা পাতে। দূৰণিবটীয়া ঠাইলৈ যাওঁ বুলিও যাব নোৱাৰি ; গতিকে ফোনতেই অসমীয়া মানুহ কেইঘৰে কথা-বতৰা হয়। কোনোবাই আকৌ ইজনে সিজনৰ লগত ফোনতেই চিনাকী হৈ প্ৰায় দহ বাৰ বছৰ

কথ-বতৰা হৈ ঘনিষ্ঠ বন্ধু বা বান্ধবী হৈ পৰিছে, অথচ তেওঁলোকে ইজনে সিজনক দেখাই নাই। টেলিফোন আৰু গাড়ী এই দুয়োটাই যেন এওঁলোকৰ জীৱনৰ স্পন্দন। এই দুয়োটা ক্ষন্তেকৰ বাবে নোহোৱা হলেই এওঁলোকৰ জীৱন অচল হৈ পৰে। ইয়াত দেখিছোঁ প্ৰতিবেশীৰ লগত কথা হৈছে ফোনত; দূৰদূৰণিৰ কোনোবাজনৰ সৈতে অতি সহজতে "ডায়েল" ঘূৰাই কথা পাতিছে ফোনত। আজিকালি নতুনকৈ এবিধ টেলিফোন ওলাইছে, যাৰ সহায়ত ৰিচিভাৰ লৈ গৈ বিমানৰ পৰাও আন মানুহৰ সৈতে কথা পাতিব পাৰি।

২৩ চেপ্তেম্বৰ, বুধবাৰে ৰাতিপুৱাৰে পৰা ফেৰ্‌ফেৰীয়া বতাহ মাৰি আছে। টি, ভিৰ বতৰৰ আগলি-বতৰাত কৈছে, আজি হেনো ভয়ানক বতাহ-ধুমুহা হ'ব। ইয়াত এইদৰে বতৰৰ বাতৰি দিলে মানুহে লৰালৰিকৈ বজাৰ-সমাৰ থিনি কৰি লয়। ৰুণাইও তভাতৈয়াকৈ গাড়ীখন লৈ গ্ৰোচাৰিৰ পৰা লাগতিয়াল বস্তু কিনি আনিলেগৈ। ইয়াত দেখিছোঁ, মানুহে টি, ভিৰ যোগে প্ৰচাৰিত বতৰৰ আগলি-বতৰাত যথেষ্ট গুৰুত্ব দিয়ে আৰু সেই মতে কাম কৰে। আমি আজি ৰুণাহঁতৰ লগত নিউইয়ৰ্কলৈ যোৱাৰ কথা ভাবিছিলোঁ যদিও বতৰৰ বাবে যাব নোৱাৰিলোঁ। মনটো সেমেকি গ'ল। সপ্তাহান্তত (Weekend) যাব নোৱাৰিলে নিউইয়ৰ্কলৈ আৰু আমাৰ যোৱা নহ'ব। কিন্তু যেনেদৰে ভয় কৰিছিলোঁ তেনেদৰে ধুমুহা নাহিল। বতাহ-বৰষুণ অৱশ্যে হ'ল। ধুমুহা আন ফালেদি গতি কৰি বিস্তৰ ক্ষতি কৰা বুলি গম পালোঁ। আজি হঠাতে শীত পৰিছে।

বৰষুণ দি আছে যদিও এওঁলোক আটায়ে দিহাদিহি কামে-কামে ওলাই গৈছে। এনেতে টেলিফোনটো বাজি উঠিল; মই ফোন ধৰিলোঁ। সিফালৰ পৰা অসমীয়াতে সুধিলে, "ৰুণা নাই নেকি"? "আপুনি কোনে কৈছে"? মই উত্তৰত ক'লোঁ, "ৰুণা আৰু পৰিয়ালৰ আন মানুহবোৰো ঘৰত নাই; মই এওঁলোকৰ আলহীহে"। সিফালৰ পৰা আগ্ৰহেৰে নানা কথা সুধিলে, "আপোনাৰ পৰিচয়, কেতিয়া আহিল, আমাৰ ইয়ালৈকো এবাৰ আহক" ইত্যাদি। তেওঁ কাৰমেলাৰ

পৰা প্ৰায় এশ মাইল আঁতৰৰ নিউজাৰ্চিৰ পৰা কৈছে ; গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক ড° জ্যোতি মেধীৰ কন্যা মুনমুন্। মুনমুনে ক'লে বিদেশত এইদৰে অসমীয়া মাত-কথা শুনিলে কিমান যে ভাল লাগে বুজাব নোৱাৰি। তেওঁৰ দেউতাকো হেনো অলপতে আমেৰিকালৈ আহি তেওঁলোকৰ লগত আছেহি। তেওঁৰ মুখৰ পৰা আমি অসমৰ পৰা যোৱা বুলি গম পাই আন এগৰাকীয়ে নিউজাৰ্চিৰ পৰা ফোন কৰি আমাক তেওঁলোকৰ তালৈ নিমন্ত্ৰণ কৰিছিল। তেওঁ গুৱাহাটীৰ আমাৰ ঘৰৰ কাষৰ জীয়ৰী। ইয়াত থকা প্ৰায় পচিশ বছৰেই হ'ল। আমাৰ ভ্ৰমণৰ আঁচনি ইতিমধ্যে হৈ গৈছে। পচিশ তাৰিখে আমি কলম্বাচলৈ যাব লাগিব, তাৰ পৰা হিউষ্টন্। টিকট হৈ আছে গতিকে তেওঁলোকৰ ফালে পাক এটা মাৰিব নোৱাৰিম। কণাইঁতেও আমাক আৰু কেইদিনমান ইয়াত থকাৰ কথা কৈছিল। নিউজাৰ্চিলৈ গ'লে বহুতো চিনাকী অসমীয়া মানুহ লগ পালোহেঁতেন। দিনে দিনে আমেৰিকাত অসমীয়া ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বাঢ়ি গৈ আছে ; কিন্তু ভাৰতৰ আন ৰাজ্যৰ তুলনাত এই সংখ্যা নিচেই তাকৰ। ইয়াত ভাৰতৰ আন আন ৰাজ্যৰ মানুহ যথেষ্ট আছে। তেওঁলোকৰ এটা পৰিয়ালৰ এজন অহাৰ পিচত ককাই, ভাই, বাই, ভনী, আত্মীয়-স্বজনবোৰ এজন এজনকৈ আহি থাকে। বহুতৰে পৰিয়ালৰ গোটেইবোৰেই আহি ইয়াত বস-বাস কৰিছেহি, পঢ়া-শুনা কৰি চাকৰি বা সংস্থাপনৰ সুবিধা কৰি লৈছে, ইয়াত সা-সুবিধাও পাইছে। আমেৰিকাবাসী অসমীয়াৰ অধিকাংশই নিউইয়ৰ্ক অঞ্চলত বাস কৰে। উত্তৰ আমেৰিকা আৰু কানাডাত প্ৰায় ২২০ ঘৰ অসমীয়া পৰিয়াল আছে ; ইয়াৰ ওপৰিও আছে অবিবাহিত যুৱক-যুৱতী, ছাত্ৰ-ছাত্ৰী।

আবেলি ঘৰৰ পিচফালৰ 'ডেকত' বহি কথা-বতৰা পাতিলো, ফটো তুলিলো। আল্পাই কি-বৰ্ত্তত গীতৰ সুৰ বজাই শুনালে। খটখটিৰ কাষতে আছে এডৰা লহপহীয়া শাক, চিনাকি চিনাকি লাগিল। ওচৰৰ পৰা চাই গম পালো, এয়া পদিনা শাক, আমাৰ দেশৰ দৰে একেই গোন্ধ। গধূলি ফুৰিবলৈ ওলাই গৈ কাৰমেলৰ

মল এখনত সোমালো ? ধুনীয়া ধুনীয়া ঘড়ী, বিবিধ প্ৰসাধন সামগ্ৰী, কাপোৰ, ঔষধ-পাতি, বাচন-বৰ্ত্তন, হীৰা মুকুতা, বিভিন্ন ডিজাইনৰ অলঙ্কাৰ-পাতিৰ পৰা আৰম্ভ কৰি পানীৰ পাইপলৈকে সকলো লাগতিয়াল বস্তু এখন দোকানতে ভাগে ভাগে আকৰ্ষণীয়লৈ সজাই থোৱা আছে। কেইবা মহলীয়া এই মলবোৰ বিজুলী চাকিৰে জকমকাই থক। দেখিলে ভাব হয় কিবা যেন আনন্দ উৎসৱহে হৈছে। যি ফালেই চোৱা যায় চকু ঘূৰাই আনিবৰ মন নাযায়। তাৰ পৰা আহি ডঃ চৌধুৰীৰ চেম্বাৰত সোমালোঁ। তেওঁ আমাক চেম্বাৰৰ চিকিৎসা বিদ্যাৰ অত্যাধুনিক যন্ত্ৰ-পাতিবোৰ দেখুৱালে ! তেওঁৰ এই চেম্বাৰত পত্নী কণা আৰু খুলখালি ৰাণাই সচিব হিচাপে কামত সহায় কৰি দিয়ে। ইয়াত হেনো মানুহৰ হাৰ্টৰ অসুখেই বেছি।

বিদ্যা-শিক্ষা অৰ্জন কৰাৰ ক্ষেত্ৰত ইয়াত বয়সৰ কোনো ধৰা-বন্ধা সীমা নাই। কোনোবাই ইঞ্জিনিয়াৰিং পাছ কৰি কিছুদিন কাম কৰি আকৌ নতুনকৈ ডাক্তৰী বা আন এটা ভাল লগা বিষয় পঢ়িবলৈ আৰম্ভ কৰিছে। কোনোৱে আকৌ ডাক্তৰী পাছ কৰি কিছুদিন কাম কৰাৰ পিছত আকৌ 'ল' অৰ্থাৎ আইন পঢ়িবলৈ লয়, এইবাৰ আইন পৰীক্ষা পাছ কৰি ওকালতি কৰিবলৈ আৰম্ভ কৰে। ইয়াত উকিলৰো উপাৰ্জন যথেষ্ট, তাতে যদি তেওঁ ডাক্তৰী পাছ কৰা হয়, তেতিয়া আৰু বেছি ভাল উকিল হ'ব পাৰে। লৰাছোৱালী ডাঙৰ হলে বহুতো মহিলাই নিজে ভাল পোৱা বিষয় এটা বাছি লৈ মাজ বয়সতে পঢ়া আৰম্ভ কৰি দিয়ে। ইয়াত হাইস্কুল পাছ কৰি ল'ৰা-ছোৱালীয়ে নিজৰ নিজৰ পছন্দ মতে সংগী বাছি লৈ ঘৰ-সংসাৰ পাতি মাক-দেউতাকৰ পৰা আঁতৰি আহি বেলেগে থাকিবলৈ লয়। বিয়া-বাৰুৰ অন্তত কেইবাটাও বছৰ বাগৰি যোৱাৰ পিচত চাকৰি কৰি নাইবা আন কিবা জীৱিকাৰ পথ লৈ কিছু টকা-পইচা আৰ্জি পুনৰ উচ্চ শিক্ষা আৰম্ভ কৰে। ইয়াত বাছ টেক্সি চলাই, দোকানৰ চেলচ্‌মেন্, মিস্ত্ৰি, কেৰাণী আদিৰ কাম কৰিও মানুহে যথেষ্ট উপাৰ্জ্জন কৰিব পাৰে। এওঁলোকে নিজৰ গাড়ী, ঘৰত টেলিফোন, ফ্ৰিজ আদিৰে আন চাকৰিয়ালৰ

নিচিনাকৈ স্বচ্ছন্দ জীৱন যাপন কৰে, যিটো আমাৰ দেশত সম্ভৱ নহয়। ইয়াত কলেজীয়া শিক্ষাৰ খৰচৰ বাবে ল'ৰা-ছোৱালীয়ে মাক-দেউতাকৰ ওপৰত নির্ভৰ নকৰে। কিছুবছৰ আগলৈকে হাইস্কুল শিক্ষাত উত্তীর্ণ হৈ ভাল চাকৰি পোৱা গৈছিল বাবে ইয়াৰ মানুহে উচ্চ শিক্ষা লোৱাৰ প্ৰয়োজন বোধ নকৰিছিল। কেৱল উচ্চ শিক্ষাৰ বাবে ধাউতি থকা ছাত্ৰ-ছাত্ৰীয়েহে কলেজীয়া শিক্ষা লৈছিল। কিন্তু বর্তমান হাইস্কুল শিক্ষাত উত্তীর্ণ হৈ চাকৰি পোৱা টান হোৱা বাবে আৰু কৰ্মচাৰী-বোৰৰ মাজত প্ৰতিযোগিতা হোৱা বাবে ছাত্ৰ-ছাত্ৰীক প্ৰায়েই কলেজলৈ যোৱা দেখা যায়। ইয়াত এটা কাম পালে সেইটো কামকে গোটেই জীৱন জুৰি কৰি নাথাকে। এটা চাকৰিৰ পৰা প্ৰায়েই অন্য এটা চাকৰিলৈ যোৱা দেখা যায়।

ৰাতি ভাত-পানী খাই তলৰ মহলাৰ বহল কোঠালিত সকলোৱে একেলগে "অসম সংবই" (চমুকৈ 'আছা') এইবাৰ নিউজার্চিত পতা ৰঙালী বিহু উৎসৱৰ ভিডিঅ' কেছেট চাবলৈ বহিলোঁ। যুক্তৰাষ্ট্ৰত প্ৰবাসী অসমীয়া সকলৰ আৰু তিনিটা অনুষ্ঠান আছে। "উত্তৰ আমেৰিকা অসম সংঘ" (চমুকৈ "আনা"), "আচাম ফাউণ্ডেশ্যন্ অব্ নৰ্থ আমেৰিকা" (চমুকৈ "আফনা") আৰু "অসম সাহিত্য সভা"। আমেৰিকা প্ৰবাসী অসমীয়া বাসিন্দাসকলৰ মই লগ পোৱা দুই এটা পৰিয়ালৰ বাহিৰে বাকী সকলৰ সন্তান সকলে অসমীয়া কথা বুজি পালেও শুদ্ধ উচ্চাৰণেৰে সলসলিয়াকৈ ক'ব নোৱাৰে বা ক'লে ভুল হয় বুলি ক'বলৈ সংকোচ কৰে। তেওঁলোকৰ ল'ৰা-ছোৱালীবোৰে দিনটোৰ বেছি ভাগ সময় স্কুলতে কটায়, লগৰবোৰৰ সৈতে সদায় ইংৰাজীতে কথা-বতৰা পাতি থাকে বাবে সেইটো ভাষাহে প্ৰথমে মুখলৈ আহে। বিদেশত থকা নাতি-নাতিনীৰ সৈতে অসমত থকা আইতা, পেহী, মাহীৰ সমন্ধৰ এনাজৰী হৈছে অসমীয়া ভাষা। নাতি-নাতিনীহঁতে অসমীয়া ভাষা বুজি পালেও ক'বলৈ সংকোচ কৰাৰ ফলত আইতা নাতিহঁতৰ মৰম দিয়া-নিয়াত এক প্ৰতিবন্ধক হৈ পৰে। আইতাৰ সাঁচি থোৱা মনৰ কথা মনতে মাৰ যায়। সেই সিদিনা গুৱাহাটীৰ

বৰঝাৰ বিমান বন্দৰত বিদেশৰ পৰা· যোৱা নাতিনীক সাবটি মৰমৰ চুমাৰে তুগাল উপচাই দি আক্ষেপ কৰি এগৰাকী আইতাই এইদৰে কোৱা শুনিলোঁ "এইদৰে সাবটি চুমা খোৱাটোহে, তাৰ বাহিৰেনো কি কৰিম ; কিবা এবাৰ ক'লেও বুজি নাপায়।" কথাষাৰ শুনি মনটো এক অবুজ বেদনাৰে ভৰি পৰিল। এই অনুষ্ঠান বিলাকৰ মূল লক্ষ হৈছে অসমীয়া ভাষা-সংস্কৃতিৰ সেৱা কৰা। আমেৰিকা প্ৰবাসী অসমীয়া মানুহৰ পশ্চিমীয়া সংস্কৃতিৰ মাজত ডাঙৰ-দীঘল হোৱা ল'ৰা-ছোৱালীক অসমীয়া ভাষা-সংস্কৃতিৰ সৈতে চিনাকি কৰি দিয়াৰ মানসেৰে 'অসম সংঘই" "অসম কৃষ্টি কেন্দ্ৰ" নামেৰে কলা-কৃষ্টি কেন্দ্ৰ এটা নিউজাৰ্চিত স্থাপন কৰে। মাহেকত এবাৰকৈ তাত ল'ৰা-ছোৱালীবোৰক অসমীয়া ভাষা· নৃত্য-গীত আদি শিকোৱা হয়। প্ৰায় ১৫০ মাইল দূৰৰ পৰাও মাক-দেউতাকে নিজৰ ল'ৰা-ছোৱালী লৈ তালৈ নিয়মীয়াকৈ আহে।

"শ্ৰীময়ী অসমীৰ শীতল বুকুত উঠে
উছৱৰ মধু আলোড়ন।"

শ্ৰীযুত পুৰুষোত্তম দাস ৰচিত অন্তৰ পৰশা এই গীতটিৰে সুদূৰ আমেৰিকা যুক্তৰাষ্ট্ৰৰ নিউজাৰ্চিত এদিনীয়া কাৰ্য্যসূচীৰে ৰঙালী বিহু উৎসৱৰ আৱাহণি কৰিছে। মহিলা সকলে পিন্ধিছে বুটা বচা পাট মুগাৰ মেখেলা চাদৰ, নিভাঁজ অসমীয়া সাজ। পুৰুষ-সকলে পিন্ধিছে ধুতি-পাঞ্জাবী, ডিঙিত ফুলাম গামোচা ; কণ কণ অকণি, চেমনীয়াহঁতে অসমীয়া সাজ পিন্ধি বিহু নাচিছে ; লগতে ঝুমুৰ, পাহাৰী, নগা নৃত্য ; ডাঙৰৰ সুৰ সমলয়, সমবেত গীত, একক নৃত্য, গীত, বিহু-হুচৰি আদি দেখি ভাবিছোঁ বিদেশত বসবাস কৰা অসমীয়াসকলৰ নিজৰ কৃষ্টি-সংস্কৃতি কিমান আপোন। তৃজনী মেখেলা চাদৰ পৰিহিতা কণমানি অকণিয়ে বিহু পতাকা উত্তোলন কৰিছে। অসমৰ পৰা শৰাই, ঢোল, তাল, পেঁপা গগনা আদি বস্তুবোৰ যেয়ে যেনেকৈ পাৰে লৈ আহিছে। মুঠতে অতিকৈ চেনেহৰ বিহু উৎসৱটি নিভাঁজ ৰূপেৰে সজাবলৈ অশেষ চেষ্টা কৰিছে। শেষত মঞ্চত বিহু নাচি নাচি বিহুৱাৰ দলটো সন্মুখৰ

মজিয়ালৈ নামি আহিছে আৰু দৰ্শকেও মন চঞ্চালিব নোৱাৰি বিহু নাচত যোগ দি আপোনপাহৰা হৈ নাচিছে। এয়া যেন তাহানি পথাৰত নচা ডেকা-গাভৰুৰ মুকলি বিহু। এওঁলোকৰ নিজস্ব ভাষা-সংস্কৃতিৰ প্ৰতি প্ৰবল অনুৰাগ দেখি মন অভিভূত হৈ পৰিছে। বৰ্ত্তমান আমাৰ দেশৰ ল'ৰা ছোৱালীৰ পশ্চিমীয়া নৃত্য-গীতৰ প্ৰতি ধাউতি বাঢ়িছে, আনহাতে আমেৰিকা প্ৰবাসী অসমীয়া লোকসকল অসমৰ সংস্কৃতিৰ প্ৰতি বেছিকৈ আকৰ্ষিত হোৱা দেখা গৈছে। এই ৰঙালী বিহু উৎসৱত ডাঙৰৰ পিঠা প্ৰতিযোগিতাৰ বাহিৰেও, ল'ৰা-ছোৱালীৰ ছবি আঁকা, কণী যুঁজ, মিউজিকেল চেয়াৰকে আদি কৰি বিভিন্ন ধৰণৰ খেলাধূলা আৰু নৃত্য-গীতৰ প্ৰতিযোগিতা পাতিছে। ভিডিঅ' কেছেটত ৰাখি থোৱা এইবাৰৰ ৰঙালী বিহু উৎসৱ চাই সঁচাকৈয়ে বৰ আনন্দিত হ'লোঁ। "অসম সংঘই" "অসমী" নামেৰে এখন বছৰেকীয়া আলোচনীও উলিয়ায়। শিশু চ'ৰাত আমেৰিকা প্ৰবাসী সকলৰ ল'ৰা-ছোৱালীয়ে ইংৰাজীতে লিখা প্ৰবন্ধ-পাতি, কবিতা আদি পঢ়িছোঁ। বয়সস্থ সকলেও প্ৰবন্ধ, গল্প, কবিতা আদি অসমীয়াতে লিখা দেখিছোঁ। অসমীয়া আখৰবোৰ ঘৰত কম্পিউটাৰত লিখি ছপা কৰে। "ৰ'ড আইলেণ্ড" বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° দিলীপ দত্তই প্ৰথমে অসমীয়া আখৰবোৰ কম্পিউটাৰত লিখি উলিয়াইছিল। যুক্তৰাষ্ট্ৰৰ বিভিন্ন ঠাইত বসবাস কৰা অসমীয়া বাসিন্দা সকলে এইদৰে ৰঙালী বিহু উৎসৱ উদ্‌যাপন কৰে বুলি শুনিছোঁ। ইয়াৰ উপৰিও মাঘ-বিহু, শ্ৰীশ্ৰীশঙ্কৰ দেৱৰ তিথি আদিও উলহ-মালহ আৰু গাম্ভীৰ্য্যতাৰে উদ্‌যাপন কৰে।

এক দৃষ্টিত নিউইয়ৰ্ক

২৪ চেপ্তেম্বৰ, দেওবাৰে বাতিপুৱা শুই উঠি দেখিলোঁ ধৰকাল বতৰ। বাতিপুৱা ন বজাত ড° চৌধুৰী দম্পতি, মোৰ স্বামী আৰু মই তেওঁলোকৰ গাড়ীৰে নিউইয়ৰ্কলৈ যাত্ৰা কৰিলো। নীল, আলপা আৰু চাৰিবছৰীয়া কন্যা বিন্নিক মাহীয়েকৰ তাত থৈ গ'ল।

সুন্দৰ আহল-বহল "হাইৱেৰে" গাড়ী বেগেৰে ধাবমান হ'ল। আমেৰিকা যুক্তৰাষ্ট্ৰত আলিবাটৰ দৈৰ্ঘ্য আৰু পৰিমাণ আন সকলো দেশতকৈ বেছি। ইয়াৰ ৰাজপথবোৰ (high ways) উন্নতমানৰ। ৰাজপথ, আলিবাটসমূহে ৰেলপথবোৰৰ লগত সংযোগ স্থাপন কৰাৰ ফলত দুয়োবিধ স্থলপথেই উপকৃত হৈছে আৰু দেশৰ বিভিন্ন অঞ্চলে যোগাযোগৰ সুবিধা পাইছে। এই দেশৰ খনিজ তেলৰ প্ৰাচুৰ্য্যই পথ-পৰিবহনৰ উন্নতিত বহুখিনি বৰঙণি যোগাইছে। আটলাণ্টিক উপকূলৰ পৰা প্ৰশান্ত উপকূললৈকে সুবিস্তৃত এই বৃহৎ দেশখনত কেইবাটাও উন্নতমানৰ আলহ-বহল ৰাজপথ আছে। হাইৱেত গাড়ীৰ যথেষ্ট ভিৰ দেখিলোঁ। আলিৰ দুয়োকাষ পৰিস্কাৰ-পৰিচ্ছন্ন, ক'তো অকণো অলাগতিয়াল বন-জংঙ্গলে সৌন্দৰ্য্য হানি কৰা নাই। এঠাইত দেখিলোঁ ট্ৰাক এখনৰ চিটত বহিয়েই গাড়ীৰ চালকজনে আলিৰ দাঁতিৰ ডাঙৰ গছ এজোপাৰ পৰা কটা গছৰ ঠানিবোৰ হাকোতা এডালেৰে টানি আনি ট্ৰাকত ভৰাইছে। ইয়াৰ প্ৰায়বোৰ কাম যন্ত্ৰৰ সহায়ত কৰে। সেইবাবে কোনো কামতেই প্ৰয়োজনতকৈ বেছি মানুহ নাই। আমেৰিকাৰ সকলো ডাঙৰ ডাঙৰ নগৰতেই আলিবাটত "ক্ৰছিঙ"ৰ সলনি অলপ আঁতৰে আঁতৰে ডাঙৰ ডাঙৰ "ফ্লাই-অ'ভাৰ" বোৰহে চকুত পৰে। "ফ্লাই-অ'ভাৰ" বিলাকতো বহুতো আলিবাট, বিমান যে সুচল যাতায়তৰ বাবে। "হাইৱেৰে" তীব্ৰ গতিত গাড়ীবোৰ অবিৰাম অহা বাটেৰে আহিছে, যোৱা বাটেৰে গৈছে। আলিবাটবোৰ অত্যন্ত নিমজ আৰু গাড়ীবোৰো ভাল; ভাব হয় "এক্‌চিলাৰেটত" ভৰি নিদিয়াকৈয়ে গাড়ীখন যেন আপোনা-আপুনি গৈ আছে। "হাইৱে"ত সৰ্ব্বোচ্চ ৬৫ মাইল বেগত গাড়ী চলাব পাৰে। ডেৰ ঘণ্টাৰ মূৰত নিউইয়ৰ্ক ৰাজ্যৰ অতি ব্যস্ত নিউইয়ৰ্ক মহানগৰী পালোঁহি। নিউইয়ৰ্ক হৈছে আকাশস্পৰ্শী অট্টলিকাৰ চহৰ। গাতে গা লগাই কেৱল বিভিন্ন আৰ্হিৰ শাৰী শাৰী অত্যাধুনিক গগণচুম্বী অট্টালিকাবোৰ, যেন ওখ ওখ অট্টালিকাৰ প্ৰতিযোগিতাহে পাতিছে। অতি বিস্ময়কৰ এই মহানগৰী কাৰিকৰী বিদ্যাৰ এক অপূৰ্ব্ব নিদৰ্শন। পৃথিবীৰ সৰ্ব্বৃহৎ

মহানগৰবোৰৰ ভিতৰত নিউইয়র্ক অন্যতম। বাটৰ দুয়োকাষে থকা আশী-নব্বৈ মহলাৰ অট্টালিকাবোৰ খুব দাণ্ডি দাণ্ডি ডিঙি মেকা কৰি চাই চাই গৈ আছোঁ।

নিউইয়র্ক ৰাজ্যক কোৱা হয় "এমপায়াৰ ষ্টেট।" এই নগৰক পাচোঁটা ভাগত ভাগ কৰা হৈছে, যেনে মানহাট্টান, ব্ৰংক্স, ব্ৰুকলীন, ষ্টেটেন আৰু কুইন্স— এই পাচোঁটা দ্বীপৰ সমষ্টি; আশীখন দলঙে এই পাচোঁটা দ্বীপ লগ লগাইছে। মানহাট্টানৰ একালে হাড্‌চন্ নদী আৰু আনফালে ইষ্ট বিভাৰ বা নৈ। আমেৰিকাৰ প্ৰায় প্ৰত্যেক চহৰতে বাট-পথ জনবিৰল, কিন্তু নিউইয়র্ক নগৰী ইয়াৰ ব্যতিক্ৰম। মানহাট্টানৰ 5th Avenue ত আছে "এমপায়াৰ ষ্টেট বিল্ডিং"। এই অঞ্চলটো ডাঙৰ ডাঙৰ দোকান আৰু অফিচেৰে ঠাহ খোৱা। প্ৰথমে আমি "এম্পায়াৰ ষ্টেট বিল্ডিং" চাওঁ বুলি গাড়ী ৰখাই ফুটপাথেৰে অলপ খোজ কাঢ়ি গলোঁ। কিছুমান বাট-পথত অট্টালিকাৰ ছাঁ পৰি একেবাৰে ৰ'দ নপৰা হৈছে। "এম্পায়াৰ ষ্টেট বিল্ডিঙত" টিকট কাটি ভিতৰলৈ গৈ দেখিলো দৰ্শনাৰ্থীৰ ভিৰ, মানুহৰ দীঘলীয়া শাৰী। এখন টিকটৰ মূল্য ন ডলাৰ; কিন্তু আজি দেওবাৰ বাবে চাৰে-চাৰি ডলাৰতে দিছে। ইউৰোপ আৰু আন আন দেশৰ পৰাও ভ্ৰমণকাৰী আহিছে। বৈদ্যুতিক স্বয়ংক্ৰিয় লিফ্‌টেৰে ওপৰলৈ উঠিলোঁ, মাজতে আকৌ লিফ্‌ট্ সলাব লাগে; এনেকৈ গৈ অট্টালিকাৰ একেবাৰে ওপৰ পালোঁগৈ। "এম্পায়াৰ ষ্টেট বিল্ডিং" ১০২ মহলাৰ অট্টালিকা আৰু ইয়াৰ উচ্চতা ১২৫০ ফুট। কিছুবছৰ আগলৈকে ইয়েই আমেৰিকাৰ ভিতৰতে আটাইতকৈ ওখ অট্টালিকা আছিল; সম্প্ৰতি চিকাগোত ইয়াতকৈও ওখ অট্টালিকা এটা সাজিছে। টাৱাৰৰ ওপৰৰ পৰা মহানগৰীৰ এক অপূৰ্ব্ব দৃশ্য চকুত পৰিল। ওপৰৰ পৰা তলৰ অট্টালিকাসমূহ আৰু বাট-পথবোৰ তেনেই সৰু পুতলা যেন লাগিছে। নিউইয়র্কৰ বাহিৰেও দূৰৈৰ নিউজাৰ্চি, পেন্সিলভেনিয়া, কনেকটিকাট আৰু মাছাচুচেট'চ আদিও চকুত পৰিছে। ইয়ালৈ শ শ মানুহ আহিছে আৰু ফটো লৈছে। ইয়াত থকা দূৰবীনৰ সহায়ত দূৰৈৰ বস্তুও স্পষ্টকৈ দেখা

যায়। আমি ৰাতিপুৱাহে ইয়ালৈ আহিছোঁ; গধূলি হেনো ওপৰৰ পৰা তলৰ দৃশ্যবোৰে অপূৰ্ব্ব ৰূপত ধৰা দিয়ে। দূৰৈত সমুদ্ৰৰ মাজত এটি সৰু দ্বীপত থকা ১৫১ ফুট ওখ "ষ্টেচু অব্ লিবাৰ্টি" দেখিবলৈ পালোঁ। তামেৰে গঢ়া এই বিশাল নাৰী মূৰ্ত্তিয়ে হাতত জোৰ লৈ এক বিশেষ ভঙ্গীমাত থিয় হৈ আছে। আমেৰিকা আৰু ফ্ৰান্সৰ মাজত বন্ধুত্বৰ চিন যুগমীয়া কৰি ৰাখিবলৈ ১৮৮৬ চনৰ ২৮ অক্টোবৰত আমেৰিকাৰ স্বাধীনতাৰ এশ বছৰ পূৰ্ণ হওতে ফ্ৰান্সৰ জনসাধাৰণৰ তৰফৰ পৰা আমেৰিকাক এই বিশাল মূৰ্ত্তি দান কৰা হয়। ফ্ৰান্সৰ যিজনা ভাস্কৰ্য্য শিল্পীয়ে এই বিৰাটকায় মূৰ্ত্তিটো সাজিছিল তেওঁৰ নাম আছিল ফ্ৰেডেৰিক্ আগষ্ট বাৰ্থোল্দি। এই মূৰ্ত্তি চাবলৈ দ্বীপটোলৈ সদায় হেজাৰ বিজাৰ মানুহৰ সমাগম হয়। তালৈ জাহাজেৰে যোৱাৰ ব্যৱস্থা আছে; কিন্তু আমাৰ হাতত সময় কম বাবে ওচৰলৈ গৈ চোৱাৰ হেপাহঁ মনতে মাৰ গ'ল। এম্পায়ৰ ষ্টেট বিল্ডিঙৰ ১০২ মহলাৰ ওপৰতো খোৱাৰ ব্যৱস্থা আছে। ইয়াৰ "world yrade center" চাবলৈ আহিলো। এইটো পৃথিৱীৰ দ্বিতীয় সুউচ্চ অট্টালিকা। ইয়াতো লিফ্টেৰে ওপৰলৈ যোৱাৰ ব্যৱস্থা আছে।

খোজকাঢ়ি গ'লে কিছুমান বাটত তলৰ পৰা অলপ অলপ ভাপ ওলাই থকা দেখা যায়। নিউইয়ৰ্কত মাটিৰ ওপৰ ভাগৰ নিচিনাকৈ মাটিৰ তলতো ৰেল-লাইন, গাড়ী ৰখা মুকলি ঠাই, সুৰঙ্গ আদিৰে এখন বেলেগ পাতাল ৰাজ্য। সেইবাবে মাটিৰ তলৰ ভাপবোৰ মাজে মাজে ওলোৱাৰ ব্যৱস্থা ৰাখিছে। বাটৰ কাষত মুকলি ঠাই আৰু গছ-গছনি দেখা নাযায়, চকুত পৰে মাথো আকাশলঙ্ঘী অট্টালিকা, বিশালাকৃতিৰ সুদৃশ্য দলংবোৰ আৰু হেজাৰ বিজাৰ ধুনীয়া ধুনীয়া মটৰ কাৰৰ অহৰহ চলাচল। আ'জ দেওবাৰ বাবে বাটত গাড়ীৰ ভিৰ কম; সপ্তাহান্তত ডাঙৰ ডাঙৰ নগৰবোৰৰ মানুহবোৰ আমোদ প্ৰমোদ আৰু জিৰণিৰ বাবে নগৰৰ বাহিৰলৈ যায়গৈ। নিউইয়ৰ্কত অসংখ্য মিউজিয়াম, আৰ্ট-গেলেৰী আৰু কত কিযে চাবলগীয়া বস্তু আছে, সেইবোৰ তন্নতন্নকৈ চাবলৈ হলে কেইবাদিনো লাগিব।

United Nations Organisation (U. N. O) অৰ্থাৎ ৰাষ্ট্ৰসংঘৰ কাৰ্য্যালয়টো বাহিৰৰ পৰাই চালোঁ। সমুখৰ মুকলি ঠাই-খিনিত শাৰী শাৰীকৈ বেলেগ বেলেগ ৰাষ্ট্ৰৰ পতাকাবোৰ উৰি থকা দেখিলোঁ। ফুৰি চাকি কিবা খাই লওঁ বুলি ভাৰতীয় ৰেষ্টোঁৰা এখনত সোমালোঁ। নিউইয়ৰ্কত যথেষ্ট ভাৰতীয় মানুহ আছে। আমেৰি-কাৰ সৰু ডাঙৰ সকলো ঠাইতে বাছ, ৰেল, লিফ্‌ট্‌ আদিত উঠা নমা কৰোঁতে মন কৰিছোঁ, মানুহ বিলাকে "After you" এই নিয়মটো মানি চলে অৰ্থাৎ আগতে আপোনাকহে উঠিবলৈ বা নামিবলৈ সুবিধা দিয়ে। এনে পৰিস্থিতিত আমাৰ দেশত ঠেলি হেঁচি নিজে আগতে সোমোৱা বা ওলোৱা অভ্যাস আছে। গতিকে এনে ক্ষেত্ৰত এই দেশৰ মানুহৰ ব্যৱহাৰ দেখি নিজৰেই লাজ লাগি যায়। কেইবা ঠাইতো মন কৰিছোঁ, কোনো এটা সৰু বাটেৰে দ্ৰুতগতিত গাড়ী এখন আহিছে, মই বাটটো পাৰ হ'ব খুজিও গাড়ীখন দেখি আলিৰ দাঁতিত ৰৈ আছোঁ; গাড়ীখন অনায়াসে গুচি যাব পাৰে, কিন্তু তাকে নকৰি চালকে হাতেৰে ইঙ্গিত দি বাটটো পাৰ হ'বলৈ সুবিধাকণ কৰি দি গাড়ীখন অলপ সময় ৰখালে। এনে ধৰণৰ সৌজন্যবোধ দেখিলে আমাৰ দেশৰ বহুত কথাই মনত ভুমুকি মাৰে।

গধূলি হৈ অহাৰ লগে লগে সমগ্ৰ নিউইৰ্কৰ বুকুলৈ তৰাৰ বুটা বছা সাজ পিন্ধি, ৰঙা, নীলা অজস্ৰ বিজুলী চাকিৰ মালাৰে সুশোভিতা হৈ নামি আহিছে মায়াবিনী নিশা। বিজুলী চাকিৰ পোহৰৰ বাহাৰ দেখি স্তম্ভিত নোহোৱাকৈ থাকিব নোৱাৰি। বিশেষকৈ বিজ্ঞাপন প্ৰদৰ্শনীত ব্যৱহৃত বিজুলী চাকিৰ প্ৰাচুৰ্য্য আৰু কৌশলে যিকোনো লোকক থমকাই ৰাখিব। আমাৰ গাড়ীও পুনৰ কাৰমেল অভিমুখে গতি কৰিলে। ঘৰ আহি পাই মুখ-হাত ধুই আগতেই কৈ থোৱা মতে ৰাণাহঁতৰ ঘৰলৈ ভাত খাবলৈ গ'লো। আমি গৈ পোৱাৰ লগে লগে ৰাণাই আমাক আথে-বেথে মাতি নি বহা কোঠালিত বহুৱালে। এওঁলোকৰ দুই পুত্ৰ অভি আৰু ৰাজীব আল্‌পা আৰু বিদিৰ সৈতে খেলাত ব্যস্ত। পছুৰ মাংস, ইলিচ মাছৰ সুস্বাদু জোল,

দৈ, মিঠাই আদিৰে ৰাণাই বৰ আদৰ-সাদৰকৈ আমাক ভাত-সাজ খুৱালে। উভতি আহিবৰ সময়ত ঘৰৰ কাষতে বনৰীয়া পছু এটা বুৰি-ফুৰা দেখিলোঁ।

পিচদিনা ৰাতিপুৱা কাৰমেলৰ পৰা অহাইঅ' ৰাজ্যৰ ৰাজধানী কলম্বাচলৈ যাবলৈ ওলালোঁ। কণাই গাড়ী চলাই চহৰৰ পৰা দহ মাইল নিলগৰ ডেন্‌বাৰীৰ এয়াৰ লাইনচ্‌ৰ অফিচত আমাক থবলৈ আহিল। তাৰ পৰা এয়াৰ-লাইনচ্‌ৰ বাছেৰে আহি ৫০ মাইল দূৰৈৰ নিউইয়ৰ্কৰ অতি ব্যস্ত বিমান বন্দৰ "লাগুৰ দিয়াত" উপস্থিত হলোঁহি। আমাৰ বিমানখনে যেতিয়া সশব্দে আকাশলৈ উৰা মাৰি নিউইয়ৰ্কৰ ওপৰে ওপৰে যাবলৈ ধৰিলে তেতিয়া দুপৰীয়া এক বাজিছে।

—+—

কলম্বাচত কেইদিনমান

প্ৰায় আঢ়ৈ ঘণ্টাৰ মূৰত কলম্বাচ বিমান বন্দৰ পালোঁহি। লাউঞ্জত ছয়গাঁওৰ ডাক্তৰ অনিল ঠাকুৰীয়াই আমাৰ বাবে অপেক্ষা কৰি থকা দেখি মনটো উৎফুল্লিত হৈ পৰিল। গাড়ী আগবাঢ়িল কলম্বাচ মহানগৰ অভিমুখে। ডঃ ঠাকুৰীয়াই স্কুল ছুটিৰ পিচত পুত্ৰ প্ৰাণ্‌টি আৰু কন্যা মন্‌টিকো গাড়ীত তুলি ল'লে। হাইৱেত দেখিলোঁ হাজাৰ হাজাৰ ধুনীয়া ধুনীয়া বিভিন্ন ৰঙৰ নানান ডিজাইনৰ গাড়ী, সকলোৱে যেন গতিৰ লগত তাল মিলাই ধাবমান হৈছে। এওঁলোকৰ ঘৰ আহি পাওঁতে আবেলি পাঁচ বাজিছে। সাত বজাত গধূলি হ'ল। জহকালি ইয়াত নিশা ন বজাতো বদ জিলিকি থাকে। ডাঃ ঠাকুৰীয়াৰ পত্নী নগাঁওৰ জীয়ৰী ডাঃ পৰজা শইকীয়াও ইতিমধ্যে নিজ কৰ্মস্থানৰ পৰা আহি পাইছে। আমি অহা গম পাই গধূলি একেখন চহৰতে বসতি কৰা নিখিল বৰুৱা, পত্নী নিৰ্মালী আৰু সন্তান ছুটিৰে সৈতে এওঁলোকৰ ঘৰলৈ আহিল। সত্যেন দাস নামৰ গুৱাহাটীৰ আন এজন অসমীয়া যুবককো ইয়াতে ল'গ পালোঁ। এওঁ গুৱাহাটীৰ ভৰলুমুখ নিবাসী, কটন কলেজৰ পদাৰ্থ বিজ্ঞানৰ প্ৰাক্তন অধ্যাপক স্বৰ্গীয় চন্দ্ৰ দাসৰ পুত্ৰ। বিদেশত অসমীয়া মানুহ লগ পালে কিমানযে আনন্দ অনুভৱ কৰা যায়। সকলোৱে মিলি কথা-বতৰা আৰু হাহি-ধেমালিৰ মাজেদি ৰাতিৰ সাজ একেলগে খালো।

চহৰৰ এই অঞ্চলটোৰ ঘৰবিলাক ইউৰোপীয় পুৰনি আভিজাত্য-পূৰ্ণ ঘৰৰ আৰ্হিত নিৰ্মিত। সন্মুখত নানা ৰঙী সতেজ ফুলেৰে সৈতে প্ৰত্যেকটো ঘৰেই চালে-চকুৰোৱা। এই দেশৰ সকলো ঠাইতে ৰাতিপুৱা

আবেলি, গধূলি যিকোনো সময়তে বহল নির্জন ফুটপাথত, জনহীন বা জনবহুল অঞ্চলত চুটি পেণ্ট আৰু গেঞ্জি এটা পিন্ধি ডেকা-গাভৰু, পৌঢ় সকলো ধৰণৰ মানুহে কালৈকো ভ্ৰূক্ষেপ নকৰি জগিং বা লাহে লাহে দৌৰি থকা দেখিবলৈ পোৱা যায়; এইবোৰ গতানুগতিক সাধাৰণ দৃশ্য। নিজৰ শৰীৰৰ গঠন আৰু ওজনৰ প্ৰতি এইদেশৰ লোকসকল যথেষ্ট সচেতন, শৰীৰটো চৰ্বি-মুক্ত কৰি ৰাখিবৰ বাবে জগিং বা নিয়মিয়াকৈ ব্যায়াম কৰে। কোনোৱে আকৌ কৰ্মস্থানৰ পৰা দুপৰীয়াৰ আহাৰৰ সময়ত অৰ্থাৎ লাঞ্চ-টাইমত হেলথ-ক্লাবলৈ আহি ঘৰৰ ভিতৰতে থকা ট্ৰেকত দৌৰেহি। শৰীৰৰ লাহী গঠনেই এওঁলোকে পছন্দ কৰে। অৱশ্যে বিৰাট আকাৰৰ পুৰুষ মহিলা দুই এজন মাজে সময়ে দেখিলে আচৰিত নহৈ নোৱাৰি। আমেৰিকান সকলৰ প্ৰধান আহাৰ হৈছে ৰুটি, মাংস, মাছ, কণী, গাখীৰ, ফলমূল আদি। প্ৰস্তুত কৰি পেকেটত বিক্ৰি কৰা প্ৰত্যেক বিধ খাদ্যই ভিটামিনযুক্ত। এই দেশৰ জলবায়ু আৰু সুষম খাদ্যৰ বাবে, বিশেষকৈ ইয়াত সকলো খোৱা বস্তুৱেই নিৰ্ভেজাল বাবে আমাৰ দেশৰ দৰে এওঁলোক পুষ্টিহীনতাৰ অভাবত নোভোগে, বৰং আমাৰ দেশৰ ওলোটাহে। এই দেশত খোৱা বস্তু উভৈনদী, কম খৰচতে সুষম আহাৰ খাব পাৰি। নানা ধৰণৰ ফলৰ ৰস অতি কম দামতে পোৱা যায়। শৰীৰত চৰ্বি জমা হৈ মেদ বঢ়াৰ ভয়ত মানুহে আহাৰ কমকৈ খোৱা দেখা যায়। নিচেই কম সংখ্যক মানুহৰ বাহিৰে প্ৰায়ভাগ লোকেই চাহত চেনী নাখায়; দুপৰীয়া সাধাৰণতে লঘু আহাৰ খায়।

কলম্বাচ মহানগৰখন আমেৰিকাৰ আন নগৰৰ দৰে একেই পৰিস্কাৰ পৰিপাটি, শৃঙ্খলাবদ্ধ। ইয়াৰ সকলো মহানগৰেই একে ধৰণৰ, অত্যাধুনিক। কাম-কাজৰ সুবিধাৰ অৰ্থে মহানগৰবোৰক (Metropolitan city) কেইবাখনো সৰু সৰু নগৰত ভাগ কৰা থাকে। সেইবাবে এখন নগৰ পাৰ হোৱাৰ পিচত লগে লগে আনখন নগৰ পোৱা যায়। এনে বিভাগীয় নগৰৰ বাবে সুকীয়া মেয়ৰ, সুকীয়া আৰক্ষী বিভাগ থাকে। কৃষি, উদ্যোগ, ব্যৱসায়, ৰেডিঅ', টি-ভি, বাতৰিকাকত আদি

ব্যক্তিগত খণ্ডৰ হাতত আৰু প্ৰতিৰক্ষা, ডাক-সেৱা, মুদ্ৰাৰ প্ৰচলন কেন্দ্ৰীয় চৰকাৰৰ তত্বাৱধানত থাকে। আমি ঠাকুৰীয়া দম্পতিৰ সৈতে ডাউন-টাউনৰ ফালে ফুৰি-চাকি আহি 'অহাইঅ' মেডিকেল কলেজ হস্পিতালৰ সন্মুখত গাড়ীৰ পৰা নামিলোঁ। ঠাকুৰীয়া এইখন মেডিকেল কলেজৰ মেডিচিনৰ সহকাৰী অধ্যাপক। মনোৰম পৰিৱেশত আহল-বহল চৌহদেৰে সৈতে বিৰাট হস্পিতাল। কলেজৰ পুথি-ভঁড়ালটো এপাক চাই যাওঁ বুলি সোমালো। ছাত্ৰ-ছাত্ৰীসকল অধ্যয়নত নিমগ্ন। কম্পিউটাৰৰ ছাবি টিপিলেই নিৰ্দ্দিষ্ট কিতাপখন চেলফ্ৰ পৰা আনিব পাৰি। এই মহাদেশৰ সকলো ঠাইৰে দোকান-পোহাৰ, হোটেল-ৰেষ্টোৰা, বিমান বন্দৰ, ৰেল ষ্টেচন, বেঙ্ক আদিৰ কাম-কাজ কম্পিউটাৰৰ সহায়ত মুহুৰ্ত্ততে সুন্দৰকৈ কৰা দেখিছোঁ। স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীবোৰৰ প্ৰত্যেকৰে ঘৰত নিজাকৈ একোটা কম্পিউটাৰ থাকে। ইয়াত বৰ্ত্তমান এইটো কম্পিউটাৰৰ যুগ বুলিও কব পাৰি।

মাৰ্কিন যুক্তৰাষ্ট্ৰৰ প্ৰত্যেকজন ব্যক্তিৰ চিকিৎসাৰ বাবে জীৱন-বীমা বা লাইফ-ইনচিওৰ কৰা থাকে। চিকিৎসাৰ বাবে বীমাই ডাক্তৰৰ ফিজ আৰু ঔষধ-পাতিৰ শতকৰা আশীভাগ খৰচ বহন কৰে। এই দেশৰ চিকিৎসা-সেৱা উন্নত আৰু যথেষ্ট আগবঢ়া, আমাৰ দেশৰ তুলনাত যথেষ্ট ব্যয়বহুল। সাধাৰণতে ডাক্তৰৰ ফিজ ৪৪ ডলাৰ। চিকিৎসক ৰোগীৰ ঘৰলৈ নাহে। আমাৰ এজন ডাক্তৰ বন্ধুৱে কৈছিল, চিকিৎসকজন ৰোগীৰ ঘৰলৈ যাওঁতে যিমানখিনি সময় লাগে, ৰোগীক হস্পিতাললৈ আনিলে সেইখিনি সময়ত ৰোগীক অপাৰেশ্যন মেজত সাজু কৰি তুলিব পৰা যায়।' হস্পিতাললৈ আনিব নোৱাৰা ৰোগীজনক ঘৰৰ পৰা টেলিফোন কৰি দিলে হস্পিতালৰ এম্বুলেন্স বা গাড়ীৰে আৰু প্ৰয়োজন অনুসৰি হেলিকপ্টাৰেৰে আনিও হস্পিতালত ভৰ্ত্তি কৰোঁৱা হয়।

আমেৰিকাত চিকিৎসা এটা বিৰাট ব্যৱসায়। এবাৰ হস্পিতালত নাম ভৰ্ত্তি কৰিলে কিমান ডলাৰ ভৰিব লাগিব কোৱা টান: কাৰণ ই অতি ব্যয়বহুল। ৰোগীক এবাৰ ইনজেকশ্যন দিয়াৰ পিচত বেজিটো

পেলাই দিয়া হয়। কিছুমান হস্পিতালত ৰোগীক চেলাইন দিলে গোটেই সৰঞ্জাম খিনি এবাৰ ব্যৱহাৰ কৰাৰ পিচত পেলাই দিয়া হয়। ইয়াৰ ফলত ৰোগীৰ বিল বাঢ়ি যায়। এই দৰেই চিকিৎসা ব্যৱসায়টো চলি আছে। ইয়াত সাধাৰণ দাঁত এটাৰ বিষৰ বাবে চিকিৎসকৰ ওচৰ চাপিলেও ডেৰশ-দুশ ডলাৰ ব্যয় কৰিবলগীয়া হয়। আজিকালি এই দেশলৈ ভ্ৰমণত অহা লোকসকলে বিমানৰ টিকটৰ লগতে চিকিৎসা-বীমা কৰি লোৱাৰ ব্যৱস্থা হৈছে। এই দেশত থকা সময় ছোৱাত অসুখ-বিসুখ হলে বীমাই খৰচ বহন কৰে।

আমেৰিকাত চিকিৎসকৰ বিৰুদ্ধে ৰোগীয়ে কথাই কথাই মামলা মোকৰ্দ্দমা কৰা শুনিছোঁ। কোনো চিকিৎসকে ভাল সেৱা আগবঢ়োৱা নাই বুলি প্ৰমাণিত হ'লে ৰোগীয়ে চিকিৎসকজনৰ বিৰুদ্ধে আদালতত মোকৰ্দ্দমা তৰিব পাৰে। ডাক্তৰ সকলেও মোকৰ্দ্দমাৰ খৰচ আৰু ক্ষতিপূৰণৰ ধন যোগাৰ ধৰিবলৈ মোটা অংকৰ ইনচিঅ'ৰ কৰি থয়।

পিচদিনা তুপৰীয়া নিৰ্ম্মালীয়ে অফিচৰ পৰা চুটি লৈ বাহিৰে বাহিৰে আহি আমাক ভেঁওৰ গাড়ীৰে চহৰখন ফুৰাবলৈ লৈ গ'ল। কিছুসময় মহানগৰৰ ইফালে সিফালে ফুৰিচাকি পাব্লিক হাইস্কুল এখনৰ ওচৰ পালোঁহি; সহ-শিক্ষানুস্থান। ইয়াত প্ৰাইভেট আৰু পাব্লিক নামৰ দুই ধৰণৰ হাইস্কুল আছে। প্ৰাইভেট হাইস্কুল বিলাকত ছাত্ৰ-ছাত্ৰীয়ে মাচুল দিব নালাগে, অভিভাৱকে দিয়া টেক্সৰ পৰাই কাটি লোৱা হয়। তদুপৰি ছাত্ৰ-ছাত্ৰীক কিতাপ-পত্ৰ, অহাযোৱাৰ বাবে বাছ স্কুলৰ তৰফৰ পৰাই দিয়া হয়; ফলমূল, মাংস, গাখীৰ আদিৰে ভালকৈ দুপৰীয়াৰ আহাৰো যোগান ধৰে। ইয়াৰ বাবে প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীয়ে ঘৰৰ পৰা প্ৰতিদিনে এক ডলাৰকৈ দিব লাগে, বাকীখিনি চৰকাৰৰ তৰফৰ পৰা দিয়ে।

হাইস্কুলত দ্বাদশ শ্ৰেণীলৈ পঢ়া শেষ কৰি হাইস্কুল শিক্ষান্ত পৰীক্ষা দিব লাগে। ইয়াক "Scholastic Aptitude Test" চমুকৈ "Sat" বুলি কোৱা হয়। যুক্তৰাষ্ট্ৰৰ শিক্ষা ব্যৱস্থা আমাৰ দেশৰ দৰে এটি শীৰ্ষ প্ৰতিষ্ঠান বা বিভাগে নিয়ন্ত্ৰণ নকৰে। স্কুল-কলেজৰ

পরাই পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হয়। হাইস্কুল শিক্ষান্ত পৰীক্ষা ল'বলৈ আমাৰ দেশৰ দৰে বোৰ্ড নাই। কলেজত ভৰ্ত্তি হোৱাৰ সময়ত Sat ৰ নম্বৰ আৰু স্কুলৰ একাদশ-দ্বাদশ শ্ৰেণীৰ নম্বৰ চোৱা হয়।

হাইস্কুলৰ শ্ৰেণীবোৰত পঢ়া শুনাত মেধাবী ছাত্ৰ-ছাত্ৰীবোৰে তেওঁলোকতকৈ পিচ পৰি থকা একে শ্ৰেণীৰ বন্ধু-বান্ধবীবোৰক অফ-পিৰিঅ'ডত বা স্কুল ছুটিৰ পিচত পাঠ বুজাই-মেলি দি সহায় কৰে। তাৰ বাবে শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীবোৰক কেইবাটাও ভাগত ভাগ কৰা হয়। হাইস্কুল বিলাকত "Growing-up" অৰ্থাৎ মানব শৰীৰৰ গঠণ আৰু বৃদ্ধি কেনেকৈ হয়, কিদৰে নিজৰ শৰীৰটো পৰিস্কাৰ পৰিচ্ছন্নকৈ ৰাখিব লাগে, যৌবন অৱস্থা আৰু ছোৱালীৰ কন্যাকাল প্ৰাপ্তি কেনেকৈ হয়, মাতৃৰ গৰ্ভত কেনেকৈ সন্তান ধাৰণ কৰা হয়, এনে বিষয়-বস্তু চিনেমাৰ সহায়ত শ্ৰেণীত ছাত্ৰ আৰু ছাত্ৰীক সুকীয়া সুকীয়াকৈ দেখুৱাই শিকোৱা হয়। এনেধৰণৰ চিনেমা ছাত্ৰ-ছাত্ৰীৰ সন্মুখত প্ৰদৰ্শন কৰাৰ আগতে অভিভাৱক সকলক মাতি আনি চাবলৈ দিয়া হয়। অভিভাবকৰ আপত্তি থাকিলে তেওঁৰ ল'ৰা-ছোৱালীয়ে এই ছবি চোৱাৰ পৰা বিৰত থাকিব লাগে।

হাইস্কুলখনৰ সন্মুখৰ আহল-বহল পাৰ্কিং এলেকাত শ শ গাড়ী দেখিলো। ষোল্ল বছৰ বয়সৰ ওপৰত ল'ৰা-ছোৱালীয়ে নিজৰ নিজৰ গাড়ীৰে স্কুললৈ আহিব পাৰে। স্কুল-চৌহদৰ ভিতৰতে খেল-পথাৰ, চুইমিং-পুল আদি আছে। স্কুলত খেলা-ধূলা বাধ্যতামূলক। খেলা-ধূলাক শিক্ষাৰ এটা অঙ্গ বুলি ধৰা হয়। গলফ, টেনিচ, সাতোঁৰ বাস্কেট বল, বেচ্‌বল আদি এওঁলোকৰ জনপ্ৰিয় খেল। ছাত্ৰ-ছাত্ৰীৰ খেলা-ধূলাৰ নম্বৰ Sat অত যোগ দিয়া নহয়। অফ-পিৰিঅ'ডত কিছুমান ছাত্ৰ-ছাত্ৰীয়ে বেলেগ স্কুল বা অনুষ্ঠানত কাম কৰি পইচা উপাৰ্জ্জন কৰে।

হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীক "High School Graduate" বুলি কোৱা হয়। হাইস্কুল বিলাকত "Graduation Ceremony" ৰৰ ডাঙৰকৈ পতা হয়। ছাত্ৰ-ছাত্ৰীৰ অভি-

ভাবকৰ বাহিৰেও ককাক-আইতাক বা আন সম্বন্ধীয়লোকো বেলেগ বেলেগ ঠাইৰ পৰা আহি এই উৎসৱত যোগ দিয়েছি।

হাইস্কুলখন এৰি অলপ দূৰ গৈয়ে পালোঁ এখন প্ৰাথমিক বিদ্যালয়। যুক্তৰাষ্ট্ৰৰ প্ৰাথমিক স্কুলবোৰত খেলা-ধূলাৰ মাজেদিহে ঘাইকৈ শিক্ষা দিয়া হয়। শিশু সকলৰ কিতাপ-পত্ৰবোৰ স্কুলতে নিজৰ নিজৰ আচুতীয়া স্থানত ৰখা হয়। কিতাপ-পত্ৰৰ গধুৰ বোজা ল'ৰা-ছোৱালীয়ে ঘৰৰ পৰা স্কুললৈ অনা-নিয়া কৰিব নালাগে। এই শিক্ষানুস্থানবোৰত থিয়'ৰিতকৈ প্ৰেক্‌টিকেলৰ দ্বাৰা শিক্ষা প্ৰদান কৰাত বিশেষ গুৰুত্ব দিয়া হয়। ঘৰত হঠাতে কাবোবাৰ অসুখ হ'লে বা মূৰ্চ্ছা গ'লে, কালৈ কেনেকৈ ফোন কৰিব লাগে, পানীত পৰা মানুহক কেনেকৈ চিকিৎসা কৰিব লাগে, এনেধৰণৰ শিক্ষা শিশুবিলাকক নিচেই সৰুৰে পৰাই দিয়া হয়। শিক্ষকেও শিশুক ঘৰত পঢ়াৰ কোনো প্ৰয়োজনীয়তা নেদেখে। শিশুক কেৱল অলপ হ'ম-ৱৰ্ক কৰি আনিবলৈ দিয়া হয়। এসপ্তাহৰ মূৰে মূৰে হ'ম-ৱৰ্কৰ বহীবোৰ অভিভাৱকে চোৱা-চিতা কৰিবৰ বাবে ঘৰলৈ পঠিয়ায় আৰু দুমাহৰ মূৰে মূৰে ৰিপ'ৰ্ট-কাৰ্ড ঘৰলৈ পঠিওৱা হয়, অভিভাৱকে চহী কৰি পঠাব লাগে। স্কুলৰ সৈতে অভিভাৱকসকল যথেষ্ট পৰিমাণে জড়িত। প্ৰত্যেক তিনিমাহৰ মূৰে মূৰে "শিক্ষক অভিভাৱক"ৰ মিটিং হয়।

এজন চৈধ্য-পোন্ধৰ বছৰীয়া ল'ৰাই প্ৰাথমিক বিদ্যালয়খনৰ পদূলি সাৰি থকা চকুত পৰিল। এজন হাইস্কুলৰ ছাত্ৰ, অফ-পিৰিঅ'ডত আহি এইদৰে কাম কৰিছেহি। ইয়াত এনেকুৱা কামৰ ক্ষেত্ৰত লাজ সঙ্কোচৰ প্ৰশ্নই নুঠে।

যুক্তৰাষ্ট্ৰৰ বাট-পথ বন্ধা কাম ব্যক্তিগত প্ৰতিস্থানে ল'য়। কোনে কিমান ভাল কাম কৰিব পাৰে তাৰ বাবে প্ৰতিস্থানবোৰৰ মাজত তুমুল প্ৰতিযোগিতা চলে। এই দেশৰ কেইবা ঠাইতো প্ৰধান আলিবাটৰ একো একোটা অংশ নিৰ্মাণ কৰি থকা দেখিবলৈ পাইছো। ওপৰৰ পৰা মাটিৰ তললৈ কেইবা ফুট দকৈ খান্দি, তাৰ ওপৰত বেলেগ বেলেগ আকাৰৰ শিল দি ৰোলাৰ চলাই গাথঁনি মজবুতকৈ

তৈয়াৰ কৰে। ৰাষ্টাবোৰ হোৱাৰ আগতে নলাৰ বাবে কংক্ৰিটৰ পাইল এটাৰ পিচত আনটো লগলগাই বহুওৱা হয়। এবাৰ কামটো বেয়াকৈ কৰিলে পিচত আৰু সেই প্ৰতিষ্ঠানে কাম নাপায়। সেইবাবে ব্যক্তিগত প্ৰতিষ্ঠানবোৰে কামবোৰ নিখুঁত আৰু মজবুতকৈ কৰিবলৈ চেষ্টা কৰে। এওঁলোকৰ কামত ফাঁকি-ফুকা নাই। নাগৰিকৰ কৰ্ম-কুশলতা আৰু কামত সততা থকাৰ বাবে ৰাষ্ট্ৰখন উন্নতিৰ শিখৰত উপনীত হ'বলৈ সক্ষম হৈছে।

এইখিনিতে আমাৰ "ভূছা" টিকটৰ পূৰ্ব্বে নিৰ্দ্ধাৰিত পথটো সলনি কৰিবলগীয়া হ'ল। ৱাশ্বিংটনৰ পৰা হিউষ্টনলৈ যোৱাৰ পৰিবৰ্ত্তে আমি কলম্বাচৰ পৰা হিউষ্টনলৈ যাবলৈ স্থিৰ কৰি টিকট কনফাৰ্ম কৰিবলৈ ডাঃ পৰজা শইকীয়াৰ সৈতে এয়াৰ লাইন্‌চৰ চিটি অফিচলৈ আহিলোঁ। তাত খবৰ লৈ গম পালো কলম্বাচৰ পৰা হিউষ্টনৰ আন্তৰ্জাতিক বিমান বন্দৰলৈহে আমি ভ্ৰমণ কৰা ডেল্‌টা এয়াৰ লাই-ন্‌চৰ বিমান যায়। কিন্তু এই বিমান বন্দৰটো হিউষ্টনৰ আমি যাব খোজা ঠাইখনৰ পৰা বহু নিলগত আৰু ইয়াৰ পৰা সেইটো বিমান বন্দৰলৈ গলে এখন টিকটৰ বাবে অতিৰিক্ত এশ চাৰি ডলাৰ ভৰিব লাগিব। সেইবাবে আমি কলম্বাচৰ পৰা কিছু আঁতৰৰ "চিন্‌চিনাটি" বিমান বন্দৰৰ পৰা হিউষ্টনৰ "হবি" বিমান বন্দৰলৈ যোৱাৰ বাবে টিকট দুটা কন্‌ফাৰ্ম কৰি ললো। ঠাই সলনি কৰা বাবে এখন টিকটত ওপৰঞ্চি ২৫ ডলাৰকৈ ভৰিব লগা হয়। সেইদিনা এই কামত পৰজাই যথেষ্ট সময় খৰচ কৰি আমাক সহায় কৰিলে। আমাক ঘৰত নমাই থৈ তেওঁ লৰালৰিকৈ হস্পিতাললৈ গ'লগৈ।

পিচদিনা গধূলিৰ লগে লগে আমি সকলোৱে লগে-ভাগে নিমন্ত্ৰণ ৰক্ষা কৰিবলৈ নিখিল বৰুৱাৰ ঘৰ ওলালোঁগৈ। ইতিমধ্যে তেওঁ-লোকৰ ঘৰত সত্যেন দাস আহি পাইছে। বিদেশত এইদৰে অসমীয়া মানুহ কেইঘৰ গোট খোৱাত পৰিৱেশটো মধুৰ আৰু ঘৰুৱা হৈ পৰিছে। আমাৰ মাজত নানা ধৰণৰ কথা-বতাৰা চলিল। বৰুৱাৰ পুত্ৰ-কন্যাই কি-ব'ৰ্ডত অসমীয়া গীতৰ সুৰ বজালে। স্মিতাই পিয়া-

নোত বজোৱা চেতাৰ সদৃশ সুমধুৰ সুৰৰ মূৰ্চ্ছনাই আমাক কিছুসময় মন্ত্ৰমুগ্ধ কৰি ৰাখিলে। ভাত-পানী খাই বৈ নিশা এখাৰ বজাত তেওঁলোকৰ পৰা বিদায় লৈ ঘৰলৈ উভতিলোঁ। ইয়াৰ পৰা প্ৰায় তিনিশ মাইল নিলগৰ ডেট্ৰইট্ মহানগৰৰ দাসৰ ঘৰলৈ ৩০ চেপ্তেম্বৰ, শনিবাৰে তেওঁলোকৰ ল'ৰা জন্ম হোৱা মাহেকীয়া শুদ্ধি সবাহলৈ আমাক সকলোকে নিমন্ত্ৰণ জনালে।

নিৰ্দ্দিষ্ট দিনত আবেলি আমি ডঃ ঠাকুৰীয়া পৰিয়ালৰ সৈতে কলম্বাচৰ পৰা ডেট্ৰইট্ মহানগৰলৈ ৰাওনা হলোঁ। ইয়াৰ মানুহে গাড়ী চলাই কেনো ঠাইলৈ গ'লে লগত এখন মানচিত্ৰ লৈ যায়। মানচিত্ৰ অনুসৰি আলিৰ দাঁতিত লিখি থোৱা নিৰ্দ্দেশনা চাই পথ বিচাৰি উলিয়ায়। এই যাত্ৰাত হাই-ওৱেৰ দুয়োকাষৰ পথাৰত প্ৰচুৰ চয়াবিন আৰু মাকৈজোৱাৰ খেতি দেখিলোঁ। যুক্তৰাষ্ট্ৰ হৈছে পৃথিবীৰ সৰ্ব্বশ্ৰেষ্ঠ মাকৈজোৱা উৎপন্নকাৰী মহাদেশ। অহাইঅ' ৰাজ্যৰ পৰা নেব্ৰাস্কালৈকে, মাজত আইওৱা, ইলিনয় আৰু ইণ্ডিয়ানা ৰাজ্য জুৰি এই মাকৈজোৱা বলয় গঠিত। এই অঞ্চলত উৎপন্ন হোৱা সকলো মাকৈজোৱা গৰু-গাহৰিক মাংসৰ বাবে পৰিপুষ্ট কৰিবলৈ খাদ্যৰূপে ব্যৱহৃত হয়। চিৰিয়েলচ্ (cereals) আদি মুৰী জাতীয় নানাবিধ ৰেডিমেড্ জলপানো ইয়াৰ প্ৰস্তুত কৰে।

যুক্তৰাষ্ট্ৰত আমাৰ দেশৰ দৰে গ্ৰামাঞ্চলত প্ৰতিঘৰ মানুহে নিজাকৈ খেতি-বাতি নকৰে। কোনো লোকে নিজাকৈ ১৬০ একৰ বা তাতোকৈ অধিক পৰিমাণৰ মাটি লৈ তাত কৃষি-পাম কৰিবলৈ আবেদন কৰিলে চৰকাৰে তেওঁৰ আবেদন গ্ৰাহ্য কৰে বা স্বীকৃতি দিয়ে। চৰকাৰৰ ফালৰ পৰা প্ৰয়োজনীয় সা-সুবিধা খিনিও লাভ কৰে। খেতি পথাৰত সকলো কাম যন্ত্ৰৰ দ্বাৰাই কৰা হয়। ট্ৰেক্টৰেৰে মাটি চহ কৰা, বিমানেৰে পথাৰত শস্যৰ বীজ সিঁচা, দৰব চটিওৱা, মেচিনেৰে শস্য চপোৱা আদি কামবোৰ কৰা হয়। খেতিয়কবোৰৰ নিজাকৈ গাড়ী আৰু একোখন সৰু বিমানো থাকে। নিৰ্দ্দিষ্ট সময়ত শস্যবোৰ চপাই পথাৰৰ মাজত থকা ভঁড়ালত থোৱা হয়। সময়ত সেইবোৰ বজাৰলৈ পঠোৱা

হয়। যুক্তৰাষ্ট্ৰৰ দক্ষিণ পূব অঞ্চলৰ প্ৰচুৰ বৰষুণ হোৱা কিছুমান ঠাইত ধান খেতি হয় যদিও এই মহাদেশত কুহিয়াৰ, মাকৈজোৱা কপাহ, ধপাত আদিৰ খেতি প্ৰচুৰ পৰিমাণে কৰা হয়। গাড়ীৰে গৈ থাকোতে পথাৰৰ মাজত ওখ ওখ ভঁড়ালবোৰ চকুত পৰিছে। আমি ক্ৰমে ডেট্ৰইট্ নগৰৰ ওচৰ চাপি আহিছোঁ। বাটত একো একোখন তিনিখণ্ডীয়া প্ৰকাণ্ড প্ৰকাণ্ড ট্ৰাকত বাৰ-চৈধ্যখন গাড়ী বোজাই কৰি নিয়া চকুত পৰিছে। পৃথিবীৰ সৰ্ব্বমুঠ মটৰ গাড়ীৰ অৰ্দ্ধেক যুক্তৰাষ্ট্ৰৰ পৰাই উৎপন্ন হয়। পৃথিবী বিখ্যাত জেনেৰেল মটৰচ্, ফোৰ্ড, ক্ৰাইচলাৰ আদি বৃহৎ প্ৰতিষ্ঠানবোৰে যে[illegible] চেভ্ৰলেট্, পণ্টিয়াক, কেডিলাক, প্লাই-মাউথ আদি গাড়ীবোৰ তৈ[illegible] কৰে। এই মহাদেশৰ মটৰ গাড়ী নিৰ্মাণৰ এই বৃহৎ উদ্যোগ[illegible] সৰহ ভাগেই ইৰি হ্ৰদৰ পাৰৰ ডেট্ৰইট্ চহৰত অৱস্থিত। অ[illegible] কেতবোৰ কেন্দ্ৰ হ'ল চিকাগো, ক্লিভ্‌লেণ্ড, বাফেলো, ইণ্ডিয়ানাপোলী আদি। এই মহাদেশত মটৰ গাড়ী ব্যৱহাৰৰ পৰিমাণ পৃথিবীৰ ভিতৰতে সৰ্ব্বাধিক।

গধূলি আঠ বজাত আমি ডেট্ৰইট্ আহি পালোঁহি। দাসৰ ঘৰৰ সমুখত শীত-তাপ নিয়ন্ত্ৰিত গাড়ীৰ পৰা নমাৰ লগে লগে শীত অনুভব কৰিলোঁ। সত্যেন দাসৰ দুমহলীয়া ঘৰটোৰ ভিতৰলৈ সোমাই গৈ দেখিলোঁ, নিমন্ত্ৰিত অসমীয়া অতিথিৰে এওঁলোকৰ ঘৰ উছলি-মুছলি। আমি ইমান দূৰ গাড়ীৰে আহিছোঁ যদিও সামান্য ভাবেও ভাগৰি পৰা নাই। দাসৰ পত্নী নমিতা, তেওঁলোকৰ সন্তান [illegible], প্ৰিতম আৰু বিশেষকৈ নমিতাৰ মাক-দেউতাক শ্ৰীযুত ৰাম প্ৰসন্ন দাসকো ইয়াতে লগ পাই আমি বৰ আনন্দিত হলোঁ। ইতিমধ্যে কলম্বাচৰ পৰা নিৰ্মালীহঁতো আহি পাইছে। এওঁলোকৰ ঘৰত গোট-খোৱা মানুহবোৰৰ মাজত বহুতো চিনাকি মুখ দেখি পৰিৱেশটো আপোন-আপোন লাগিল। সৰু-ডাঙৰ সকলোৱে বেলেগ বেলেগ কোঠালিত ভাগে ভাগে কথা-বতৰা পাতি, ৰং-ধেমালি কৰি উইক-এণ্ডটো সুন্দৰকৈ উপভোগ কৰিছে। প্ৰফুল্ল বৰুৱা, তেওঁৰ পত্নী ৰুমা;

স্মিতা দত্ত আৰু তেওঁৰ স্বামী; ধন বৰদলৈ সস্ত্ৰীক; অনুপমে অসমৰ পৰা অহা জাহ্নৱী আৰু তেওঁৰ স্বামী; তদুপৰি গুৱাহাটীৰ কেইবাটাও চিনাকি পৰিয়ালক লগ পাই আমি যে সুদূৰ আমেৰিকাৰ ডেট্ৰইট্ মহানগৰত আছো পাহৰি গৈছো। এওঁলোকৰ ঘৰত তুপৰীয়া নাম প্ৰসংগও পাতিছিল, পিচে আমি পদ্মকৈ অহা বাবে তাত ভাগ ল'ব নোৱাৰিলোঁ।

আজি ইয়াত গোটখোৱা মহিলাসকলক অসমীয়া সাজত দেখিছো। সাধাৰণতে আমেৰিকাত বসবাস কৰা প্ৰায় ভাগ অসমীয়া আৰু ভাৰতীয় মহিলাই পেণ্ট-চাৰ্ট বা স্কাৰ্ট পিন্ধে; কপালত ফোঁট আৰু শিৰত সেন্দুৰ লোৱা দেখা নাযায়। ইয়াত দেখিলোঁ, উপহাৰ পোৱাৰ লগে লগে উপহাৰ দিওঁতাৰ উপস্থিতিতে উপহাৰৰ পেকেট খুলি বস্তু চাই প্ৰশংসাসূচক ধন্যবাদ দিয়া নিয়ম।

ৰান্ধ-বাঢ়ি টেবুলত সজাই থোৱা খাদা-সম্ভাৰৰ পৰা নিজে নিজে ৰুচি অনুসৰি এপদ এপদকৈ খোৱা বস্তু প্লেটত লৈ খাবলৈ বহিলো। খোৱা-বোৱাৰ পিচত গান-বাজনা চলিল। স্মিতাই পিয়ানো বজালে, নিতুই জ্যোতি-সঙ্গীত গালে আৰু নিৰ্মালী, মঞ্জুলা, ৰুমাইতে অসমীয়া গীত জুৰি দিলে। তেওঁলোকৰ হেঁচাত ময়ো সেই সমবেত সঙ্গীতত যোগ দিবলগীয়া হ'ল। গান-বাজনা, কেছেট শুনা, গল্প-গুজৱৰ পিচত নিশা বিচনাত পৰোতে এক বাজি গৈছে।

ৰাতিপুৱা সোনকালেই সাৰ পালোঁ। গা-পা ধুই চাহ জলপান খাই কলম্বাচলৈ উভতিবলৈ সাজু হ'লো। গৃহস্থই কিন্তু আমাক ইমান দূৰলৈ ভাত-পানী নোখোৱাকৈ কোনোমতেই আহিবলৈ নিদিয়ে। অনিতাৰ মাক "বাইদেৱে" লৰালৰিকৈ অলপ ভাত ৰন্ধাই দি মাছৰ জোল এখন ৰান্ধিলে। এওঁলোকৰ মৰমসনা আদৰ-আপ্যায়ন বহুত দিনলৈ মনত থাকিব। বাহিৰলৈ ওলাই অহাত চকুত পৰিল চকু-জুৰোৱা লাৱণ্যৰে মুকলি পৰিৱেশ, বিভিন্ন পুষ্প সম্ভাৰ, কোমল সেউজী ঘাঁহনি। এওঁলোকৰ পৰা বিদায় লৈ কিছুদূৰ ঘূৰি পকি দেবজিৎ বৰুৱাৰ ঘৰত সোমালোঁহি। নমিতাইঁতো তেওঁলোকৰ গাড়ীৰে বৰুৱাৰ

ঘৰলৈকে আহিছে। ইয়াতো সেই একেই মনোৰম পৰিৱেশ। এওঁ-লোকৰ পৰা বিদায় লৈ আহোঁতে মনটো কিয় জানো অলপ সেমেকি গ'ল।

ডেট্ৰইট্ মহানগৰী অতিক্ৰম কৰি হাইওৱে'ৰে দ্ৰুতগতিত গাড়ী আগবাঢ়িল কলম্বাচ অভিমুখে। আগদিনা গধূলিৰ উচ্ছাসভৰা মনোৰম ছবিখন ঘনে ঘনে চকুত ভাঁহি উঠিছে। দুঘণ্টামানৰ পিচত হাইওৱে'ৰ দাতিত থকা Mc Donald's নামৰ ফাষ্ট্ ফুড্'ৰ দোকানখনত সোমাই চাহ আৰু 'হট্ এপল্ পাই' খালোঁ। গধূলিৰ আগে আগে কলম্বাচ আহি পালোঁহি। পিচদিনা নিচেই পুৱাতে আমি কলম্বাচ এৰিম।

— × —

"সেণ্টজবুলীয়া হিউষ্টন"

চিন্‌চিনাটি বিমান বন্দৰো অতি বৃহৎ আৰু সুদৃশ্য। লাগেজ বুকিং কৰি ছিকিউৰিটি চেকৰ বাবে এক্সৰেৰ মাজেদি মোৰ বেগ দুটা যাবলৈ দিলোঁ। বেগৰ ভিতৰতে অৰ্দ্ধসমাপ্ত ফিলৰ সৈতে কেমেৰাটো আছিল। অনিলে সুধিলে, "বাইদেউ, আপোনাৰ কেমেৰাত ফিল আছিল নেকি ? মই "আছিল" বুলি কোৱাত তেওঁ ক'লে 'তেনেহলে ফিলটো গ'ল আৰু" মনটো বেয়া লাগিল। হিউষ্টনলৈ গৈ ফিলটো প্ৰিণ্ট কৰাব পিচত দেখা গ'ল দুই-চাৰিখন ফটোৰ বাহিৰে বাকীবোৰ সম্পূৰ্ণ নষ্ট হৈ গৈছে। লাউঞ্জত বেলেগ বেলেগ এয়াৰ লাইনচৰ বাবে সুকীয়া সুকীয়া ভাগ আছে। আমি ডেল্টা এয়াৰ লাইনচৰ ভাগত বহিলো। দুপৰীয়া বাৰ বাজি উনচল্লিশ মিনিটত বিমান এৰাৰ সময়। হাতত যথেষ্ট সময় থকাত টাৰ্মিনেল ভবনৰ ভিতৰত থকা ৰেষ্টোৰাত চাহ খাবলৈ সোমালোঁ। অনিলে আমাৰ পৰা বিদায় লৈ কলম্বাচলৈ উভতি যাবলৈ ওলাল। তেওঁ যথেষ্ট সময় খৰচ কৰি আমাক ইমান দূৰলৈ গাড়ীৰে আনি বিমান বন্দৰত থৈ যোৱা বাবে অশেষ ধন্যবাদ জনাই বিদায় দিলো। বিদেশত আপোনজনৰ লগত দু'দিন একেলগে থাকি ফুৰা চকা কৰি এৰি আহিবৰ পৰত মনটো বেজাৰে আৱৰি ধৰে। লাউঞ্জত বহি আইনাৰ বেৰৰ মাজেদি ৰাণ-ৱেত দেখিলোঁ, শাৰী শাৰীকৈ ৰৈ আছে বিমানবোৰ। ইখনৰ পিচত সিখন উৰিছে, সিখনৰ পিচত ইখন আহি নামিছে। নিৰ্দ্দিষ্ট সময়ত আমাৰ বিমান যুক্তৰাষ্ট্ৰৰ উত্তৰ-পূব অঞ্চলৰ চিন্‌চিনাটি বিমান বন্দৰৰ পৰা দক্ষিণাঞ্চলৰ টেক্সাচ ৰাজ্যৰ হিউষ্টনলৈ উৰা মাৰিলে। কন্তেক

পিচতে উৰন্ত বিমানৰ মাইকত ঘোষণা কৰা শুনিলোঁ যে আমি এতিয়া মিছিছিপি নৈৰ ওপৰেৰে গৈ আছোঁ : পৃথিবীৰ দীৰ্ঘতম নদী। খিড়িকীৰে ভুমুকিয়াই তললৈ চালোঁ। দুঘণ্টাৰ মূৰত মোৰ ঘড়ীমতে আবেলি তিনি বজাত হিউষ্টনৰ হবি (Hobby) বিমান বন্দৰ পালোঁ। হিউষ্টনত তেতিয়া আবেলি দুই বাজিছে ; বিমানখন যেতিয়া নিচেই তলেৰে চহৰৰ ওপৰে ওপৰে উৰি আছে ; তেতিয়া খিড়িকীৰ আইনাৰে তললৈ ভুমুকিয়াই চাওঁ : নতুন ঠাই, নতুন বস্তু দেখাৰ আশাত মন উগুল-থুগুল হৈ পৰে। সেউজী গছ-গছনিৰে আবৰা হিউষ্টন এখন বিশাল মহানগৰী। বিমানৰ পৰা নামি আহি লাউঞ্জত দেখিলোঁ আমাক আগবঢ়াই নিবলৈ আহিছে আমাৰ ভাতিজী ছোৱালী ৰিমা আৰু জোঁৱাই নবাঞ্জন দাস। নবাঞ্জন দাস অসমৰ সু-সাহিত্যিক চিলঙৰ স্বৰ্গীয় ৰমা দাসৰ পুত্ৰ। বিমান বন্দৰৰ পৰা ঘৰলৈ আহোঁতে ৰিমাহঁতে আমাক ঘৰৰ খবৰ, আপোনজনৰ খবৰ, অসমৰ খবৰ-বাতৰি এটি এটিকৈ সুধি গ'ল। ওৰেটো বাট নানান কথা পাতি পাতি এঘণ্টাৰ মূৰত তেওঁলোকৰ ঘৰ পালোঁহি। অলপ পিচতে তেওঁলোকৰ দহ বছৰীয়া ছোৱালী মিস্তি আৰু পাঁচ বছৰীয়া ল'ৰা তিমোথী স্কুলৰ পৰা আহি পালে। আমাক বহু দিনৰ মূৰত লগ পাই ৰিমাৰ আনন্দৰ সীমা নাই, আমাৰ অৱস্থাও তথৈবচ।

বিদেশত থকা অসমীয়া পৰিয়াল কেইঘৰে কোনোবা অসমীয়া মানুহ ভাৰতৰ পৰা ফুৰিবলৈ অহা গম পালে লগ পাবলৈ উচ্পিচাই থাকে, চিনাকিয়েই হওঁক বা অচিনাকিয়েই হওক কোনো কথা নাই। দূৰ দূৰণিৰ বহুতো ঠাইৰ পৰা টেলিফোনৰ যোগেৰে দেশৰ বা-বাতৰি লয়। তেওঁলোকৰ তালৈ গৈ দুদিনমান থাকি আহিবলৈ নিমন্ত্ৰণ জনায়। ঘৰ আহি পোৱাৰ লগে লগে কলম্বাচৰ অনিল আৰু পৰজালৈ টেলিফোন কৰি আমি সুকলমে আহি পোৱাৰ বাতৰিটো দিলোঁ। সেইদিনা আবেলি ৰিমাহঁতৰ তালৈ ফুৰিবলৈ আহিল গীতা ডেকা আৰু তেওঁৰ সাত বছৰীয়া পুত্ৰ ৰাজা। গীতা অসমৰ প্ৰাক্তন মন্ত্ৰী কমল কুমাৰী বৰুৱাৰ কন্যা। এওঁলোকৰ তিনি ভগ্নীয়েই বৰ্ত্তমান

মার্কিন যুক্তৰাষ্ট্ৰৰ ভিন ভিন ঠাইত বস-বাস কৰি আছে। প্ৰথম চা-টিনাকিৰ পিচতেই আমাৰ মাজত নানা ধৰণৰ কথা-বতৰা চলিল। বাজাই মিস্‌তি আৰু তিমোথীৰ সৈতে ভি. ডি, অ' গেমচ্‌ নিন্‌টেন্‌ডো খেলত মগ্ন হ'ল। ৰিমাই তেওঁলোকক ৰাতিৰ সাজ খাই যাবলৈ অনুৰোধ কৰিলে। তেওঁৰ স্বামী মাধব ডেকা সেই সময়ত আন এখন ঠাইলৈ গৈছে। দুয়োজনীয়ে একেলগে ৰন্ধা-বঢ়াও কৰি আছে আৰু লগতে ইটো-সিটো কথাতো যোগ দিছে। ভাত-পানী খাই উঠি গীতাই ল'ৰাটোৰ সৈতে ৰাতি দহ বজাত গাড়ী চলাই ঘৰলৈ যাবলৈ ওলাল। সুধিলোঁ, কিমান দূৰৈত তোমাৰ ঘৰ, গীতা?" হাঁহি মাৰি তেওঁ উত্তৰ দিলে "বেছি দূৰ নহয়, মাত্ৰ দহ মাইল।" তেওঁ আমাক বুধবাৰে ভাতৰ নিমন্ত্ৰণ কৰি থৈ গ'ল।

পিচদিনা ৰাতিপুৱা আমি বিচনাত থাকোঁতেই ৰিমাহঁত সকলোটি স্কুল-অফিচলৈ দিহা-দিহি গ'ল গৈ। শুই উঠি গা-পা ধুই চাহ-জলপান খাই শীত তাপ নিয়ন্ত্ৰিত ঘৰৰ বাহিৰলৈ ওলাই আহি গৰম অনুভৱ কৰিলোঁ। ঘৰটোৰ পিচফালে কাঠৰ বেৰ দিয়া শাকনি বাৰীখনত কেইজোপামান ভেন্দি, জলকীয়া আৰু দুজোপা উৰহীৰ গছ। বাহিৰলৈ ওলাই আহি ইফালে-সিফালে চকু ফুৰালো, শাৰী শাৰী পৰিকল্পিতভাবে সজা চাপৰ চাপৰ এমহলীয়া স্পেনিছ ডিজাইনৰ মৰম লগা ঘৰবোৰ, মাজেদি মিহি পৰিষ্কাৰ আলিবাট। আলিবাটৰ দুয়োকাষে শাৰী শাৰীকৈ থোৱা সৰু সৰু পাত্ৰৰ পাতল সেউজীয়া ৰঙৰ গছবোৰৰ কোমল শোভাই চকু জুৰ পেলায়। ক'তো অকণো কোলাহল নাই, নিৰিবিলি পৰিবেশ। ইয়াৰ প্ৰাকৃতিক পৰিবেশে অসমৰ কথা মনত পেলাই দিয়ে। জহকালি প্ৰচণ্ড গৰম আৰু ৰৰষুণ হয়। ৰিমাহঁতৰ ঘৰৰ একাষে থাকে এহাল কৃষ্ণাঙ্গ স্বামী-স্ত্ৰী। দুদিনমান আগতে তেওঁলোকৰ বিবাহ বিচ্ছেদ হোৱাত দুয়ো ক'ৰবালৈ গুচি গৈছে; বন্ধ ঘৰটোৰ সন্মুখত দুখন গাড়ী অবহেলিতভাবে পৰি আছে। আনকাষে থাকে এহাল আমেৰিকান। কিছুদিন আগতে ঘৰৰ গিৰিহঁতক কোনোবাই মাৰি পেলাইছে; ঘৰটো পৰিত্যক্ত অৱস্থাত আছে।

সমাজ ব্যৱস্থাৰ ক্ষেত্ৰত তেওঁলোকৰ সৈতে আমাৰ অকণো মিল নাই। মাতৃত্বৰ যি মহিয়সী ৰূপ আমাৰ দেশত দেখা যায় ইয়াত তাৰ ব্যতিক্ৰম দেখিলোঁ। এওঁলোকৰ দাম্পত্য জীৱন বৰ ক্ষণস্থায়ী। যৌবন প্ৰাপ্ত হোৱাৰ লগে লগে আমেৰিকান ল'ৰা-ছোৱালীয়ে মাক-দেউতাকৰ পৰা আঁতৰি আহি বেলেগে থাকিবলৈ লয়, নিজৰ পছন্দমতে বিয়া কৰায়, মাক-দেউতাকৰ লগত কোনো সম্পৰ্ক নাৰাখে। আজিকালি ইয়াত বিয়া নকৰোৱাকৈ যুবক-যুবতী একেলগে থকাটো সাধাৰণ কথা হৈ পৰিছে। সমাজেও এই বিষয়ত একো মাত নামাতে। সতীত্ব বুলি কোনো কথা এওঁলোকৰ মাজত নাই। ব্যক্তি জীৱনৰ পবিত্ৰতা সম্পৰ্কে কোনো আদৰ্শ এই দেশত দেখা পোৱা নাযায়, যাৰ আদৰ্শৰে ল'ৰা-ছোৱালীয়ে নিজৰ জীৱন গঢ়ি তুলিব পাৰে। মাক-দেউতাকৰ আদৰ্শতেই এওঁলোক ডাঙৰ-দীঘল হৈছে। শতকৰা পচানব্বৈ ভাগৰে বিবাহ-বিচ্ছেদ হয়। ছোৱালীয়েও সমানে চাকৰি কৰে বাবে কোনেও কাৰো হকা-বধা শুনিব নোখোজে; কোনো বন্ধনত থাকিব নোখেজে। ইয়াত কথাই কথাই ডাইভোৰ্চ হয়। নিজ সন্তানক স্বামী বা পত্নীৰ সৈতে এৰি থৈ নতুন স্বামী বা পত্নীৰ সৈতে ঘৰ কৰিছেগৈ। আমেৰিকাত বস-বাস কৰি থকা মোৰ এগৰাকী বান্ধৱীয়ে ৰগৰ কৰি এইদৰে মন্তব্য দিছিল—এওঁলোকে সকলো পুৰণি বস্তু পেলাই নতুন বস্তু লয়, সেইদৰে এওঁলোকৰ গৃহস্থ বা গৃহিনীও সঘনে সলনি হৈ থাকে। ইয়াৰ বিষম ফল ভোগ কৰে সন্তানসকলে। ইয়াৰ মাতৃসকলে নিজৰ সুখৰ কথাহে বেছিকৈ ভাবে আৰু তেওঁলোকৰ সাঁচতীয়া ধন নিজৰ সুখ-সম্ভোগৰ বাবেহে ব্যয় কৰে; সন্তানৰ বাবে নহয়। সন্তানৰ ভবিষ্যতৰ বাবে ধন সঞ্চয় কৰা নিয়ম আমাৰ দেশৰ দৰে এওঁলোকৰ মাজত নাই।

আমেৰিকানসকল আত্মকেন্দ্ৰীক স্বভাৱৰ। আমাৰ দেশৰ দৰে ইঘৰ-সিঘৰৰ মাজত বৰ বেছি আহ-যাহ নাই। আগতে খবৰ নিদিয়াকৈ কাৰো ঘৰলৈ যোৱা নিয়ম ইয়াত নাই। মানুহবোৰে লগ পালেও নিজৰ ল'ৰা-ছোৱালীৰ কথা নকৈ পোহনীয়া কুকুৰ বা মেকুৰীৰ কথাহে

কৰলৈ ধৰে। ঘৰুৱা অশান্তিৰ ফলত ভগ্ন পৰিয়ালত কিছুমান শিশু মানসিকভাবে বাধাগ্ৰস্ত হৈ পৰে। তেনে শিশুসকলক বিশেষ সতৰ্কতাৰে শিক্ষা দিয়াৰ ব্যৱস্থা এই দেশত আছে। বাধাগ্ৰস্ত শিশুবোৰে স্কুলত ভাল ফল দেখুৱাব নোৱাৰিলে সিহঁতক সমাজ কল্যাণ অনুষ্ঠানত ৰখাৰ ব্যৱস্থা কৰা হয়। এনে অনুষ্ঠানবোৰে শিশুক বিনামূলীয়াকৈ শিক্ষা দিয়ে। বাধাগ্ৰস্ত শিশুৰ কল্যাণৰ বাবে এনেকুৱা অনুষ্ঠানবোৰে শিক্ষক, চিকিৎসক, মনোবিজ্ঞানীক নিয়োগ কৰে।

মল (Mall) এখন চাবলৈ গলোঁ। মলৰ ভিতৰতে আছে কাপোৰ-কানিৰ পৰা আৰম্ভ কৰি গহনা-গাঁঠৰিলৈ চালে চকুৰোৱা বিভিন্ন বস্তুৰ দোকান। কেইবা মহলীয়া এই মলখন চলন্ত চিৰিৰ সহায়ত উঠা-নমা কৰিব লাগে। এটা চিৰিত ভৰি দি উঠি ললেই আপোনা-আপুনি ওপৰ মহলা পাবলৈ পাৰি। দোকানখন নামী আৰু দামী। আমাৰ অসমৰ দৰে কিছুমান বাঁহৰ খৰাহি, খালৈ আদি মেক্সিকান বস্তুও বিক্ৰীৰ বাবে সজাই থৈছে। মাজে মাজে আছে ফোঁৱাৰা, গছ-গছনি, বহিবলৈ আসন। ক্ৰিচ্‌মাচ্‌ৰ বাবে অক্টোবৰৰ প্ৰথম সপ্তাহৰ পৰাই কিছুমান দোকান-পোহাৰ ক্ৰিচ্‌মাচ্‌ গছ আৰু ৰং বিৰঙৰ লাইটেৰে আটক ধুনীয়াকৈ সজাই পৰাই তুলিবলৈ আৰম্ভ কৰিছেই। এনে বৰদিনৰ উৎসৱত ইজনে সিজনক উপহাৰ দিয়া নিয়ম, গতিকে সেই সময়ত দোকানবোৰত মানুহৰ যথেষ্ট সমাগম হয়। এই দেশত বনুৱাৰ পাৰিশ্ৰমিক অতি বেছি বাবে কাপোৰ-কানি, কেমেৰা, ভি-চি-আৰ আদি নানাবিধ যন্ত্ৰপাতি জাপান, কোৰিয়া, টাইৱান আদি দেশবোৰৰ পৰা অনা হয়।

টেক্সাস ৰাজ্যখন আগতে মেক্সিকোৰ ভিতৰুৱা আছিল। ১৮৪৫ চনত টেক্সাস ২৮ তম ৰাজ্য হিচাপে আমেৰিকা যুক্তৰাষ্ট্ৰত চামিল হয়। যুক্তৰাষ্ট্ৰৰ প্ৰত্যেক ৰাজ্যৰে নিজা নিজা পতাকা আছে। টেক্সাসৰ পতাকাখনত এটি মাত্ৰ তৰা আছে; সেই কাৰণে এই ৰাজ্যক কোৱা হয় "লʼন ষ্টাৰ ষ্টেট।" এই ৰাজ্যৰ ৰাজধানী অষ্টিন।

সেউজীয়া গছ-গছনিৰে ভৰা হিউষ্টন এখন বিশাল মহানগৰ

বহু দূৰলৈ বিয়পি থকা মুকলি ঠাইৰো ইয়াত অভাব নাই। হিউষ্টন ডাঙৰ ডাঙৰ হস্পিতালৰ বাবে বিখ্যাত। "বেলৰ কলেজ অৱ, মেডিচিন", বেনটৰ্ হস্পিতাল, ল'ৰা-ছোৱালীৰ বাবে হাৰমন্ হস্পিতাল উল্লেখযোগ্য। পথুলি ডাউন টাউনৰ ফালে ফুৰিবলৈ ওলাই গ'লোঁ। এই নগৰৰ মেয়ৰ গৰাকী মহিলা। ইয়াৰ প্ৰসিদ্ধ "ৰাইচ ইউনিভাৰ্চিটি"ৰ সমুখেদি আমাৰ গাড়ী আগুৱাই গৈছে। উভতি আহোঁতে দেখিলোঁ। পশ্চিম গগণ অস্তগামী সূৰুযৰ ৰঙেৰে ৰাঙলী হৈ পৰিছে।

হিউষ্টনত বহুতো ভাৰতীয় মানুহ আছে বাবে দোকান-পোহাৰলৈ গ'লে এজন নহয় এজন ভাৰতীয় মানুহ লগ পোৱা যায়েই। ইয়াত ভাৰতীয় মানুহৰ সংখ্যা প্ৰায় বিশ হাজাৰ। এওঁলোকৰ সৰহ ভাগেই গুজৰাটী। পাঞ্জাবী, বঙালী আৰু অসমীয়া পৰিয়ালো ইয়াত যথেষ্ট আছে। গুজৰাটীবিলাকৰ আকৌ বেছি ভাগেই পেটেল উপাধিৰ। ইয়াত এওঁলোকৰ সৰু-ডাঙৰ বহুতো দোকান আছে। ১৯৭২-৭৩ চনৰ পৰা আফ্ৰিকাৰ ইউগাণ্ডাৰ স্বেচ্ছাচাৰী শাসকসকলৰ দমননীতিত তিষ্টিব নোৱাৰি সেই দেশৰ পৰা হাজাৰ হাজাৰ ভাৰতীয় আমেৰিকা আৰু কানাডালৈ গুছি আহিছিল। এই সকলৰ সৰহ ভাগেই আছিল বনিক সম্প্ৰদায়ৰ, ৰাজনৈতিকভাবে পীড়িত হিগনীয়া হিচাপে ইয়ালৈ আহিছিল। সেই সকলৰ বেছি ভাগেই আছিল ভাৰতীয় গুজৰাটী সম্প্ৰদায়ৰ। বৰ বেছি শিক্ষা-দীক্ষা নথকা এই লোকসকল কিন্তু প্ৰচুৰ অৰ্থৰ গৰাকী আছিল। আমেৰিকালৈ আহি এওঁলোকে প্ৰথমতে সৰু-সুৰা হোটেল-মোটেলৰ ব্যৱসায় কৰিবলৈ লয়। এনে ব্যৱসায়ৰ কাম-কাজবোৰ এওঁলোকে প্ৰায় নিজৰ মানুহখিনিৰ দ্বাৰাই কৰোৱায়। এই অঞ্চলত কৃষ্ণাংগও বহুত দেখিলোঁ; পঢ়া-শুনাত এওঁলোক বৰ আগবঢ়া নহয়। প্ৰায় ভাগেই হাইস্কুল শিক্ষা আধৰুৱা কৰে: হাইস্কুল পাছ কৰিলেও কলেজীয়া বা উচ্চ শিক্ষা নলয়। খেল-ধুলা আৰু সঙ্গীতত কিন্তু এওঁলোক যথেষ্ট আগবঢ়া;

পাঁচ অক্টোবৰৰ দিনা ৰাতিপুৱা চাহ খাই ইয়াৰ পৰা চল্লিশ মাইল নিলগৰ "National Aeronautics and Space Administration

অৰ (চমুকৈ Nasa) Johnson Space Center চাবলৈ গলোঁ। আজি নবাগুনে ছুটীলৈ আমাক "নাচা" লৈ নিবলৈ ওলাইছে। হিউ-ষ্টনৰ এইটো এটা অন্যতম চাবলগীয়া বস্তু। ৰিমাই আমাক দিহা-পৰামৰ্শ দি ল'ৰা-ছোৱালী ছুটিবে সৈতে স্কুললৈ ওলাই গ'ল। তেওঁ "ডে-কেয়াৰ" এগনত কাম কৰে।

পাৰ্কিং প্লেচত গাড়ীখন থৈ আমি সমুখৰ বহু দূৰলৈকে প্ৰসাৰিত হৈ থকা মুকলি ঠাই "ৰকেট পাৰ্কিঙ"ত প্ৰবেশ কৰিলোঁ। ইয়াত প্ৰবেশ দ্বাৰেদি সোমালে দৰ্শকে কোনো মাচুল দিব নালাগে। ফটো তুলিবলৈ লগত কেমেৰা নিয়াতো কোনো বাধা নাই। ইয়াত সোমা-য়েই সজাই থোৱা বিৰাট বিৰাট আকৃতিৰ ৰকেটবোৰ চকুত পৰিল। এইবোৰ দেখি সঘনে মনত পৰিছে আমাৰ দেশৰ স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীবোৰলৈ। বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰীয়ে এইবোৰ দেখিলে নিশ্চয় উপ-কৃত হব। মহাকাশ গবেষণাৰ প্ৰথম অৱস্থাৰে পৰা বিভিন্ন সময়ত যিবোৰ ৰকেট মহাকাশলৈ পঠিওৱা হৈছিল সেইবোৰ ৰকেটৰ আৰ্হি ইয়াত সুন্দৰকৈ সজাই থৈছে। বিৰাট বিৰাট আকাৰৰ যিবোৰ ৰকেট দেখিলোঁ। তাৰ ভিতৰত আছে "মাৰ্কিডৰী ৰেড্‌ষ্টোন" নামৰ ৰকেটটো, যিটোত ১৯৬১ চনত পোন প্ৰথমতে মহাকাশলৈ দুজন মানুহ পঠিওৱা হৈছিল। ই ঘণ্টাত পাঁচ হাজাৰ মাইল বেগত গৈছিল আৰু ইয়াৰ ওজন আছিল ৭৮,০০০ পাউণ্ড। এই উৰণটো ১৫½ মিনিটৰ বাবে আছিল। ইয়াৰ কাষতে আছে বিৰাট আকৃতিৰ "ছেটূ আৰ্ণ" ৰকেট। মানববিহীন এই ৰকেট চন্দ্ৰলৈ প্ৰথম পঠোৱা হৈছিল। ইয়াৰ কাষতে আছে ৩৬৩ ফুট দীঘল আৰু ৩০০০ টন ওজনৰ "স্কাইলেব্‌" যানখন।

মহাকাশ অভিযানত ব্যৱহাৰ কৰা বিভিন্ন ধাতু নিৰ্মিত দ্ৰব্য মহাকাশ যানৰ বাহিৰত আৰু ভিতৰত ব্যৱহাৰ হোৱা ঘড়ী, কেমেৰা আদি বিভিন্ন বস্তু ইয়াত সজাই থৈছে। চন্দ্ৰৰ বুকুৰ পৰা অনা শিলৰ টুকুৰা দুটা ইয়াত দেখিবলৈ পালোঁ। "নাচা"ৰ ফিল্মত মহা-কাশ অভিযানৰ ছবিবোৰ গোটেই দিনটো দেখুৱাই থাকে। এই

ভৱন জাপানী, আমেৰিকান, চীনা, ইউৰোপীয়ান আদি দৰ্শনাৰ্থীৰে ভৰি পৰিছে। প্ৰায় সকলোয়েই বিভিন্ন কেমেৰাৰে ফটো তুলিছে। অদূৰ ভবিষ্যতত এওঁলোকে মহাকাশত মহাকাশ চহৰ (Space centre) পাতিবলৈ গবেষণা কৰি আছে। ইয়াত স্পেচ-ষ্টেচনৰ "ক্ৰু" মেম্বাৰ থাকিব পৰা কোৱাৰ্টাৰৰ ডিজাইন কৰি সজাই হৈছে, য'ত মহাকাশ চাৰীয়ে শুব পাৰিব, জিৰণি লব পাৰিব, পোছাক-পাতি পিন্ধিব পাৰিব। এই স্পেচ-ষ্টেচনটো অৰ্থাৎ শূণ্যত ওপঙা মহাকাশ চহৰখন ঘণ্টাত ১৭,০০০ মাইল বেগত মহাশূণ্যত ঘূৰি থাকিব। মহাকাশত মঞ্চ পাতিলে উদ্যোগ আৰু গৱেষণাৰ বাবে বহুতো সুবিধা হব। মহাকাশত মধ্যাকৰ্ষণ আৰু পৃথিবীৰ বায়ুমণ্ডল নাই বাবে তাত ধাতু আৰু চিকিৎসা আদিৰ গৱেষণাৰ ক্ষেত্ৰত যথেষ্ট সুবিধা হব। এনে চহৰ-মঞ্চৰ পৰা দূৰবীণেৰে বিশ্বৰ বিভিন্ন প্ৰান্তৰ নিৰীক্ষণ কৰিবলৈ সহজ আৰু সুবিধা হ'ব; তদুপৰি মহাকাশৰ গভীৰলৈ যাওঁতে ইয়াত জিৰণি লৈ যাব পাৰিব।

আঁতৰে আঁতৰে থকা ভৱনবোৰৰ মাজে মাজে আছে সেউজী পৰিষ্কাৰ বননি, গছ-গছনি আৰু নিমজ আলি। পথৰ কাষতে আছে মিহি গোল শিলেৰে বন্ধাই থোৱা জলাশয়ৰ মনোৰম শোভা। এটা ভৱনত দেখিলোঁ মহাকাশৰ পৰা উপগ্ৰহ প্ৰেৰিত পৃথিবী আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মানচিত্ৰ এখন। সাগৰ, মহাসাগৰ, পৰ্ব্বত, নদ-নদী, হ্ৰদ আদিৰে ওপৰৰ পৰা তোলা ছবিখন মানচিত্ৰৰ সৈতে একেই দেখিলোঁ। এঠাইত চন্দ্ৰৰ বুকুত মানবে কেনেকৈ পদাৰ্পণ কৰিছিল সেইবোৰৰ মুভি পিক্‌চাৰ দেখুৱাই আছে।

সুবিশাল পাৰ্কিং প্লেচ, গছ-বন, ফুলেৰে আবৰা "নাচা" ভ্ৰমণকাৰীৰ বাবে এক দুৰ্ব্বাৰ আকৰ্ষণ। আন এটা ভৱনত চন্দ্ৰৰ বুকুৰ পৰা উভতি অহা চাৰি চকাৰ মহাকাশযানখন দেখিলোঁ; এইখনতে উঠি নীল আৰ্মষ্ট্ৰং আৰু এডুইন এল-ড্ৰিন ১৯৬৯ চনৰ জুলাই মাহৰ ১৬ তাৰিখে সৰ্ব্ব প্ৰথম চন্দ্ৰত পদাৰ্পণ কৰে। জেমিনি, এপ'ল', মাৰ্কিউৰী আদি উপগ্ৰহত বিভিন্ন মহাকাশচাৰীয়ে 'পিন্ধা সাজ-পোছাক-

বোৰ এঠাইত সজাই থৈছে। ওচৰতে আছে "Mission control centre" ভবন। যুক্তৰাষ্ট্ৰৰ ফ্লোৰিডাৰ Cape canaueral অত আছে "কেনেডি স্পেচ্ চেণ্টাৰ"; তাৰ পৰা মহাকাশলৈ ৰকেট নিক্ষেপ কৰি চন্দ্ৰৰ বুকুত মানুহ নমাইছিল, যি আছিল মহাকাশ গৱেষণাৰ ইতিহাসৰ এক অবিস্মৰণীয় ঘটনা। এতিয়া সেই স্পেচ্ চেণ্টাৰৰ পৰা মহাকাশলৈ স্পেচ্ শ্বাট্ল্ আদি উৎক্ষেপন কৰা হয় আৰু "নাচা"ৰ এই Mission control centre অৰ পৰা সেই-বোৰ নিয়ন্ত্ৰন কৰা হয়। টিকট কাটি এই ভবনৰ ভিতৰলৈ প্ৰবেশ কৰিব লাগে। কণ্ট্ৰোল ৰুমৰ কাষৰ আন এটা হল ঘৰত আমি বহিলোঁগৈ। ডাঠ আইনাৰ বেৰৰ ইটো ফালৰ পৰা কণ্ট্ৰোল ৰুমটো স্পষ্টভাবে দেখিছিলোঁ। আৰু আইনাৰ বেৰৰ ইফালৰ পৰা তাত ফটো তোলাত বাধা নাই। মহাকাশ অভিযানৰ অতীত ইতিহাস আৰু ভৱিষ্যত পৰিকল্পনাৰ বিষয়ে ইয়াত দৰ্শকসকলক গাইডে বহল বিৱৰণি দি আছিল। মহাকাশচাৰীক উপযুক্ত প্ৰশিক্ষণ দিয়া হয় "Skylab Trainers Building অত। মহাকাশচাৰীয়ে চন্দ্ৰৰ বুকুৰ পৰা অনা আঠশ পাউণ্ড ওজনৰ শিলৰ টুকুৰাৰ এটা অংশ বৈজ্ঞানিকসকলৰ পৰীক্ষা-নিৰীক্ষাৰ বাবে "Lunar Sample Building" অত সযত্নে সংৰক্ষিত কৰি ৰাখিছে।

"স্পেচ্-চেণ্টাৰৰ পৰা খোজকাঢ়ি ওলাই আহোঁতে বাটত লগ পালোঁ কেইবা গৰাকীও গুজৰাটী পুৰুষ আৰু মহিলা। মহিলাসকলৰ গাত ভাৰতীয় সাজপাৰ। হিউষ্টনত গুজৰাটীৰ কেইবাখনো ডাঙৰ ডাঙৰ কাপোৰৰ দোকান আছে। তাত শাৰীৰ পৰা আৰম্ভ কৰি চুৰিদাৰ, পেণ্ট-চাৰ্টৰ কাপোৰ, কেমেৰা, ভিডিও আদি সকলো বস্তু পোৱা যায়। এই দোকানবোৰত গুজৰাটী মহিলা-সকলেহে "চেল্চ্ গাৰ্ল" হিচাপে কাম কৰে।

অলপ দূৰ গৈয়ে পালোঁ "ক্লিয়াৰ লেক পাৰ্ক"; সাগৰৰ পাৰত নিৰিবিলি মনোমোহা পাৰ্ক আৰু পিক্নিক্ স্পট্। পাৰ্কৰ একাষে আছে শিশুৰ উপযোগীকৈ ৰখা নানা সামগ্ৰীৰে খেলা-ধূলাৰ ব্যৱস্থা।

শাৰী শাৰীকৈ আছে ভাল জাতীয় চাপৰ চাপৰ মেক্সিকান পাম্ গছবোৰ ; কাঠৰ বেঞ্চ, মেজ পাৰি থোৱা আছে ; কাষতে আছে ডাষ্টবিন। অক্টোবৰ মাহৰ দুপৰীয়া হিউষ্টনৰ মুকলি ঠাইত শীত-তাপ নিয়ন্ত্রিত গাড়ীৰ পৰা নামি বেছ গৰম অনুভব কৰিলোঁ। আমি লগত লৈ যোৱা চেণ্ডুউইচ, সিজোৱা কণী, ফলৰ ৰস, পটেটো চিপচ্ আৰু আপেলেৰে পাৰ্কৰ বৃক্ষছায়াত বহি দুপৰীয়াৰ আহাৰ সমাপণ কৰিলোঁ। কাষৰ নীলা পানীৰ সাগৰৰ পৰা অহা এচাটি শীতল বতাহে দেহা শাঁত পেলালে।

উভতি আহোঁতে বাটত এছট্ৰডম নামৰ গোলাকৃতিৰ বৃহৎ ইনদ'ৰ ষ্টেডিয়ামটো দেখিলোঁ। এইটো ষ্টেডিয়ামত ৫৬ হাজাৰ দৰ্শকে একে-লগে বহি খেল উপভোগ কৰিব পাৰে।

ইয়াত দেখিছোঁ সকলো ঠাইতে সকলো মানুহে নিচেই পুৱাৰে পৰা গধূলিলৈ কামতে ব্যস্ত হৈ থাকে। সপ্তাহৰ পাঁচটা দিন এওঁ-লোকে অবিৰাম কাম কৰে। কামৰ কোনো সৰু-ডাঙৰ, বাচ-বিচাৰ নকৰে। সততা আৰু গভীৰ নিষ্ঠাৰে এওঁলোকে নিজৰ নিজৰ কাম কৰি যায় ; বাটে-পথে, দোকানৰ সমুখত বা আন ঠাইত এনেয়ে মেল মাৰি থকা যুবক-যুবতী বা পুৰুষ-মহিলা ইয়াত কদাচিতো দেখা নাযায়। শ্ৰমৰ যথোপযুক্ত সন্মান (dignity of labour) আছে বাবেই উচ্চ শিক্ষিত তথা চহকী সম্ভ্ৰান্ত ঘৰৰ ল'ৰাই প্ৰতিবেশীৰ ঘৰৰ সমুখৰ লনৰ ঘাঁহ মেচিনেৰে কটা বা ছোৱালীয়ে ওচৰ চুবুৰীয়াৰ কেচুৱা ৰখা (Baby Sitter অৰ্থাৎ গৃহিনী গৰাকী ক'ৰবালৈ যাবলগীয়া হ'লে কিছু সময়ৰ বাবে শিশুটো ৰাখি থাকিব লাগে) কাম কৰি টকা উপাৰ্জন কৰে বুলি অভিভাবকে গৌৰবেৰে কবলৈ কুণ্ঠাবোধ নকৰে। ঘাঁহ কাটিলে ঘণ্টাত দহৰ পৰা পোন্ধৰ ডলাৰকৈ আৰু 'বেবী-ছিটাৰ'ৰ বাবে ঘণ্টাত কমেও তিনি ডলাৰ পায়। স্কুল-কলেজৰ ল'ৰা-ছোৱালীয়ে আজৰি পৰত দোকান, ৰেষ্টোৰা বা আন ঠাইত কাম কৰি (part time job) পঢ়াৰ খৰচ উলিয়ায় ; এইবোৰত কাম কৰিলে ঘণ্টাত অতি কমেও পাঁচ ডলাৰকৈ পায়। কম বয়সীয়া

ধুনীয়া ধুনীয়া স্বাস্থ্যৰ তেজাল মৰম-লগা কিশোৰ-কিশোৰী বোৰক দোকানত কাম কৰি থকা, ৰেষ্টোৰাত চাহ, কফি ইত্যাদি দিয়া কামত ব্যস্ত হৈ থকা প্ৰায়েই লগ পাইছো। এওঁলোকে পঢ়াৰ খৰচৰ বাবে মাক-দেউতাকৰ ওচৰত হাত নেপাতে। বিদেশী বহিষ্কাৰ আন্দোলনৰ প্ৰথম অৱস্থাত আমাৰ ৰাজ্যতো স্বাৱলম্বী হ'ব লাগে বুলি শিক্ষিত ল'ৰা-ছোৱালীয়ে শাক-পাচলিৰ দোকান, জোতা পলিচ কৰা আদি কামবোৰ কৰিবলৈ আগবাঢ়ি আহি উপাৰ্জন কৰা দেখা গৈছিল; কিন্তু কিছুদিন পিচত সেইবোৰ কামৰ প্ৰতি আগ্ৰহ কমি আহিল।

কোনোবা শিক্ষিতা চাকৰি নকৰা, হাতত সময় থকা মহিলাই নিজৰ ঘৰতে দিনটোৰ বাবে আনৰ শিশু সন্তান ৰাখিছে। চাকৰিয়াল মাতৃয়ে নিজৰ অকমাণি শিশুটিক নিচেই পুৱাতে তাত থৈ দিনটোৰ বাবে নিজৰ গাড়ীৰে কৰ্মস্থালীলৈ ঢাপলি মেলিছে। এওঁলোকে দুপৰীয়াৰ সাজ আহাৰ বাহিৰতে খায়। এইদৰে ল'ৰা-ছোৱালী ৰখাৰ বিনিময়ত এই মহিলাসকলে যথেষ্ট পাৰিশ্ৰমিক পায়। এটি শিশুক ৰাখিলে আমাৰ টকাৰ হিচাপত মাহত প্ৰায় দুহেজাৰ টকা পায়। এইদৰে নিজৰ ঘৰতে কণ কণ শিশুক দিনটোৰ বাবে ৰাখিবলৈ হ'লে বিভাগীয় প্ৰতিস্থানৰ মুৰব্বীৰ পৰা অনুমতি ল'ব লাগে। এওঁলোকৰ প্ৰতিস্থানৰ পৰা মানুহ আহি ঘৰটো ভালকৈ চাই-চিতি যায়, ল'ৰা-ছোৱালী ৰাখিবৰ বাবে ঘৰটো উপযুক্ত হয় নে নহয়। যদি উপযোগী বুলি বিবেচনা কৰে তেতিয়া অনুমতি দিয়ে, কিন্তু নিজৰ ঘৰত তিনিটাতকৈ অধিক শিশু ৰাখিব নোৱাৰে, কাৰণ ল'ৰা-ছোৱালীৰ সংখ্যা বেছি হ'লে হাইউৰুমি কৰি প্ৰতিবেশীৰ শান্তিত ব্যাঘাত জন্মোৱাৰ ভয়। প্ৰতিবেশীৰ যাতে কোনো অসুবিধা নহয় তাৰ বাবে ইয়াৰ মানুহ সদা সতৰ্ক হৈ থাকে। এইদৰে ঘৰতে শিশুনকলক ৰাখি এখন চাৰ্টিফিকেট লৈ নিজাকৈ অন্য ঠাইত "Day Care School" খুলিব পাৰে। এনে স্কুলবিলাকত কেঁচুৱাৰ পৰা চাৰি-পাঁচ বছৰ বয়সৰ শিশুক দিনটোৰ বাবে ৰখাৰ ব্যৱস্থা আছে। সিহঁতক বিভিন সামগ্ৰী দি খেল-ধেমালীৰ মাজতে ব্যস্ত ৰাখি, খোৱা-বোৱাৰ যতন ধৰি যত্ন সহকাৰে

ৰখা হয়। যথেষ্ট সংখ্যক শিক্ষিতা মহিলাই এনে স্কুলত কাম কৰে। শিশুৰ বয়স অনুপাতে অভিভাবকেও যথেষ্ট মাচুল দিব লাগে। শিশু-বোৰক মাক-দেউতাকে নিচেই সৰুৰে পৰা কাপোৰ পিন্ধা, জোতা-মোজা পিন্ধা, আহাৰ খোৱা আদি কামবোৰ নিজে নিজে কৰি লবলৈ শিক্ষা দিয়ে। গতিকে তিনি বছৰীয়া শিশু এটিয়ে নিজেই এইবোৰ কাম কৰিব পৰা হয়গৈ। মাকবোৰে জন্মৰ পিচৰে পৰা কেঁচুৱাকি বেলেগ কোঠালিত সুকীয়া বিচনাত শুবলৈ দিয়ে; এইদৰে সৰুৰে পৰা আত্মনিৰ্ভৰশীল হবলৈ শিক্ষা দিয়ে। এই দেশৰ শিশুক মাক-দেউতাকে শাসন কৰিব পাৰে যদিও আমাৰ দেশৰ দৰে শিশু সন্তানক মাৰধৰ কৰিব নোৱাৰে। শিশুক কোনো সুৰামত্ত মাক-দেউতাকে মাৰধৰ কৰি অত্যাচাৰ কৰিলে ওচৰ-চুবুৰীয়াই টেলিফোন যোগে থানাত খবৰ দিব পাৰে। তেতিয়া তেনে ব্যক্তিক "চাইল্ড এবিউজ্" (Child Abuse) অৰ্থাৎ শিশুক কদৰ্থনা বা অবহেলা কৰা বুলি আদালতত গোচৰ তৰা হয়।

হাতত সময় থকা মহিলাই প্ৰায়ে স্বেচ্ছাই সেৱা আগবঢ়োৱা Voluntary Service) দেখা যায়। তেওঁলোকে কোনো স্কুল বা হস্পিতালত বিনামূলীয়াকৈ কাম কৰি দি সেৱা আগবঢ়ায় আৰু লগতে তেওঁলোকৰ আজৰি সময়খিনিও ব্যস্ততাৰে কটাই দিয়ে। পুৰণি কাপোৰ-কানি, জোতা, পুতলা আদি গৃহস্থালিৰ বিবিধ অপ্ৰয়োজনীয় বস্তু জমাই থৈ "Saleration Army" নামৰ অনুষ্ঠানলৈ ফোন কৰি জনালে সেইবোৰ তেওঁলোকে আহি ঘৰৰ পৰাই লৈ যায়, সেই বস্তুবোৰ সমাজৰ নিম্নস্তৰৰ মানুহৰ মাজত বিলাই দিয়ে।

হিউষ্টনৰ পৰা ৭৫ মাইল নিলগৰ মেক্সিকো উপসাগৰৰ দাঁতিৰ গেল্ভেছটন উপকূল ভ্ৰমণকাৰীৰ এক অন্যতম আকৰ্ষণ। আবেলি "গেল্ভেছ্টন বীচ্ আইলেণ্ড"লৈ ওলালোঁ। ডেৰ ঘণ্টাৰ মূৰত সেইখিনি পালোঁগৈ। এই উপকূলত প্ৰচুৰ মাছ মাৰে। পাৰত আছে ব্যয় বহুল বিলাসী হোটেলবোৰ। বন্ধাই থোৱা সাগৰৰ পাৰে পাৰে কিছুদূৰ খোজকাঢ়ি ফুৰিলোঁ। অশান্ত উৰ্মিমালাৰ সৈতে সীমাহীন

সাগৰৰ এই অভিনৱ দৃশ্যাই মন ক'ৰবালৈ উৰুৱাই লৈ যায়। সাগৰৰ পাৰৰ বহল আলিত ডেকা-গাভৰু, পুৰুষ-মহিলাই চুটি পোছাক পিন্ধি জগিং কৰিছে, কোনোৱে চাইকেল চলাইছে। সাগৰৰ সফেন উৰ্মি-মালাই অবিৰাম পাৰত খুন্দিয়াই আছে। লাহে লাহে অস্তগামী ভাস্কৰৰ ৰক্তিম আভাই ন-কইনাৰ কোঁৰটিৰ দৰে পশ্চিম গগণ ৰাঙলী কৰি তুলিলে: প্ৰাক্-সন্ধ্যাৰ কি অপৰূপ দৃশ্য! সহস্ৰ বৰ্ণালীয়ে সাগৰৰ পানীতো ৰং চটিয়াই দিলে। তাৰ পৰা আহি ফাষ্ট্ ফুডৰ দোকান এখনত ফ্ৰেন্স ফ্ৰাই আৰু কফি খালোঁ।

আজি গীতাৰ তাত ভাতৰ নিমন্ত্ৰণ। ইয়াত ৰাতিৰ সাজৰ বাবে নিমন্ত্ৰণ থাকিলে গধূলিৰ পিচতেই যোৱা নিয়ম। আমি নিশা আঠ বজাত সেইখিনি পালোঁ। সে সময়তকৈ কিছু পলমেই হ'ল। আহি দেখোঁ জিনা সপৰিয়ালে তেওঁৰ শাহুৰ সৈতে ইতিমধ্যে আহি পাইছেই; মনমোহন হাজৰিকা, মিচেছ হাজৰিকা আৰু তেওঁলোকৰ দহ বছৰীয়া ছোৱালী গীতু আগে-ভাগে উপস্থিত হৈছেহি। তেওঁলোক সকলোকে লগ পাই নিজৰ দেশত থকাৰ দৰেই লাগিল। ফলৰ ৰস আৰু চিপ্‌চেৰে খোৱাৰ পৰ্ব আৰম্ভ কৰিলোঁ। বাংগালী গীতাই সযতনেৰে কেইবাখনো ব্যঞ্জন ৰান্ধি-বাঢ়ি থৈছিল। সাগৰীয় বাফেল' মাছেৰে বিলাহীৰ টেঙা আৰু মাছৰ মুৰিঘণ্টা জুতি লগাকৈ ৰান্ধিছে। খোৱা-বোৱা সমাপন কৰি, কথা-বতৰা পাতি নিশা দহ বজাত ঘৰলৈ উভতিলোঁ। এওঁলোকৰ ঘৰৰ সমুখতেই জিনাহঁতৰ ঘৰ।

হিউষ্টনৰ গ্ৰোচাৰি নানা তৰহৰ শাক-পাচলিৰে উপচি পৰে। প্ৰকাণ্ড প্ৰকাণ্ড ৰঙা লাউ, জাতি লাউ, কবি, মূলা, বিলাহী, কৰ্দৈ, কোমোৰা, কেৰেলা, অমিতা, কল, নাৰিকল, আলু, পিয়াজ, পানকে আদি কৰি আমাৰ দেশত পোৱা আটাইবোৰে ইয়াত বিদ্যমান। ইয়াৰ বজাৰ-বোৰত প্ৰায় সকলো বস্তুৱেই পোৱা যায়। গাজ টেঙাও পোৱা যায়। ইয়াত বস-বাস কৰি থকা প্ৰাচ্যৰ লোকসকলৰ গাজটেঙা বৰ প্ৰিয়। উৎকৃষ্ট "গাজ" টিনত কিনিবলৈ পোৱা যায়। হিউষ্টনত প্ৰচুৰ শাক-পাচলি, ফল-মূল উৎপন্ন হয়; আন ৰাজ্যৰ তুলনাত মূল্যও

যথেষ্ট কম। ভাগে ভাগে, শাৰী শাৰীকৈ বস্তুবোৰ সজাই থোৱা আছে। প্ৰতিটো শাৰীৰ মাজেদি মানুহ অহা-যোৱা কৰিব পৰা সুব্যৱস্থা আছে। এখন দোকানত দেখিলোঁ, একো একোটা ভাগৰ ওপৰত প্ৰত্যেকখন দেশৰে পতাকা আছে। সেই হিচাপে সেই ভাগত সেই দেশৰ পৰা অহা সামগ্ৰীবোৰ সজাই থৈছে। ভাৰতীয় ভাগত দেখিলোঁ বাচমতিকে আদি কৰি বিভিন্ন ধৰণৰ মিহি মিহি বঢ়িয়া চাউল; নানাবিধ দাইল; জিৰা, ধনীয়া, লং, ইলাচী, দালচেনী আদি বিভিন্ন মা-মচলা; নানা তৰহৰ আচাৰৰ পয়োভৰ। বস্তুৰ কাষে কাষে দাম লিখা থাকে, কাকো সুধিবৰ প্ৰয়োজন নাই; নিজে পছন্দ কৰি তুলি লব লাগে। মাছ-মাংসবোৰ বছা-কুটা কৰি ধুই-পখালি পেকেটত ভৰাই থৈছে। মাংসৰ ভিতৰত মুৰ্গী, টাৰ্কি, বিফ্ আদিয়েই প্ৰধান। পালেং শাক, ভেণ্ডি, বীন জাতীয় শাক-পাচলিবোৰ বাছি-কুটি, ধুই-পখালী পেকেটত ভৰাই থয়। কিনি আনি কেৰাহীত ঢালি দিলেই হ'ল। প্ৰায়বোৰ বস্তু পেকেটত পোৱা যায়, খোলাকৈ ৰখা বস্তুও আছে। বজাৰত বস্তুবোৰ বিক্ৰীৰ বাবে উলিয়াই দিয়াৰ আগতে বিশেষজ্ঞই পৰীক্ষা কৰি চায়। এই দেশৰ মানুহবোৰ স্বাস্থ্যৰ প্ৰতি অতি সচেতন। খোলা বস্তু বিলাকত প্লাষ্টিকৰ "টেগ্" এডালত দামটো লিখা থাকে। কিতাপ বা আন কিছুমান বস্তুৰ পিচফালে আঁক্ কেইটামান দেখিবলৈ পোৱা যায়। প্ৰত্যেকটো বস্তুৰ দাম এই আঁক কেইডালতেই থাকে। বস্তুবোৰ নিজে নিলে লৈ দুৱাৰমুখত থকা কাউণ্টাৰলৈ আনি বস্তুখিনিৰ মূল্য সোধাব লাগে। ডাঙৰ দোকানবোৰত ওচৰা-ওচৰিকৈ কেইবাটাও কাউণ্টাৰ থাকে; কাউণ্টাৰত কম্পিউটাৰ মেচিন থাকে। কাউণ্টাৰত থিয় হোৱাৰ লগে লগে তাত থকা যুবক বা যুবতী গৰাকীয়ে ট্ৰলীৰ পৰা নমোৱা বস্তুবোৰ টেবুল-খনৰ ওপৰেদি এটা এটাকৈ চোঁচোৰাই নি তাৰ তলতে মোনা এখনত থৈ যায়। প্ৰত্যেকটো বস্তু এইদৰে চোঁচৰাওতে ক'লা আঁচ থকা চিনটো তল ফালে দিয়ে যাতে টেবুলত ঘহঁনি খায়। এনেকৈ চোঁচৰাই নিওঁতে প্ৰত্যেকটো বস্তুৰ পৰা "কুঁউট" কৈ সৰু শব্দ এটা আহি

ধৰা পৰে, লগে লগে কম্পিউটাৰত হিচাপটো ওলাই আহে। এই ক'লা আঁচ কেইডালক কয় সংবেদনশীল আঁক্। কোনোবাই যদি দোকানৰ দুই এপদ বস্তু কোনেনো গম পাব বুলি ভাবি মনে মনে লুকুৱাই লৈ আহে, তেতিয়া দুৱাৰ পাৰ হওঁতে "কুউট" "কুউট" কৈ শব্দ ওলাব আৰু তেওঁ যে হাত-লৰ স্বভাৱৰ কথাটো ওলাই পৰিব; লগে লগে আইনমতে দণ্ড পাব।

কিছুমান দোকানত দামী বস্তু আধা মূল্যতে কিনিব পাৰি। ইয়াত মানুহে নতুন বস্তুৰ প্ৰতি অধিক আকৰ্ষিত হয় আৰু কিনে। পুৰণি বস্তু কম মূল্যত বিক্ৰী কৰে; তাৰ কাৰণ হ'ল, যুক্তৰাষ্ট্ৰত পুৰণি বস্তু মেৰামতি নকৰে। নতুন নতুন ধৰণৰ কেমেৰা, টি-ভি, ভিডিও ৰান্ধনীঘৰৰ সৰঞ্জাম আদি কিনি থাকে আৰু পুৰণিবোৰ দোকানেই কম দামত কিনি লয়। বহুতো সময়ত টিপ্-টপ অৱস্থাত ৰখা বস্তুবোৰ কম মূল্যতে কিনিব পৰা যায়। যুক্তৰাষ্ট্ৰত বহুতে সঘনে ঘৰ সলনি কৰি থাকে। কোনোবাই ঘৰ সলনি কৰোতে সৰহ বস্তু কঢ়িওৱাৰ জঞ্জাল মাৰিবৰ বাবে চকী-মেজ, টি-ভি ছেট, কাপোৰ কানি, ফটো আদি নীলাম কৰাৰ উপৰিও কম মূল্যত বিক্ৰী কৰি দিয়ে। কেতিয়াবা সামাজিক সন্থাবোৰেও এনে বস্তু নি বিক্ৰী কৰে আৰু সেই ধন বা বস্তুবোৰ সামাজিক কামত ব্যৱহাৰ কৰে।

এই দেশৰ মানুহৰ সময়-জ্ঞান শলাগিবলগীয়া। কৰ্মক্ষেত্ৰ যিমান দূৰতেই নহওক নিৰ্দ্দিষ্ট সময়ত গৈ উপস্থিত হয় গৈ। এই দেশত সকলো কামেই থিক সময়ত হোৱা দেখিছোঁ। ঘড়ীৰ কাঁটাৰ সৈতে যেন এওঁলোকৰ জীৱন-বন্ধা। বিমান, ৰেল, বাছ সকলোতে থিক কাঁটাই কাঁটাই নিৰ্দ্দিষ্ট সময়ত যাত্ৰা আৰম্ভ হবই। এই দেশৰ এই কথাটোৱে মোক অতিকৈ আকৃষ্ট কৰিছিল।

ইয়াৰ কোনো কামতে পুৰুষ আৰু মহিলাৰ মাজত পাৰ্থক্য চকুত নপৰে। দোকানত, অফিচত, বিমান বন্দৰত, বেঙ্কত সকলোতে পুৰুষ-মহিলাই সমানে কাম কৰিছে। এইবোৰত ছোৱালীৰ সংখ্যাই সৰহ দেখা যায়। ডাঙৰ ডাঙৰ বাছ বিলাকো পুৰুষ-মহিলাই সমানে

চলায়। বাছ বিলাকত কণ্ডাক্টৰ নাথাকে। ঘৰুৱা কাম বিলাকো স্বামী-স্ত্ৰীয়ে সমানেই কৰে। ভেকুৱাম ক্লিনাৰেৰে মজিয়াৰ কাৰ্পেট চাফা কৰা, বন্ধা-বঢ়া কৰা, দিচ্ ৱাচাৰত বাচন-বৰ্তন ধোৱা, ৱাশ্বিং মেচিনত কাপোৰ-কানি ধোৱা, চাহ-কফি আদি কৰি অতিথি-অভ্যাগতক আপ্যায়ন কৰা আদি সকলো ঘৰুৱা কাম মহিলাৰ নিচিনাকৈ পুৰুষেও কৰে। ঘৰে-বাহিৰে কাম-কাজত পুৰুষ-মহিলাৰ ভেদাভেদ নাই। উচ্চ বিষয়াৰ পৰা শ্ৰমিকলৈ ইয়াত প্ৰায় প্ৰত্যেকৰে নিজা নিজা গাড়ী আছে। স্বামী স্ত্ৰীৰ সুকীয়া সুকীয়া গাড়ী আছে। আনকি কিছুমান ল'ৰা-ছোৱালীৰ নিজাকৈ একোখন গাড়ী থাকে। পৰিষ্কাৰ খোৱাৰ দোকান, Resi Room বা Toilet সকলো ঠাইতে দেখিবলৈ পোৱা যায়। তদুপৰি কেওদিশে বিজুলী-চাকি আৰু টেলিফোনৰ পূৰ্ণ পয়োভৰ। এক মুহূৰ্ত্তৰ বাবেও বিজুলীৰ ব্যাঘাত ঘটা দেখা নাই। আমাৰ দেশৰ চাকৰিয়াল পুৰুষ-মহিলাৰ দৰে ঘৰৰ জঞ্জাল মাৰি জনবহুল বিশৃঙ্খল পথেৰে খোজ কাঢ়ি, ৰিক্সাৰে বা বাছত হেচঁা-ঠেলাকৈ উঠি কৰ্মক্ষেত্ৰলৈ গৈ প্ৰচণ্ড গৰমত বিজুলীৰ অভাৱত চাটিফুটি কৰিব নালাগে। দিনে-ৰাতি চিক্‌চিকীয়া গাড়ীবোৰ কোনো হৰ্ণ আদিৰ শব্দ নোহোৱাকৈ মসৃন বহল ৰাজ আলিয়েদি বিৰক্তি নোহোৱাকৈ গৈ থাকে, যেন হাজাৰ বিজাৰ গাড়ীৰ এক মৌন সম-

চাওঁতে চাওঁতে দুৰ্গাপূজাৰ দিনবোৰ আহি পালেহি। হিউষ্টনত বাস কৰা বঙালীলোকসকলে প্ৰতি বছৰে তাত দুৰ্গোৎসৱৰ আয়োজন কৰে, দক্ষিণ ভাৰতীয় বা আন ভাৰতীয় সকলবো নানান পূজা-পাৰ্ব্বন ইয়াত হৈ থাকে। বহুতো ভাৰতীয় মানুহে লক্ষ্মীপূজা, সত্যনাৰায়ণ পূজা, সৰস্বতী পূজা আদি পূজাৰ মন্ত্ৰবোৰ ভাৰতৰ পৰা টেপ্ কৰি লৈ গৈছে বা বজাৰত কিনিব পোৱা তেনে কেছেট মূৰ্ত্তি আদি লৈ গৈছে। নিৰ্দ্দিষ্ট দিনত পূজাৰ সকলো বস্তু গোটাই টেপ্ ৰেকৰ্ডাৰ বজাই গভীৰ আন্তৰিকভাবে পূজাভাগ সমাপণ কৰে। পূজাৰ সকলো বস্তু তাত থকা ভাৰতীয় দোকানত কিনিবলৈ পোৱা যায়। তাত

বহুত বছৰ থকা দক্ষিণ ভাৰতীয়সকলে তেওঁলোকৰ নিজস্ব ৰীতি-নীতি সম্পূর্ণ বজাই ৰাখিছে আৰু তেওঁলোকৰ ল'ৰা-ছোৱালীকো নিজৰ ভাষা, কৃষ্টি-সংস্কৃতিৰ লগত সমন্বয় ৰাখি থৈছে। ৰিমাই লগ ধৰিলে "খুৰীদেউ, হিউষ্টনত নতুনকৈ নির্মাণ কৰা মিনাক্ষী মন্দিৰলৈ যাওঁ ব'লা।" আজি দুর্গাপূজাৰ অষ্টমী তিথি, এনে শুভ দিনত আমি মন্দিৰ দর্শন কৰিবলৈ যাবলৈ ভালেই পালোঁ। সেইমতে আবেলি আটাইবোৰ ওলালোঁ মিনাক্ষী মন্দিৰলৈ। চহৰৰ কাষৰ পাতল জন-বসতিৰ ঠাই-বোৰৰ মুকলি বাটেৰে গ'লে প্রায়েই চকুত পৰে সৰু সৰু কছ'বাৰে আলি পাৰ হোৱা দৃশ্য। এইবিধ কাছ শুকান মাটিত বাস কৰে। হিউষ্টনৰ য'তে ত'তে ওপৰত লাইটেৰে তিৰ্‌বিৰাই থকা পুলিচৰ গাড়ীবোৰ অনবৰতে ঘূৰি ফুৰে; এইবোৰ জীপ. গাড়ী নহয়, সুন্দৰ ফাষ্ট-ক্লাচ গাড়ীহে। বাটৰ কাষত বিক্ৰীৰ বাবে থৈ দিয়া হেজাৰ বিজাৰ পুৰণি গাড়ী দেখিবলৈ পোৱা যায়। এঘণ্টাৰ মূৰত মিনাক্ষী মন্দিৰৰ প্রাঙ্গণ পালোঁহি। ইয়াত বসবাস কৰা দক্ষিণ ভাৰতীয় লোকসকলে এই মন্দিৰ নতুনকৈ নির্মাণ কৰিছে। আজি বহুতো দর্শনার্থী আহিছে দুর্গাপূজাৰ অষ্টমী তিথিৰ বাবেও হব পাৰে। দক্ষিণ ভাৰতৰ তামিলনাডুৰ মাদুৰাই চহৰৰ মিনাক্ষী মন্দিৰৰ আৰ্হিত মুকলি পৰিবেশত এই মন্দিৰ সজা হৈছে। মন্দিৰৰ গাত সুন্দৰ কাৰুকার্য্য। দক্ষিণ ভাৰতীয় মহিলাসকলে দক্ষিণ ভাৰতীয় ডিজাইনৰ শাৰী পিন্ধি, কেশত পুষ্প গুজি আপেল, কল, আঙুৰ আদি ফলমূলৰ নৈবেদ্য হাতত লৈ ভক্তি ভাবেৰে মন্দিৰত প্রবেশ কৰিছে। এই মন্দিৰত মিনাক্ষী দেবী আৰু সুন্দৰেশ্বৰৰ মূৰ্ত্তি আছে। হলঘৰটোৰ আহল-বহল মজিয়াত কার্পেট পৰা। ভক্তসকল আহি মৌনভাবে মজিয়াত বহিছেহি। ইয়াত বিয়া, অন্নপ্রাশন আদিও পতা হয়। হলঘৰটোৰ মাজত এডোখৰ হোম পোৰা ঠাই আছে। গধূলি সাত বজাত মন্দিৰলৈ কোনোবা এগৰাকী গায়িকাই ভজন গাবলৈ আহিব। বিগ্রহৰ সন্মুখত ধূপ, পুষ্প, ফল-মূল, প্রজ্বলিত বন্তিৰে এক পবিত্র পৰিবেশৰ সৃষ্টি হৈছে। মন্দিৰত পূজা অর্চনা কৰিবলৈ ভাৰতৰ পৰা এওঁলোকে

ব্ৰাহ্মণ-পুৰোহিতো লৈ আহিছে। আমি মজিয়াৰ কাৰ্পেটৰ ওপৰত বহিলোঁ। মিস্ তি আৰু তিমোথিয়ে মন্দিৰলৈ আহি উৎফুল্লিত হৈ পৰিছে। এই মধুৰ পবিত্ৰ পৰিবেশত আমি যে সুদূৰ আমেৰিকাৰ হিউষ্টন মহানগৰীত আছোঁ সেই কথা পাহৰি গৈছোঁ; এনে লাগিছে, আমি যেন দক্ষিণ ভাৰতৰ কোনো মন্দিৰতহে বহি আছোঁ। মনত পৰিছে, ঠিক এনে এটি দিনতেই বহু বছৰ আগতে গৈছিলোঁ দক্ষিণ ভাৰতৰ মাদুৰাই চহৰৰ প্ৰখ্যাত মিনাক্ষী মন্দিৰ দৰ্শন কৰিবলৈ। মিনাক্ষী মন্দিৰ দ্ৰাবিড় ভাস্কৰ্য্যৰ এক অপূৰ্ব্ব নিদৰ্শন।

হিউষ্টনৰ মিনাক্ষী মন্দিৰত ক্ষন্তেক বহি, বিভূতিৰ ফোঁট লৈ তৃপ্ত অন্তৰেৰে মন্দিৰৰ বাহিৰলৈ ওলাই আহি গাড়ীত বহিলোঁহি। তেতিয়া বেলি মাৰ গৈছে। তাৰ পৰা গৈ বাহিৰে বাহিৰে আমি আমাৰ ভাতিজী জিনাহঁতৰ ঘৰত সোমালোঁ। তেওঁৰ স্বামী ৰবিন মহন্ত গুৱাহাটীৰ আমাৰ ঘৰৰ কাষৰে জোৰ পুখুৰীৰ পাৰৰ স্বৰ্গীয় কবি মহন্তৰ পুত্ৰ; জিনা হ'ল প্ৰাক্তন সংসদ সদস্য, ৰাজনীতিবিদ শ্ৰীবিপিন পাল দাসৰ কন্যা। আজি তেওঁলোকে আমাক গধূলি ভাতৰ নিমন্ত্ৰণ জনাইছে। ইয়ালৈ অহাৰ পিচৰে পৰা তেওঁলোকে আমাৰ খা-খবৰ লৈ আছে। শ্ৰীমহন্তৰ মাতৃ কিছু বছৰৰ পৰা তেওঁৰ পুত্ৰ, বোৱাৰী, নাতি-নাতিনীৰ সৈতে ইয়াতে আছে। তেওঁলোকৰ ঘৰত সোমোৱাৰ লগে লগে মাহীদেৱে প্ৰত্যেক আলহীকে আকোৱালি মৰম চুমাৰে সম্ভাষণ জনালে। ইয়াতো সেই একেই সুন্দৰ মনোৰম পৰিবেশ। ঘৰৰ সমুখত নিমজ ঘাঁহনিৰ ওপৰত পদূলিমুখৰ দুয়ো-কাষে মাটিৰ চাকিৰ দৰে সৰু সৰু লাইটবোৰ মুক্তাৰ দৰে মৃদু জোৎস্না বিলাই এক চকু জুৰোৱা শান্ত পৰিবেশৰ সৃষ্টি কৰিছে! মাধৱ ডেকা আৰু মনমোহন হাজৰিকাৰ পৰিয়ালকো সেইদিনা এওঁলোকে নিমন্ত্ৰণ কৰিছে। খোৱা-বোৱা আৰু লগতে কথা-বতৰাৰ পৰ্ব্ব চলি থাকিল। জিনাহঁতৰ ল'ৰা-ছোৱালী নিতামণি আৰু সিন্ধুৱে বাকী ল'ৰা-ছোৱালীৰ লগত ওপৰ মহলালৈ গৈ টি-ভি চোৱাত লাগিল। ইয়াত খাবলৈ নিমন্ত্ৰণ কৰিলে এগৰাকীয়ে আন গৰাকীক সহায় কৰি দিয়ে। খাই উঠি বাচন-

বৰ্ত্তন ধোৱা-পখলাতো সহায়-সহযোগিতা আগবঢ়ায়। ধোৱা-পখলা মানে বাচনখিনি সামৰি সুদা পানীৰে আওখালি দিচবোৰ ওৱাচাৰ মেচিনত ভৰাই দিয়ে। মেচিনৰ ভিতৰতে দিচ, কাপ-প্লেট, গিলাচ, চামুচ আদি থবলৈ ঠাক থাকে। ৱাশ্বিং পাউদাৰ অলপ দি মেচিনৰ চুইচ টিপি দিলে আপোনা-আপুনি বাচন ধোৱা আৰু শুকুৱা হৈ থাকিব। ইয়াত দেখিছোঁ প্ৰত্যেকৰে ঘৰত বহুতো বাচন-বৰ্ত্তন। দিনৰ খোৱা বাচন জমা কৰি ৰাখে আৰু ৰাতি একেলগে আটাইবোৰ বাচন মেচিনত ধুই থয়। অৱশ্যে হাতেৰে যে মুধুৱে তেনে নহয়। জিনাই বাটাৰ-ফিচেৰে চৰ্চৰী, মুৰ্গীৰ ঠেঙেৰে জোল, খৰিচাৰে বাফেল' মাছ অতি সোৱাদ লগাকৈ ৰান্ধিছে। মোৰ স্বামী, মই আৰু মাহী-দেৱে ডাইনিং টেবুলতে বহি খালোঁ, বাকীবোৰে হাতে-হাতে দিচ লৈ ড্ৰয়িং ৰুমত যেয়ে য'তে ইচ্ছা তাতে বহি কথা পাতি পাতি খোৱাত লাগিল। খোৱাৰ শেষত ৰিমা আৰু বীনাই পাকঘৰত বাচন-বৰ্ত্তন সামৰাত লাগি ভাগি দিছেগৈ। কিছু সময়ৰ পিচত চাহ খাই সকলোকে মাত লগাই গাড়ীত উঠিবলৈ আহি দেখোঁ আমাৰ গাড়ীৰ চকা এটা পামচাৰ হৈছে। যা-যোগাৰ কৰি নতুন চকা এটা লগোৱা হ'ল। ল'ৰা-ছোৱালীহঁতে ফুৰ্ত্তিতে কোলাহল লগালে। মাকহঁতে সকীয়াই দিছে, এইদৰে ৰাতি গোলমাল নকৰিবলৈ, "ৰাতি এইদৰে হুলস্থুল কৰিলে চুবুৰীয়াই পুলিচক খবৰ দিব।" গাড়ীৰ চকা লগোৱা হ'লত আমি ঘৰলৈ উভতিলোঁ। তেতিয়া নিশা বাৰ বাজিছে। বিদেশত এনেদৰে অসমীয়া পৰিয়াল কেইঘৰমানে গোট খাই খাঁটি অসমীয়া ব্যঞ্জনেৰে ভাত খাইছোঁ। আমেৰিকা প্ৰবাসী এই সকল অসমীয়ালোকৰ মধুৰ আপ্যায়ন আৰু মৰম-চেনেহে আমাক আপ্লুত কৰিছে। এই মুহূৰ্ত্তবোৰৰ ৰঙীন ছবি আমাৰ মনত সদায় সজীব হৈ থাকিব।

আহি থাকোঁতে গোটেই বাটছোৱা এটা কথাই বাৰে বাৰে মনলৈ আহিল, "এই ৰাতি গোলমাল কৰিলে চুবুৰীয়াই পুলিচক খবৰ দিব।"

ভাবিছোঁ, আমাৰ দেশত ওচৰ চুবুৰীয়াৰ কথা চিন্তা কৰি কেইঘৰে কাম কৰিছে ? কাষৰ ঘৰৰ অসুবিধালৈ আওকান ক'ৰি ওচৰৰ ঘৰে মুল ভলিউমত বজোৱা ৰেডিঅ', টেপ ৰেকৰ্ডাৰ, টেলিভিশ্বন আদিৰ শব্দই কিমান যে অশান্তিৰ সৃষ্টি কৰে আৰু পঢ়াশুনাত ব্যাঘাত জন্মায় সেই কথা একমাত্ৰ ভুক্তভুগীয়েহে জানে। কোনোবাই সেই বিষয়ে কিবা আপত্তি কৰিলেও ওলোটাই টান কথাহে শুনিব লগাত পৰে। পশ্চিমীয়া দেশৰ এনে কথাবোৰ আমাৰ দেশত প্ৰয়োগ কৰাটো প্ৰত্যেক-জন নাগৰিকৰে কৰ্ত্তব্য বুলি ভাবোঁ।

ঘৰ আহি পাই গম পালোঁ। কলম্বাচৰ পৰা ডঃ অনিল ঠাকুৰীয়াই আমাৰ খা-খবৰ লৈ ফোন কৰিছিল। ঘৰত কোনো নাছিল বাবে তেওঁ কোৱা কথাখিনি ফোনৰ লগত সংযুক্ত এনচাৰিং মেচিনত ৰেকৰ্ড হৈ আছিল।

আজি ছয় অক্টোবৰ, শুকুৰবাৰ। কাইলৈ আমাৰ এই ভ্ৰমণৰ শেষ ৰাজ্য এৰিজোনাৰ ৰাজধানী ফিনিক্সলৈ যোৱাৰ দিন। মোৰ ভনী শেৱালীয়ে ফিনিক্সৰ পৰা প্ৰায়েই আমালৈ ফোন কৰি আছে। তেওঁলোকৰ অকমাণি ছোৱালী দুজনীয়ে আমি তালৈ যাম যাম বুলি বহুত দিনৰ পৰাই শুনি আছে; কিন্তু এতিয়ালৈকে নোযোৱা দেখি কৈছে "জেঠাইহঁত কেতিয়া আহিব, ইমান দিন হ'ল এতিয়াও অহা নাই দেখোন!" ইয়াত দেখিছোঁ ভাৰতীয় মানুহৰ ল'ৰা-ছোৱালীবোৰ আত্মীয় স্বজনৰ পৰা আঁতৰত থাকি অকলশৰীয়াকৈ ডাঙৰ হয় বাবে স্বদেশৰ পৰা কোনোবা গ'লে বৰ আনন্দ পায়।

ভাৰতৰ পৰা কিনি অনা 'ভুচা' টিকটে ফিনিক্স নগৰী সামৰি নলয় বাবে আমি আলাস্কাত থাকোঁতেই আমাৰ নিৰ্দ্দেশ মতে শেৱালীহঁতে নিউইৰ্কৰ পৰা ফিনিক্সলৈ নিৰ্দ্দিষ্ট দিনৰ বিমানৰ টিকট দুটা কাটি বিমাইতৰ তালৈ পঠিয়াই দিছিল। একৈশ দিনৰ আগতেই টিকট দুটা ক্ৰয় কৰা বাবে যথেষ্ট ক'ম দামতে পোৱা গৈছিল।

শেহ বাৰৰ বাবে বিমাই নিজৰ গাড়ীখনেৰে আমাক ছুৰাবো বজাৰলৈ লৈ গৈছিল। বিমাই আজি ছুটী লৈছে। মই তেওঁৰ সৈতে দূৰৈৰ শাৰীৰ দোকান এখনলৈ গলোঁ। পিচদিনা সাত অক্টোবৰ, শনিবাৰে ৰাতিপুৱা গা-পা ধুই বস্তু-বাহানি বান্ধি-কুন্ধি বিমান বন্দৰলৈ যাবলৈ সাজু হলোঁ। নবাঞ্জনে ভিডিঅ' কেমেৰাৰে আমাৰ ফটো ল'লে।

—+—

"মৰুকন্যা ফিনিক্স"

৭ অক্টোবৰ, শনিবাৰে দুপৰীয়া নিৰ্দ্দিষ্ট সময়ত আমি বিমান বন্দৰত উপস্থিত হলোঁহি। বিমানত উঠাৰ কিছু সময়ৰ পিছত ২ বাজি ৪০ মিনিটত South west Airliues অৰ বিমানখন এৰিজোনা ৰাজ্যৰ ৰাজধানী ফিনিক্স অভিমুখে গতি কৰিলে। যুক্তৰাষ্ট্ৰৰ দক্ষিণ-পশ্চিম দিশৰ কালিফোৰ্ণিয়াৰ পূৱে এৰিজোনা ৰাজ্য। হিউষ্টনৰ পৰা ফিনিক্সৰ দূৰত্ব প্ৰায় এহেজাৰ মাইল। বিশাল টেক্সাচ ৰাজ্যখনৰ ওপৰে ওপৰে উৰি গৈ চল্লিশ মিনিট পিচত বিমানখনে ছান-এন্টনিঅ' চহৰৰ বিমান বন্দৰত অৱতৰণ কৰিলে। তাত দুই এজন যাত্ৰী নামিল, দুই এজন উঠিল। বিমানখনত যাত্ৰীৰ সংখ্যা তাকৰ। পঞ্চল্লিশ্ মিনিট বিৰতিৰ পিচত বিমানখনে পুণৰ পশ্চিম দিশলৈ গতি কৰিলে। টেক্সাচ অতিক্ৰম কৰি নিউ-মেক্সিকো ৰাজ্যৰ ওপৰেদি উৰি গৈ আছোঁ। তলত গছ-গছনি নথকা বিস্তীৰ্ণ অঞ্চল, মধ্য-পশ্চিম অঞ্চলৰ মৰুভূমি আৰম্ভ হৈছে। মাইলৰ পিচত মাইল অতিক্ৰম কৰিছোঁ অন্তহীন বালিৰ পাহাৰ, কাছৰ পিঠিৰ দৰে কজলা শিলৰ সৰু সৰু পাহাৰবোৰ, ঢৌ খেলি থকা বালিৰ সমুদ্ৰ। বিমানখন যথেষ্ট তলেদি যোৱা বাবে তলৰ দৃশ্যবোৰ স্পষ্টভাবে চকুত পৰিছে। তলৰ এই আশ্চৰ্য্যজনক মৰুভূমিৰ বং ৰূপ চাবলৈ যাত্ৰীসবে খিড়িকীৰ কাষত জুম বান্ধিছেহি। একেখন ধৰণীতে প্ৰকৃতিৰ কিমান যে বিচিত্ৰ ৰূপ! প্ৰায় আধা ঘন্টা মৰুভূমিৰ ওপৰেদি যোৱাৰ পিচত স্পিকাৰত যেতিয়া ঘোষণা কৰা শুনিলোঁ যে কিছুসময়ৰ পিচতেই আমি ফিনিক্স বিমান-বন্দৰত উপস্থিত হ'মগৈ, তেতিয়া আমাৰ কল্পনাই ঢুকি পোৱা নাই,

ইমান বিশাল মৰুভূমিৰ অন্তত যে এখন চহৰ বা মহানগৰৰ অৱস্থিতি হ'ব পাৰে। যুক্তৰাষ্ট্ৰৰ নেভাডা, উটা, এৰিজোনা ৰাজ্য জুৰি এখন নাতিশীতোষ্ণ মৰুভূমি আছে। এৰিজোনা ৰাজ্য সনৰান্ মৰুভূমিৰ মাজত অৱস্থিত। বিমানখন লাহে লাহে তললৈ নামিবলৈ ধৰিলে। তললৈ চাই দেখিলোঁ। বেলেগ ধৰণৰ প্ৰাকৃতিক দৃশ্যৰে ফিনিক্স মহা-নগৰী। সেউজীয়া গছ-গছনিৰ ঠাইত চহৰৰ মাজে মাজে শাৰী শাৰীকৈ আছে খেজুৰী আৰু তালজাতীয় গছবোৰ। ৰাষ্টাৰে লানি নিছিগাকৈ গৈ আছে পুতলাৰ দৰে মটৰ গাড়ীবোৰ। লাউঞ্জলৈ আহি দেখিলোঁ। মোৰ ভনী শেফালী, ভনীজোঁৱাই করুণানন্দ ভূঞা, তেওঁলোকৰ দুই কন্যা ক্ৰমে সাতবছৰীয়া ৰিমঝিম আৰু পাঁচবছৰীয়া নাতাচাই হাঁহি ভৰা মুখেৰে আমালৈ অপেক্ষা কৰি আছে। চাৰি বছৰৰ মূৰত এওঁলোকক লগ পাই কিমান যে ভাল লাগিল। অৱশ্যে এই দেশলৈ অহাৰ পৰা টেলিফোনৰ যোগেদি প্ৰায়েই কথা-বতৰা হৈ আছোঁ। ফিনিক্সত এতিয়া আবেলি পাঁচ বাজিছে, ইয়াৰ সময় হিউষ্টনতকৈ এঘণ্টা পিচপৰা। বাহিৰত গৰম অনুভৱ কৰিলোঁ।

এৰিজোনা ৰাজ্যৰ ৰাজধানী ফিনিক্স আমেৰিকাৰ বৃহৎ নগৰবোৰৰ ভিতৰত অন্যতম। একেখন ৰাজ্যতে প্ৰকৃতিৰ ভিন্ন ৰূপ বিৰাজমান। ৰাজ্যখনৰ দক্ষিণ ভাগত বতাহৰ দ্বাৰা ঢৌ খেলি থকা বালিময় গৰম অঞ্চলৰ পৰা উত্তৰ দিশলৈ ক্ৰমে ওখ ওখ পাইন গছেৰে আবৰা শীতল আঞ্চলৰে সৈতে বিচিত্ৰতা দেখিবলৈ পোৱা যায়। এই ৰাজ্যৰ পূৰ্ব্বাঞ্চলত ওখ ওখ পৰ্ব্বত-পাহাৰ আৰু কেইবাটাও ডাঙৰ হ্ৰদ আছে। ১৯১২ চনত ৪৮ তম ৰাজ্য হিচাপে ই আমেৰিকা যুক্তৰাষ্ট্ৰৰ অন্তৰ্ভুক্ত হয়। আগতে এই ৰাজ্যত 'এপাচি' নামেৰে ৰেড্-ইণ্ডিয়ান্-সকলে বাস কৰিছিল। বৰ্ত্তমান ৰেড-ইণ্ডিয়ানবোৰক উচ্ছেদ কৰি কিছুমান সংৰক্ষিত অঞ্চলতহে থাকিবলৈ দিয়া হৈছে।

ফিনিক্স মহানগৰীক "Valley of the sun" বুলি কোৱা হয়। এখন ক্ৰমবৰ্দ্ধমান মহানগৰ। কুৰি বছৰৰ আগতে মাত্ৰ এটি সৰু বিমান বন্দৰৰ সৈতে ফিনিক্স অতি পাতল জনবসতিৰ অঞ্চল আছিল।

নগৰখন দ্ৰুত গতিত প্ৰসাৰিত হোৱাৰ ফলত বিমান বন্দৰ কেইটা চহৰৰ মাজত সোমাই পৰিছে। সেইবাবে ফিনিক্সৰ আকাশত সকলো সময়তে দুই তিনিখন বিমান চকুত পৰে। মেট্ৰ'পলিটান ফিনিক্স মহানগৰৰ ভিতৰত স্কট্‌ডেল, টেম্‌পি, মেছা আদিকে ধৰি মুঠ বাৰখন চহৰ আছে। ইয়াত পাঁচ মাহ অত্যন্ত গৰম আৰু সাত মাহ অতিশয় শীত। বালিময় মৰুভূমি বাবে এই অঞ্চল দিনৰ ভাগত নতুবা গ্ৰীষ্মকালত অতিপাত গৰম আৰু ৰাতি বা শীতকালি তাপ বিকিৰণ কৰি অতিশয় চেঁচা হয়। সূৰ্য্যৰ কিৰণৰ প্ৰভাৱত শুকান মাটি সেমেকা মাটিতকৈ সোনকালে গৰম হয় আৰু সূৰ্য্যৰ কিৰণৰ অভাৱত সোনকালে চেঁচাও হয়। ইয়াত বৰষুণ প্ৰায় নহয়েই বুলি কব পাৰি। ফিনিক্সত বছৰি ১" ইঞ্চিৰ পৰা ১০" ইঞ্চি পৰিমাণৰ বৃষ্টিপাত হয়। গৰমৰ দিনত বিশেষকৈ জুনৰ পৰা চেপ্তেম্বৰ মাহলৈ সৰ্ব্বোচ্চ তাপমাত্ৰ ১২০ ডিগ্ৰী ফাৰেণহাইটলৈ উঠি ৰাজধানী খনৰ আকাশ-বতাহ জলন্ত ভাটীৰদৰে উত্তপ্ত হৈ পৰে। আকৌ শীতকালি অতিশয় ঠাণ্ডা হৈ নিশাৰ ভাগত তাপমাত্ৰা ২০ ডিগ্ৰী ফাৰেণহাইটৰ তললৈ নামে। শীতকালি কেতিয়াবা বাহিৰৰ পানীবোৰ গোট মাৰে কিন্তু লেকৰ পানী গোট মাৰি বৰফ নহয়। অক্টোবৰ মাহৰ শেষৰ পৰা গৰম কমি হঠাতে শীতকাল আৰম্ভ হয়; সেইদৰে শীতৰ অন্তত হঠাতে জহ আৰম্ভ হয়।

এইদেশৰ মানুহে জলসিঞ্চন, কৃত্ৰিম সাৰ প্ৰয়োগ, যান্ত্ৰিক আৰু বিজ্ঞান-সন্মত পদ্ধতিৰে শুকান মৰুভূমিকো সজীৱ শ্যামলা কৰি তুলিছে। ১৯১১ চনত ৰুচভেল্ট্‌ বান্ধ নিৰ্মাণ কৰি সমগ্ৰ ফিনিক্স মহানগৰীত জলসিঞ্চনৰ ব্যৱস্থা কৰা হয়। ফিনিক্সৰ উত্তৰ-পূবে চল্ট নদী জলসিঞ্চন আৰু জলবিদ্যুৎ উৎপাদনৰ অংশ ষ্টিৱাৰ্ট মাউনটেইন্‌ বান্ধে শিলাময় পাহাৰৰ মাজত দহ মাইল দৈৰ্ঘ্যৰ কৃত্ৰিম হ্ৰদটো সৃষ্টি কৰিছে। ইয়াৰ পৰা চল্টনদীৰ উপত্যকাত দুশ আঠসত্তৰ হাজাৰ একৰ খেতিৰ মাটিত জলসিঞ্চন কৰি মাটি উৰ্ব্বৰা কৰাৰ ফলত বিবিধ শস্য, নানা তৰহৰ শাক-পাচলি আৰু প্ৰচুৰ ফলমূল উৎপাদন কৰিবলৈ সমৰ্থ হৈছে।

এই অঞ্চলত প্ৰচুৰ পৰিমাণে কপাহৰ খেতি হয়। ইয়াৰ কপাহৰ গছবোৰ চাপৰ জাতৰ। পৃথিবীৰ শতকৰা আশীভাগ কপাহ যুক্ত-ৰাষ্ট্ৰতে উৎপন্ন হয়। যুক্তৰাষ্ট্ৰৰ কপাহ বলয় আটলাণ্টিকৰ পৰা পশ্চিমে ৰকি পৰ্ব্বতৰ পাদদেশ্ অঞ্চললৈ বিয়পি আছে। এৰিজোনা ৰাজ্যখন তিনিটা 'C' ৰ বাবে বিখ্যাত, সেইকেইটা হৈছে—Cotton, Copper and Cattle এই ৰাজ্যত গাখীৰ আৰু মাংসৰ বাবে বিজ্ঞানসম্মত পদ্ধতিৰে ফাৰ্মত গৰু-গাই পুহি প্ৰচুৰ উৎপাদন কৰিছে। কমলা, নেমু, কবি, লেতুচ আৰু ধাঁহৰ খেতিও এই ৰাজ্যত প্ৰচুৰ পৰিমাণে কৰা হয়। বৰ্ত্তমান পৃথিবীৰ অনুন্নত দেশবোৰৰ কথা বাদেই, উন্নত দেশবোৰেও প্ৰয়োজনীয় খাদ্যসম্ভাৰ বিচাৰি আমেৰিকা যুক্তৰাষ্ট্ৰৰ কাষ চাপে। এই মহাদেশৰ মানুহে অফুৰন্ত কৰ্ম-প্ৰেৰণা আৰু বিজ্ঞানৰ বলত কিদৰে প্ৰকৃতিকো জয় কৰিছে দেখিলে বিস্ময় মানিব লাগে।

জলবিদ্যুৎ উৎপাদনত যুক্তৰাষ্ট্ৰ পৃথিবীৰ সৰ্ব্বশ্ৰেষ্ঠ দেশ। ব্যাপক পৰিমাণৰ জলবিদ্যুৎ উৎপন্ন কৰি যুক্তৰাষ্ট্ৰই বিভিন্ন শিল্প প্ৰধান অঞ্চ-ললৈ ইয়াৰ সৰবৰাহ কৰিছে। আপেলেচিয়ান্ পৰ্ব্বতমালাৰ পশ্চিমে পৃথিবীখ্যাত 'টেনেচী উপত্যকাৰ বহুমুখী পৰিকল্পনাৰ (Tennessee valley Authoriry) সহায়ত বিস্তৃত অঞ্চল জুৰি জলবিদ্যুৎ উৎপন্ন কৰাৰ উপৰিও, পানী যোগান ব্যৱস্থা, বা'ন নিয়ন্ত্ৰণ আদি কাৰ্য্য সফ-লতাৰে সম্পন্ন কৰা হৈছে। তদুপৰি গোটেই মহাদেশখনৰ বিভিন্ন অঞ্চলত জলবিদ্যুৎ প্ৰচুৰ পৰিমাণে উৎপন্ন কৰা হৈছে। বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ নিত্য নতুন বিকাশে দেশখনক সম্পদশালী কৰি তুলিছে।

পিচদিনা ৰাতিপুৱা ফিনিক্স নগৰৰ ইফালে সিফালে ফুৰিবলৈ ওলাই গ'লো। নগৰৰ মাজে মাজে উটৰ পিঠিৰ আকৃতিৰ কজলা বৰণৰ অনুচ্চ পাহাৰবোৰ চকুত পৰে। বিশেষ ভঙ্গীত থকা শিলৰ পাহাৰবোৰে সূৰ্য্যাৰ নিষ্ঠুৰ আঘাত সহ্য কৰি যুগ-যুগান্তৰৰ কত কথাৰ যে সাক্ষী হৈ মৌন প্ৰহৰীৰ দৰে থিয় হৈ আছে! মৰুভূমি অঞ্চলত তাপ আৰু বতাহে অতি প্ৰখৰতাৰে ক্ষয়কাৰ্য্য কৰাৰ ফলত পৰ্ব্বতবোৰ

ক্ৰমাম্বয়ে চাপৰ হৈ আহিবলৈ ধৰে আৰু পৰ্ব্বতৰ শিলাস্তৰৰ আটাই-তকৈ কঠিন অংশবোৰ ভূ-পৃষ্ঠৰ ওপৰত টিলা আকৃতিত বা অনুচ্চ পাহাৰৰূপে দেখা যায়। ফিনিক্স গল্ ফ-ক'ৰ্চৰ বাবে বিখ্যাত; ইয়াত বহুতো গল্‌ফ-ক'ৰ্চ আছে। স্বচ্ছ পানীৰ ডাঙৰ ডাঙৰ লেকবোৰেও বহুতো ঠাই আগুৰি আছে। লেকৰ পাৰে পাৰে বহুত দূৰলৈকে বিয়পি আছে পৰিস্কাৰ সেউজীয়া কোমল ঘাঁহনি। জলসিঞ্চন আৰু কৃত্রিম সাৰ প্ৰয়োগ কৰাৰ ফলতেই ৰুক্ষ মৰুভূমি শ্যামল বনভূমিলৈ ৰূপান্তৰিত হৈছে।

মেট্ৰপলিটান মহানগৰৰ মাজতে থকা স্কটডেল্ এখন পুৰণি চহৰ। আমি স্কটডেল অতিক্ৰম কৰি আগুৱাই গৈ আছোঁ। আমেৰিকাৰ ডাঙৰ ডাঙৰ চহৰবোৰৰ দৰে একেই আহল-বহল মিহি ৰাজপথ, কিছুদূৰৰ মূৰে মূৰে স্কাইঅ'ভাৰবোৰ চকুত পৰে। কিছুদূৰ যোৱাৰ পিচত ফাউণ্টেইন্ হিল্ নামৰ ঠাইখনৰ পাৰ্ক এখনৰ কাষত গাড়ীৰ পৰা নামিলোঁ। কাষতে আছে পৃথিৱীৰ ভিতৰত সুউচ্চ ফোৱাৰা, এই ফোৱাৰাই কিছুসময়ৰ বিৰতিৰ অন্তৰে অন্তৰে ওপৰলৈ পানী চটিয়াই আছে। একাষে আছে সৰু ল'ৰা-ছোৱালীৰ খেলা-ধূলাৰ পাৰ্ক। অৰ্নামেণ্টেল্, অলিভ, জাৰকাণ্টা, ইটালিয়ান চাইপ্ৰাচ্, আদি গছেৰে পাৰ্কখন সুশোভিত। জলধাৰাৰ পৰা বৈ আহিছে সুশীতল বতাহ। কিছুসময় এই মনোৰম পৰিবেশত কটালোঁ।

মৰুভূমিৰ মাজত হোৱা ছোৱাৰো' কেক্‌টাচ্ মহানগৰৰ বাটে-পথে ভৰি আছে। পঞ্চাশ ফুটলৈকে ওখ হোৱা আৰু দুশ বছৰলৈকে জীয়াই থকা এই বিধ কেক্‌টাচক জীৱন্ত পানীৰ ভঁড়াল বুলি ক'ব পাৰি। আগষ্ট মাহত এই ৰাজ্যত যি সামান্য পৰিমাণৰ বৰষুণ হয়, মৰুভূমিৰ শুকান বালিৰ পৰা এই গছে সেই সামান্য পানীকেই সংগ্ৰহ আৰু সংৰক্ষণ কৰি বছৰটোৰ দীঘলীয়া খৰাং বতৰৰ বাবে জমা কৰি থয়। মৰুভূমিৰ খৰাং বতৰতো এই বিধ গছ জীয়াই থাকে বাবে ইয়াক 'The Sentinel of the Desert' অৰ্থাৎ 'মৰুভূমিৰ প্ৰহৰী' বুলি কোৱা হয়। বসন্ত কালত বেলেগ বেলেগ জাতৰ কেক্‌টাচ-

বোৰত বিভিন্ন ৰঙৰ ফুল ফুলে; বং বিৰঙৰ ফুলবোৰ দেখিবলৈ অতি আকৰ্ষণীয় হৈ পৰে। ছোৱাবো কেক্‌টাচত চাৰি ইঞ্চি দীঘল পাহিৰে মাখন বৰণীয়া ফুল ফুলে। এইবিধ গছত লগা হাঁহ কণীৰ আকৃতিৰ ভেজীৰঙা ফলবোৰ ৰেড্ ইণ্ডিয়ানবোৰে খায় আৰু তাৰ পৰা জেম্, আৰু মদ তৈয়াৰ কৰে। এইবিধ গছ মৰুভূমিৰ আন জীৱৰ বাবে প্ৰয়োজনীয় কামত আহে। নিচেই অকমানি বাটৈটোকা চৰাইয়ে এনে গছত বাহ সাজে।

আমেৰিকাৰ ডাঙৰ ডাঙৰ মহানগৰবোৰৰ দৰে ফিনিক্সৰ ঘৰ-বোৰো শাৰী শাৰীকৈ প্ৰণালীবদ্ধভাবে সজা। এটা অঞ্চলত একে ডিজাইনৰ ঘৰহে দেখা যায়। ঘৰৰ আগফালে ফুলনি আৰু পিছফালে শাক-পাচলিৰ বাবে প্ৰত্যেক ঘৰতে সমান জোখৰ মাটি ৰাখিহে ঘৰটো সজা নিয়ম। জধে-মধে য'তে ত'তে ঘৰ সজাৰ নিয়ম নাই। ঘৰ-বোৰ সজাৰ আগতে সেই অঞ্চলটোৰ বাট-পথ, নলা-নৰ্দ্দমা, বিজুলী সকলো ঠিক হ'ব লাগিব। তাৰ পিচত 'চিটি-প্লেনাৰে' অনুমতি দিলে পৰিকল্পিতভাবে ঘৰ সাজিব পাৰে। ঘৰ সজাৰ বাবে বহুতো ডাঙৰ ডাঙৰ ব্যৱসায়ীলোক আছে, ইয়াত এইলোকসকলক 'Dealer' বুলি কয়। এওঁলোকে ঘৰবোৰ সাজি বিক্ৰী কৰে। ঘৰৰ ডিজাইনৰ বাবেও চিন্তা কৰাৰ প্ৰয়োজন নাই। নমুনা হিচাপে কেইটামান বেলেগ বেলেগ ডিজাইনৰ ঘৰ সাজি থয়, সেইবোৰৰ মাজৰ পৰা পছন্দ কৰি বাছি ল'ব লাগে। তদুপৰি ঘৰখনৰ কোনটো কোঠা কিদৰে সজাব তাকো সুন্দৰকৈ সজাই থোৱাই আছে। এই ঘৰবোৰ অতি কম সময়ৰ ভিতৰতে নিচেই কম সংখ্যক মানুহৰ দ্বাৰা নিৰ্মাণ কৰা হয়। আমি ফিনিক্সলৈ অহাৰ প্ৰায় বিশ দিনৰ ভিতৰতে এই অঞ্চলত কেইবাটাও ডাঙৰ ডাঙৰ দুমহলীয়া ঘৰ সম্পূৰ্ণ হৈ উঠা দেখিলোঁ, কেইদিনমানৰ ভিতৰতে অঞ্চলটোৰ ৰূপেই সলনি হৈ যায়। আমাৰ দেশৰ দৰে ঘৰ সাজিবলৈ ইটা, বালি, বিলাতীমাটি, মিস্ত্ৰি বিচাৰি হাবাথুৰি খাব নালাগে। বাসগৃহ ক্ৰয় কৰিবলৈ ডলাৰ ধাৰলৈ দিয়া বহুতো প্ৰতিষ্ঠান আছে, কিস্তিত ধাৰ পৰিশোধ কৰিব লাগে। এই

জ্ঞণৰ দীৰ্ঘতম ম্যাদ হ'ল ত্ৰিশ বছৰ। ঘৰৰ বেৰবোৰ কাঠৰ, তিনি তৰপীয়া। বেৰৰ ভিতৰত তাপ, বিজুলী-শক্তি প্ৰবাহিত নোহোৱা কপাহৰ দৰে কোমল ইন্‌চুলেটৰ দিয়া হয়। ঘৰৰ চালবোৰ চিনথেটিক্ টাইলচ্‌ৰ। শীত প্ৰধান ঠাইৰ ঘৰবোৰৰ মাটিৰ তলতো এমহলা থাকে, তাকে বেচমেণ্ট বুলি কয়। ঘৰটো সজাৰ লগে লগে প্ৰত্যেকটো কোঠাতে বেৰৰ ইমূৰৰ পৰা সিমূৰলৈ মজিয়াত লাগি থকা ডাঠ কোমল কাৰ্পেট, ফ্ৰিজ, ওৱাশিং মেচিন, পাক্‌ঘৰৰ কুকিং গেচ বা ইলেক্‌ট্ৰিক কুকাৰ, দিচ্‌ ওৱাশ্বাৰ, হিটিং মেচিন, অ'ভেন আদি গৃহস্থালিৰ লাগ-তিয়াল সা-সৰঞ্জামবোৰ নিৰ্দ্দিষ্ট ঠাইত ঠিকঠাককৈ বহুওৱা হয়। সকলো কামেই আঁচনি অনুযায়ী কৰা হয়। অ'ভেনবোৰো এটা সক মিট-চে'ফৰ সমানেই ডাঙৰ। ইয়াৰ উপৰিও ততালিকে খাদ্যবস্তু তপতাই ল'বলৈ আছে মাইক্ৰওৱেভ্‌ অ'ভেন। আজিকালি আমাৰ দেশতো এইবিধ অ'ভেন বজাৰত ওলাইছে। আমেৰিকানসকলে বেছি ভাগ খোৱা বস্তু অ'ভেনত বে'ক্ কৰি প্ৰস্তুত কৰে। ইলেকট্ৰিক ষ্টোভত ৰন্ধা-বঢ়া কৰি থকাতকৈ এওঁলোকে সাগৰৰ বালিত প ৰ থাকিবলৈহে বেছি ভাল পায়।

কাৰ্পেটবোৰ ছমহলাৰ চিৰি পৰ্য্যন্ত প্ৰসাৰিত, সুন্দৰকৈ খাপ খাই লাগি থাকে। আমাৰ দেশৰ দৰে নিতৌ ঘৰ সৰা-মচাৰ কাৰবাৰ নাই। সপ্তাহত এদিনকৈ ভেকুৱাম ক্লিনাৰ যন্ত্ৰটো ঘৰৰ মজিয়াৰ কাৰ্পেটৰ ওপৰেদি চলাই নিলে কাৰ্পেটৰ ধূলি-মাকতিবোৰ মেচিনটোৰ মুখেৰে সোমাই ডাঙৰ মোটা পাইপ ডালেৰে গৈ মোনাখনত জমা হয়। সামান্য ধূলি-মাকতি বা সূতা এদালো ইয়াৰ আগৰ পৰা সাৰি যাব নোৱাৰে, লগে লগে সকলো পৰিস্কাৰ হৈ পৰে। অৱশ্যে আমাৰ দেশৰ তুলনাত ঘৰ-দুৱাৰ লেতেৰা বা অপৰিস্কাৰ হ'বলৈ ইয়াত ধূলি-বালি, মকৰা, পইতাচোৰা, পোক-পৰুৱা, মহ, মাখি আদি নিচেই সামান্য বা একো নাই বুলিবই পাৰি। প্ৰত্যেক ঘৰতে ঘৰুৱা কামবোৰ যন্ত্ৰৰ সহায়তেই কৰা হয়। অৱশ্যে এই দেশত একমুহূৰ্তৰ বাবেও বিজুলী যোগানত ব্যাঘাট নজন্মে বাবে এনেবোৰ বৈদ্যুতিক

যন্ত্রপাতি ব্যৱহাৰ কৰাৰ বাবে কোনো অসুবিধাৰো সৃষ্টি নহয়। ঘৰুৱা কাম-কাজ কৰিবলৈ তুই এঘৰ কৌটিপতিৰ বাহিৰে কাৰো ঘৰতে বনকৰা লগুৱা বা লিগিৰি নাই। ঘৰুৱা কামবোৰ মেচিনৰ সহায়তেই কৰিব পৰা কৰি লৈছে বাবে কামবোৰ সহজে হয় আৰু কৰিও আমনি নালাগে। ঘৰৰ সমুখৰ ফুলনি বা পিচফালৰ শাকনিবাৰীৰ মাটি ভৰা নিজেই কোৰ মাৰি চহ কৰি ল'ব লাগিব। এই দেশত শ্ৰমৰ মূল্য অতি বেছি। সকলো শ্ৰেণীৰ মানুহৰ ঘৰবোৰ প্ৰয়োজনীয় আধুনিক সা-সুবিধাৰে নিখুঁতকৈ সজা হয়। খৰি জ্বলাই ৰন্ধা-বঢ়া কৰা নিয়ম ইয়াত অপ্ৰচলিত। ফিনিক্সৰ আবাসিক অঞ্চলৰ ঘৰবোৰৰ চৌহদটো দেৱাল দি আবৰা, সমুখত গেট দিয়ে, যিটো অন্য ঠাই-বোৰত দেখা নাছিলো। সৌন্দৰ্য্য হানি হয় বুলি ঘৰৰ পিচফালৰ চোতালত তিতা কাপোৰ শুকুৱাবলৈ মেলি দিয়াৰো নিয়ম নাই। ওৱাশ্বিং মেচিনতে কাপোৰ ধোৱা আৰু শুকুৱা দুয়োটা কামেই কৰা হয়। ঘৰবিলাকৰ এটা কোঠালিৰ বেবত কথা ক'লে আনটো কোঠা-লিত শুনা পাবৰ বাবে বহুতে ঘৰত Intercom Speaker ফিট কৰি লয়।

নতুন ঘৰলোৱাৰ নিৰ্দ্দিষ্ট সময়ৰ ভিতৰত ঘৰৰ সমুখৰ লনখন নিয়মমতে ঠিক-ঠাক কৰি ল'ব লাগে। ফিনিক্সৰ নিচিনা শুকান মৰুময় চহৰবোৰত ৰাজপথৰ দাঁতিলৈকে 'ডেজাৰ্ট' গাৰ্ডেন কৰা নিয়ম। শুকান বালিময় মাটিৰ ওপৰত প্লাষ্টিকৰ ঢাকনী এখন দি তাৰ ওপৰত সৰু সৰু শিলবোৰ পাৰি দি তাত মৰুভূমিত হোৱা গ্ৰাউণ্ড কভাৰবোৰ পুতি দিয়ে। সেইবোৰ ফুল গছত সৰহকৈ পানী দিয়াৰ আৱশ্যক নাই। তৃণ জাতীয় এই গছবোৰ ক্ৰমে বাঢ়ি গৈ ফুলে-পাতে জক-মকীয়া হৈ থাকে। প্লাষ্টিকৰ ঢাকনীখন দিয়াৰ ফলও অনাগতিয়াল বন গজি বাগিচাৰ সৌন্দৰ্য্য হানি নকৰে। গ্ৰাউণ্ড কাভাৰৰ ফুলবোৰ পথৰ দাঁতিতে ৰমক-জমককৈ ফুলি থাকে।

এৰিজোনা 'গ্ৰেণ্ড কেনিয়ন নেচনেল পাৰ্কৰ বাবে বিখ্যাত। ফিনিক্সৰ পৰা বাতিপুৱা সাত বজাত গ্ৰেণ্ড কেনিয়নলৈ গ্ৰে লাইন টুউৰ বাছ

যায় আৰু একে ধৰণৰ উদ্ভিদ আছি নিশা এখাৰ বজাত পায়হি।
ফিনিক্সৰ পৰা গ্ৰেণ্ড কেনিয়নলৈ দূৰত্ব ২৭৭ মাইল; যাওঁতে সময় লাগে পাঁচ ঘণ্টা। ভনী জোঁৱাইয়ে আমাক নিচেই পুৱাতে তেওঁৰ গাড়ীৰে ফিনিক্সৰ টেম্‌পি চহৰৰ 'Holiday Inn' হোটেলত আমাক নমাই থৈ তেওঁৰ নিজ কৰ্মস্থলিলৈ গ'ল। ইয়াৰ পৰাই বাছ-যাত্ৰা আৰম্ভ হ'ল গ্ৰেণ্ড কেনিয়ন অভিমুখে। পঞ্চত্ৰিশজন যাত্ৰী বহিব পৰা শীত-তাপ নিয়ন্ত্ৰিত সুন্দৰ বাছ। খিড়িকীৰ আয়নাবোৰ ওপৰৰ পৰা যথেষ্ট তললৈ বেছ ডাঙৰ বাবে বাটৰ দুয়োকাষৰ দৃশ্য সুন্দৰকৈ চাই যাব পাৰি। বাছৰ ভিতৰতে পিছফাললৈ বাথৰুমৰ ব্যৱস্থাও আছে। গাড়ী চালকৰ আসনৰ সোঁফালে থকা একমাত্ৰ দৰজা খনেদি বাছত উঠা-নমা কৰিব লাগে। বাছত কণ্ডাক্টৰ নাই; কিছুমান বাছ একো গৰাকী মহিলাই দুশ-তিনিশ মাইল অকলেই চলাই লৈ যায়।

ফিনিক্স মহানগৰখন এৰ ডাঙৰ বাবে অতিক্ৰম কৰোঁতেও যথেষ্ট সময় লাগে। ইয়াৰ প্ৰয়েবোৰ ঘৰেই এমহলীয়া স্পেইনীয় ডিজাইনৰ। অৱশ্যে ডাউন-টাউন ফিনিক্সত কেইবামহলীয়া ওখ ওখ বিল্ডিং দেখা যায়। মহানগৰৰ মাজে মাজে আছে কজলা বৰণৰ গছ-পাতবিহীন অনুচ্চ পাহাৰবোৰ আৰু বাটৰ দুয়ো কাষে তাল, খেজুৰী, কেক্‌টাচ আদি মৰুভূমিত হোৱা উদ্ভিদবোৰ চকুত পৰে। এইবোৰৰ বাবেই মহা দশখনৰ আন মহানগৰৰ সৈতে ফিনিক্সৰ সামঞ্জস্য নাই। পৰিস্কাৰ পৰিচ্ছন্নতাই কেউদিশ আবৰি আছে। মাজে মাজে চকুত পৰিছে সেউজী গল্‌ফ-কৰ্চবোৰ, নীল স্বচ্ছপানীৰ ডাঙৰ ডাঙৰ হ্ৰদবোৰ। মহানগৰখন অতিক্ৰম কৰাৰ পিছত মুকলি অঞ্চলৰ মাজেদি বাছখন আগুৱাই গৈছে। কেৱল শুকান মুকলি ঠাই, সেউজীয়া গছ-গছনিৰ কথা বাদেই, ক'তো তৃণ-কুটা এডালিও নাই, কেবল মৰুভূমিত হোৱা জোপোহাৰে ভৰা। ক্ৰমে পাহাৰী পথেৰে আমাৰ গাড়ী আগুৱাইছে। দুয়োকাষে থকা ওখ-চাপৰ শুকান পাহাৰবোৰ ছোৱাবো কেক্‌টাচ আৰু কাঁইটীয়া জোপোহাৰে আবৰা। প্ৰশস্ত আলিবাট, চিনদি ভাগ কৰা আছে। একেলগে তিনিখন গাড়ী যাব পাৰে আৰু অহা বাটেৰেও

একেলগে তিনিখন গাড়ী আহিব পাৰে। মাজে মাজে সৰু সৰু জন-বসতি অঞ্চলবোৰ অতিক্ৰম কৰিছোঁ। ইয়াতো দেখিছোঁ ঘৰ-দুৱাৰ আৰু শাৰী শাৰী গাড়ী, গাড়ীৰ অৰণ্য। কিছুদূৰ যোৱাৰ পিচত পালোঁ। স্নেক-কেনিয়ন চিটি, তাৰ পৰা গাড়ী ক্ৰমান্বয়ে ওপৰলৈ উঠিছে। ওচৰত সেউজীয়া জোপোহা আৰু ওাঙৰ ডাঙৰ কেক্‌টাচৰ সৈতে ৰঙা ৰঙা পাহাৰৰ টিলাবোৰ। দূৰৈত ধূসৰ বৰ্ণৰ শিলৰ পাহাৰ। পথৰ দুয়োকাষৰ প্ৰকৃতিৰ অপৰূপা পাহাৰী দৃশ্যমালা চাই চাই মন ৰোম-ঞ্চিত হৈ পৰিছে। ইয়াত নাই উচ্ছল জনসমূদ্ৰৰ কলকাকলি, প্ৰকৃতি যেন ইয়াত অত্যন্ত ধ্যানমগ্ন। পাহাৰৰ উদং বক্তিম বুকু পুৱাৰ সোণালী আভাৰে উদ্ভাসিত হৈ পৰিছে। এঠাইত বাছখন ৰখাওঁতে মানুহবোৰে বাছৰ পৰা নামি কাষতে থকা চাহৰ দোকান এখনত সোমালগৈ। আমাৰ বাছৰ সহযাত্ৰীসকল প্ৰায় ভাগেই বয়সীয়াল পুৰুষ-মহিলা, তাৰ মাজত মাত্ৰ ছাবিজনী তৰুণী আছে। আমাৰ দেশৰ বৃদ্ধ মানুহ-বোৰ এওঁলোকৰ দৰে প্ৰাকৃতিক সৌন্দৰ্য্য চাই ফুৰিবলৈ আগ্ৰহী নহয়। ইয়াত দেখিছোঁ সত্তৰৰ পৰা আশী-পচাশী বছৰ বয়সৰ মানুহেই বেছিকৈ এনেবোৰ ভ্ৰমণৰ বাবে ওলাই আহে। ইয়াত বয়স্কলোকৰ বাবে বাছত বিনামূলীয়াকৈ ফুৰাৰ ব্যৱস্থা আছে। এওঁলোকৰ মনত অফুৰন্ত উৎসাহ। আমাৰ দেশৰ এনেকুৱা বয়সৰ মহিলাই প্ৰাকৃতিক দৃশ্য উপভোগ কৰিবলৈ যোৱাতকৈ কোনো তীৰ্থস্থানলৈ যাবলৈহে অধিক আগ্ৰহী কাৰণ আধ্যাত্মিকতাই তেওঁলোকৰ মন আছন্ন কৰি ৰাখে। কিন্তু আমেৰিকাবাসকলৰ বস্তুবাদী জীৱনত আধ্যাত্মিকতাৰ স্থান নাই। মোৰ সন্মুখৰ আসনত বহিছে ৰূপোৱালী চুলিৰে প্ৰায়-আশী বছৰ বয়সীয়া আমেৰিকান মহিলা কেইগৰাকীমান। কিন্তু এওঁ-লোকৰ কথা-বতৰা, খোজ-কাটল ইমান তজবজীয়া আৰু প্ৰানোচ্ছল যেন পচিশ বছৰীয়া প্ৰাণচঞ্চল একোগৰাকী গাভৰুহে। আমি বাছত বহি বহিয়েই শেৱালীয়ে লগত দি পঠিওৱা ব্ৰেদ, কণী, পটেটো চিপচ, আপেল, কল আদি উলিয়াই খালোঁ। বাছ পুনৰ চলিবলৈ আৰম্ভ কৰিলে। কিছুদূৰ যোৱাৰ পিছত সমান ঠাই পালোঁ, দুয়োকাষে

পাইন গছৰ বননি।

ফ্লেগষ্টাফ চহৰৰ পৰা ফ্লেগ্ষ্টাফ নামৰ পাইন গছেৰে আৱৰা পাহাৰীয়া ঠাইখনত বাছখন ৰখালে। বাছৰ পৰা নামি গুচৰৰে ফাষ্ট্-ফুডৰ দোকান এখনত সোমালোঁগৈ। বাহিৰত চেঁচা বতাহ বলি আছে। অক্টোবৰৰ দুপৰীয়াৰ কোমল ৰ'দজাকে চৌদিশৰ পাইন বননি আবৰি আছে। স্কুল-কলেজৰ ল'ৰা-ছোৱালীবোৰে দোকানত অতি তৎপৰতাৰে তত্তাতৈয়াকৈ গ্ৰাহকক চাহ, কফি, কল্ড ড্ৰিংকচ্, কেক্, পেটিচকে আদি কৰি যাক যি লাগে যোগান ধৰাত ব্যস্ত! একাষে টেবুল এখনত থাকে চেনী, চাহপাত, গাখীৰৰ সৰু সৰু পেকেটবোৰ। যাৰ যেনে ৰুচি সেইমতে নিজে তাৰ পৰা পেকেট আনি মিহলাই ল'ব লাগে। চাহ বুলিলে ডাঙৰ কাপত কেৱল গৰম পানীহে দিয়ে। কাগজৰ কাপ-প্লেট; খাই উঠি সেইবোৰ পেলাবলৈ ঠাই ঠিক কৰি থোৱাই আছে। মানুহবোৰে নিজে নিজে আনি খাইছে আৰু খোৱাৰ পিচত বাচনখিনি পেলাই থৈ আহিছে। আমি চাহ আৰু জেম-পেটিচ্ খালোঁ। ইয়াত চাহ খাই কিন্তু মুঠেই তৃপ্তি পোৱা নাই, নামতহে চাহ। কিছু সময় জিৰণিৰ অন্তত পুনৰ যাত্ৰা আৰম্ভ কৰি দুপৰীয়া এক বাজি বিশ মিনিটত গ্ৰেণ্ড-কেনিয়ন এয়াৰ লাইনচ্‌ৰ অফিচ পালোঁহি। গ্ৰেণ্ড-কেনিয়নৰ বিশাল গহ্বৰৰ তৰপে তৰপে থকা ৰঙা-হালধীয়া বেৰবোৰ আৰু এমাইল তলেদি বৈ যোৱা কলৰাডো নৈখন নিচেই ওচৰৰ পৰা হেলিকপ্টাৰেৰে আলাসতে উৰি উৰি ওপৰৰ পৰা নিৰীক্ষণ কৰি ৰোমাঞ্চকৰ অভিজ্ঞতা লাভ কৰিব পাৰি।

ইয়াত বহুতো হেলিকপ্টাৰ মজুত আছে, কিছুমান টুৰিষ্টে নিজৰ নিজৰ সৰু বিমানেৰেও আহে। এইবোৰ ব্যয়বহুল কাৰবাৰ, তদুপৰি সঘনে দুৰ্ঘটনা হৈ থকাও শুনা যায়। কিন্তু আমেৰিকানসকল দুঃসাহসী। আমাৰ বাছৰ কোনো এজন যাত্ৰীক হেলিকপ্টাৰ ভ্ৰমণত যোৱা নেদে-খিলোঁ। ডেৰ বজাত পুনৰ যাত্ৰা আৰম্ভ হ'ল। দূৰদূৰণিলৈকে বিয়পি আছে মুকলি সমান ঠাই, বাটৰ দুয়োকাষে কেৱল সৰল গছ, তেনে নিৰ্জন পৰিবেশৰ মাজেদিয়েই আমি গৈ আছো। দিনৰ দুই

বজাত গ্ৰেণ্ড-কেনিয়ন ভিলেজ' পালেঁাহি। গ্ৰেণ্ড-কেনিয়ন নেচনেল পাৰ্কক তিনিটা ভাগত ভগাব পাৰি। ছাউথ ৰিম, নৰ্থ ৰিম, আৰু ইনাৰ গৰ্জ। ছাউথ ৰিমৰ গ্ৰেণ্ড-কেনিয়ন ভিলেজত কেইবাটাও লজ, ভিজিটৰ চেণ্টাৰ, কেম্পিং গ্ৰাউণ্ড আদি আছে। আমি "এঞ্জেল ৰেঞ্জৰ" সমুখত বাছৰ পৰা নামিলেঁা। বাছ চালকে আমাক বুজাই ক'লে বাছৰ নম্বৰটো মনত ৰাখি আবেলি ঠিক পাঁচ বজাত বাতে পুনৰ আহি বাছত উঠোঁ। ইতিমধ্যে বহুতো বাছ আহি "গ্ৰেণ্ড-কেনিয়ন ভিলেজ" ভৰি পৰিছে। গ্ৰেণ্ড-কেনিয়নক বিভিন্ন দিশৰ পৰা চাবলৈ বিনামূলীয়া চৰকাৰী বাছৰ ব্যৱস্থা আছে বুলি শুনিছিলেঁা। তাত খবৰ লৈ গম পালেঁা অক্টোবৰ মাহৰ এক তাৰিখৰ পৰা সেই বিনামূলীয়া চাৰ্ভিচ বন্ধ হৈছে। ছাউথ ৰিমৰ পৰা বাছেৰে গৈ কেনিয়নক বিভিন্ন দিশৰ পৰা চাবলৈ দহ ডলাৰত দুখন টিকট কিনি ল'লেঁা। ইয়াৰ পৰাও গ্ৰেণ্ড-কেনিয়ন সুন্দৰকৈ দেখা যায়। বাহিৰত বেছ চেঁচা বতাহ। লজৰ ভিতৰত কিছুমান বুঢ়া-বুঢ়ীয়ে চিম্‌নিৰ কাষত বহি জুই পুৱাই আছে। ভিতৰত আছে কিতাপ-পত্ৰৰ দোকান। মোক দেখি এগৰাকী প্ৰৌঢ়াই মই পিন্ধা, ভাৰতীয় সাজটিলৈ চাই হাঁহি মাৰি ক'লে, 'Beautiful dress'; মই ধন্যবাদ দিলোঁ। তেওঁ নিজেই ক'লে এনে পোছাকক শাৰী বুলি কয়, আগতেওঁ হেনো বিশ্ব-বিদ্যালয়ত এনেকুৱা সাজ পিন্ধা মহিলা দেখিছে। ইয়াৰ আগতেওঁ অৱশ্যে বিভিন্ন ঠাইত ঘূৰি ফুৰোঁতে মোৰ অসমীয়া সাজজোৰে একাধিক আমেৰিকানৰ প্ৰশংসা লাভ কৰিছে। লজৰ পিচফালে গৈ দেখিলেঁা গহ্বৰৰ কাষত অসংখ্য মানুহ, প্ৰায় প্ৰত্যেকৰে হাতে হাতে কেমেৰা। বাহিৰত চেঁচা বতাহ বলি আছে। ৰেলিং দিয়া গ্ৰেণ্ড-কেনিয়নৰ পাৰে পাৰে, গছ-গছনিৰ মাজে মাজে, প্ৰকাণ্ড প্ৰকাণ্ড শিলবোৰৰ কাষে কাষে, লুংলুঙীয়া বাটবোৰেদি ভ্ৰমণকাৰীসকলে পিয়াপি দ ফুৰিছে। পৃথিবীৰ আশ্চৰ্য্যতম দৃশ্য দেখাৰ বাবে মানুহবোৰ আনন্দত অধীৰ আৰু ব্যগ্ৰ হৈ পৰিছে। কিছুমানে শিলত বহি চাহ-কফিকে খাইছে। আমিও শিল এটাৰ ওপৰত বহি ঘৰৰ পৰা

লৈ যোৱা জলপানৰ টোপোলাটো খুলিলোঁ। ইয়াৰ পৰা এয়াৰ্ইল ভলেদি বৈ যোৱা কলৰাডো লৈ খন দেখা যায়। অপৰূপা গ্ৰেণ্ড-কেনিয়নক স্মৃতিৰ সজাত বন্দী কৰি ৰাখিবৰ বাবে কেমেৰাত ছুকপি-মান ফটোও ললোঁ।

নিৰ্দ্দিষ্ট সময়ত কেনিয়ন চাবলৈ আমি বাছত বহিলোঁগৈ। গ্ৰেণ্ড-কেনিয়ক বিভিন্ন দিশৰ পৰা চাবলৈ পথৰ দাঁতিয়ে দাঁতিয়ে কেনিয়নৰ একেবাৰে কাষে কাষে থকা 'ভিউ পইন্ট' বোৰত চালকে মাজে মাজে বাছখন ৰখাই গৈছে। বছাৰ চালকজনেই আমাৰ গাইড। গাইডৰ নিৰ্দ্দেশমতে বাছৰ পৰা নামি ৰেলিং দি থোৱা বিষয় কাষলৈ গৈ চাও, গাইডে আমাক বুজাই দি গৈছে। বিভিন্ন দিশৰ পৰা তললৈ চাওঁতে কলৰাডো নৈখন বাৰে বাৰে আমাৰ চকুত পৰিছে, পুনৰ পাহাৰৰ সুউচ্চ শিলাস্তৰৰ আঁৰত লুকাই পৰিছে। আমি থিয় হোৱা ঠাইৰ পৰা দেখিলোঁ। যেন এক দীঘল গভীৰ ফাঁট ক্ৰমে ক্ৰমে পৃথিবীৰ গৰ্ভলৈ স্তৰে স্তৰে নামি গৈছে। দূৰ-দিগন্তৰ শেষ বিন্দুলৈকে বিয়পি আছে কোনোবাই যেন তৰপে তৰপে কাটি থোৱা ৰঙা ৰঙা শিলৰ পাহাৰ। কলৰাডোৰ গ্ৰেছ-কেনিয়ন মাত্ৰ এটায়েই নহয়, ই বহুতো কেনিয়নৰ সমষ্টি। কেনিয়নৰ জন্ম ৰহস্য ভূতাত্বিক সকলৰ বাবে আজিও এক বিস্ময় হৈ আছে। বহু যুগ ধৰি জলবায়ু, বতাহ, ৰৰষুণ, তাপ, তুষাৰপাত আদিৰ ফলত পাহাৰৰ শিলবোৰ ক্ষয় গৈ গৈ ক'ৰবাত আকৌ পাহাৰৰ শিখৰ টেবুলৰ ওপৰি ভাগৰ দৰে সমান হৈ গৈছে; ক'ৰবাত আকৌ স্তৰে স্তৰে ক্ষয় হোৱা শিলবোৰে মন্দিৰৰ আকৃতি, ক'ৰবাত আকৌ প্ৰাচীন কীৰ্ত্তিচিহ্নৰ ভগ্নাৱশেষৰ দৰে হৈ আছে; সেইবোৰৰ ভিতৰত কোনোবাটোক ব্ৰহ্মা, বিষ্ণু, শিৱ টেম্পল্ আদি নামেৰে নামাকৰণ কৰা হৈছে। দুৰ্ব্বাৰ শক্তিৰ দ্বাৰা প্ৰকৃতিয়ে পাহাৰৰ শিল কাটি কাটি অপূৰ্ব্ব ভাস্কৰ্য্যৰ সৃষ্টি কৰিছে। সঁচাকৈয়ে গ্ৰেণ্ড-কেনিয়ন প্ৰকৃতিৰ এক অভিনৱ সৃষ্টি। সূৰ্য্যোদয়ৰ পৰা সূৰ্য্যাস্ত-লৈকে গোটেই দিনটোত গ্ৰেণ্ড-কেনিয়নৰ শিলাস্তৰৰ বৰ্ণসুষমা আৰু ৰূপ অজান শিল্পিৰ যাদুৰ পৰশত যেন সলনি হৈ থাকে।

নদীয়ে যেতিয়া পাহাৰ কাটি কাটি গভীৰ কন্দৰৰ সৃষ্টি কৰে তাকেই কেনিয়ন বুলি কয়। প্ৰায় ১৪০০ মাইল দৈৰ্ঘ্যৰ কলৰাডো নৈখন ৰকি পৰ্ব্বতৰ পৰা উৎপত্তি হৈ উটা ৰাজ্যৰ মাজেদি আহি এৰিজোনা ৰাজ্যত প্ৰবেশ কৰি কালিফোৰ্ণিয়া উপসাগৰত পৰিছেগৈ। যুক্তৰাষ্ট্ৰৰ দক্ষিণ-পশ্চিম অঞ্চলৰ প্ৰায় ২,৪০,০০০ বৰ্গ মাইল এলেকা এই নদীৰ অৱবাহিকা।

খৰস্ৰোতা কলৰাডো নদীয়ে কোটি কোটি বছৰ আগৰে পৰা খনন কাৰ্য্যৰ দ্বাৰা এই পাহাৰৰ বুকুত গভীৰ কন্দৰৰ সৃষ্টি কৰিছে। গ্ৰেণ্ড-কেনিয়ন পৃথিৱীৰ ভিতৰতে আটাইতকৈ ডাঙৰ কন্দৰ। বতাহ, বৰষুণ আৰু তুষাৰৰ কাৰ্য্যাই এই নিসৰ্গক ইমান বৈচিত্ৰময় কৰি তুলিছে যে পৃথিৱীৰ ক'তো ইয়াৰ তুলনা পাবলৈ নাই। এই প্ৰকাণ্ড কেনিয়নটো ২১৭ মাইল দীঘল আৰু ইয়াৰ গভীৰতা এক মাইল। কলৰাডো নৈখন এই কেনিয়নৰ এমাইল তলেদি বৈ গৈছে। বছৰ বাগৰি যোৱাৰ লগে লগে খৰস্ৰোতা নৈখনে ইয়াৰ দুয়োপাৰ খনন কৰি গৈ থকাৰ ফলত ই ক্ৰমে দ হৈ গৈ আছে। নৈখনৰ অজস্ৰ শাখা-প্ৰশাখাই পাহাৰ কাটি কাটি কন্দৰৰ সৃষ্টি কৰিছে। কিছুমান শিলাস্তৰ দুশ কোটি বছৰৰ পুৰণি, কেনিয়নৰ দাঁতিৰ শিলাস্তৰৰ বয়স ২৫ কোটি বছৰ। গহ্বৰৰ পাৰৰ পৰা তললৈ চালে কলৰাডো নৈখন স্থিৰ হৈ থকা পানীৰ সৰু জুৰি এটি যেনহে দেখি। নৈখনৰ কোনো কোনো অংশত সোঁত ইমান প্ৰবল হয় যে তাত পাঁচ-ছয় ফুট ওখলৈকে ঢৌ উঠে। কিন্তু ইমান ওপৰৰ পৰা সেইবোৰ একো অনুমানেই কৰিব নোৱাৰি। কলৰাডো নৈৰ কেনিয়ন বহলে চাৰি মাইলৰ পৰা ওঠৰ মাইল পৰ্য্যন্ত। ১৫৪০ চনত পোন প্ৰথমে এই বিস্ময়জনক কেনিয়নটো এজন ইউৰোপীয় লোকৰ দৃষ্টি গোচৰ হৈছিল।

ৰাস্তাৰ কাষতে ৰখাই থোৱা আমাৰ বাছখনৰ কাষত দুটা ডাঙৰ হৰিণাই নিৰ্ভয়ে ঘাঁহ খাই থকা দেখিলো। বাছখন অভয়াৰণ্যৰ মাজেদি ঘূৰি পকি গৈ এঠাইত ৰখাই প্ৰত্যেকজন বাছ যাত্ৰীক চাহ নাইবা কল্ডড্ৰিঙ্কচ্ খাই ল'বলৈ কুপন দিলে। তেতিয়া অস্তগামী বেলিৰ

হেঙুলী বহন সানি কেনিয়নৰ স্থাপত্যৰাজি ৰাঙলী সাজেৰে উদ্ভাসিত হৈ পৰিছে। সেই অপৰূপ সৌন্দর্য্যত শেষ বাৰৰ বাবে চকু ফুৰাই পুনৰ বাছত উঠিলোঁ গৈ। 'এঞ্জেল লজৰ' সমুখত বাছৰ পৰা নামি দেখিলোঁ আমি ফিনিক্সৰ পৰা অহা গ্রে-লাইনৰ বাছখন আন বাছ-খোৰৰ লগতে যাবলৈ সাজু হৈ আছে।

আবেলি পাঁচ বজাত পুনৰ ফিনিক্স অভিমুখে যাত্রা কৰিলোঁ। কিছুদূৰ যোৱাৰ পিছত এটা ঘৰৰ সমুখত বাছখন ৰখাই গাইডে ক'লে যে তাত গ্রেণ্ড-কেনিয়নৰ বিষয়ে 'মুভি' দেখুৱাব, এখন টিকটৰ মূল্য দুয় ডলাৰকৈ। বাছ যাত্রীবোৰ নামি গ'ল মুভি চাবলৈ। স্বচক্ষে দেখি অহাৰ পিচত 'মুভি' চাবলৈ ইচ্ছা নোহোৱাত আমি দুয়ো বাছতে বহি থাকিলোঁ। কিছুসময়ৰ পিচত সকলো যাত্রী আহি বাছত উঠি-লেছি। এগৰাকী মহিলাই মোক ক'লে "তোমালোক নগলা চাবলৈ? খুব সুন্দৰ ছবি দেখুৱাইছিল।" ভাবিলো, হয়তো হেলিকপ্টাৰেৰে কেনিয়নৰ বহুত তলৰ আৰু শিলাস্তৰৰ নিচেই কাষৰ পৰা তোলা ছবিয়েই দেখুৱাইছিল। মনটো বেয়া লাগিল, হাতে পায়ো সুযোগ হেৰুৱাৰ বাবে।

গ্রেণ্ড-কেনিয়নৰ পৰা ফিনিক্সলৈ এই সুদীর্ঘ পথছোৱা বাছেৰে যাওঁতে সামান্য জোৰাৰণিও অনুভব কৰা নাই। ক্রমে নিশা হৈ অহাত মোৰ চকুৰ পতা ঘনে ঘনে জাপ যাব খোজে, কিন্তু বাছখনৰ প্রায় পয়সত্তৰ আশী বছৰীয়া মহিলা সকল ক্লান্ত হৈ পৰাৰ পৰিবর্তে হাঁহি-মাতি কথা-বতৰা পাতি বেছ তজবজীয়া হৈ আছে। নিশা বাৰ বজাত ফিনিক্সৰ টেম্পি চহৰৰ 'হলিডে-ইন্' হোটেলৰ সমুখত বাছৰ পৰা নামিলোঁ। বাছৰ যাত্রীবোৰ বাটে-বাটে নামি গৈছিল, শেষলৈ আমি মাথোন চাৰিজনহে আছিলো। আমাৰ ভনী-জোঁৱাইয়ে আমালৈ তাতে অপেক্ষা কৰি আছিল।

পৰহিলৈ 'উইক-এণ্ড'ত শেৱালীইঁতৰ ঘৰত শ্রীশ্রীসত্যনাৰায়ণ পূজা এভাগ পাতিবলৈ মন কৰি ফিনিক্সত থকা কেইবাঘৰো ভাৰতীয়ক টেলিফোন যোগে নিমন্ত্রণ জনাইছে। আমি ফিনিক্সৰ 'ইণ্ডিয়ান ষ্টোৰলৈ'

গৈ ধূপ-ধুনা, কর্পূৰ, ঘিউ, মৌ নাৰিকলকে আদি কৰি পূজাৰ বিবিধ সামগ্ৰী কিনি আহিলোঁ। এই দোকানখনত পূজাৰ সকলো লাগতিয়াল দ্ৰব্য কিনিবলৈ পোৱা যায়, আনকি তুলসী গছৰ পুলি এটিও দোকানৰ গুজৰাটী মহিলা গৰাকীয়ে যোগাৰ কৰি দিলে। ইয়াত থকা ভাৰতীয় কেইঘৰত সময়ে সময়ে পূজা-পাৰ্ব্বন হৈয়েই থাকে। একেখন ঠাইতে থাকে যদিও মানুহবোৰ যথেষ্ট দূৰৈৰ পৰা আহে বাবে পূজাৰ পিচত ভাত-পানী খাইহে উভতি যায়গৈ। এগৰাকী নিমন্ত্ৰিতা মহিলাই ঘৰতে ৰসগোল্লা তৈয়াৰ কৰি আনিম বুলিও কথা দিলে। ইয়াৰ ভাৰতীয়-সকলে সৰহীয়াকৈ মানুহ নিমন্ত্ৰণ কৰিলে তিনিদিন মান আগতেই খা-যোগাৰ কৰি ৰান্ধি ফ্ৰিজত সুমুৱাই থয়।

দুপৰীয়া যথা সময়ত নিমন্ত্ৰিত অতিথিসকল সপৰিয়ালে এওঁলোকৰ ঘৰত উপস্থিত হ'লহি। আটায়ে ভক্তি ভাবেৰে মজিয়াৰ কাৰ্পেটৰ ওপৰত বহিছে। পূজাত বহিছে বিহাৰৰ ইঞ্জিনিয়াৰ সুনীল ডফ্টুৱাৰ। কলিকতাৰ ডঃ মিছেছ সুনীতা ৰয়ে পূজাৰীক পূজাৰ যাবতীয় বস্তু-সমূহ যতনাই দি আছে। পূজা আৰম্ভ হ'বৰ সময়ত পূজাৰীয়ে ক'লে দুবৰি-বন অনা হোৱা নাই ; লগে লগে গৃহস্থই এঠাইৰ পৰা দুবৰি আনিবলৈ গাড়ী দৌৰালে। প্ৰসাদ হিচাপে বিবিধ ফল মূল, ভোগ মিঠাই আগবঢ়োৱা হৈছে। পূজাৰ অন্তত আৰতি কৰা হ'ল। ইয়াৰ ভাৰতীয় ল'ৰা-ছোৱালীবোৰক দেখিছোঁ আৰতি কৰাত পাকৈত। পূজাৰ অন্তত প্ৰত্যেকে একোখনকৈ ডলাৰৰ নোট থাল এখনত আগবঢ়াই সেৱা কৰিলে। শেৱালীয়েও পইচা আৰু এখন ফুলাম গামোচা আগ-বঢ়ালে। প্ৰসাদ আৰু ভোগ বিতৰণৰ পিচত গৃহস্থই লুচি, আলুৰ দম, বুটৰ দাইল, বন্ধা কবিৰ কোপ্তা, ভাত, অম্বল আৰু মিঠাইৰে সকলোকে আপ্যায়িত কৰিলে। পূজাৰীয়ে ডলাৰ খিনি নিবলৈ মান্তি নহ'ল। পূজাৰ অন্তত হঠাতে মুষলধাৰে বৰষুণ আহিল। বৃষ্টিৰ তৃষ্ণাত আকুল হৈ থকা শুকান মৰুৰ বুকুলৈ নামি আহিল শান্তি-সুধা। ফিনিক্সত এনে বৰষুণ দুষ্পাপ্য। অতিথি অভ্যাগতসকল এঘৰ এঘৰকৈ মাত লগাই বিদায় ল'লে। আৰ্কিটেক্ট সুকুমাৰ পাল আৰু তেওঁৰ

পত্নী সুনীতা পালে কিছুসময় গল্প-গুজব কৰি নিশা চাহে মহ বজাত আমাৰ পৰা বিদায় লৈ গ'ল।

টেলিভিশ্যনত দেখিলোঁ কলম্বাচ, এক্সোবেজ ৱাশ্বিংটন, নিউইয়র্কৰ ফালে বৰফ পৰিবলৈ ধৰিছে, প্ৰায় এফুট-ডেৰফুটলৈকে বৰফ পৰিছে। আনহাতে ফিনিক্স, হিউষ্টন, আদি দক্ষিণৰ ঠাইবোৰত এতিয়া অক্টোবৰৰ শেষৰ ফালেহে লাহে লাহে গৰম কমিবলৈ ধৰিছে। বিশাল মহাদেশৰ বিচিত্ৰ এই প্ৰাকৃতিক তাৰতম্য। উত্তৰফালে কোনো পৰ্ব্বত শ্ৰেণী নথকাৰ বাবে সুমেৰু অঞ্চলৰ পৰা অহা শীতল বতাহে কলম্বাচ, নিউইয়র্ক আদি ঠাইবোৰত জাৰকালি শীতৰ প্ৰকোপ বৰ বেছি হয়।

ফিনিক্স মহানগৰীত স্বচ্ছ পানীৰ ডাঙৰ ডাঙৰ কেইবাটাও কৃত্ৰিম লেক আছে। আবেলি বতৰ জুৰ পৰিলে নাতাচা আৰু ৰিমঝিমক লগত লৈ খোজকাঢ়ি ওলাই যাওঁ লেকৰ পাৰলৈ। মানুহৰ ঘৰৰ সমুখত বাজআলিৰ দাঁতিলৈকে বগা আৰু বেগুনীয়া ৰঙৰ নয়নতৰা ফুলবোৰ ৰমক-জমককৈ ফুলি থকা চকুত পৰে। এই দেশৰ মানুহৰ সৌন্দৰ্য্যবোধ দেখি বিস্মিত নহৈ নোৱাৰি। এটি ঘৰৰ পদূলিত বহি থকা এগৰাকী বৃদ্ধাক প্ৰায়েই দেখিবলৈ পাওঁ। তেওঁ আমাক দেখিলেই 'উইছ' কৰে; সান্ধ্য আইনৰ কবলত থকা নগৰৰ দৰে জনশূণ্য বাট-পথ। লেকত কাৰৈ জাতীয় মাছ প্ৰচুৰ অছে; দুই এজন যুবকে বৰশীৰে মাছ মৰাত মগ্ন। Lake wood Drive অঞ্চলৰ বাসিন্দাসকলৰ বাবে নিজাকৈ এইটো হ্ৰদ। বাসিন্দাসকলৰ পৰা ইয়াৰ বাবে টেক্স লয়। লেকত নৌকা বিহাৰৰ বাবে কেইখনমান নাওঁ বান্ধি থোৱা আছে। বৰশীৰে মাছ মাৰিব বা নাওঁ বাব খুজিলে দুই ডলাৰেৰে এখন অনুমতি পত্ৰ ল'ব লাগে। লেকৰ তিনিওফালে শাৰী শাৰীকৈ থকা একে ধৰণৰ এমহলীয়া ক্ৰিম ৰঙৰ ৰঙা টাইলচৰ মুধচৰ আবাসিক গৃহবোৰৰ সৈতে নীল জলধি, সুনীল আকাশ, ইপাৰে বহুদূৰলৈকে বিস্তৃত হৈ থকা ওখ-চাপৰ ঠাই খিনিত কোমল পৰিষ্কাৰ সেউজী ঘাঁহনি, তাৰ মাজে মাজে চাপৰ তাল জাতীয় আৰু খেজুৰী গছবোৰ, শাৰী-শাৰী বিজুলী চাকি, সকলো মিলি এখন

স্বপ্নকোমল ছবি যেন লাগে। চাৰিওফালে সজীৱতা আৰু নিবিড় শান্তি বিৰাজমান। লেকৰ পাৰত চালি দিয়া সুন্দৰ বহা আসন। পশ্চিম আকাশৰ অস্তগামী সূৰ্য্যৰ বক্তিম আভাৰে ৰঞ্জিতা হৈ জলৰাশিও বিভিন্ন বোলেৰে ৰাঙলী হৈ অপৰূপ সৌন্দৰ্য্যৰ মেলা পাতিছে। নিচেই তলেদি সঘনাই আহ-যাহ কৰে বিমানবোৰ। কাষতে, আছে ল'ৰাছোৱালীৰ খেলা পাৰ্ক। পেৰাম্বুলেটৰত নবজাতকক লৈ সন্তানক শিশু হাতত ধৰি দিনটোৰ ব্যস্তভাৰ অন্তত সান্ধ্য-ভ্ৰমণলৈ ওলাই আহিছে দুই এগৰাকী মাৰ্কিন মহিলা। দিনটোৰ বাবে ডে-কেয়াৰত শিশু সন্তানক থৈ মাক-দেউতাক যায় কৰ্মক্ষেত্ৰলৈ; গধূলি উভতি আহোতে গাড়ীৰে তাহাঁতক ডে-কেয়াৰৰ পৰা লৈ ঘৰলৈ আহে। এই দেশত মানুহ অনুপাতে পাৰ্ক, মুকলি ঠাই অধিক; সেইবাবে এনেবোৰত মানুহৰ ভিৰ নাই। বেলি মাৰ যোৱাৰ লগে লগে শাৰী শাৰী বিজুলী চাকিবোৰ জ্বলি উঠাত এক শীতল পৰিবেশ আৰু মোহনীয় ৰূপেৰে লেকৰ চৌদিশ উজ্জ্বলিত হল। সঞ্চাৰিত মলয় পবনৰ স্নিগ্ধতাখিনি উপভোগ কৰি লাহে লাহে খোজ দিওঁ গৃহাভিমুখে। এদিন এইদৰে উভতি আহোঁতে পথ হেৰুৱাইছোঁ। পথত এটিও জন-প্ৰাণী নাই। গধূলি সাত বজাতে নগৰখনলৈ মাজ নিশাৰ নিৰৱতা নামি আহিছে। এনেতে এহাল দম্পতী গাড়ীৰে ঘৰৰ পৰা ওলাই আহোঁতে আমাক দেখি 'হাই' বুলি সম্বোধন কৰিলত আমিও 'হাই' বুলি তেওঁলোকৰ কাষ চাপি পথৰ সন্ধান বিচাৰিলো। তেওঁলোকে ক'লে, এইফালে গৈ থাকিলে প্ৰধান ৰাজআলি পাব। প্ৰধান পথটো বিচাৰি পালে আমাৰ উপপথটো বিচাৰি উলিওৱাত সহজ হ'ব। সেইমতেই আহি ঘৰ পালোঁহি। পথৰ দাঁতিত কুই দিয়া কোমল ঘাঁহনিত মাটিৰ লেভেলত থকা পানীৰ কলবোৰ কোনোবাই খুলি দিয়াত মুখবোৰ নিজে নিজে ঘূৰি ঘূৰি নিৰ্দ্দিষ্ট এটা দূৰত্বলৈ ফোৱাৰাৰ দৰে পানী চটিয়াই আছে। সেইবাবে ইমান শুকান গৰম অঞ্চলতো ঘাঁহবোৰ শুকাই নাযায়, সজীৱ সেউজীয়া হৈ থাকে। এই দেশৰ চৌদিশে ইমান প্ৰাচুৰ্য্য, সা-সুবিধা, তথাপিও কিবা এটা যেন নাই এনে লাগে।

সকলো থাকিও মানুহবোৰ যেন বৰ অকলশৰীয়া, বৰ নিঃসঙ্গ।

ফিনিক্স মহানগৰীৰ নিকা পৰিবেশৰ মাজত আছে গুৱাদালুপি নামেৰে এখন ঠাই ; ই হ'ল মেক্সিকান সকলৰ আদি বসতি এলেকা, অলপ অপৰিস্কাৰ, পৰিপাটিহীন আমাৰ দেশৰ চহৰৰ দৰে। গুৱাদালুপিৰ মাজেৰে গাড়ীৰে যাওঁতে ঠাইখন গুৱাহাটীৰ দৰে লাগিল। ফিনিক্স মহানগৰীৰ মাজত এনে এটা অঞ্চলৰ অৱস্থান কল্পনা কৰিবই নোৱাৰি। ঘৰবোৰ সৰু সৰু ; একেটা ঘৰতে আমাৰ দেশৰ দৰে পৰিয়ালৰ বহুতো মানুহ একেলগে থাকে। মেক্সিকোৰ পৰা আহি ইয়াত বহুত বছৰ আগৰে পৰা বসতি কৰি থকা এই মেক্সিকান খ্ৰীষ্টান মানুহবোৰ শকত, মিঠা বৰণীয়া। এওঁলোক হেনো অসৎ প্ৰকৃতিৰ, বিশেষকৈ এওঁলোকৰ যৌন জীৱন অতি কলুষিত। এওঁলোকে স্পেনিছ ভাষা কয়। আগতে হয়তো এই অঞ্চলবোৰ নগৰৰ দাতি-কাষৰীয়া ঠাইতে আছিল। ফিনিক্সৰ দ্ৰুত সম্প্ৰসাৰণ ঘটাৰ ফলত এই অঞ্চলটো মহানগৰৰ মাজভাগত সোমাই পৰিছে। সমগ্ৰ আমেৰিকা যুক্তৰাষ্ট্ৰৰ শিক্ষানুস্থান বিলাকৰ প্ৰথম ভাষা ইংৰাজী ; কিছুমান ৰাজ্যত দ্বিতীয় ভাষা হিচাপে স্পেনিছ ভাষা চলে। এৰিজোনা ৰাজ্যৰ কালে মেক্সিকানলোক সৰহ বাবে সাধাৰণতে ইংৰাজীৰ লগতে স্পেনিছ ভাষাও লিখা বা ব্যৱহাৰ হয়।

ইয়াত আবাসিক অঞ্চলৰ বাহিৰে ৰাজপথত গাড়ীবোৰ অতি তীব্ৰ গতিত চলে। ইয়াৰ স্কুল-বাছ ষ্টপেজৰ এটা নিয়ম দেখি মুগ্ধ নহৈ নোৱাৰিলোঁ। স্কুল-বাছ আহি বাছ-ষ্টপেজত ৰৈ গ'লে সৰু ল'ৰা-ছোৱালী উঠা-নমা কৰা সময়খিনিত ৰাজআলিৰ দুয়োকালৰ পৰা অহা সকলো দ্ৰুতগামী গাড়ী-মটৰ ৰৈ যায়। যেতিয়ালৈকে বাছখন গুছি নাযায়, তেতিয়ালৈকে সকলো গাড়ী ৰৈ থাকে। ইয়াৰ বাবে নিৰ্দ্দেশ দিবলৈ তাত কোনো পুলিচ নাথাকে। ইয়াত নিয়ম যি নিয়মেই। উচ্চ পদস্থ বিষয়া অথবা গৱৰ্ণৰৰ গাড়ীয়েও এই নিয়ম মানি চলিব লাগিব।

আমেৰিকা যুক্তৰাষ্ট্ৰত স্কুল-বৰ্ষ আৰম্ভ হয় চেপ্তেম্বৰৰ প্ৰথম

সপ্তাহত আৰু শেষ হয় জুনৰ প্ৰথম সপ্তাহত। ইয়াৰ স্কুল-কলেজ বোৰত বন্ধ একেবাৰে ধৰাবন্ধা। আনকি কেতিয়াবা প্ৰাকৃতিক দুৰ্যোগৰ বাবে স্কুল বন্ধ দিবলগীয়া হলেও গৰমৰ বন্ধৰ আগে আগে শ্ৰেণীসমূহত খতি হোৱা দিন কেইটাৰ পাঠদান কৰি পূৰাই দিয়া হয়। ইয়াৰ ভিতৰত বৰদিনৰ সময়ত দুই সপ্তাহ আৰু মাৰ্চ মাহত এক সপ্তাহ বন্ধ থাকে এই দুটাই দীঘলীয়া বন্ধ। তাৰ বাহিৰেও অক্টোবৰত কলম্বাচ দিবসৰ বাবে এদিন, নবেম্বৰত ধন্যবাদসূচক দিবসৰ (Thanks Giving Day) বাবে দুদিন মে' মাহত দুদিন বন্ধ থাকে। আমাৰ ৰাজ্যৰ দৰে কোনো বিশিষ্ট ব্যক্তিৰ মৃত্যু হ'লে স্কুল ছুটী দিয়াৰ নিয়ম ইয়াত নাই। অৱশ্যে গ্ৰীষ্মকালি স্কুল তিনিমাহ বন্ধ থাকে। ইয়াৰ বিপৰীতে আমাৰ ৰাজ্যত আকৌ আন্দোলন কৰিবলৈ গৈ সঘনে বন্ধ পালন কৰি দেশৰ প্ৰগতিক বহু বছৰ পিছুৱাই লৈ গৈছে। হঠাতে বাট-পথ বন্ধ, যানবাহন বন্ধ, অফিচ বন্ধ স্কুল-কলেজ বন্ধ হৈ বৰ্ত্তমান আমাৰ ৰাজ্যত বন্ধৰ যি পয়োভৰ হৈছে, তাৰ ফলত বিশেষকৈ সৰ্ব্বসাধাৰণ ৰাইজ আৰু ছাত্ৰ-ছাত্ৰীসকল বেছিকৈ ক্ষতিগ্ৰস্ত হৈছে। আজিৰ যুগত প্ৰগতিশীল দেশৰ মানুহে মহাকাশলৈ গৈ বিভিন্ন পৰীক্ষা-নিৰীক্ষা চলাইছে, বৰফাবৃত অঞ্চললৈ গৈ খাৰুৱা তেল উদ্ঘাটন কৰিছে আৰু আমি সুৰুঙা পালেই বন্ধ পালন কৰি, কাম কাজৰ পৰা আঁতৰি থাকি অমূল্য সময় নষ্ট কৰিছোঁ। বাতৰি কাকতত পঢ়িবলৈ পাইছো যে অতি পৰিশ্ৰমী জাপানীসকলে কল-খানাত ধৰ্ম্মঘট কৰিলেও সাধাৰণতে হেনো পাঁচ মিনিটমান সময়হে কৰ্ত্তব্যৰ পৰা আঁতৰি থাকে। আমেৰিকাৰ স্কুলবিলাকত কোনো ছাত্ৰই এটা স্কুল-বৰ্ষত এঘাৰ দিনতকৈ বেছি খতি কৰিলে পৰীক্ষাত অকৃতকাৰ্য্য বুলি ঘোষণা কৰে। অৱশ্যে অসুখ-বিসুখৰ বাবে স্কুল খতি হোৱাটো সুকীয়া কথা, তেতিয়া চিকিৎসকৰ চাৰ্টিফিকেট দেখুৱাব লাগে। কেতিয়াবা ছাত্ৰ-ছাত্ৰী কিবা বিশেষ কাৰণত স্কুললৈ নগ'লে অভিভাবকে স্কুলৰ প্ৰধান শিক্ষকলৈ ফোন কৰি বা আন উপায়েৰে তেওঁৰ ল'ৰা বা ছোৱালীজনী স্কুললৈ যাব নোৱাৰা কথাটো জনাব

লাগে, কিয় যোৱা নাই তাৰ কাৰণো সম্পূৰ্ণকৈ জনোৱা দৰ্কাৰ। অন্যথাই কোনো ছাত্ৰ-ছাত্ৰীয়ে স্কুললৈ ওলাই গৈ ক্লাচ নকৰি ঘূৰি ফুৰিলেও পধ্‌লি স্কুলৰ তৰফৰ পৰা অভিভাবকলৈ ফোন কৰি তেওঁৰ ল'ৰাটো বা ছোৱালীজনী স্কুললৈ অহা নাই বুলি জনাই দিয়ে।

ফিনিক্সৰ "এৰিজোনা ষ্টেট ইউনিভাৰচিটি"খন এখন আগশাৰীৰ লেখত-ল'বলগীয়া বিশ্বদ্যিালয়। বিশ্ববিদ্যালয়খন বাহিৰে ভিতৰে ভালকৈ চালোঁ। প্ৰায় ৪৪,০০০ হেজাৰ ছাত্ৰ-ছাত্ৰীয়ে ইয়াত শিক্ষা লৈ আছে। ৰঙচুৱা বৰণৰ বিশেষ স্থাপত্যৰ আহিত নিৰ্মিত ভৱনবোৰ, বিভিন্ন সযত্ন পালিত গছ-গছনিৰ সৈতে বিৰাট এলেকাৰ বিশ্ববিদ্যালয়খনৰ পৰিবেশ অতি মনোৰম। ক'তো হাই-উৰুমি নাই; কেউদিশে শৈক্ষিক পৰিবেশ বিৰাজমান। আলিৰ দাঁতিয়ে দাঁতিয়ে থকা শাৰী শাৰী সুমথিৰা টেঙাৰ গছবোৰত থোপাথোপে সুমথিৰা লাগি আছে। এতিয়া অক্টোবৰ মাহ, সুমথিৰাবোৰ কেঁচা হৈ আছে। দোকান-বজাৰৰ সমুখৰ আঁৰ-বেৰ নথকা মুকলি ঠাইত শাৰী শাৰী সুমথিৰা গছবোৰ ফলেৰে দো খাই থকা চকুত পৰে। কেইদিনমান পিচত ফলবোৰ পকি আকৰ্ষণীয় ৰঙেৰে অপূৰ্ব্ব হৈ পৰিব। শাৰী শাৰী বৈঙেনা গছৰ সমান ওখ মেক্সিকান পেৰাডাইজ্ আৰু চাপৰ চাপৰ বোগেন ভিলা গছবোৰ ৰক্তিম ফুলেৰে উপচি আছে। বিশ্ববিদ্যালয়ৰ একো একোটা বিভাগক 'স্কুল' বুলি কয়। বিভিন্ন বিভাগৰ ভৱনবোৰ, বিৰাট আকাৰৰ অডিটৰিয়াম ঘূৰি-পকি চালোঁ। ভনী-জোঁৱাই ৰুকনানন্দ ভূঞা এসময়ত এই বিশ্ববিদ্যালয়ৰে ছাত্ৰ আছিল। কিছুমান ছাত্ৰ-ছাত্ৰীয়ে হাতত গিটাৰ একোখন লৈ মিউজিক ক্লাচলৈ যোৱাও দেখিলোঁ। এইখন বিশ্ববিদ্যালয়ত মেডিকেলৰ বাহিৰে সকলো বিষয়ৰ শিক্ষা ল'ব পাৰি। অৱশ্যে ইয়াত প্ৰি-মেডিকেলৰ শিক্ষা লোৱাৰ ব্যৱস্থা আছে। বৈজ্ঞানিক, কাৰিকৰী, কম্পিউটাৰ, চিকিৎসা আদি বিষয়ৰ উচ্চ শিক্ষাৰ বাবে আমেৰিকাৰ মহাবিদ্যালয়, বিশ্ববিদ্যালয়সমূহ যথেষ্ট আগবঢ়া। সেইবোৰ বিষয়ত উচ্চ শিক্ষা লাভ কৰাৰ পিচত চাকৰিৰ সুবিধাও এই দেশত যথেষ্ট আছে। বৰ্ত্তমান ইয়াত ইঞ্জিনিয়াৰৰ যথেষ্ট চাহিদা।

এই বিশ্ববিদ্যালয়সমূহত ছাত্র-ছাত্রীয়ে জ্ঞান আহৰণৰ বাবে গোটেই বছৰটোৱেই অতিশয় পৰিশ্ৰম কৰি অধ্যয়নত ব্যস্ত থাকে। ইয়াৰ প্ৰাইমাৰী স্কুলৰ পৰা বিশ্ববিদ্যালয়লৈকে সকু ডাঙৰ প্ৰত্যেক ঠাইৰে স্কুল-কলেজসমূহ পৰিস্কাৰ, শৃঙ্খলাবদ্ধ আৰু সকলো প্ৰকাৰৰ সা-সুবিধা থকা। আম'ৰ দেশতো মেধাবী ছাত্ৰ-ছাত্ৰী নোহোৱা নহয়। কিন্তু শিক্ষাৰ উপযুক্ত পৰিবেশ, সুযোগ-সুবিধা নোপোৱা বাবে আমাৰ দেশৰ বিশেষকৈ অসমৰ অধিকাংশ ছাত্ৰ-ছাত্ৰীৰ দক্ষতা আৰু প্ৰতিভা যথা-যোগ্যভাবে বিকশিত হ'বলৈ নাপায়। তথাপিও এই দেশৰ ছাত্ৰ-ছাত্ৰীৰ তুলনাত আমাৰ ছাঁত্ৰ-ছাত্ৰীসকলৰ একনিষ্ঠতা আৰু কৰ্ত্তব্য সচেতনতাৰ অভাব বাৰুকৈয়ে পৰিলক্ষিত হয়।

উভতি আহোঁতে মহানগৰৰ এটা অঞ্চলত হেজাৰ-বিজাৰ পুৰণি গাড়ী দ'ম কৰি থোৱা দেখিলোঁ। পুৰণি গাড়ীবোৰৰ চকা, বহা আসন আদি খুলি গাড়ীবোৰ মেচিনৰ সহায়ত চেপেটা কৰি, তাৰ পৰা আকৌ নতুন গাড়ীৰ অংশ তৈয়াৰ কৰি কামত লগায়। সকলো মহানগৰতে হেজাৰ-বিজাৰ পুৰণি গাড়ী বিক্ৰীৰ বাবে থোৱাও দেখি আহিছোঁ।

১৫ অক্টোবৰ, দেওবাৰে, আমি মল এখনলৈ ওলাই গ'লোঁ। কেইবা মহলীয়া মল খনৰ ভিতৰতে আছে বিভিন্ন বস্তুৰ দোকানবোৰ আইনাৰে আবৰা বাহিৰৰ সকলো বস্তু সুন্দৰকৈ দেখা লিফ্‌টেৰে আমি ওপৰ মহলালৈ আহিলোঁ। আজি উইক-এণ্ডৰ বাবে দোকানলৈ অহা মানুহৰ সংখ্যাও সৰহ। মলৰ ভিতৰত পশ্চিমীয়া সঙ্গীতৰ মূৰ্চ্ছনাই চৌদিশ মুখৰ কৰি তুলিছে। ৰঙা, নীলা, সেউজীয়া বাৰে-বৰণীয়া লাইটৰ চিক্‌মিকনিৰে এক উৎসৱমুখৰ পৰিবেশ। মলৰ ভিতৰতে ৰেষ্টোৰা চিনেমা হল, স্কি কৰিবলৈ বৰফৰ প্লেট্‌ফৰ্ম আদি সকলো আছে। দোকানত বিভিন্ন ৰঙৰ কিমান ধৰণৰ যে মনোমোহা বৈচিত্ৰ-পূৰ্ণ কৃত্ৰিম ফুলৰ শোভা, কিমান ধৰণৰ যে সেউজীয়া পত্ৰ-লতা, যেন জীয়ন্ত ফুলপাতহে জক্‌মকাই আছে। ইয়াত আহি বসবাস কৰা বহুতো মানুহে নিজৰ দেশৰ পৰা মাক-দেউতাক বা আত্মীয়-স্বজন

বেছি দিনৰ বাবে আহি লগত থাকিলে এনে মলবোৰলৈ লৈ আহে আৰু কেইমণ্টামানৰ বাবে এৰি থৈ যায়। মলবোৰ শীত-তাপ নিয়ন্ত্রিত আৰু আহল-বহল কাৰণে খোজকাঢ়ি ফুৰিবলৈ ভাল। ভিতৰতে খোৱা-বোৱা আৰু টয়লেটৰো ব্যৱস্থা আছে ; ইচ্ছা কৰিলে ঘৰলৈ ফোন কৰিবও পাৰে। ইয়াত থকা বহুতো লোকে সান্ধ্য ভ্ৰমণৰ বাবে এনে মলবোৰলৈ আহে। বিভিন্ন কোম্পানীৰ কে'মাৰ্ট, মেচি, চেক্‌ৰে, চিয়াৰচ্‌, জেচি পেনি আদি 'চেইন-মল' বোৰ দেশখনৰ বিভিন্ন ঠাইত আছে। মলৰ পৰা ওলাই আহি বাহিৰৰ ফাষ্ট-ফুডৰ দোকান এখনত সোমাই মেক্সিকান পিঠা আৰু চাহ খালোঁ। ঘৰলৈ উভতি আহোঁতে শেৱালীহঁতৰ চিনাকি আমেৰিকান মানুহ এঘৰৰ তাত তেওঁলোকৰ সত্য সাইবাবাৰ মন্দিৰটো চাবলৈ সোমালোঁ। ফিনিক্স মহানগৰীৰ ভিতৰৰ এইখন চহৰৰ নাম টেম্‌পি। গাড়ীৰ পৰা নামি কোমল সেউজী বননি গছকি পদূলি পাৰ হৈ ঘৰৰ সমুখত দেখিলোঁ। কেইজোপামান জোপোহা ডালিম গছত টিক্‌টিকীয়া ৰঙা ডালিম থোপা-থোপে লাগি আছে। বিভিন্ন গছ-লতা, গুল্মৰে ঘৰৰ চৌদিশ আবৰা। ভিতৰৰ সৰু চোতালখনৰ একাষে সুমথিৰা টেঙা, ৰবাব টেঙা থোপা-থোপে লাগি দোঁ খাই আছে। ডাল ভৰি লাগি আছে নেমু টেঙা-বোৰ। ঘৰৰ পিচফালে সৰু বাঁহ গছ এজোপাও দেখিলোঁ। এটা সৰু পুখুৰিত কেইটামান ডাঙৰ ডাঙৰ মাছো পুহিছে। অসমত হোৱা 'শঙ্খ-চক্ৰ-গদা-পদ্ম নামৰ লতা-ফুল বাৰান্দাখনত বগাই জকমকাই ফুলি আছে। বাৰান্দাৰ একাষে আছে লতা-খৰিকাজাঁই ফুল ; এওঁ-লোকে ইয়াত এইবিধ ফুলক জাপানীজ্‌ জেচমিন্‌ বুলি কয়। ঘৰৰ গৃহিনী মিছেছ ইদাথ প্ৰায় পঞ্চাশ বছৰ বয়সীয়া আমেৰিকান মহিলা গৰাকীয়ে আমাক এইবোৰ অতি আগ্ৰহেৰে দেখুৱালে। চাৰিটা সন্তানৰ মাতৃ মানুহ গৰাকী দেখিলে পঁচিছ-ছাব্বিশ বছৰীয়া গাভৰু যেনহে লাগে। এওঁলোকৰ এজনী ছোৱালীৰ বিয়া হৈছে, ল'ৰা দুটাই চাকৰি কৰে, গৃহিনীয়েও কোম্পানী এটাত কাম কৰে। থকা ঘৰৰ লগতে সংযুক্ত মন্দিৰটোৰ আহি সাধাৰণ অথচ সুৰুচিপূৰ্ণ। এজন আমেৰিকান

স্থাপত্যবিদে মন্দিৰৰ আঁহিটো কৰি দিছে। তেওঁলোকৰ এই মন্দিৰত প্ৰত্যেক মঙ্গলবাৰে গধূলি চাৰে সাত বজাৰ পৰা এঘণ্টা সময় ভজন হয়। তাৰে এই অঞ্চলৰ বহুতো ভাৰতীয় আৰু আমেৰিকান ভক্ত আহে। এইটো অঞ্চলৰ ভজন ইয়াতেই নিয়মীয়াকৈ হয়। মিছেছ ইদাথৰ স্বামী লিঅ'নাৰ্ড প্ৰায় পঞ্চশ বছৰ বয়সৰ হৃষ্ট-পুষ্ট, ওখ-পাখ, নম্ৰ, ধীৰ-গম্ভীৰ মানুহ ; তেওঁ ওলাই আহি সম্ভাষণ জনাই আমাৰ সৈতে চা-চিনাকি হৈ কথা-বতৰাত যোগ দিলেহি - তেওঁ হাইস্কুলৰ বিজ্ঞান শিক্ষক, এজন কবি আৰু সাহিত্যিক ; ভালে কেইখন কিতাপ লিখি উলিয়াইছে। তেওঁলোকৰ পৰা বিদায় লৈ আমি ঘৰলৈ আহিলোঁ।

১৭ অক্টোবৰ, শনিবাৰে ৰাতিপুৱা টিভিৰ বাতৰিত ছানফ্ৰান্সিকো চহৰত প্ৰবল ভূমিকম্প হৈ বিস্তৰ ক্ষয়-ক্ষতি হোৱাৰ বাতৰি পাই মনবোৰ ভাৰাক্ৰান্ত হৈ পৰিল। আবেলি মিছেছ ইদাথে শেৱালী-হঁতলৈ টেলিফোন কৰি ভজনলৈ যাব নেকি বুলি সোধাত, আমিও ভজনলৈ যাবলৈ আগ্ৰহ প্ৰকাশ কৰাত, সম্মতি জনালে। নিৰ্দিষ্ট সময়ত আমি তেওঁলোকৰ ঘৰ ওলালোঁগৈ। ঘৰৰ সমুখৰ পৰা ভিতৰৰ চোতাললৈ যোৱা বাটটোত ৰঙা, নীলা এশাৰী লাইট জ্বলাই থৈছে। মন্দিৰৰ ভিতৰলৈ গৈ দেখিলোঁ। মজিয়াত সুকোমল কাৰ্পেট, কেইটামান গাৰু, হাৰমণিয়াম, তাল, ঢোল, পিচফালে বহিবলৈ কেই-খনমান চকী আৰু কোঠাটোৰ একোণত আছে এটা পিয়ানো। আমি মজিয়াত বহিলোঁ। পুৰুষসকলে পিচফালৰ চকী কেইখনত বহিল। সমুখত চাইবাবাৰ ডাঙৰ ফটো এখন, পিচফালৰ বেৰখন তলৰ পৰা ওপৰলৈ সম্পূৰ্ণ আইনাৰ বাবে মন্দিৰৰ বাহিৰ ফালে গাতে লাগি থকা কমলাৰ গছজোপা সুন্দৰকৈ দেখা যায়। সমুখৰ বেদীত এটি ক্ষীণ পোহৰৰ লাইট জ্বলি আছে। শেৱালীয়ে ধূপ এপেকেট বেদীৰ সমুখত জ্বলাই দিলে। কোঠাটোৰ কেউফালে বাবাৰ ডাঙৰ ফটো। ভূমিকম্পৰ বাবে ভজনলৈ বাহিৰা মানুহ অহা নাই। মিষ্টাৰ লিঅ'নাৰ্ড আৰু তেওঁলোকৰ বিশ একৈশ বছৰীয়া ছোৱালীজনীয়েও ভজনত যোগ দিছেহি। গধূলি ঠিক্ চাৰে সাত বজাৰ লগে লগে ভজন আৰম্ভ

কৰিলে। প্ৰথমে ওঁকাৰ, তাৰ পিচত মিছেছ ইদাথে ভজন পুথিখনৰ পৃষ্ঠাৰ নম্বৰটো কৈ হাৰমণিয়াম বজাই 'গনেশ বন্দনা' আৰম্ভ কৰিলে। তাৰ পিচত এটি এটিকৈ চাৰিটা ভজন সুললিত সুৰেৰে লগাই দিলে। তেওঁ অতি স্পষ্টভাবে ভজনবোৰ গালে; যত্নেৰে শুদ্ধ উচ্চাৰণ কৰিবলৈ চেষ্টা কৰা দেখি সন্তোষ পালোঁ। তেতিয়া কোঠাৰ উজ্জ্বল পোহৰৰ লাইটবোৰ এটি এটিকৈ নুমাই কেৱল বেদীৰ ওপৰত জ্বলি থকা লাইটটোৱে ক্ষীণ পোহৰ বিলাই আছে। ধূপৰ সুবাসে এক পবিত্ৰ ভাবৰ সঞ্চাৰ কৰিছে। তেওঁ এটি এটিকৈ লগাই দিয়া ভজনবোৰ আমি সকলোৱে গালোঁ।

"মুৰাৰী কৃষ্ণ, মুকুন্দ কৃষ্ণ, মোহন কৃষ্ণ, কৃষ্ণ, কৃষ্ণ
গোপী কৃষ্ণ, গোপাল কৃষ্ণ, গোবৰ্দ্ধন কৃষ্ণ, কৃষ্ণ
ৰাধা কৃষ্ণ, ৰাম কৃষ্ণ, ৰাসভিলতা কৃষ্ণ, কৃষ্ণ।"

পবিত্ৰ ভাবেৰে, পৰম আন্তৰিকতাৰে, কোমল স্নিগ্ধতাৰ মাজত গোৱা ভজনবোৰে আমাৰ অন্তৰ এক অপূৰ্ব্ব অনুভূতিৰে ভৰাই তুলিলে। সুদূৰ আমেৰিকা যুক্তৰাষ্ট্ৰৰ এঘৰ আমেৰিকানৰ ঘৰত যে ভজন গাইছোঁ সেই কথা সম্পূৰ্ণ পাহৰি গ'লোঁ। ভিন্ন দেশ, ভিন্ন ভাষা, ভিন্ন ৰুচি-সংস্কৃতি সকলো মিলি যেন একাকাৰ হৈ পৰিল। আমি যে সকলো এক ভগৱানৰ সন্তান। শেষত কেইটামান ইংৰাজী ভজন পৰম আবেশ ঢালি লগাই দিলে। ভজনৰ অন্তত আৰতি আৰু ধ্যান কৰি বিভূতি ল'লোঁ। এটি এটিকৈ কোঠাটোৰ উজ্জ্বল পোহৰৰ লাইটবোৰ জ্বলি উঠিল, আমাৰ মনবোৰো পৰম প্ৰশান্তিৰে উদ্ভাষিত হৈ পৰিলে। আমি একেলগে ফটো উঠিলোঁ। সেই গধূলিৰ মনোৰম ছবিখন আজিও মোৰ মনত সজীৱ হৈ আছে।

আগতেই উল্লেখ কৰিছো যে এই দেশৰ ৰেড্-ইণ্ডিয়ানসকলক বৰ্ত্তমান কিছুমান সংৰক্ষিত অঞ্চলতহে থাকিবলৈ দিয়া হৈছে। ফিনিক্সৰ "হিলা নৈৰ সংৰক্ষিত অঞ্চলত" বহুতো ৰেড্-ইণ্ডিয়ানলোক আছে। তেওঁলোকক চৰকাৰৰ তৰফৰ পৰা আৰ্থিক সাহায্য দিয়া হয়। মানুহবোৰ এলেহুৱা। নৈখন পাৰ হৈ যাওঁতে দেখিলোঁ দুকান, পানী

গ্রেণ্ডকেনিয়নৰ শিলাস্তৰৰ দাঁতিত লেখিকা।

লছ্ এঞ্জেলিছৰ ডিজনীলেণ্ডৰ টুমবোলেণ্ডত লেখিকা।

নাই ; বাৰিষাহে নৈখনত পানী হয়। আমি সংৰক্ষিত অঞ্চলত থকা "আর্ট এণ্ড ক্রেফট" কেন্দ্ৰটো চালোঁ। তাত তেওঁলোকৰ বিভিন্ন হাতৰ কামৰ বস্তু, মাটিৰ বাচন, অা-অলঙ্কাৰ, হাতে-বোৱা কাপোৰ, ফটো আদি আছে। আগৰ দিনত তেওঁলোকে থকা খেৰ-বাঁহৰ ঘৰৰ নমুনা দুটাও সজাই থৈছে। এইবোৰ বস্তুৰ ভাৰতীয় হস্তশিল্পজাত বস্তুৰ সৈতে সামঞ্জস্য আছে। বিক্রীৰ বাবেও হাতৰ কামৰ বস্তু কিছুমান সজাই থৈছে। তাত থকা চেলচ্ গার্ল জনী ৰেড্-ইণ্ডিয়ান গাভৰু।

এদিন ৰাতিপুৱা ফিনিক্সৰ চিৰিয়াখানাখন চাবলৈ ওলালোঁ। শুকান মৰুভূমি অঞ্চলত জলসিঞ্চন কৰি কিদৰে কৃত্রিম নিজৰা, জুৰি, গছ-গছনি আদিৰে চিৰিয়াখানাখন তৈয়াৰ কৰিছে দেখিলে বিস্ময় মানিব লাগে। টিকট কাটি ভিতৰত প্রবেশ কৰি দেখিলোঁ বহুতো সৰু সৰু ল'ৰা-ছোৱালী জীৱ-জন্তু চাবলৈ আহিছে; কৃষ্ণাঙ্গ, শ্বেতাঙ্গ, দেশী-বিদেশী অসংখ্য লোকৰ সমাগম। গৰমৰ বাবে প্রায় ভাগেই চুটি পোচাক পিন্ধি আহিছে, বিভিন্ন জনৰ বিভিন্ন বেশ-ভূষা। কিছুমান বুঢ়া-বুঢ়ীয়ে হুইল চেয়াৰত বহি জীৱ-জন্তুবোৰ আনন্দমনেৰে চাই ফুৰিছে। আমাৰ দেশ আৰু এই মহাদেশৰ মানুহৰ চিন্তাধাৰা আৰু মানসিকতাৰ মাজত যথেষ্ট প্রভেদ দেখিলোঁ। চিৰিয়াখানাৰ ভিতৰ-বাহিৰ গছ-গছনিৰে শ্যামলা হৈ আছে। ভিতৰত এখন ডাঙৰ আৰু দীঘল ৰেল-গাড়ী আছে। টিকট কাটি আঁব-বেৰ নোহোৱা ওখ ৰেলখনত উঠিও জীৱ-জন্তুবোৰ চাই ফুৰিব পাৰি। ৰেলখন ৰেললাইনৰ ওপৰেদি নচলে, প্রধান পথৰ ওপৰেদিহে চলি যায়, চকাবোৰ গাড়ীৰ চকাৰ দৰে। নাতাচা আৰু ৰিমঝিমে ৰেলখন দেখি উলাহত উত্রাৱল হৈ পৰিল। ৰেলখনৰ চালক এগৰাকী আমেৰিকান ছোৱালী। চালকে ৰেলখন চলাই লৈ গৈছে আৰু জীৱ-জন্তুবোৰৰ বর্ণনা মাইকত সুন্দৰকৈ বুজাই দি গৈছে।

ইয়াত দোকানে-পোহাৰে কেতিয়াবা অতিপাত মেদ্ বহুল শৰীৰৰ পুৰুষ-মহিলা দেখা যায়। আমি টিকট কাটি ৰেলখনত উঠি বহিছোঁহে

মাথোন, এনেতে দেখিলোঁ এজনী যোল্ল-সোতৰ বছৰীয়া ছোৱালীয়ে তাইৰ মেদ-বহুল শৰীৰটো বহু চেষ্টা কৰিও কোনোপধ্যে বেলখনত উঠাব পৰা নাই। ইফালে বেলখন চলি যোৱাৰ মুহূৰ্ত্ত। শেষত জানিবা তলৰ পৰা দুজনে ঠেঁচি ঠেঁচি আৰু বেলৰ ওপৰৰ পৰা এজনে হাতত ধৰি টানি টানি পাভক পৰাকীৰ বৃহৎ শৰীৰটো কোনোমতে বেলখনত উঠাবলৈ সক্ষম হ'ল।

দুয়োকালে বিভিন্ন ধৰণৰ কেক্‌টাচ, সৰলজাতীয় গছ, উইপিং উইল,' খেজুৰী, বাঁহ, কলগছ ইত্যাদি। নিৰ্দ্দিষ্ট এডোখৰ ঠাইলৈ বেলত উঠি আহিলোঁ, তাৰ পৰা বেলখন উভতি যায়। বেলৰ পৰা নামি খোজকাঢ়ি জীৱ-জন্তুবোৰ চাই ফুৰিছোঁ। বহুত দূৰলৈকে বিস্তৃত চিৰিয়াখানাখন গুৱাহাটীৰ চিৰিয়াখানাৰ দৰে লাগিল। ইয়াত গৰিলা, গড়ৃ, দক্ষিণ আফ্ৰিকাৰ প্ৰকাণ্ড গালাপাগোচ, কাছ, উট, জেব্ৰা, ঘৰিয়াল ঢেকীয়াপতীয়া বাঘ, ভাৰতবৰ্ষৰ হাতী আৰু অসমৰ গোৱালপাৰাৰ এটি মইনা চৰায়ো আছে। দক্ষিণ আমেৰিকাৰ ফ্লেমিংগ' চৰাই অষ্ট্ৰেলিয়াৰ কুকেটো চৰাই, হাঁহ, পাৰ আদি বিভিন্ন দেশৰ চৰাই-চিৰিকতিবোৰ অতি পৰিস্কাৰ পৰিচ্ছন্ন পৰিবেশত ৰাখিছে। মাজে মাজে আছে কৃত্ৰিম উপায়েৰে তৈয়াৰ কৰা জলাশয়, কাষে কাষে পিকনিক এলেকা, জাবৰ পেলাবলৈ পৰিস্কাৰ পাত্ৰ, টয়লেট ইত্যাদি। এঠাইত মানুহৰ ভিৰ দেখি চাবলগীয়া কিবা বিশেষ জীৱ-জন্তু আছে বুলি আমিও শাৰী পাতি ভিতৰলৈ সোমাই গৈ দেখিলোঁ তাত কেইটামান ভেৰা ছাগলীহে মাথোন আছে। সৰু ল'ৰা-ছোৱালীবোৰে ভেৰা কেইটা লাৰি-চাৰি মৰম কৰি আনন্দত আপোন-পাহৰা হৈছে; তাকে দেখি লগত অহা অভিভাৱকসকলেও আমোদ পাইছে। দৃশ্যটো দেখি হাঁহি সামৰিব নোৱাৰিলোঁ। এই দেশৰ ল'ৰা-ছোৱালীবোৰে আমাৰ দেশৰ দৰে বাটে-পথে, মানুহৰ ঘৰত, ক'তো কেতিয়াও পোহনীয়া কুকুৰ আৰু মেক-ৰীৰ বাহিৰে আন জন্তু দেখা নাপায়। এই জীৱ জন্তুবোৰ ফটো আৰু টিভিত বা চিনেমাতহে মাত্ৰ দেখাৰ সৌভাগ্য ঘটে। এটা ঘৰত দেখিলোঁ বিভিন্ন ধৰণৰ সাপবোৰ। মৰুভূমিৰ বালিত বহুতো বিষধৰ সৰ্প বাস কৰে।

লছ্ এঞ্জেলিছত এভুমুকি

২৩ অক্টোবৰ, সোমবাৰে আমি শেৱালীহঁতৰ পৰিয়ালৰ সৈতে প্ৰশান্ত উপকূলৰ কালিফোৰ্ণিয়া ৰাজ্যৰ ৰাজধানী লছ্ এঞ্জেলিছলৈ যাবলৈ ওলালোঁ। যোৱা শতিকাত এই অঞ্চলৰ পলসুৱা বালিত 'সোণ-চেকুৰা' আৱিষ্কাৰ হোৱাত সোণৰ লালসাত পূবৰ পৰা পশ্চিমলৈ মানুহৰ সোঁত বৈ বিখ্যাত 'সোণৰ ভিৰ' (Gold Rush) হৈছিল। ৰাতিপুৱা চাৰে ন বজাত এওঁলোকৰ এগৰাকী আমেৰিকান বান্ধবীয়ে আমাক তেওঁৰ গাড়ীৰে বিমান বন্দৰত নমাই থৈ আহিল। মহিলা গৰাকীয়ে এজন ভাৰতীয়ক বিয়া কৰাইছে। বিমান বন্দৰত বেলেগ বেলেগ বিমান সেৱাৰ লাউঞ্জবোৰ বিমান যাত্ৰীৰে ঠাহ খাই আছে। অহাই আহিছে, যোৱাই গৈছে; ক'তো অকণো হাঁই-উৰুমি নাই। দুপৰীয়া বাৰ বজাত আমাৰ বিমান লছ্ এঞ্জেলিছলৈ যাত্ৰা কৰিলে। কিন্তু উৰণৰ পোন্ধৰ মিনিটৰ পিচতেই যান্ত্ৰিক বিজুতিৰ বাবে বিমানখন পুনৰ ফিনিক্স বিমান বন্দৰলৈ উভতি আহিল। বিমানৰ পৰা নামি ৰেষ্টোৰাত চাহ খাই লওঁ। পুনৰ যাত্ৰা আৰম্ভ কৰি ডেৰ ঘণ্টাৰ মূৰত আবেলি তিনি বজাত আমাৰ বিমান লছ্ এঞ্জেলিছ বিমান বন্দৰত অৱতৰণ কৰিলে। এইটো এটা বিয়াগোম আন্তৰ্জাতিক বিমান বন্দৰ। এয়াৰ লাইনচ্‌ৰ বাছেৰে আধা ঘণ্টাৰ মূৰত মহানগৰীত উপস্থিত হৈ আগতে বুক্ কৰি থোৱা হোটেল কোৱালিটিত উঠিলোঁ। চাৰি মহলাত দুটা ওচৰা-ওচৰিকৈ থকা কোঠা পালোঁ। বতৰ অতি সুন্দৰ, কিছুসময় আগতে বৰষুণ হৈ গৈছে। ফিনিক্সতকৈ ইয়াত বতৰ ঠাণ্ডা। মহানগৰীৰ কেউদিশে কেকটাচ্, সৰল জাতীয় গছ আৰু ফুলি

থকা বগা কাঠাগুা ফুলৰ পয়োভৰ। হোটেলৰ সমুখত আছে তুজোপা-মান প্ৰকাণ্ড চেকীয়া গছ, মানুহতকৈও ওখ।

সুন্দৰ মহানগৰ লচ্ এঞ্জেলিছ। লচ্ এঞ্জেলিছক চমুকৈ কোৱা হয় L. A.। বহুতো উপনগৰৰ দ্বাৰা এই মহানগৰী গঢ়ি উঠিছে। নিউইয়ৰ্কৰ গতি যেনেকৈ উৰ্দ্ধমুখী, লচ্ এঞ্জেলিছে বিস্তৃতি লভিছে তেনেকৈ দীঘলে-পুতলে। L A. পৰিস্কাৰ পৰিচ্ছন্ন জকমকীয়া অত্যাধুনিক মহানগৰ। মুখ হাত ধুই বাহিৰলৈ ওলাই আহিলোঁ। অলপ ফুৰি-চাকি ফাষ্ট্-ফুডৰ দোকান এখনত ফিচ্ পিলে, ফ্ৰেঞ্চফ্ৰাই আৰু চাহ খাই ল'লোঁ। এইফালে প্ৰাচ্যৰ মানুহ বেচিকৈ দেখা যায়। গধুলি হোটেললৈ আহি খিড়িকীখন খুলি বাহিৰলৈ চাই দেখিলোঁ, ৰাষ্টাৰ সিটো পাৰে হিলটন্, মেৰিঅট্ আদি ডাঙৰ ডাঙৰ বিলাসী হোটেলবোৰ বিচিত্ৰ আলোক সজ্জাৰে দীপাৱলী নিশাৰ দৰে তিৰবিৰাই আছে। এনে সুন্দৰ পৰিবেশৰ মাজতো মাত্ৰ এসপ্তাহ আগতে এই অঞ্চলৰ ছান্ ফ্ৰান্সিস্কো চহৰত হোৱা প্ৰবল ভূমিকম্পৰ কথা মনলৈ অহাত মাজে মাজে শঙ্কিত হৈ পৰিছো।

পিচদিনা আমি বহু প্ৰত্যাশিত 'ডিজনীলেণ্ড' চাবলৈ ওলালোঁ। ৰাতিপুৱা দহ বজাত হোটেলৰ পৰা যোৱা বাছেৰে গৈ দহ মিনিটৰ মূৰত 'ডিজনীলেণ্ডত' উপস্থিত হ'লো। গাড়ী পাৰ্কিঙৰ বাবে বাহিৰত বিশাল এলেকা। টিকট কাটি ভিতৰত প্ৰবেশ কৰি দেখিলোঁ, গোটেইখন লোকে লোকাৰণ্য, চাৰিওফালে প্ৰাণোচ্ছল পৰিবেশ, যেন আনন্দৰ মহামেলাহে বহিছে, সংগীতৰ মূৰ্চ্ছনাই মন-প্ৰাণ উতলা কৰি তুলিছে।

ডিজনীলেণ্ডক প্ৰধানকৈ চাৰিটা ভাগত ভগোৱা হৈছে। টুমৰো-লেণ্ড, ফেনটাচিলেণ্ড, ফ্ৰন্টিয়াৰলেণ্ড আৰু এড্ভেঞ্চাৰলেণ্ড। প্ৰথমেই পোৱা যায় মেইন ষ্ট্ৰীট ইউ, এছ, এ। ডিজনীলেণ্ডক 'শিশুৰ স্বৰ্গৰাজ্য' বুলি কোৱা হয় যদিও ইয়াৰ নিখুঁত পৰিকল্পনা, অপূৰ্ব্ব শিল্প-কলা, কল্পনাৰ সৈতে যন্ত্ৰৰ অপূৰ্ব্ব সমন্বয় আৰু কোটি কোটি টকা ব্যয় আৰু অক্লান্ত শ্ৰম কৰি নিৰ্মাণ কৰা আমোদ-প্ৰমোদৰ এই বিশাল

উত্থানখনে সকলো বয়সৰ লোকক, সকলো সময়তে আনন্দ যোগাই আহিছে। পৃথিৱী বিখ্যাত এই অভিনৱ উত্থানখনৰ প্ৰতিষ্ঠাতা ৱাল্ট্ ডিজনীয়ে কৈ গৈছে "Disneyland will never be completed. It will continue to grow as long as there is imagination left in the world."।

এইজনা মহান শিল্পীৰ জন্ম হৈছিল ১৯০১ চনৰ ৫ ডিচেম্বৰত চিকাগো মহানগৰীত। তেওঁ সোঁতৰ বছৰ বয়সতে ৰাজনৈতিক কাৰ্টুন-শিল্পী হিচাপে নিজকে প্ৰতিষ্ঠা কৰিবলৈ কানচাচ্ নগৰলৈ আহি সংগ্ৰাম আৰম্ভ কৰিছিল। অৱশেষত তেওঁ হলিউদৰ বাসিন্দা হৈছিল। ১৯৩৭ চনত "Snow white and the seven Dwarfs" নামৰ এখন প্ৰথম শ্ৰেণীৰ এনিমেচন্ ফিল্ম বা কাৰ্টুন চলচিত্ৰ নিৰ্মাণ কৰি সমগ্ৰ যুক্তৰাষ্ট্ৰতে এক উত্তেজনাৰ সৃষ্টি কৰিছিল। জীৱনজোৰা প্ৰচেষ্টাৰে লছ্ এঞ্জেলিছৰ কাষৰ আনাহেইম্ চহৰৰ ১৬০ একৰ মাটিৰ কমলাৰ বাগিচাত "পৃথিৱীৰ আটাইতকৈ সুখৰ ঠাই" (The happiest place on earth) এই অভিনৱ উত্থান নগৰখন নিৰ্মাণ কৰে। ১৯৫৫ চনৰ ১৭ জুলাইত ডিজনীলেণ্ডৰ আনুষ্ঠানিক দুৱাৰ মুকলি কৰি এখন সপোনপুৰী ৰচনা কৰি গ'ল; লগে লগে ইয়াৰ নাম পৃথিৱীৰ দূৰ-প্ৰান্তলৈ বিয়পি পৰিল। চুটি চিত্ৰ আৰু পূৰ্ণদৈৰ্ঘ্য কাৰ্টুন চিত্ৰৰ বাবে তেওঁ বহুতো প্ৰশংসা, অলেখ জাতীয় আৰু আন্তৰ্জাতিক পুৰস্কাৰ আৰু কেইবাবাৰো 'অস্কাৰ' পুৰস্কাৰ লাভ কৰিছিল। কাৰ্টুন কলাৰ যাদুকৰ, নতুন বিনোদন ৰীতিৰ উদ্ভাৱক ৱাল্ট্ ডিজনীৰ মৃত্যু হয় ১৯৬৬ চনৰ নৱেম্বৰ মাহত। প্ৰত্যেক বছৰে ডিজনীলেণ্ডত মানুহৰ কল্পনাৰ নতুন নতুন সৃষ্টিবোৰে ৰূপ পাই আহিছে। ফ্লৰিডাৰ অৰ্লাণ্ডোতো এনে ধৰণৰ 'ডিজনী ওৱৰ্ল্ড' আছে। সেইখন ডিজনীলেণ্ডতকৈ পিচত সজা হৈছে।

আমি প্ৰধান প্ৰবেশ দুৱাৰেদি ভিতৰলৈ গৈ দেখিলোঁ, ৱাল্ট্ ডিজনীৰ সৃষ্টি বিভিন্ন কাৰ্টুন চৰিত্ৰবোৰে ইফালে সিফালে ঘূৰি-পকি ফুৰিছে, সৰু ল'ৰা-ছোৱালীৰ সৈতে ধেমালি কৰিছে, মৰম-চেনেহ

কৰিছে। ডিজনীলেণ্ডত নাই কি ? পুৰণি দিনৰ ৰেলগাড়ী, ঘোঁৰা গাড়ী, ট্ৰামৰ পৰা আৰম্ভ কৰি আধুনিক যুগৰ মটৰ ব'ট, হ'পৰে, মনোৰেল, চাবমেৰিন্, স্বয়ংক্ৰিয় জন্তু-জানোৱাৰ, কৃত্ৰিম পাহাৰ, বহুতো বহল নৈ, নিজৰা, জলপ্ৰপাত, জাহাজ, সুসজ্জিত নাওঁ, শিশুৰ প্ৰয়োজনীয় খেলাৰ সামগ্ৰী, পাৰ্ক, কাৰ্টুন চৰিত্ৰ সমূহ আৰু যে কত কি। আমি ইয়াৰ প্ৰধান আলিবাট আহল-বহল মেইন ষ্ট্ৰীট ইউ, এছ, এৰ মাজেদি আগুৱাই গৈছোঁ। আলি-বাটৰ দুয়োকাষে আছে ডাঙৰ ডাঙৰ ধুনীয়া গৃহ, দোকান, 'প্ৰদৰ্শনী কক্ষ, চিনেমা হল, থিয়েটাৰ হল ৰেষ্টোৰা আদি। এনেতে দেখিলোঁ বিখ্যাত ডিজনীলেণ্ড বেণ্ড। ৰঙা পোচাক পিন্ধা, বেণ্ড পাৰ্টিয়ে চকুত চমক লগোৱা পৰিৱেশত পুৰণি ধৰণৰ বেণ্ড কনচাৰ্ট বজাই বজাই ৰাজপথেদি আগুৱাই আহিছে। এইবাৰ পালোঁ ৰমক-জমককৈ ফুলি থকা ফুলৰ উদ্যান ; মাজত বিশাল প্ৰাঙ্গন, মন মতলীয়া কৰা পৰিবেশত হেজাৰ বিজাৰ মানুহৰ উছুলি-মুছুলি তথাপিও ক'তো অকণো হেঁচা-ঠেলা, বিশৃঙ্খলতা নাই।

টুমৰো-লেণ্ডত একচেলেটৰেৰে ওপৰলৈ গৈ মনো ৰেলত উঠিলোঁ। ইয়াত দুগৰাকী ভাৰতীয় মহিলা লগ পালোঁ। এগৰাকী ভূপালৰ অধ্যাপিকা, আমেৰিকাত থকা পুতেক-জীয়েকৰ তালৈ ফুৰিবলৈ আহিছে। আনগৰাকী ইয়াত বসবাস কৰি থকা মহিলা। ভিতৰৰ বিভিন্ন ৰাইদত উঠিবলৈ বেলেগ টিকট কটাৰ প্ৰয়োজন নাই। ফ্লাই অভাৰৰ দৰে বহুত ওপৰৰ কংক্ৰিটৰ ঠেক বাটে দি সুদৃশ্য ৰেলখন স্বয়ংক্ৰিয়ভাবে চলি গৈ বিভিন্ন ঠাইৰ মাজেদি, মাজে মাজে ঘিটমিটিয়া এন্ধাৰৰ মাজেদিও গৈ ডিজনীলেণ্ডৰ চাৰিওফালে ওপৰে ওপৰে ঘূৰি আহি পুনৰ আগৰ ঠাইত ৰৈ যায়। ওপৰে ওপৰে কিমানযে মনোৰেল চলিব লাগিছে। এটা ডবাত চাৰিজনকৈ বহিব পাৰি, ওপৰ অংশ মুকলি। তলত দেখিলোঁ ৰং বিৰঙৰ পোছাক পিন্ধা হেজাৰ-বিজাৰ মানুহে বিভিন্ন ৰাইদত উঠিছে। সংগীতৰ সুৰে পৰিৱেশ প্ৰাণৱন্ত কৰি তুলিছে। এবাৰ ৰকেট আকৃতিৰ "স্পেচ্ মাউনটেইন্ ৰকেট ৰাইদত" উঠিলোঁ। ডাঙৰ ডবাটোৰ সুকোমল আসনবোৰত কেই-

বাজনো মানুহ বহিব পাৰি, স্বয়ংক্ৰিয়ভাবে দৰজা বন্ধ হয় আৰু মনোৰেলৰ নিচিনাকৈ বহু ওপৰে ওপৰে চলি যায়, তলত দেখিবলৈ পোৱা বস্তুবোৰৰ বৰ্ণনাও মাইকত দি গৈছে। সৰু ল'ৰা-ছোৱালীৰ নিচিনাকৈ আমিও বিভিন্ন ৰাইদত উঠি আনন্দ লভিছোঁ। ভবিষ্যতৰ কল্পনা আৰু সম্ভাৱনাৰে সজোৱা ৰাজ্যখনৰ নাম টুমৰো-লেণ্ড।

সুবৃহৎ "কালিফোৰ্ণিয়া মেট্ৰোবহৰ্ন ডিজনীলেণ্ডৰ আলোকস্তম্ভৰ দৰে জিলিকি আছে। ইয়াৰ বৰফাবৃত হেলনীয়া ঠাইৰে অকাই-পকাই যোৱা বাটেৰে তীব্ৰবেগী বাহনবোৰো ভ্ৰমণকাৰীৰ অন্যতম আকৰ্ষণ। চাবলগীয়া বহুত আছে, গতিকে এখন্তেক সময়ো নষ্ট কৰিব নোৱাৰি। এইবাৰ পানীৰ তলেদি যোৱা ছাব্-মেৰিণত উঠিবলৈ আগবাঢ়িলোঁ। ইয়াতো দেখিলোঁ মানুহৰ দীঘলীয়া শাৰী, প্ৰাচ্যৰ মানুহেই সৰহ, হাতে হাতে দামী কেমেৰা, মুভি কেমেৰা। হালধীয়া ৰঙৰ ছাবমেৰিণ কেইখনৰ ওপৰৰ অংশটোহে পানীৰ ওপৰত ওলাই আছে, বাকী অংশ পানীত ডুব গৈ আছে। শাৰী পাতি খট্‌খটিয়েদি তলৰ অংশলৈ নামি গ'লো। বহিবলৈ আছে দুয়োকাষে শাৰী শাৰী আসনবোৰ, প্ৰত্যেক আসনৰ কাষতে একোখনকৈ আয়নাৰ খিড়িকী। নিৰ্দ্দিষ্ট সময়ত ছাব্‌মেৰিণখন পানীৰ তলেৰে চলি গৈ আছে। সাগৰ তলিৰ জগত খনৰ ক'ত কি দেখিছোঁ মাইকত তাৰ বৰ্ণনা দি গৈছে। বিভিন্ন সাগৰীয় মাছ, উদ্ভিদ, অক্টোপাচ, জেলিফিছ্, তৰামাছ, ডুব যোৱা জাহাজৰ ভগা অংশ, পানীৰ তলৰ আগ্নেয়গিৰি আদি ছাব-মেৰিণৰ ভিতৰৰ পৰাই দেখিলোঁ। কিন্তু এই সকলোবোৰেই কৃত্ৰিম। প্ৰীতিদায়ক এই ভ্ৰমণৰ অন্ত পৰাত বাহিৰলৈ ওলাই আহিলোঁ।

সময় থাকোঁতে Mr Yoad's world Ride চাবলৈ সোমালো। এখন গাড়ীত দুজনকৈ বহিব পাৰি। মই আৰু ৰিমঝিম এখনত বহিলোঁ। চুইচ টিপাৰ লগে লগে সমুখৰ হেণ্ডেলডাল গাৰ ওচৰলৈ আহিল; লগে লগে স্বয়ংক্ৰিয়ভাবে গাড়ীখন চলি গৈ ঘোঁপমৰা এন্ধাৰ ঘৰ এটাৰ দুৱাৰ মুখতে থকা ধোৱা আৰু জুইৰ ফিৰিঙতিৰ মাজেদি ভিতৰলৈ সোমাই অকাই-পকাই গৈ থাকিল। ঘৰৰ ভিতৰত ঘিট-

মিটিয়া এন্ধাৰৰ মাজে মাজে চকামকাকৈ দেখিলোঁ। ভূত-প্ৰেত, নৰ-কঙ্কালবোৰে হুয়লগা বিকট চিৎকাৰ কৰি, কিৰীলি পাৰি আমাক ধৰিবলৈ আগুৱাই আহিছে। মাজে মাজে ভীষণ ধুমুহা, বিজুলীৰ চিক্‌মিকনি; এনেতে সমুখীন হলোঁ। ৰেল এখনৰ; ইঞ্জিনৰ ছুচ্‌ ছুচ্‌ শব্দ, তীব্ৰ পোহৰৰ মুখামুখি হৈছোঁ, যেন মুহুৰ্ত্ততে ইঞ্জিনৰ আগত পৰি চুৰ্ণাকৃত হৈ যাম। কিন্তু ক্ষন্তেকতে আমাৰ গাড়ীখন অইনফালে ঘূৰি গ'ল। ভয়, উত্তেজনা সৃষ্টি কৰা কিমান যে দৃশ্য! কিছুসময় এইদৰে অকোৱা-পকোৱা বাটেৰে অন্ধকাৰৰ মাজেদি ঘূৰি-পকি বাহিৰলৈ ওলাই আহিলোঁ।।

"মেড্‌-টি পাটিৰ মনোৰঞ্জন থলিত যোগ দি বহুতো লোক আনন্দত আপোন পাহৰা হৈছে। কাপ-প্লেটৰ আকৃতিৰ বিভিন্ন ৰঙৰ আসনবোৰত দুজনকৈ মানুহ মুখামুখিকৈ বহিছে। ৰিম'ট কণ্ট্ৰ'লৰ চুইচ টিপাৰ লগে লগে কাপ-প্লেট আৰু গোটেই ষ্টেজখন বেলেগে বেলেগে ঘূৰিবলৈ ধৰিলে। "Alis in wonderland"ত হাতীৰ মুখৰ আকৃতিৰ সুন্দৰ কাৰুকাৰ্য্যৰ ৰঙচঙীয়া স্বয়ংক্ৰিয় গাড়ীবোৰত চাৰিজনকৈ মানুহ বহি অভিনৱ দৃশ্য থকা ঘৰ এটাৰ ভিতৰলৈ সোমাই গৈছে; সেই ঘৰটোৰ কাষে কাষে গৈ আছে এখন সৰু ধুনীয়া ৰং-বিৰঙৰ ৰেলগাড়ী। কিছুমানে সেইখনত উঠি আনন্দ মনেৰে জলাশয়ৰ কাষে কাষে, দুপাৰ উপচি থকা ফুল আৰু চালে চকু ৰোৱা গছ-পাতৰ মাজেৰে এপাক ঘূৰি আহিছে। কাষৰ জলাশয়ত আকৌ ৰংচঙীয়া ধুনীয়া ধুনীয়া মেচিন ব'ট বোৰত সৰু-ডাঙৰ সকলো ধৰণৰ দৰ্শকে উঠি আনন্দ লভিছে।

ফেনটাচি-লেণ্ডৰ 'ষ্টৰি-বুক-লেণ্ডত' নৌকা বিহাৰ কৰিও এক বিমল আনন্দ পোৱা যায়। একাঁবেকাঁকৈ বৈ যোৱা দুয়োপাৰ শিলেৰে বন্ধোৱা জানটোৰ মাজেদি নিঃশব্দে যন্ত্ৰচালিত নাওঁবোৰ গৈ থাকে। প্ৰত্যেকখন নাওঁতে এজনকৈ ঘোষক বা ঘোষিকা থাকে; বহিবলৈ আছে আৰামদায়ক আসন। চৈধ্য-পোন্ধৰজন মানুহ বহিব পৰা ধুনীয়া নাওঁখন কেতিয়াবা কৃত্ৰিম সুৰঙ্গৰ মাজেদিও চলি গৈছে; নৈৰ দুয়োপাৰে

গেলভেষ্টন উপকূলত।

নাছাৰ ৰকেট পাৰ্কিঙৰ এটা ৰকেটৰ সন্মুখত লেখিকা।

চিনড্ৰেলা, ৰেড্-ৰাইদিং হুড্ আদি সাধুকথাৰ কাহিনীবোৰ সুদৃশ্য ঘৰ-দুৱাৰ, পুতলা, গছ-বনেৰে সজ্জিত কৰি থৈছে। সৰু সৰু পুতলা ঘৰবোৰৰ পৰা সংগীতৰ সুৰ ভাঁহি আহিছে। ঘোষিকাই এটি এটিকৈ সাধুকথাৰ কাহিনীবোৰ বৰ্ণাই গৈছে।

"টুমৰো-লেণ্ডৰ" সকলোতকৈ আকৰ্ষণীয় দৃশ্য হ'ল চন্দ্ৰলোকলৈ যাত্ৰা। দৰ্শকক মহাকাশ যানেৰে মহাশূণ্যৰ মাজেৰে চন্দ্ৰলৈ লৈ যায়; ইয়ো এক অতীব ৰোমাঞ্চকৰ অভিজ্ঞতা। দুজনকৈ বহিব পৰা চকি-খনত বহাৰ লগে লগে, লাহে লাহে সেইখন ৰকেট এটাৰ ভিতৰলৈ সোমাই গ'ল। ৰকেটত উঠি অন্ধকাৰ আৰু তৰা-বচা আকাশৰ মাজেৰে তীব্ৰ বেগত আমি যে মহাশূণ্যৰ বুকুলৈ গৈ আছোঁ; শূণ্যতে ওপঙি আছোঁ, গ্ৰহ-নক্ষত্ৰবোৰ নিচেই ওচৰৰ পৰা দেখিবলৈ পাইছোঁ।

ৰ'পৰে আৰু ৰকেটত উঠাৰ পিচত বনৰীয়া জীৱ-জন্তু আৰু আদিবাসী থকা ৰাজ্য এড্ভেঞ্চাৰ-লেণ্ডলৈ আহিলোঁ। সৰু জাহজখনত উঠি নদীৰ মাজেদি যাওঁতে দেখিলোঁ কেইটামান প্ৰকাণ্ড হাতীয়ে পানীত আধালৈকে নামি গা ধুইছে আৰু শুড়েৰে দূৰলৈ পানী চটি-য়াইছে। ঘোষকেও এইবোৰৰ সৰস বৰ্ণনা দি গৈছে। দুয়োকাষে গভীৰ অৰণ্য। অৰণ্যৰ মাজে মাজে ভালুক, জিৰাফ, হৰিণা, জেব্ৰা আদি জন্তুবোৰে ইফালে সিফালে ঘূৰি ফুৰিছে। ভীষণ গৰ্জন কৰি বাঘ আৰু সিংহই জাহাজৰ ফাললৈ লৰি আহিছে। কিছুদূৰ যোৱাৰ পিচত দেখা পালোঁ দুটা ঘঁৰিয়াল আৰু জলহস্তীয়ে পানীৰ মাজৰ পৰা ওলাই মুখ মেলি খেদি আহিছে। সকলোবোৰ সঁচা জীৱন্ত জন্তু যেন লগা এইবোৰ প্ৰকৃততে স্বয়ংক্ৰিয় পুতলাহে।

শিশুৰ উপযোগী কল্পনাৰ ৰাজ্য ডিজনীলেণ্ডৰ ভিতৰত আনন্দ উপভোগৰ সামগ্ৰীৰ লেখ-জোখ নাই। ইয়াৰ বিশেষ আকৰ্ষণ প্ৰাচীন গাড়ীৰ আৰ্হিত সজোৱা ৰেলগাড়ীখনে ডিজনীলেণ্ডৰ প্ৰায় সকলো ঠাই ঘূৰাই পকাই আনি বিশ মিনিট মানৰ মূৰত পুনৰ আগৰ ঠাইত নমাই দিয়ে। ৰাতিপুৱা নবজাৰ পৰা নিশা বাৰ বজালৈ এইদৰে ৰেলখন চলি থাকে। চৈনটো সৰু, কিন্তু চাফ্-চিকুন; চৈনটোৰ

নাম "ডিজনীলেণ্ড ৰেল-ৰোড, ষ্টেচন"। ইঞ্জিনটোৰ সৈতে ডাঙৰ-দীঘল চৈধ্য-পোন্ধৰটা মান ডবা। সুকোমল আসন, ওপৰ ভাগ খোলা সেউজীয়া নিচান উকৱাই গার্ডে ৰেল চলাবলৈ সংকেত দিয়ে। আমিও এপাক মাৰি আহোঁ বুলি ৰেলখনত উঠিলোঁ। কিছুদূৰ যোৱাৰ পিচত সুৰঙ্গ এটাৰ ভিতৰেদি ৰেলখন চলি গ'ল; ঘোপমৰা এন্ধাৰত বিৰাট আকাৰৰ প্ৰাক্-ঐতিহাসিক যুগৰ ডাইনাচোৰ দেখিলোঁ। সুৰঙ্গৰ বাহিৰ ওলাই ৰেল আলিৰ দাঁতিত পুৰণি দিনৰ ঘৰ-দুৱাৰ, গৰু-মহ আদি চকুত পৰিল; এটা ঘৰত জুই লাগি থকাও দেখিলোঁ, এই সকলোবোৰেই কৃত্ৰিম।

ৰেলৰ পৰা নামি ৰেষ্টোৰা এখনত সোমাই লৰালৰিকৈ চাহ খাই ওলাই আহিলোঁ। কিমান যে চাবলগীয়া বস্তু আছে, এখন্তেকো বহি সময় নষ্ট কৰিব নোৱাৰি। নৈ-নিজৰা, পুখুৰিৰ পাৰে পাৰে ফুলে-ফলে জাতিস্কাৰ, মনোৰম, মুকলি, পৰিস্কাৰ-পৰিপাটি পৰিৱেশৰ মাজত আছে বহিবলৈ শাৰী শাৰী সুন্দৰ সুন্দৰ আসনবোৰ। তাত বহি বহি বিচিত্ৰ বেশ-ভূষাৰে, বিভিন্ন মানুহবোৰৰ আহ-যাহ চাই থাকিবলৈও ভাল লাগে। এই বিশাল উদ্যানখনৰ সৃষ্টি আৰু নিখুঁত পৰিচালনাৰ কথা ভাবিলে আচৰিত হ'ব লাগে। স্বচক্ষে নেদেখিলে লিখি বুজাব নোৱাৰি। শিশুৰ পৰা বৃদ্ধলৈকে সকলোৱে একেলগে এই উদ্যানখন চাই অভিনৱ আনন্দ লাভ কৰিব পাৰে। কেৱল আনন্দই নহয়, জ্ঞান লাভৰ বাবেও এইখন পৃথিবীৰ ভিতৰত উৎকৃষ্ট উদ্যান। ঘূৰি পকি ইয়াৰ সকলো বস্তু উপভোগ কৰিবলৈ কমেও তিনিদিন সময় লাগিব। ইয়াত নতুন নতুন নিৰ্মাণ কাৰ্য্য চলিবই লাগিছে। আজিৰ ডিজনীলেণ্ড আৰু দহ বছৰৰ আগৰ ডিজনীলেণ্ডৰ পাৰ্থক্য বহুত।

নৈ এখনৰ বুকুৱেদি "কলম্বিয়া" নামৰ যাত্ৰীৰে ভৰপূৰ এখন সাগৰীয় প্ৰকাণ্ড জাহাজ পাৰলৈ আহি আছে। জাহাজেৰে সমুদ্ৰ-ভ্ৰমণ কৰিবলৈ নিৰ্মাণ কৰা আমেৰিকাৰ প্ৰথম জাহজখনৰ আৰ্হিত এইখন তৈয়াৰ কৰা হৈছে। জাহজখন পাৰত আহি লাগোতে মানুহ-বোৰ নামিল; আমি এইবাৰ সেইখনত উঠিলোঁ গৈ। পানী ভাঙি

ভাঙি জাহাজখন গৈ থাকিল, দুয়োপাৰে গছ-গছনি হাবি-বননি। এনে-কুৱা ৰোমান্টিক পৰিৱেশত জাহাজত আমাৰ কাষতে এহাল তৰুণ-তৰুণীয়ে আলিঙ্গন আৰু সশব্দ চুম্বনত নিজকে পাহৰি গৈছে, ওচৰৰ কাষোলৈকে তেওঁলোকৰ ভ্ৰূক্ষেপ নাই। ইয়াত এইবোৰ গতানুগতিক সাধাৰণ দৃশ্য। মাজে মাজে নৈৰ পাৰত চকুত পৰিছে বনৰীয়া জন্তু-বোৰ, মূৰত চৰাইৰ পাখি লগোৱা ৰেড্ ইণ্ডিয়ানবোৰে ঘোঁৰাত উঠি চিঞৰ কৰি ফুৰিছে। মাইকত ঘোষকে নৈৰ দুয়োপাৰৰ বৰ্ণনা দি গৈছে আৰু মাজে মাজে ৰসিকতাও কৰিছে। এঠাইত দেখিলোঁ—ৰেড্-ইণ্ডিয়ানসকলৰ গাওঁ, ঘৰ-দুৱাৰ, কাঠৰ ল'গ কেবিনবোৰ, কাঠৰ উৰাল, মাটিৰ পাত্ৰ, নাদৰ পানীতোলা ৰিং, নৈৰ পৰা মানুহে পানী নিয়া দৃশ্য। মুঠতে আজিৰ পৰা চাৰিশ বছৰ আগৰ ৰেড্-ইণ্ডিয়ান-বোৰৰ গ্ৰাম্য দৃশ্যৰাজি কৃত্ৰিম উপায়েৰে সজাই থৈছে। আন এঠাইত দেখিলোঁ, এটা ঘৰত জুই লাগিছে, ঘৰৰ সমুখৰ চোতালত এটা মৰাশ পৰি আছে, ঘৰৰ বস্তু-বাহানিবোৰ লণ্ড-ভণ্ড। জাহাজখন ক্ৰমে নৈৰ বুকুৰেদি আগুৱাই গৈছে, দুয়োপাৰে পাইন গছ, শিলৰ পাহাৰ, কৃত্ৰিম জলপ্ৰপাত। এঠাইত ৰেল-আজিৰ কাষত আগৰ দিনৰ ৰেল এখন বাগৰি পৰি থকাও দেখিবলৈ পালোঁ।

এইবাৰ ডিজনীলেণ্ডৰ প্ৰধান পথেদি আগবাঢ়ি আহিছে বিভিন্ন ধৰণৰ ৰংবিৰঙৰ গাড়ীত মিকি মাউচ্ আদি কাৰ্টুন চৰিত্ৰ সমূহক লৈ, ৰঙা-নীলা হেজাৰ-বিজাৰ বেলুন উৰুৱাই, বেণ্ডৰ শব্দেৰে আকাশ-বতাহ মুখৰিত কৰি এটা বিৰাট শোভাযাত্ৰা। বাটৰ দুয়োকাষে থিয় হৈ অগণন মানুহে এই সমদল উপভোগ কৰিছে।

"স্মল্ ৱৰ্ল্ড" নামৰ সুবৃহৎ সুদৃশ্য অট্টালিকাৰ পৰা ভাঁহি অহা সুমধুৰ সংগীতৰ সুৰৰ মূৰ্চ্ছনাই বহুত আঁতৰৰ পৰাই ভ্ৰমণকাৰীক আকৰ্ষণ কৰে। এই অট্টালিকাটো আমেৰিকান বেংকৰ সাহায্যত নতুনকৈ নিৰ্মাণ কৰা হৈছে। অট্টালিকাৰ সমুখৰ ফুলনিখনৰ মাজেদি দুয়োপাৰ বন্ধোৱা জান এটি অকাই-পকাই বৈ গৈছে। চাৰিজনকৈ বহিব পৰা ৰঙীন মটৰ-ব'ট দুখনত আমি ছয়জন উঠিলোঁ। লগে

লগে জানটোৰ স্বচ্ছ-জলধাৰাৰে নিঃশব্দে চালকবিহীন মটৰ-ব'টখন আগুৱাই গৈ অট্টালিকাৰ ভিতৰলৈ সোমাই গ'ল। অট্টালিকাৰ ভিতৰেদি অকাই-পকাই বৈ যোৱা জানটোৰ দুয়োপাৰৰ ওখ-চাপৰ ঠাইবোৰ নানা ৰঙৰ ফুল-পাত, গছ-গছনি, ৰঙীন আলোকেৰে সুন্দৰকৈ সজোৱা। মাজে মাজে ঘিটমিটিয়া এন্ধাৰৰ মাজেদিও নিঃশব্দে নাওখন গৈ আছে। অট্টালিকাৰ বাহিৰত শুনিবলৈ পোৱা সেই একেটা সুমধুৰ সংগীতৰ তালে তালে দুয়োপাৰৰ ওখ-চাপৰ ঠাইবোৰত পৃথিৱীৰ ত্ৰিশটা ভৌগলিক অঞ্চলৰ এফুট ওখ পুতলাবোৰে নিজ নিজ দেশৰ সাজ পিন্ধি, নিজ নিজ দেশৰ নৃত্য দেখুৱাই আছে। প্ৰত্যেক অঞ্চলৰে পাৰ্ট-ছয়টাকৈ পুতলাই ওঠ, চকু, মূৰ, হাত, ভৰি লৰাই একেটি সুৰৰ গীত গাই গাই লয়লাসে ইমান সুন্দৰকৈ নাচিছে যেন জীৱন্ত সৰু ল'ৰা-ছোৱালীহে। সৰু পুতলা ছোৱালী কেইজনীমানে বগা শাখী পিন্ধি চেতাৰ বজাই-গীত গাই আছে। হাৱাই দ্বীপৰ সৰু সৰু ছোৱালীবোৰে মূৰত, হাতত আৰু ডিঙিত ফুলৰ মালা পিন্ধি কঁকাল ভাঙি ভাঙি দ্ৰুতগতিত একোজনী জীৱন্ত ছোৱালীৰ দৰে গীত গাই গাই নাচি আছে। পৃথিৱীৰ বিভিন্ন দেশৰ কলা-সংস্কৃতি এই নাচ-গানৰ মাজেদি মূৰ্ত্তমান হৈ উঠিছে। জানটোৰে গৈ থকা মটৰ-ব'ট খনত বহি দুয়োপাৰৰ অকণিহঁতৰ অপৰূপ নৃত্য-গীত মন্ত্ৰ-মুগ্ধ হৈ চাই চাই গৈ আছোঁ। এয়া যেন এখন সপোনৰ মায়াপুৰী। বিশ্বৰ বিভিন্ন দেশৰ, বিভিন্ন ঠাইৰ অকণিহঁতে সকলো ভেদাভেদ পাহৰি একেটা সুৰতে গীত গাইছে, একেটা ছন্দতে নাচিছে। গীতৰ কথা, সুৰ পৰিৱেশ আৰু নৃত্যৰ ইন্দ্ৰজালেৰে সেই সময়খিনি আমাক সম্মোহিত কৰি ৰাখিলে। গীতৰ ভাব এনে ধৰণৰ; বিশ্বৰ সকলো ল'ৰা-ছোৱালীয়েই সমান, সিহঁতৰ মাজত ভিন-পৰ নাই। সাম্য, মৈত্ৰী আৰু বিশ্ব ভাতৃত্বৰ ভাবেৰে পৰিস্ফুট এইটো আমেৰিকাৰ অতি জনপ্ৰিয় আৰু বিখ্যাত গীত। অলিম্পিকৰ নিচিনা ডাঙৰ উৎসৱত এই গীতটি গোৱা হয়। ১৯৮৪ চনত লছ্-এঞ্জেলিছত অনুষ্ঠিত হোৱা অলিম্পিকতো এই গীতটি পৰিৱেশন কৰা হৈছিল। লাহে লাহে আমাৰ নাওখন ঘূৰি-পকি বিশ

মিনিট মানৱ মূৰত বাহিৰলৈ ওলাই আহি পুনৰ আগৰ ঠাইত স্বয়ং-ক্রিয়ভাবে বৈ গ'ল। ছুপৰীয়া ঠিক বাৰ বজাত ইয়াৰ সকলো পুতলা অট্টালিকাৰ ওপৰ মহলাৰ বাহিৰলৈ ওলাই আহি নিজ নিজ অঞ্চলৰ, নিজ নিজ দেশৰ প্ৰথা অনুযায়ী দৰ্শকসকলক অভিবাদন জনায়। আমি লাহে লাহে "স্মল্ ৱৰ্ল্ডৰ" পৰা আঁতৰি আহিলোঁ যদিও, কাণত বাজি থাকিল অন্তৰ পৰশা সেই সুমধুৰ গীতটি।

"It's a small world
It's a world of laughter
a world of tears
a world of friendship
a world of fears
There is just one Moon and one golden Sun
And a smile means friendship to everyone."

গধূলি হৈ অহাৰ লগে লগে বিজুলী চাকিৰ তিৰ্‌বিৰণিয়ে ডিজনীলেণ্ড আলোকিত কৰি তুলিলে। নিৰ্দ্দিষ্ট সময়ৰ মূৰে মূৰে কাৰ্টুন চৰিত্ৰবোৰ ওলাই অহা দেখা পাই সৰু ল'ৰা-ছোৱালীবোৰ আনন্দত উতলা হৈছে। ডিজনীলেণ্ড কেৱল ফুলনি, খেল-ধেমালি, জিৰণি, আমোদ-প্ৰমোদৰ ঠাই নহয়, ই এটা ডাঙৰ শিক্ষানুষ্ঠানো। জিৰণি আৰু আমোদ-প্ৰমোদৰ কাৰণে এই দেশত যেনেকৈ সু-ব্যৱস্থা আছে, সেনেকৈ তেওঁলোকে তাৰ সদ্‌ব্যৱহাৰো কৰে। সীমিত সময়ৰ ভিতৰত আমি অলেখ আমোদ-প্ৰমোদৰ থলিৰ মাত্ৰ কিছুমানহে উপভোগ কৰিব পাৰিলোঁ। তাৰ পৰা বাছেৰে আহি নিশা হোটেল পালোঁহি।

পিচদিনা ৰাতিপুৱা আমি এপ্‌কট্ চেণ্টাৰ চাবলৈ গ'লো। Epcot শব্দটোৰ উদ্ভাৱক স্বয়ং ৱাল্ট ডিজনী। Experimental Prototype community of To-morrow এই শব্দ কেইটাৰ প্ৰথম আখৰবোৰৰ সমষ্টিৰে গঠিত হৈছে Epcot শব্দটো। আমোদ-প্ৰমোদৰ মাজেৰে মানব সভ্যতাৰ ইতিহাস সমন্ধে সচেতনতা অনাৰ বাবেই ডিজনীৰ এই প্ৰচেষ্টা। ইয়াৰ প্ৰতীক চিহ্নটো পৃথিৱীৰ দৰে

গোলাকৃতিৰ এক কাল্পনিক মহাকাশযান; ইয়াৰ নাম দিয়া হৈছে স্পেচ্ শ্বিপ্ আৰ্থ (Spaceship Earth), উচ্চতা এশ আশীফুট; আকৃতিত যেনে বৃহৎ সৌন্দৰ্য্যৰ ফালৰ পৰাও অপূৰ্ব্ব। ২৮° একৰ মাটি আগুৰি থকা এপ্‌কট্ চেন্টাৰত সোমালে বহু আঁতৰৰ পৰাই চকুত পৰে এই স্পেচ্ শ্বিপ্ আৰ্থ। "টাইম মেচিন" নামৰ সৰু গাড়ীত উঠি ইয়াৰ ভিতৰত ঘূৰি ঘূৰি অতীত আৰু বৰ্ত্তমানৰ বহুতো জ্ঞানমূলক, বিস্ময়কৰ বস্তু চাব পাৰি, নেদেখিলে বিশ্বাস কৰিব নোৱাৰি। মহাকাশযানৰ পৰা নামিলেই পোৱা যায় "আৰ্থ-ষ্টেচন" ভবিষ্যত, পৃথিবীৰ বিমান কেন্দ্ৰৰ এটা আৰ্হি অৰ্থাৎ মডেল। 'এপকটৰ' ভিতৰত যিবোৰ বস্তু আৰু বিষয় দেখুৱা হৈছে তাত মানব সভ্যতাৰ আদি যুগৰ পৰা বিভিন্ন বিবৰ্ত্তনৰ মাজেৰে আহি বৰ্ত্তমানৰ অৱস্থা পাইছে তাকেই আকৰ্ষণীয় চিত্ৰ আৰু মডেলৰ দ্বাৰা নিখুঁত ভাবে ফুটাই তুলিছে। "এপকট" হ'ল মূলতঃ বিজ্ঞানভিত্তিক; বিজ্ঞান সন্মত ভাবে বিষয়বস্তুবোৰ দেখুৱাৰ এক সবল প্ৰচেষ্টা। এইবোৰ প্ৰাপ্তবয়স্কলোকৰ বাবে মনোগ্ৰাহী যদিও সৰু-ল'ৰা ছোৱালীৰ বাবেও বহুতো চাবলগীয়া আকৰ্ষণীয় বস্তু আছে। সকলোবোৰ ঘূৰি পকি চাই গধূলি হোটেললৈ উভতিলোঁ। পিচদিনা লচ-এঞ্জেলিছৰ পৰা ফিনিক্সলৈ উভতি অহা বিমানৰ টিকট ঠিক্ হৈ আছে বাবে ইয়াৰ আশে-পাশে থকা দৰ্শনীয় বহুতো ঠাই চাবলৈ সময় আৰু সুযোগ নাপালোঁ।

প্ৰাণ-প্ৰাচুৰ্য্যৰ পৰিপূৰ্ণ এই দেশৰ মানুহৰ কৰ্ম-প্ৰচেষ্টা, দৃশ্যৰ সৌন্দৰ্য্য, যন্ত্ৰৰ ধাৱমান গতি মনলৈ আনে বিস্ময় আৰু উত্তেজনা। ইয়াৰ বৰ্ত্তমান জীৱনৰ অন্য এক বৈশিষ্ট হ'ল অট'মেচন; মেচিনৰ দ্বাৰা প্ৰায়বোৰ কাম সম্পন্ন কৰা হয়।

আমেৰিকা যুক্তৰাষ্ট্ৰত ৬৫ বছৰ বয়সৰ ওপৰৰ নাগৰিকলৈ চৰকাৰৰ তৰফৰ পৰা বিশেষ সা সুবিধা আগবঢ়োৱা হয়। তেওঁলোকৰ বাবে বিনামূলীয়া চিকিৎসা সেৱা আৰু বজাৰত বয়-বস্তু কম মূল্যত কিনিব পৰা ব্যৱস্থা আছে। তেওঁলোকৰ ভ্ৰমণ বিনামূলীয়া; তদুপৰি চিনেমা থিয়েটাৰৰ টিকট আধা মূল্যত কিনিব পাৰে কিছুমান ঠাইত "ছিনিয়ৰ

চিটিজেনৰ* বাবে সুকীয়া বাছ থাকে, ফোন কৰি খবৰ দিলে আহি লৈ যায়। বিভিন্ন গিৰ্জাৰ বিভিন্ন সম্প্ৰদায়ৰ পৰাও সপ্তাহত এদিনকৈ এওঁলোকক দুপৰীয়াৰ আহাঁৰ যোগান ধৰা হয়।

যুক্তৰাষ্ট্ৰত পৰিয়ালৰ লোক একেলগে সাঙোৰ খাই নাথাকে। বৰ্ত্তমান পৰিয়ালৰ বান্ধেই সোলোক-ঢোলক হৈ পৰিছে। ব্যক্তি স্বাধীনতা আৰু সেই স্বাধীনতা ৰজাই ৰাখিবৰ জোখাই উপাৰ্জনৰ সা-সুবিধা ওলোৱাত এজনে আন এজনৰ ওপৰত নিৰ্ভৰ কৰাৰ আৱশ্যকতা আৰু অভ্যাস লোপ পালে। এই পাৰস্পৰিক সমন্ধ টুটি অহাত বৃদ্ধলোকৰ নিঃসঙ্গতা বাঢ়িল। সমাজে বৃদ্ধজনৰ খোৱা-বোৱা, থকা মেলাৰ সাধাৰণ দিহা মাথোন কৰি দি আত্ম-সন্মানজনক নাইবা নিজ সত্বাৰ পৰিপোষণ কৰিব পৰা আন একো আলম্বন দিয়া নাই। আমাৰ সমাজত বুঢ়া নাইবা বয়সস্থলোকক যি সন্মান জনোৱা হয়, তাৰ পৰিবৰ্ত্তে যুক্তৰাষ্ট্ৰত পিতৃক যি বুঢ়া আখ্যা দিয়া হয় যি সন্মানসূচক নহয়। সমাজৰ সাৰ্থক নাইবা সন্মানজনক কোনো কামকে এওঁলোকক কৰিবলৈ দিয়া নহয়। এনেকুৱা প্ৰায় সংখ্যক লোকেই অলেখ ধন-সম্পত্তিৰ গৰাকী হৈয়ো বৃদ্ধ অৱস্থাত "বৃদ্ধ নিবাস" বা "নাৰ্ছিং হোমত" আশ্ৰয় লয়। বহুতে নিজৰ ধন-সম্পত্তিবোৰ এনে প্ৰতিস্থানবোৰত দান দিয়ে। চৰকাৰৰ তৰফৰ পৰা এনে প্ৰতিস্থানবোৰলৈ যথেষ্ট আৰ্থিক সাহাৰ্য্য আগবঢ়ায়। আমি ফিনিক্সৰ এখন "নাৰ্ছিং হোমলৈ" গৈছিলোঁ। আমি গৈছিলোঁ ৰাতিপুৱা সময়ত। দেখিলোঁ, কেইগৰাকীমান বৃদ্ধই আগফালৰ ফুলনিত ৰ'দ পুৱাই বহি আছে। কিছুমান বৃদ্ধলোক শাৰীৰিকভাবে পঙ্গু, কিছুমানে বিচনাতেই পৰি আছে, কোনোৱে চৰ হুইল চেয়াৰত বহি ঘূৰি-পকি ফুৰিছে। কিছুমান কোঠালি এজনীয়া, কিছুমান দুজনীয়া। এইবোৰ আধুনিক সা-সুবিধা থকা সুন্দৰ বাস-স্থান। পঢ়িবলৈ কিতাপ, বাতৰি কাকত আৰু প্ৰত্যেক কোঠালিতে টি ভি ছেটৰ ব্যৱস্থা কৰি দিয়া আছে। নাৰ্চবোৰে সকলো সময়তে এওঁলোকৰ লগে লগে লাগিয়েই আছে। ইয়াত থকা লোকসকল নবৈব বছৰ বয়সৰ ওপৰৰ। যিসকল বৃদ্ধ বা বৃদ্ধাৰ ল'ৰা-ছোৱালী

আছে তেওঁলোক মাহেকে-পষেকে খা-খবৰ ল'বলৈ আহে। এওঁলোকে সু-ব্যৱস্থা থকা গৃহত আছে; খোৱা-বোৱা, কাপোৰ-কানি, পৰিচৰ্য্যা ঠিকমতে পাইছে যদিও মনবোৰ যেন বিমৰ্ষ। নিঃসঙ্গতাৰ এখন বেদনা বিধুৰ ছবি যেন চকুৰ আগত জীৱন্ত ৰূপত দেখিবলৈ পালোঁ। বহুতৰে জীৱন বন্তি মুমাই এনে আশ্ৰয় গৃহত।

আমি এই মহাদেশৰ পৰা নিজ দেশ অভিমুখে ৰাওনা হ'বলৈ এফালে সাজু হৈছোঁ আৰু আনফালে এইদেশৰ উৎসৱ পাৰ্ব্বনবোৰো লাহে লাহে ওচৰ চাপি আহিছে। ইয়াত আৰু কিছুদিন থাকি গ'লে উৎসৱবোৰ উপভোগ কৰিব পাৰিলোহেঁতেন। কিন্তু আমি ভাৰতৰ পৰা কিনি অনা "ভূছা" (Vusa) টিকটৰ ম্যাদ শেষ হ'বলৈ সৰহ দিন নাই। গতিকে ৩০ অক্টোবৰ, সোমবাৰে ইয়াৰ পৰা উভতি যোৱাৰ তাৰিখটো ঠিক কৰি এয়াৰ লাইন্‌চৰ অফিচলৈ গৈ টিকট কনফাৰ্ম কৰি আহিলোঁ।

চহৰৰ বাহিৰৰ আলিৰ দাঁতিত বা পথাৰত প্ৰকাণ্ড প্ৰকাণ্ড ৰঙা-লাউবোৰ শাৰী শাৰীকৈ সজাই থোৱা কেইদিনমানৰ পৰা দেখিবলৈ পাইছোঁ। লগতে দোকানবোৰতো চেলচ্ বয় বা চেলচ্ গাৰ্ল বিলাকে মুখত ক'লা আক্-বাক্ কৰি লোৱা আৰু কৃত্ৰিম মকৰাৰ জাল, বিভিন্ন ধৰণৰ মুখা সজাই থোৱাও চকুত পৰিছে। এইবোৰেই হলউইন্ উৎসৱৰ আগমণৰ বতৰা দিছে। হলউইন্ উৎসৱটো যুক্তৰাষ্ট্ৰৰ সৰু-ল'ৰা-ছোৱালীহঁতৰ অতি প্ৰিয় উৎসৱ। প্ৰত্যেক বছৰে ৩১ অক্টোবৰ তাৰিখে সমগ্ৰ যুক্তৰাষ্ট্ৰত এই উৎসৱ ধুমধামেৰে পালন কৰে। এইটো ভূত-প্ৰেত আদি খেদা উৎসৱ। এই উৎসৱত পাম্‌কিন্ অৰ্থাৎ ৰঙালাউ অপৰিহাৰ্য্য; কিয়নো ৰঙালাউ হলউইনৰ প্ৰতীক হিচাপে ব্যৱহাৰ কৰা হয়। এই উৎসৱৰ বাবে পথাৰত ৰঙালাউৰ খেতি কৰে। দোকান-বজাৰতো এই সময়ত যথেষ্ট ৰঙালাউ ওলায়। এই উৎসৱৰ দিনা সৰু ল'ৰা-ছোৱালীহঁতে ৰং বিৰঙৰ পোছাক, মুখা আদি পিন্ধি নানা ভেশচন কৰি, এন্ধাৰ হোৱাৰ লগে লগে হাতে হাতে মোনা লৈ দল বান্ধি মানুহৰ ঘৰলৈ যায়। কেতিয়াবা সিহঁতৰ লগত মাক-দেউতাকো যায়। সেইদিনা ৰঙালাউ আনি, ভূত-প্ৰেত আদিৰ নানা নক্সা কাটি ঘৰৰ দুৱাৰ মুখত, দোকানে-বজাৰে সজাই থয়। ল'ৰা-ছোৱালী মানুহৰ ঘৰলৈ আহিলে গৃহস্থই আগতেই সংগ্ৰহ কৰি থোৱা কেন্দি, চকোলেট, টফি আদি প্ৰত্যেকৰে মোনাত সুমুৱাই দিয়ে।

ঘৰমুৱা যাত্ৰা

অহাকালি ৩০ অক্টোবৰ, সোমবাৰে ৰাতিপুৱা সাত বজাত আমি বিমানেৰে ফিনিক্সৰ পৰা চিয়াটললৈ যাত্ৰা কৰিম আৰু তাৰ পৰা স্বদেশলৈ প্ৰত্যাবৰ্ত্তন কৰিম। আমাৰ যুক্তৰাষ্ট্ৰ ভ্ৰমণ ইমানতে অন্ত পৰিব। ফিনিক্সৰ পৰা চিয়াটললৈ "ডেলটা এয়াৰ লাইন্স" আৰু চিয়াটলৰ পৰা "জাপান এয়াৰ লাইন্স" বিমানেৰে অহা পথেদিয়েই প্ৰশান্ত মহাসাগৰৰ ওপৰেদি আমি যাত্ৰা কৰিম। উভতি যাওঁতে জাপানত এৰাতি, বেংককত এৰাতি থাকি কলিকতা পামগৈ। বস্তু-বাহানি, কাপোৰ-কানি আগদিনাখনেই চুটকেচত ভৰাই, অভিজ্ঞতাৰ জীৱন্ত ছবিবোৰ মনৰ মণিকোঠাত সুমুৱাই লৈ ৰাতি পলমকৈ বিচনাত পৰিছোঁ। উদ্বিগ্নতাত ৰাতি তিনি বজাতে শোৱাৰ পৰা উঠি গা-পা ধুই দীঘলীয়া যাত্ৰাৰ বাবে সাজু হৈ ওলালোঁ। সুদূৰত এওঁলোকৰ সৈতে এই কেইটাদিন একেলগে থাকি, ফুৰা-চকা কৰি, এতিয়া যাবলৈ ওলাই মনটো গধুৰ হৈ পৰিছে। ৰিমঝিম তেতিয়া গভীৰ টোপনিত লালকাল; নাতাচাই সাৰ পাই মাকৰ কোলাত উঠিছে। তাইৰ ঢুচকুত টোপনিৰ আমেজ লাগি আছে। চাহ খাই আমি লৰালৰিকৈ গাড়ীত বহিলোঁগৈ। কাৰণ, ৰাতিপুৱা সাত বজাতে চিয়াটলগামী বিমান ধৰিবগৈ লাগিব। কৰুণাই গাড়ী ষ্টাৰ্ট দিলে। শেৱালীয়ে অশ্ৰুসিক্ত নয়নেৰে আমাক বিদায় দিলে। ৰাতিপুৱা পাঁচ বজাতো ফিনিক্স মহানগৰী নিশাৰ এন্ধাৰে আবৰি আছে। ৰাজআলি পাই দেখোঁ গাড়ীৰ দীঘলীয়া শাৰী। এতিয়াৰ পৰাই মানুহবোৰে দিহা-দিহি নিজ নিজ কৰ্মক্ষেত্ৰলৈ যাবলৈ আৰম্ভ কৰিছে।

বিমানবন্দৰৰ ভিতৰখন দিনৰ দৰেই পোহৰ হৈ আছে। আমাৰ লাগেজবোৰ ফিনিক্সৰ পৰা কলিকতালৈ "বুক" কৰিলোঁ। আমাৰ ভনীজোঁৱাইয়ে এই কেইটা দিন আমাৰ লগে লগে থাকি, ফুৰা-চকাত যথেষ্ট সহায় কৰি দিলে। তেওঁক অশেষ ধন্যবাদ জনাই বিমানৰ ঘোষণালৈ অপেক্ষা কৰি লাউঞ্জৰ চোফাত উদ্বিগ্নতাৰে বহি ৰ'লো। নিৰ্দ্দিষ্ট সময়ত বিমানত উঠাৰ ঘোষণা কৰাৰ লগে লগে আমি করুণাৰ পৰা শেষবাৰৰ বাবে বিদায় লৈ বিমানত উঠিলোঁ। দুমাহ জুৰি যুক্তৰাষ্ট্ৰ ভ্ৰমণ কৰি স্বদেশলৈ যাবলৈ ওলাইছোঁ। এই মুহূৰ্ত্তত মনটো কিয় জানো এক অবুজ বেদনাত সেমেকি উঠিছে। আত্মীয় স্বজন, বন্ধু-বান্ধবৰ হিয়া ভৰা মৰম-চেনেহ, আতিথ্যতা, আদৰ-সাদৰ আৰু উজ্বল মুখবোৰ এই মুহূৰ্ত্তত মোৰ চকুৰ আগত ভাঁহি উঠিছে। এওঁলোকৰ কিছুমানৰ লগত আকৌ ভাৰতত, অসমত দেখা-দেখি হ'ব; ইয়াত লগ পোৱা আন বহুতকে আৰু হয়তো জীৱনত দুনাই দেখা নাপাম। কেইমিনিট মানৰ পিছতে বিমানখন ৰাণৱেৰে কিছুদুৰ গৈ বায়ুবেগে সশব্দে আকাশলৈ উৰা মাৰিলে। অলপ সময়ৰ পিচতে খোৱা বস্তুৰ ট্ৰলীখন ঠেলি ঠেলি বিমান পৰিচাৰিকা কেই-গৰাকীয়ে ট্ৰেবোৰ এফালৰ পৰা দি আহিছে। আমি লৰালৰিকৈ আমাৰ টেবুল কেইখন টানি উলিয়ালোঁ। ৰাতিপুৱা খোৱাৰ পৰ্ব্ব শেষ কৰি খিড়ীকীৰে তলৰ পৃথিবীখনত চকু ফুৰালোঁ। কজলা ৰঙৰ পাহাৰবোৰত প্ৰভাতৰ ৰাঙলী কিৰণ পৰি হেঙুলীয়া বৰণ লৈছে। আধা ঘণ্টামান অহাৰ পিচত তলত দেখিলোঁ গ্ৰেণ্ড-কেনিয়নৰ নিচিনা ৰঙা ৰঙৰ শিলৰ পাহাৰৰ মাজেদি অকাই-পকাই বৈ গৈছে শীৰ্ণকায়া নৈ এখন। এৰা, এয়া গ্ৰেণ্ড-কেনিয়নেই। মাইকত ঘোষণা কৰিলে, আমি এতিয়া গ্ৰেণ্ড-কেনিয়নৰ ওপৰেদি গৈ আছোঁ। বিমানৰ পৰা এই দৃশ্য চাবলৈ পাই মন আপ্লুত হৈ পৰিল। আশী মিনিট সময় অহাৰ পিচত নিৰ্জন এডোখৰ ঠাইত বগা ধোঁৱা ওলাই থকা দেখিলোঁ; সেয়া কি গম নাপালোঁ। বহু সময় কেনিয়নৰ ওপৰেদি আহি আছোঁ। ইয়াৰ পিচত ওখোৰা মোখোৰা কজলা শিলৰ পাহাৰৰ

তলেদি আমাৰ বিমানখন উৰি গৈ আছে। উদিত ভাস্কৰৰ সোণালী ৰশ্মি তলৰ পৃথিৱীত পৰি চৌদিশ উদ্ভাসিত হৈছে। আকৌ দুৰ্গম পাহাৰৰ ছাঁ পৰি নামনি অঞ্চল কজলা বৰণৰ হৈছে। মাজে মাজে চকুত পৰিছে নীলা পানীৰ হ্ৰদৰ স্বচ্ছ জলৰাশি। শীৰ্ণকায়া নৈবোৰ সৰ্পিল ভঙ্গীৰে একা-বেঁকাকৈ বৈ গৈছে। প্ৰকৃতিৰ এয়া এক অভিনৱ বিচিত্ৰ ৰূপ। দিগন্তলৈ বিয়পি আছে মৰুময় ধূসৰ পাহাৰে আবৰা অঞ্চল। দূৰ-দূৰণিলৈ এক অপাৰ্থিৱ শাশ্বত সৌন্দৰ্য্য বিৰাজমান। তুলিকাৰ শিল্পীয়েও জানো তুলিকাৰে এনে সৌন্দৰ্য্য ধৰি ৰাখিব পাৰে? বিমানৰ খিৰিকীৰে ভূপৃষ্ঠৰ বৰ্ণনাতীত সৌন্দৰ্য্য চাই চাই মই তন্ময় হৈছিলোঁ।

আধাঘণ্টামান বিমানৰ পৰা এইখাৰ দেখিলোঁ। পাহাৰৰ শিখৰবোৰ তুষাৰ বৰফে আবৰি আছে। ক্ৰমাৎ আমি উত্তৰ দিশলৈ গতি কৰিছোঁ। আৰু প্ৰকৃতিয়েও নতুন সাজেৰে-সাজিকাচি আমাৰ চকুত ধৰা দিছে। আমি ক্ৰমে এবিজোনা ৰাজ্য অতিক্ৰম কৰি উটা ৰাজ্যৰ ওপৰেদি ৰকি পৰ্ব্বতৰ কাষে কাষে উত্তৰলৈ গৈ আছোঁ। ডেৰ ঘণ্টা উৰণৰ পিচত ৰাতিপুৱা চাৰে আঠ বজাত উটা ৰাজ্যৰ "চল্ট লেক্ চিটিৰ" বিমান বন্দৰত আমাৰ বিমান অৱতৰণ কৰিলে। বিমান বন্দৰৰ কাষৰ পাহাৰবোৰ শুভ্ৰ বৰফে আবৰি আছে। পঁচিশ মিনিট বিৰতিৰ পিচত বিমানখন পুনৰ চিয়াটললৈ উৰা মাৰিলে। নিমিষতে কাষতে থকা বিশালাকৃতিৰ চল্ট হ্ৰদৰ ওপৰে ওপৰে নিচেই তলেদি আমাৰ বিমানখন উৰি গ'ল। উটা ৰাজ্যৰ পিচত আইদাহো ৰাজ্য অতিক্ৰম কৰি দিনৰ এঘাৰ বাজি বিশ মিনিটত বিমানখনে প্ৰশান্ত উপকূলৰ ৱাশ্বিংটন ৰাজ্যৰ চিয়াটলৰ সুবৃহৎ বিমানবন্দৰৰ ভূমি স্পৰ্শ কৰিলে।

শীত-তাপ নিয়ন্ত্ৰিত সুকোমল কৰিডৰেদি বিমানৰ পৰা ওলাই আহি লাউঞ্জ পালোঁহি; এয়া ডেল্টা এয়াৰ লাইন্সৰ লাউঞ্জ। মজিয়াৰ পৰা ওপৰলৈ থকা আহল-বহল আইনাৰ বেৰৰ মাজেৰে দেখিলোঁ, তেতিয়াও চিয়াটল বিমান বন্দৰ আমাৰ দেশৰ পুহমাহৰ

ৰাত্তিপুৱাৰ দৰে কুৱলীয়ে আবৰি আছে। দুঘণ্টাৰ ভিতৰত এয়া তৃতীয়-বাৰৰ বাবে আমি এই বিমান বন্দৰত নামিছোঁ। এইবাৰ ইয়াৰ পৰাই আমি স্বদেশলৈ প্ৰত্যাবৰ্ত্তন কৰিম। দুই এজনক সুধি-পুছি, খা-খবৰ লৈ জাপান এয়াৰ লাইনচৰ অফিচ বিচৰাত লাগিলোঁ। ইয়ো এটা সমস্যা। ইয়াত সকলো কাম খৰধৰ, লৰালৰি; লাহে লাহে খোজকাঢ়ি যাবলৈ বা বৈ কথা পাতিবলৈ কাৰো সময় নাই। এগৰাকী পৌঢ়া মহিলাৰ কথামতে আমি তলৈলৈ নামি আহি লৰা-লৰিকৈ সৰু বাৰান্দা এখনত উঠিলোঁ। তাত দুগৰাকীমান আমেৰিকান যুৱতী বহি আছিল। হঠাৎ গম পালোঁ বাৰান্দাখন লৰিব ধৰিছে। উচাপ খাই মই তৎক্ষণাৎ বেঞ্চখনত বহি কাষতে থকা মোৰ স্বামীক সুধিলো, কথাতো কি? স্বামীৰ উত্তৰত গম পালোঁ সেইখন বেল এখন বুলি, পিচৰ ষ্টেপেজত আমি নামিব লাগিব। সেইখন যে ৰেল মই ধৰিবই পৰা নাছিলোঁ। দৰজাখনৰ মুখতে থকা মানুহজনে পিচৰ ষ্টেপেজ পাওঁতে আমাক নামিবলৈ ক'লে। বিশাল বিমান বন্দৰৰ ভিতৰতে অহা-যোৱা কৰিবলৈ শ্বাটল ট্ৰেইনৰ ব্যৱস্থা কৰিছে। এই বাৰ আকৌ ওপৰ মহলালৈ আহিলোঁ। আগতে লগ পোৱা বয়সস্থা মহিলা গৰাকীয়ে আমি কাউণ্টাৰ বিচাৰি পাইছো নে নাই খবৰ কৰি গ'ল। কাউণ্টাৰৰ ওচৰলৈ আহি কাষতে থিয় হৈ থকা কৃষ্ণাঙ্গ এজনক আমি সঠিক কাউণ্টাৰ আহি পাইছো নে নাই সুধিলো। তেওঁ আমাক ঠিক্ ঠাইতে থকা বুলি ক'লে। কাষতে শাৰী শাৰীকৈ থকা আহল-বহল সুকোমল চোফাত আশ্বস্ত হৈ বহি পৰিলোঁ। সমুখৰ বহল আইনাৰে বিমান বন্দৰৰ ৰাণওৱেৰ বিমানসমূহ উঠা-নমা কৰা চাই আছোঁ। অগণন মানুহ, অহাই আহিছে, যোৱাই গৈছে; কিছুমানে তাত বহি বিমানলৈ অপেক্ষা কৰিছে। কোনোৱে কাষতে থকা টেলিফোনত কথা পাতিছে, কোনোৱে চাহ-কফিকে খাইছে। বিভিন্ন দেশৰ, বিভিন্ন জাতিৰ মিছিল, অকনো কোলাহল নাই। তেতিয়াও জাপান এয়াৰ লাইনচৰ কাউণ্টাৰ খোলা নাই। লগত লৈ যোৱা খোৱা বস্তু বেগৰ পৰা উলিয়াই একাপ একাপ গৰম চাহ আনি খালোঁ।

এই দেশ এৰি যোৱাৰ আগমুহূৰ্ত্তত এঙ্কোৰেজত থকা দীপালীৰ সৈতে দু-আষাৰ কথা পাতো বুলি কাষতে থকা টেলিফোনৰ ফুটাইদি ১৫ চেণ্ট ভৰাই দি সংখ্যাটো কোৱাৰ লগে লগে "Collect call"ৰ সংযোগ পালোঁ। এঙ্কোৰেজত হেনো ভীষণ শীত পৰিছে, দুপৰীয়া বাৰ বজাতো ডাঠ-কুঁৱলীয়ে চৌদিশে আবৰি আছে। ইতিমধ্যে কাউণ্টাৰ খোলাত বোৰ্ডিংপাচ হাতত লৈ জাপান এয়াৰ লাইনচৰ লাউঞ্জত প্ৰবেশ কৰি বিমানত উঠিবলৈ কৰা ঘোষণাৰ প্ৰতীক্ষাত ৰলোঁ। ইতিমধ্যে লাউঞ্জটো যাত্ৰীৰে ভৰি পৰিছে। বেৰত ওলোমাই থোৱা ঘড়ী কেইটাত লণ্ডন, নিউইয়ৰ্ক, টকিঅ' আদি বিভিন্ন ঠাইৰ বিভিন্ন সময়বোৰ চকুত পৰিল। সমুখৰ খোলা আইনাৰে দুমহলাৰ ওপৰৰ পৰা আমি যাবলগীয়া প্ৰকাণ্ড বিমানখন দেখিবলৈ পালোঁ ; এইখন অলপ আগতে আমেৰিকাৰ পূব উপকূলৰ আটলাণ্টাৰ পৰা আহি পাইছে। নিৰ্দ্দিষ্ট সময়ত বিমানত উঠাৰ ঘোষণা কৰাৰ লগে লগে দুৱাৰখন খোল খালে। যাত্ৰীবোৰক ভাগ ভাগকৈ বিমানত উঠিবলৈ দিয়া চকুত পৰিল। হুইল চেয়াৰত বহি অহা শাৰীৰিকভাবে অক্ষম সকলক প্ৰথমতে উঠিবলৈ দিলে, তাৰ পিচত সৰু লৰা-ছোৱালী লৈ অহা সকলক, শেষত সকলো যাত্ৰীকে একেলগে শাৰী পাতি বিমানত উঠিবলৈ দিলে। প্ৰকাণ্ড বিমানখনৰ ভিতৰত সোমাই টিকটৰ নম্বৰ অনুসৰি আহল-বহল সুকোমল আসন দুখন অধিকাৰ কৰি চিট-বেল্ট-ডাল মাৰি লৈ বাহিৰলৈ চাই আমেৰিকা যুক্তৰাষ্ট্ৰৰ পৰা বিদায় ল'বলৈ সাজু হ'লো। খিড়িকীৰ কাষতেই আসন দুখন পাইছিলো। দুপৰীয়া আঢ়ৈ বজাত প্ৰকাণ্ড বিমান মাল-পত্ৰৰে সৈতে পাঁচশ যাত্ৰী লৈ একেকোবে আকাশমাৰ্গলৈ উৰা মাৰিলে। নিমিষতে বিমানখন শুকুলা মেঘমালাৰ ওপৰে ওপৰে প্ৰচণ্ড বেগত গতি কৰিলে। পৰিচাৰিকা-সকলে বিভিন্ন ফলৰ ৰস, কাজু আৰু মধ্যাহ্ন আহাৰ দি গৈছে। ইয়াৰ পিচত পৰ্দ্দাত চিনেমা এখন দেখুৱালে। আমাৰ কাষৰ কিছুমান যুবক-যুবতীক দেখিলোঁ নিজৰ আসনৰ ওপৰত থকা লাইটটো জ্বলাই লৈ সমুখৰ টেবুলখন উলিয়াই লিখা-পঢ়াত মগ্ন হৈছে। এয়া আকাশৰ

বুকুৱেদি হাজাৰ হাজাৰ মাইল বেগত গতি কৰা জাপিনা বিমান নহয়, যেন কোনোবা মহাবিদ্যালয় নাইবা বিশ্ববিদ্যালয়ৰ লাইব্ৰেৰীৰ পঢ়া কোঠালিহে। দৰাচলতে এনে বিমানত বহি লিখা-পঢ়া কৰিবলৈ বৰ সুচল। সমুখত টেবুল, ওপৰত নিজাববীয়াকৈ লাইট, কোনো হাই-উকমি বা সামান্য জোকাৰণিও নাই; দীঘলীয়া বিমান ভ্ৰমণৰ সময়খোবো নজনাকৈয়ে পাৰ হৈ যায়। মাজে মাজে আকৌ ক্লান্তি আঁতৰাবলৈ পৰিচাৰিকাই বাচি যোৱা চাহ বা কল্ড-ড্ৰিংচটো আছেই। দুপৰীয়া মধ্যাহ্ন ভোজনৰ পিচত বহা আসনখন হেলনীয়া কৰি, গাত কম্বলখন পেলাই লৈ, খিড়িকীৰ ঢাকনীখন নমাই দি চকু দুটা মুদি দিবা-নিদ্ৰাৰ আয়োজন কৰিলো। কিন্তু চকুলৈ টোপনিৰ আবেশ কোনোমতে নামি নাহে। খিড়িকীৰ ঢাকনীখন উঠাই পুনৰ বাহিৰৰ প্ৰকৃতিৰ ৰঙ-ৰূপ চাই চাই মোহাবিষ্ট হৈ পৰিছোঁ। তলৰ অটল বিশাল সমুদ্ৰৰ প্ৰচণ্ড বিক্ষুব্ধ ঢৌৰ গৰ্জন, তাত বাস কৰা বিৰাটকায় তিমি, হাংগৰ, ঘৰিয়াল, অক্টোপাচ আদি জলচৰ প্ৰাণীবোৰৰ অস্তিত্বৰ কথা এনে সময়ত মনলৈ আহি আমনি কৰা নাই। শীত-তাপ নিয়ন্ত্ৰিত কোঠাৰ সুকোমল আসনত বহি, সুস্বাদু আহাৰৰ জুটি লৈ, হাস্যবদনা ধুনীয়া গাভৰু পৰিচাৰিকাৰ মিঠা পৰিচৰ্য্যাৰ মাজত কল্পনাৰ সাগৰত যেন উটি-ভাঁহি গৈ আছোঁ, মধ্যাহ্ন সূৰ্য্যৰ সোণ বৰণীয়া ৰশ্মি পৰি মেঘমালা সোণালী ৰঙেৰে ৰঞ্জিতা হৈ পৰিছে। P. S. Shelley ৰ "To a Skylark" নামৰ কবিতাটিৰ সেই স্কাইলাৰ্ক পখিটিৰ দৰে ময়ো যেন সূৰ্য্যৰ সোণালী কিৰণত উজ্জ্বল হৈ উঠা ডাৱৰৰ মাজে মাজে উৰি আছো, ভাঁহি আছোঁ। তলৰ পৃথিৱীৰ দুখ-যাতনা, চিন্তা ভাবনাৰ পৰা মই যেন বহু আঁতৰত উৰি আছো, উৰি গৈ থাকিম।

"In the golden lightening
of the sunken Sun,
O'er which clouds are brightening,
Thou dost float and run
Like an unbodied joy whose race is just begun".

আবেলি চাহ-জলপানেৰে পৰিচাৰিকাই আপ্যায়িত কৰিছে। কিছু মান যাত্ৰীয়ে বহা আসনতে গভীৰ টোপনিত লালকাল দিছে। সুদীৰ্ঘ এক ৰৌদ্ৰ স্নাতা আবেলি। আমাৰ এই যাত্ৰাৰ গতি আবেলিৰ বেলিৰ অভিমুখে হোৱা বাবে দিনটো দীঘলীয়া হৈ পৰিছে। মোৰ হাতৰ ঘড়ীলৈ চাই দেখিলোঁ এয়া চাৰে আঠ বাজিছে। ঘণ্টাৰ পিচত ঘণ্টা জুৰি হৈ আছে ৰ'দালি আবেলি। এনেতে বিমানৰ ঘোষণাৰ পৰা গম পালো দহ মিনিট পিচতেই বিমানখন জাপানৰ 'নাৰিতা' বিমান বন্দৰত অৱতৰণ কৰিব। ক্ৰমে সন্ধ্যা নামি আহিছে। বিমানখন লাহে লাহে তললৈ নামি অহাত খিড়িকীৰে চাই নাৰিতা আন্তৰ্জাতিক বিমান বন্দৰৰ ৰঙা, নীলা লাইটৰ সমাৰোহ দেখিবলৈ পালোঁ। বিমান অৱতৰণৰ পিচত আমি বাছেৰে এয়াৰপ'ৰ্ট টাৰ্মিনেল ভৱনলৈ আহিলোঁ। বাহিৰত কিন্‌কিনিয়া বৰষুণ দি আছে। যুক্তৰাষ্ট্ৰৰ চিয়াটল বিমান বন্দৰৰ পৰা জাপানলৈ আহোঁতে এইবাৰ সময় লাগিল ন ঘণ্টা।

ওপৰ মহলাৰ ইমিগ্ৰেচন বিভাগলৈ আগুৱাই গ'লোঁ, দুটা কাউণ্টাৰত দেখিলোঁ বিমান যাত্ৰীৰ দীঘলীয়া শাৰী। জাপানত প্ৰয়োজনীয় 'ভিছা' আমি ভাৰতত ক ৰি অনা নাই। বাসত্তৰ ঘণ্টাৰ বাবে "ট্ৰেন্‌জিত ভিছা" ইয়াতে কৰি ল'ব লাগে। ইয়াতকৈ অধিক সময় থাকিবলগীয়া হলে টেক্স ভৰিব লাগিব, সৰহ দিন থাকিবলগীয়া হলে ভাৰতৰ পৰাই জাপানৰ ভিছা কৰি আনিব লাগে। কাউণ্টাৰত টিকট. পাছপ'ৰ্ট আদি তন্নতন্নকৈ পৰীক্ষা কৰি বাসত্তৰ ঘণ্টা থাকিবলৈ আমাক ট্ৰেন্‌জিত ভিছা দিলে। তাৰ পৰা ওলাই চলন্ত চিৰিৰে তলৰ মহলালৈ নামি আহি ইনফৰ্‌মেচন অফিচত আমাৰ বস্তু-বাহানিৰ খবৰ কৰিলোঁ। আমাৰ বয়-বস্তু চিয়াটলৰ পৰা কলিকতালৈ 'বুক' কৰাই আছিল। তথাপি বেক্-জাৰ্নি কৰি আহিলে বেলেগ দেশৰ বিমান বন্দৰবোৰত মাজে মাজে বয়-বস্তুৰ খা-খবৰ ল'ব লাগে। এইবাৰ শুল্ক বিভাগৰ দেওনা পাৰ হৈ বাহিৰলৈ আহি হোটেল সংৰক্ষণৰ বাবে ইনফৰ্‌মেচন বিভাগত খবৰ কৰি কাগজ এখন লৈ আহিলোঁ। শুভতাৰ পথত জাপানত আমাক এয়াৰ লাইন্সৰ তৰফৰ পৰা হোটেলত থকা-

মেলাৰ ব্যৱস্থা কৰাৰ কথা নাছিল। কিন্তু ফিনিক্সৰ পৰা ভনীজোৱাই কৰুণানন্দ ভূঞাই চিয়াটলৰ জাপান এয়াৰ লাইন্‌চৰ সৈতে টেলিফোনত যোগাযোগ কৰি গৃহ অভিমুখী পথতো আমাক জাপানত থকা মেলাৰ ব্যৱস্থা কৰি দিবৰ বাবে মান্তি কৰাইছিল। হোটেল সংৰক্ষণ বিভাগত কিছুমান কার্ড আৰি থোৱা আছে। নিজৰ নাম থকা কার্ডখন আমি নিজেই বিচাৰি ল'লোঁ। বাহিৰলৈ ওলাই তিনি নম্বৰ ষ্টপেজলৈ আহি Nikko Narita Hatel অৰ নাম লিখা বাছত উঠিলোঁ। আমাক থাকিবলৈ দিয়া হোটেলখনৰ নাম "নিকো নাৰিতা"। ইয়াৰ পৰা হোটেলখনলৈ দহ মিনিটৰ বাট। শীত-তাপ নিয়ন্ত্রিত সুসজ্জিত ধুনীয়া বাছ। বাছখনৰ ভিতৰৰ সমুখৰ পৰ্দ্দাত দেখুৱাই আছে আৰু লগে লগে মাইকত কৈ আছে অত্যাধুনিক এই হোটেলখনলৈ কিমান দূৰ, এখাৰ মহলীয়া হোটেলখনত কি কি আছে, তাৰ ভিতৰত থকা ৰেষ্টোৰাত কি কি খোৱা বস্তু পোৱা যায় ইত্যাদি। হোটেলৰ সমুখত বাছৰ পৰা নামি পাছ-পৰ্ট আদি দেখুৱাই চাবি মহলাৰ এটা কোঠালিত সোমালোঁ। কোঠালিটো শীত-তাপ নিয়ন্ত্রিত, সুন্দৰ কার্পেটেৰে ঢাক খাই থকা মজিয়া, টি ভি, টেলিফোন, চোফা-চেট্, সুকোমল বিচনা আৰু ঠাণ্ডা-গৰম পানীৰ ব্যৱস্থাৰে কোঠালিটো সু-সজ্জিত। একাষে মেজত আছে এটি সৰু টি-পট্, তাত এটা নিৰ্দ্দিষ্ট জোখলৈ পানী ভৰাই চুইচ্ নথকা সৰু হিটাৰটোত উঠাই দিলে আপোনা-আপুনি পানী খিনি গৰম হয়। কাষতে আছে দুজোৰ কাপ-প্লেট আৰু জাপানী চাহপাতৰ সৰু পেকেট। ৰাতিৰ খোৱাৰ যোগান ধৰিব হোটেলৰ পৰাই; কিন্তু ক্লান্তি অনুভব কৰাত আৰু ভোক নলগাৰ বাবে তলৰ মহলাৰ ডাইনিং হললৈ নগ'লোঁ; মুখ হাত ধুই একাপ চাহ কৰি বেগৰ পৰা কেক উলিয়াই খাবলৈ বহিলোঁ। স্বামীয়ে ইতিমধ্যে একো নাখাওঁ বুলি কৈ কম্বলখন গাত লৈ বিচনাত নিদ্রাচ্ছন্ন হৈ পৰিছেই।

ৰাতিপুৱা চাবে ছয় বজাত সাৰ পাই খিড়িকীৰ দীঘল পৰ্দ্দাখন টানি তললৈ চাই দেখোঁ কিনকিনিয়া বৰষুণ দিছে। কুঁৱলীৰ বগা

চাঁদৰ গাত লৈ নিশ্চুপ হৈ আছে নাৰিতা নগৰী। কোঠালিৰ বাহিৰলৈ গলে চাবি লগত লৈ যাব লাগে। বাহিৰৰ পৰা দৰজাখন ঠেলি জপাই দিলে "লক্" অৰ্থাৎ সম্পূৰ্ণ বন্ধ হৈ যায়। তেতিয়া লগত চাবি নাথাকিলে তলৰ মহলাৰ ৰিচিপশ্যন্ কাউণ্টাৰলৈ ডুপ্লিকেট চাবি বিচাৰি যাব লাগিব। গা-পা ধুই ব্ৰেক-ফাষ্টৰ বাবে তলৰ মহলাৰ ডাইনিং হললৈ আহোঁতে তাত দুজন মধ্য ভাৰতৰ যুৱক ইঞ্জিনিয়াৰক লগ পালোঁ। তেওঁলোক জলসিঞ্চনৰ প্ৰশিক্ষণৰ বাবে লছ্ এঞ্জেলিছলৈ যাবলৈ আহিছে। ডাইনিং হলৰ ভিতৰখন সুন্দৰকৈ সজোৱা। জাপানীসকলৰ এটা শিল্পী সুলভ, সুৰুচি-সম্পন্ন মন আছে। মাজৰ দীঘলীয়া টেবুলত সজাই থৈছে বিধে খোৱা বস্তু, চাউ-চাউ, চচ্, ব্ৰেড্-বাটাৰ আৰু জেমৰ সৰু সৰু পেকেটবোৰ; লগতে আছে চালাদ, কণী, মাছ, মাংস আদি বিভিন্ন খাদ্যদ্ৰব্য। কাষতে আছে ট্ৰে, প্লেট, বাতি, চামুচ, কাটা চামুচ, নেপ্কিন্ আদি। ট্ৰে দুখনত বস্তুবোৰ এফালৰ পৰা নিজৰ ৰুচি অনুযায়ী তুলি লওঁতে জাপানী প্ৰণালীৰে ৰন্ধা মাছ এটাও স্বামীৰ বাবে তুলি ল'লোঁ। মাছটো দেখিবলৈ ভাঙন মাছৰ দৰে, মাজেৰে ফালি, শুকুৱাই তেলত ভাজি চেনীৰ ৰসত দিছে। তেওঁ খাই বৰ সোৱাদ পালে। একাষে টি-পটত গৰম পানী হৈ আছে; কাষতে আছে কাপ-প্লেট, চেনী, চাহ পাত, গাখীৰৰ সৰু সৰু পেকেটবোৰ। গধুৰ ব্ৰেকফাষ্টৰেই পেট ভৰি গ'ল; ইফালে আকৌ দিনৰ এঘাৰ বজাত লাঞ্চৰ ব্যৱস্থা। এঘাৰ বজাত আমি বন্দৰলৈ ৰাওনা হ'ব লাগিব। হোটেলৰ তলৰ মহলাত জাপান এয়াৰ লাইন্চ্ৰ কাউণ্টাৰ। তাত থকা জাপানী ছোৱালীজনীয়ে কম্পিউটাৰৰ সহায়ত আমাৰ বিমানৰ বোৰ্ডিং-পাছ দুখন তৎক্ষণাত কৰি দিলে।

হোটেলৰ বাহিৰলৈ খোজকাঢ়ি ওলাই গ'লো। ৰাতি বৰষুণ হৈ যোৱাত বাট-পথবোৰ তিতি আছে। পৰিস্কাৰ বাট-পথ. শাৰী শাৰী পাইন গছ, ধুনীয়াকৈ কাটি থোৱা হেজ্বোৰ; পাহাৰীয়া ঠাই ডোখৰ ন ·· আৱৰা। ওচৰতে আছে এখন ধুনীয়া

পাৰ্ক, তাত দুকপি ফটোও তুলিলোঁ। জাপানী ছাত্ৰ-ছাত্ৰীৰ ডাঙৰ দল এটা হোটেলৰ পথা ওলাই অহা দেখিলোঁ। হোটেলত দেশ-বিদেশৰ বিভিন্ন মানুহ, বিভিন্ন বেশ-ভূষা, বিভিন্ন ভাষা, ভিন্ন চেহেৰা আচাৰ-ব্যৱহাৰ ৰুচি-অভিৰুচি। জাপানীসকলে মূৰ দোৱাই অভিবাদন কৰে। দিনৰ এঘাৰ বজাত বিমান বন্দৰলৈ যোৱাৰ ঘোষণা কৰাৰ লগে লগে হোটেলৰ সমুখত ৰৈ থকা জাপান এয়াৰ লাইনচৰ ডাঙৰ বাছখনত উঠি বিমান বন্দৰলৈ যাত্ৰা কৰিলোঁ। কিছুদূৰ যোৱাৰ পিচত তালাচী চকীত ৰাইফলধাৰী জাপানী পুলিচে বাছখন ৰখাই সকলো যাত্ৰীকে নামিবলৈ নিৰ্দ্দেশ দি এজন এজনকৈ প্ৰত্যেকৰে পাছপৰ্ট, টিকট আদি তন্নতন্নকৈ পৰীক্ষা কৰি পুনৰ বাছত উঠিবলৈ দি বাছখন যাবলৈ দিলে। জাপানত দেখিছোঁ নিৰাপত্তা ব্যৱস্থা অতি কটকটীয়া। টাৰ্মিনেল ভবনৰ সমুখত বাছৰ পৰা নামি বোৰ্ডিং-পাছ দুখন কনফাৰ্ম কৰি এয়াৰপৰ্ট টেক্স দিবলৈ আহিলোঁ। এজনৰ দুই হাজাৰ ইয়েন টেক্স দিব লাগে। জাপানী মুদ্ৰাৰ নাম ইয়েন, আমাৰ দেশৰ এক টকাত এঘাৰ ইয়েন হয়। নোট কেইখন নিৰ্দ্দিষ্ট ঠাইত এখন এখনকৈ সুমুৱাই দিব লাগে, তাত মানুহ নাথাকে, টিকটখন আপোনা-আপুনি ওলাই আহে। কৰ্তৃবাৰত বিষয়াৰ ওচৰলৈ গৈ টিকট দুখন দেখুৱাই এইবাৰ ইমিগ্ৰেচনৰ শাৰীত থিয় হলোঁ গৈ। ইমি-গ্ৰেচনৰ দেওনা পাৰ হৈ চিকিওৰিটি চেকৰ ফালে খোজ পেলালোঁ। তাৰ পৰা উনৈশ নম্বৰ গেটলৈ আহি বিমানত উঠা ঘোষণালৈ অপেক্ষা কৰিলোঁ। এতিয়াও হাতত যথেষ্ট সময় থকা বাবে কাষতে থকা দোকানখনত চাহ খাবলৈ গ'লোঁ। একাপ চাহৰ দাম ললে দুশ-পঞ্চাশ ইয়েন অৰ্থাৎ বাইশ টকা। আমাৰ সৈতে চিয়াটলৰ পৰা একেখন বিমানতে অহা এহাল স্বামী-স্ত্ৰীক ইয়াত আকৌ লগ পালোঁ। তেওঁলোক জাপানত আমি থকা হোটেলখনতে আছিল। মোৰ কাষতে বহি থকা মহিলা গৰাকীৰ সৈতে কথা পাতি গম পালোঁ তেওঁলোকৰ ঘৰ ইণ্ডোনেচিয়াৰ ৰাজধানী জাকাৰ্টাত। চিয়াটলত থকা জীয়েকৰ তাত কিছুদিন থাকি উভতি আহিছে। স্কাৰ্ট, ওপৰত বগা চুৱেটাৰ,

চুটিকৈ কটা চুলিৰে মানুহ গৰাকীৰ লগত কথা পাতি ভাল লাগিল। সুধিলোঁ, জীয়েকৰ বিয়াবারু হৈছে নেকি? হাঁহি মাৰি ক'লে যে যোৱা বছৰ তাই এজন আমেৰিকানক বিয়া কৰাইছে। মহিলা গৰাকীয়ে মই পিন্ধা শাৰীখনলৈ চাই ক'লে, "এনেকুৱা সাজ পাকিস্তানী মহিলায়ো পিন্ধা দেখিছোঁ। এই সাজটো ভাৰতীয়ৰ নে পাকিস্তানীৰ? বহুত দীঘল কাপোৰ লাগে নহয়নে?" তেওঁ ভাৰতীয় মানুহ আগতেওঁ হেনো বহুত লগ পাইছে। তেওঁ ক'লে, "ভাৰতীয় মানুহবোৰে দেখিছোঁ ইংৰাজী ভাষা ক'ব পাৰে আৰু বুজি পায়; তাত কেৱল ইংৰাজী ভাষাই চলে নেকি? ইণ্ডোনেচিয়াৰ মানুহে কিন্তু ইংৰাজী নাজানে," ইত্যাদি। বহু কথা সুধিলে আৰু নিজেও ক'লে। মই তেওঁৰ প্ৰশ্নবোৰৰ যথাযথ উত্তৰ দিলোঁ। তেওঁলোক বেংককত দুদিনমান থাকিব, তাত তেওঁৰ বহুতো বন্ধু-বান্ধৱী আছে। এইদৰে কথা-বতৰা হৈ থাকোঁতে বিমানত উঠাৰ ঘোষণা কৰাত তললৈ নামি আহি বাছত উঠি ৰাণৱেত থকা বেংকক অভিমুখী বিমানখনত উঠিলোঁ। দিনৰ এক বজাত বিমানখন উৰা মাৰিলে। নবেম্বৰ মাহৰ সুন্দৰ ৰ'দালি বতৰ। পৰিচাৰিকাই দি যোৱা আপেলৰ ৰস আৰু কাজুবাদাম খাই খাই খিড়িকীৰে তললৈ চাই দেখিলোঁ, বহুত তলত বগা বগা ঢৌৰে নীলা সাগৰখন; নীলা চাদৰ এখনৰ ওপৰত কোনোবাই যেন শুভ্ৰ শেৱালী ফুল চটিয়াই থৈছে। ছয় ঘণ্টাৰ মূৰত পামগৈ টাইলেণ্ডৰ ৰাজধানী বেংকক। বৰা চাউলৰ ভাত অলপ, লাইশাক ভজা, মুৰ্গীৰ মাংস, কাষ্টাৰ্ড আদিৰে বিমানতে মধ্যাহ্ন ভোজন কৰিলোঁ। নিৰ্দ্দিষ্ট সময়ত বেংককৰ আন্তৰ্জাতিক বিমান বন্দৰত অৱতৰণ কৰিলো।

বিমানৰ পৰা এয়াৰ ব্ৰিজেৰে নামি আহি পালোঁহি টাৰ্মিনেল ভৱনৰ দীঘল কৰিড'ৰ। ইমিগ্ৰেচন অফিচত যাবতীয় জঞ্জাল ম তলৰ মহলালৈ নামি আহিলো। বিমান বন্দৰতে হোটেলত থকা-মেলাৰ আৰু যাবতীয় খা-খবৰ কৰাৰ ব্যৱস্থা আছে। মজলীয়া হোটেল এখন বিচাৰিলো ইয়াত আমি নিজৰ খৰচত হোটেলত থাকিব লাগিব, খাবও লাগিব। ইয়াতে দিল্লীৰ পৰা অহা দুজন যুৱকক লগ পালো, তেওঁলোক দুয়ো পিচদিনাখন হংকঙলৈ যাব।

Bankok "The City of Angels"

টাইলেণ্ডৰ ৰাজধানী বেংকক। "বেংকক" শব্দৰ অৰ্থ হৈছে "পানীফুলৰ গাওঁ"। টাইসকলে ইয়াক "ক্রুং-টেপ্" অৰ্থাৎ "পানীৰ চহৰ" ও বোলে। প্ৰাচ্যৰ সৰ্ব্ববৃহৎ চহৰসমূহৰ ভিতৰত বেংকক অন্যতম। চহৰননৰ কোনো কোনো অঞ্চল ঘন জনবহুল; কোনো কোনো অঞ্চল নিৰ্জন, শান্ত, স্নিগ্ধ। কেওপিনে থকা জলাশয়বোৰ হৈছে বেংকক চহৰৰ বাছকবনীয়া বস্তু। এই জলাশয়সমূহৰ কাৰণেই বেংকক চহৰক "প্ৰাচ্যৰ ভেনিচ" বুলিও কয়। এনেবোৰ জলাশয়ক টাই ভাষাত "ক্লং" বোলে আমি যাক খাল বোলো। তদুপৰি বেংককৰ আন এটা নাম হ'ল "The city of Angels"। এই চহৰৰ কেওদিশে বৌদ্ধ মঠ-মন্দিৰ বিদ্যমান। এই মন্দিৰবোৰক "ৱাট" বোলে। এই চহৰত সুন্দৰ সুন্দৰ প্ৰায় তিনিশটা বৌদ্ধ মঠ আছে। সেইবোৰৰ ভিতৰত ৰাজপ্ৰসাদৰ দক্ষিণে থকা "wat po" অথবা শায়িত বৌদ্ধ মন্দিৰ, Wat Traimit অথবা সোণালী বুদ্ধৰ মন্দিৰ উল্লেখযোগ্য। মন্দিৰবোৰ কাৰুকাৰ্য্যৰ ফালৰ পৰা অতি চমৎকাৰ। হিন্দু আৰু বৌদ্ধ সংস্কৃতিৰ প্ৰেৰণাত সজা মঠ-মন্দিৰ আৰু বহুতো আপুৰুগীয়া সম্পদেৰে ভৰপূৰ এই দেশ ভ্ৰমণকাৰীৰ বাবে আকৰ্ষণীয়। প্ৰাচীন এই শিল্পী—কাৰিকৰসকলে অন্তৰৰ অনুৰাগ-অনুভূতি উজাৰ কৰি বাস্তৱত একোটা স্বপ্ন কেনেকৈ জীৱন্ত কৰি তুলিছে, চাই চাই বিস্ময়াভিভূত হৈছোঁ।

দেশখনৰ 'টাইলেণ্ড' নামটো নতুন। ইয়াৰ পূৰ্ব্বে দেশখন "শ্যামদেশ" বুলিহে জনাজাত আছিল। টাইলেণ্ডৰ মানুহে এতিয়াও

দেশখনক "মোৱাংটাই" বোলে। শব্দ দুটাৰ অৰ্থ হৈছে "স্বাধীন টাই"। টাইলেণ্ডত ভাৰতীয় মানুহ যথেষ্ট আছে; ইয়াৰ সৰহভাগ বেংকক চহৰতে থাকে। এই চহৰত প্ৰায়বোৰ দেশৰে মানুহ আছে। ভৌগলিক সমীপবৰ্ত্তী নাইবা প্ৰাকৃতিক সৌষ্ঠৱৰ ফালৰ পৰাই নহয়, ভাষা-কৃষ্টি-সংস্কৃতিৰ ফালৰ পৰাও টাইলেণ্ড আৰু অসম, দুয়োখন ঠাইৰ অভূতপূৰ্ব্ব সাদৃশ্য আছে। টাইলেণ্ডৰ লগত অসমৰ আহোমসকলৰ দূৰ সম্পৰ্ক। টাই লিপিৰ ভাৰতীয় লিপিৰ সৈতে বহুখিনি সাদৃশ্য আছে। দক্ষিণ-পূব এচিয়াৰ এই অঞ্চলসমূহত ৰামায়ণ অতি জনপ্ৰিয়। ৰামায়ণক বিষয়বস্তু আৰু কেন্দ্ৰ স্বৰূপে লৈ নৃত্য-গীত, অভিনয় আদি সৃষ্টি হোৱাৰ উপৰিও বিভিন্ন চিত্ৰকলাসমূহতো ইয়াক প্ৰাণ-পৰশা কৰি তোলা হৈছে। টাই ভাষাত ৰামায়ণক "ৰামাকীন" বোলে। টাই-লেণ্ডত ভাৰতীয় সংস্কৃতিৰ প্ৰভাৱ সুস্পষ্ট।

আজি নিশাটো ইয়াতে কটাই কাইলৈ আবেলি আমি কলিকতালৈ যাব লাগিব। আমি ভ্ৰমণৰ শেষ পৰ্য্যায়ত আহি উপস্থিত হৈছোঁহি। Sight Sceing Counter অৰ পৰা পিচদিনা বেংককত ফুৰিবলৈ এখনত দহ-ডলাৰকৈ দুখন টিকট কিনি ল'লোঁ। টাইলেণ্ডৰ মুদ্ৰাৰ নাম বাট্। আমেৰিকান এক ডলাৰত চৌবিশ বাট্ হয়; এক বাট্ আমাৰ পয়সত্তৰ পইচাৰ সমান। আমেৰিকান ডলাৰ বিমান বন্দৰত ভঙাই ল'ব পাৰি। টেক্সিৰ বাবে কিছুসময় অপেক্ষা কৰিব লগা হ'ল। পুলিচে বিমান বন্দৰৰ পৰা চহৰলৈ যাবলৈ ওলোৱা মানুহ-বোৰক টেক্সি লোৱাত সহায় কৰি দিছে। আমি ভাৰতীয় যুবক দুজনৰ সৈতে এখন টেক্সিৰে নিশা আঠ বজাত "চুখুম্‌ভিট ৰ'ডৰ" হোটেল মিয়ামিলৈ গলোঁ। বেংকক মহানগৰীৰ আলোকেৰে জকমকাই থকা প্ৰশস্ত ৰাজপথেদি আগুৱাই যাওঁতে দিল্লী, বোম্বাই আদি মহা-নগৰৰ দৰেই লাগিল। পথৰ কাষে কাষে অট্টালিকাৰ শাৰী। এঘণ্টাৰ মূৰত হোটেলত উপস্থিত হৈ হাত-মুখ ধুই তলৰ মহলাত থকা ডাইনিংহলত ভাত খাই ললোঁ। নবেম্বৰৰ প্ৰথম সপ্তাহতো বেংককত গৰম পালোঁ। গ্ৰীষ্মপ্ৰধান অঞ্চল টাইলেণ্ডৰ বতৰ প্ৰধানকৈ গৰম আৰু সেমেকা।

বেংককৰ চাৰলগীয়া প্ৰধান ঠাইবোৰৰ ভিতৰত Floating Market অৰ্থাৎ ওপঙা বজাৰখন চাবলৈ থিৰাং কৰিলোঁ। পুৰণি বেংকক চহৰ এনে ধৰণৰ ওপঙা বজাৰ আৰু ব'ট হাউচেৰে ভৰি আছি কিন্তু বৰ্ত্তমান সেইবোৰৰ বিলুপ্তি হৈ তাৰ ঠাইত ডাঙৰ ডাঙৰ ঘৰ-দুৱাৰ, আহল-বহল বাট-পথ হৈছে। পুৰণি স্মৃতি হিচাপে চহৰৰ এমূৰত ওপঙা বজাৰ আৰু ব'ট-হাউচ আছে। দুমাহ আগতে যি আবেগ আৰু অদম্য হেপাঁহেৰে আমি ঘৰৰ পৰা বিদেশ ভ্ৰমণৰ বাবে ওলাই আহিছিলোঁ, ভ্ৰমণৰ সেই অন্তিম দিনটো আজি সমাগত। ৰাতিপুৱাই গা-পা ধুই, চাহ-জলপান খাই ওলাই আছোঁ। সাত বজাত আমাৰ গাইড, পশ্চিমীয়া সাজ পৰিহিতা, লাহী আৰু বগা, টাই গাভৰু হিদাই আগদিনা কাটি থোৱা টিকট অনুযায়ী ঠাই দেখুৱাবৰ বাবে টেক্সি এখন লৈ হোটেললৈ আহিল। টেক্সিৰে কিছুদূৰ গৈ নৈ এখনৰ ঘাটত নামিলোঁ। এয়া বেংককৰ মাজেদি বৈ যোৱা ছন্দময়ী ৰূপহী নৈ "চাও-ফ্ৰায়"। এই ঘাটৰ পৰা সদায় ৰাতিপুৱা ফ্লটিং মাৰ্কেটলৈ ব'ট বিলাকৰ অহাযোৱা আৰম্ভ হয়। স্পিদব'টবোৰে তীব্ৰ গতিৰে নৈৰ পানী তল-ওপৰ কৰি ঢৌৰ মাজেদি উঠা-নমা কৰি অহা-যোৱা কৰি আছে। সেইবোৰত উঠি দেশ-বিদেশৰ পৰ্য্যটকে আনন্দ লভিছে। গাইড হিদাই তেনে এখন নাৱত আসন বন্দবস্ত কৰি আমাক উঠিবলৈ দি সেইখিনি ঠাইতে নিৰ্দ্দিষ্ট সময়ত তেওঁ আমালৈ অপেক্ষা কৰি থাকিব বুলি কৈ হাত জোকাৰি আমাৰ পৰা বিদায় লৈ ব্যস্তভাবে আঁতৰি গ'ল। আমি উঠা নাওঁখনত ত্ৰিশজন বিদেশী পৰ্য্যটক। এজন গাইডে নৈৰ দুয়োপাৰৰ বৰ্ণনা দি গৈছে।

বেংকক মহানগৰীৰ দুয়োপাৰ স্পৰ্শ কৰি প্ৰবাহিত হোৱা চঞ্চল নৈ খনৰ দুয়োপাৰ কেইবাখনো দলঙে সংলগ্ন কৰিছে। উজ্বল ফৰকাল বতৰ; শীতল বতাহ জাকে শৰীৰলৈ সজীৱতা কঢ়িয়াই আনিছে। মাজে মাজে দুই এখন স্পিদব'টে আমাৰ খনক চেৰপেলাই গালে-মুখে পানী চটিয়াই থৈ গৈছে। দুয়োপাৰে থকা ডাঙৰ ডাঙৰ হোটেল, নৈৰ পাৰত থকা ব'ট-হাউচবোৰ, হস্পিতাল, অনুপম কাৰুকাৰ্য্যৰে

নৈৰ পানী চুই থকা অসংখ্য বৌদ্ধ মন্দিৰ, টাইলেণ্ডৰ ৰজাৰ আটক-ধুনীয়া ৰাজপ্ৰাসাদ আদি অতিক্ৰম কৰি আমি আগবাঢ়িছোঁ ফ্লʼটিং মাৰ্কেট অভিমুখে। টাইলেণ্ডত নৃপতি-তন্ত্ৰ এতিয়াও বিৰাজমান। বৌদ্ধ ধৰ্ম টাইলেণ্ডৰ ৰাজকীয় ধৰ্ম; এই ধৰ্ম টাইলেণ্ডৰ জাতীয় জীৱনৰ লগত ওতঃপ্ৰোত ভাবে জড়িত। শিক্ষা-দীক্ষা, শিল্প-কলা, কৰ্ম জীৱনত বৌদ্ধ ধৰ্মৰ প্ৰভাব পৰিলক্ষিত হয়। এইদেশৰ মানুহে জীৱনৰ যি কোনো সময়ত মাত্ৰ এবছৰ বা তাতোকৈ কম সময়ৰ বাবেও বৌদ্ধ সন্ন্যাসী হয়। ইয়াৰ শতকৰা পচানব্বৈ ভাগ লোক বৌদ্ধ ধৰ্মাৱলম্বী, শতকৰা চাৰিভাগ মুছলমান, বাকীলোক খ্ৰীষ্টান আৰু আন ধৰ্মাৱলম্বী।

ৰʼদত তিৰ্‌বিৰাই থকা সোণ বৰণীয়া বৌদ্ধ মন্দিৰবোৰ দূৰৈৰ পৰাই চকুত পৰিছে। বেংককৰ এই মন্দিৰ সমূহ শিল্প-কলাৰ অতুলনীয় সৃষ্টি। মন্দিৰৰ চূড়া খাজে খাজে ক্ৰমান্বয়ে ওপৰলৈ জোঙা হৈ গৈছে। নৈৰ পানী চুই থকা কাৰুকাৰ্য্য খচিত মন্দিৰৰ দুৱাৰ-মুখ, মন্দিৰৰ সমুখৰ বহল শিলৰ চোতাল, আহল-বহল চিকুন উদ্যান, এই সকলো বিলাকৰে এক সুকীয়া অনন্য আকৰ্ষণ আছে। নৈৰ দুয়োপাৰৰ শোভা চাই তন্ময় হৈ পৰিছোঁ। নাৱৰ বুকুৰ পৰা সোণ-বৰণীয়া মন্দিৰ সমূহ নিৰীক্ষণ কৰিবলৈ পোৱাটো এক পুলকভৰা অভিজ্ঞতা। মাজে মাজে নৈৰ বুকুৰেদি দ্ৰুত গতিত অহাযোৱা কৰিছে সৰু সৰু পানচৈবোৰ। ফুলৰ মালা লগোৱা বাঁহৰ টুপি পিন্ধি টাই বালিকাই কল, মধুৰী আম, অমিতা, ডাব নাৰিকল আদি বিবিধ ফল নাৱত ভৰাই বেচিবলৈ আনিছে। আমাৰ লগত যোৱা এগৰাকী টাই গাভৰুৱে কল কিনি লৈ নাৱৰ প্ৰত্যেকজন আৰোহীকে দুটাকৈ খাবলৈ দিলে। নৈ, জলাশয়ৰ বুকুত ওপঙি থকা নাওঁবোৰ দেখি মনত পৰিছে বহু বছৰ আগতে ভূস্বৰ্গ কাশ্মীৰৰ শ্ৰীনগৰ চহৰৰ মাজেদি বৈ যোৱা ঝিলাম নৈৰ বুকুৰেদি সুসজ্জিত "শিকাৰাৰে ডাল আৰু নাগিন লেকত ফুৰিবলৈ যোৱা দিনটোৰ কথা। নৈৰ দুয়োপাৰে থকা নাৰিকল, তামোল, কল, আম গছবোৰে অসমৰ কথা মনত পেলাই দিলে। বেংককত দেখিলোঁ পৰ্য্যটকক আকৰ্ষণ কৰিবলৈ কি আপ্ৰাণ প্ৰচেষ্টা।

অসমৰ বিশাল বৰ লুইতৰ অতুলনীয়া সৌন্দৰ্য্যৰ সৈতে অনুপম নৈসৰ্গিক শোভা, আপুৰুগীয়া বন্যপ্ৰাণী, প্ৰাচীন মঠ-মন্দিৰ, ৰজাদিনীয়া কীৰ্ত্তিচিহ্ন আদিক সুপৰিকল্পিত আঁচণিৰে নিশ্চয় পৰ্য্যটকৰ বাবে আকৰ্ষণীয় কৰি গঢ়ি তুলিব পাৰে। অসমত পৰ্য্যটন উদ্যোগৰ বিকাশৰ প্ৰচুৰ সম্ভাৱনা থকা সত্বেও আমাৰ ৰাজ্যখন এই উদ্যোগৰ ক্ষেত্ৰত যথেষ্ট অৱহেলিত হৈ আছে। ১৯৮৯ চনত দহ লাখৰো অধিক বিদেশী পৰ্য্যটক ভাৰতলৈ আহি বিভিন্ন পৰ্য্যটন কেন্দ্ৰ ভ্ৰমণ কৰিছিল। তাৰ পৰা ভাৰত চৰকাৰৰ আয় হৈছিল চাৰি হাজাৰ দুশ কৌটি বিদেশী টকা। কিন্তু নিসিদ্ধ এলেকা পাৰ্মিট আইনখনৰ বাবে অসমলৈ বিদেশী পৰ্য্যটকৰ আগমন নহ'ল; সম্প্ৰতি এই আইনখন কিছু শিথিল কৰা হৈছে।

কিছুদূৰ নৈৰ বুকুৰেদি গৈ আমি ফ্ল'টিং মাৰ্কেট পালোঁহি। চাও-ফ্ৰায় নৈৰ ওপৰত সৰু সৰু অজস্ৰ নাৱত টাই পুৰুষ-মহিলাই শাক পাচলি, ফলমূল, চাউল-দাইল আদি বিবিধ নিত্য ব্যৱহাৰ্য্য সামগ্ৰী বেচিবলৈ আনিছে। ঘাটত নাওঁ ৰখাই গাইডে আমাক নামিবলৈ দিলে; আধা ঘণ্টাৰ পিচত আকৌ আহি নাৱত উঠিবহি লাগিব। নৈৰ দুয়োপাৰে সুসজ্জিত কাঠৰ চাঙত বিভিন্ন বিলাসী সামগ্ৰীৰ দোকান। হস্তশিল্পজাত সামগ্ৰী উভৈনদী, কিন্তু অসম্ভব চৰা দাম। নৈৰ কাষতে আছে চাহ-মিঠাই, ডাব নাৰিকল, ফলমূলৰ দোকান। যাবতীয় বস্তু-বাহানি সৰু সৰু নাওঁবোৰে কঢ়িয়াই আনিছে, নাৱৰ ওপৰতেই বিক্ৰী কৰিছে। অলপ ঘূৰি-পকি পুনৰ নাৱত উঠিলোহি। এই ফ্ল'টিং মাৰ্কেটৰ পানী ভাগ ঘোলা হৈ দুৰ্গন্ধ ওলাইছে। কিছু-দূৰ যোৱাৰ পিচত এইবাৰ আন এটা ঘাটত নাওঁ ৰখালে; নৈৰ পাৰতে আছে Snake Park; একজনৰ চাৰি ডলাৰকৈ টিকট কাটিব লাগে। ইয়াত অজস্ৰ ঘৰিয়াল, অজগৰ আদি নানান বিষধৰ সাপ, চালিধৰা ময়ুৰ, বান্দৰ, বাঘ, বিভিন্ন ধৰণৰ মাছ দেখিলোঁ। এঠাইত ফেটি সাপৰ খেলা দেখুৱাই আছে। বিদেশী পৰ্য্যটকসকলে এই খেল

দেখি আনন্দত আপ্লুত হৈছে। প্ৰায় এঘণ্টা এইবোৰ ঘূৰি-পকি চাই আমাৰ নাওঁখনত উঠিলোঁহি।

নৈৰ বুকুৱেদি গৈ থাকোঁতে মানুহৰ ঘৰৰ পিচফালে বা দোকানৰ সমুখত এটি এটি সৰু মন্দিৰ চকুত পৰিছে। সেইবোৰত ফুল দি এগছকৈ মাটিৰ প্ৰদীপো জ্বলাই থৈছে। এইবোৰ অপদেৱতাৰ মন্দিৰ। দুয়োপাৰৰ দৃশ্যাৱলী চাই চাই আগৰ ঘাট পালোঁহি। হিদাই পাৰত আমালৈ অপেক্ষা কৰি আছে। নৈৰ পাৰত বহুতো সৰু ল'ৰা-ছোৱালীয়ে হাতে হাতে বিবিধ সামগ্ৰী লৈ বিক্ৰীৰ বাবে বেৰি ধৰিলেহি। লৰালৰিকৈ গৈ টেক্সিত উঠিলোঁ। বাটৰ কাষতে থকা হস্তশিল্প কেন্দ্ৰ "হেণ্ডি-ক্ৰেফট্ এমপ'ৰিয়াম"ত সোমাই কাঠৰ সুক্ষ্ম কামৰ বিবিধ কাৰুকাৰ্য্যপূৰ্ণ সামগ্ৰী চালোঁ। নানা কাৰুকাৰ্য্যপূৰ্ণ ধাতুৰ বিবিধ আটকধুনীয়া পাত্ৰ, সুন্দৰ সুন্দৰ মাটিৰ বাচন, কাঠিৰে কৰা বিবিধ সজুঁলি, কাঠত খোদিত চকুত চমক লগোৱা সুক্ষ্ম কাৰু-কাৰ্য্যময় বস্তু তৈয়াৰ কৰা কাৰ্য্যত এওঁলোক অদ্বিতীয়। গাইডে অলঙ্কাৰৰ বিলাসী দোকান এখনৰ সমুখত টেক্সিখন ৰখাবলৈ দিলে। অনিচ্ছা সত্বেও লৰালৰিকৈ সোণ, হীৰা-মুকুতা আদিৰ মনোমহা আ-অলঙ্কাৰ চাই টেক্সিত উঠি হোটেল অভিমুখে আগবাঢ়িলোঁ। গাইডে আমি কৰা প্ৰশ্নৰ উত্তৰ দি গৈছে; তেওঁ সামান্য ইংৰাজী জানে।

টাই ভাষা এই দেশৰ চৰকাৰী আৰু জাতীয় ভাষা। ইংৰাজী ভাষা কেৱল চৰকাৰী অফিচ আৰু ব্যৱসায়-বাণিজ্যৰ স্থলত ব্যৱহাৰ হয়। স্ত্ৰীশিক্ষাত এই দেশ যথেষ্ট পিচপৰা। তুলনামূলকভাবে ইয়াৰ মানুহবোৰ আমাৰ দেশৰ মানুহতকৈ দুখীয়া। দাৰিদ্ৰতাৰ কবলত পৰা পিতৃ-মাতৃয়ে নিজৰ যুৱতী কন্যাক বিয়া দিবলৈ অথবা পোহ-পাল দিবলৈ অসমৰ্থ হৈ দেহৰ ব্যৱসায়ৰ বাবে বিক্ৰী কৰে, য'ৰ পৰা আৰু ওলাই অহাৰ পথ নাই। হোটেলত আৰু বাটে-পথেও দুই এজন পাশ্চাত্য দেশীয় পোৰ লোকৰ লগত চাপৰ টাই গাভৰু ঘূৰি-ফুৰা দেখিছিলোঁ। ইয়াত সুৰা আৰু নাৰীৰ অবাধ প্ৰচলন।

আবেলি বিমান বন্দৰলৈ আহোঁতে গেৰুৱা বস্ত্ৰ পৰিহিত বহুতো

কোমল বয়সীয়া বৌদ্ধ ভিক্ষু লগ পালোঁ। এওঁলোক ভাৰত অভিমুখী বিমান যাত্ৰী। বিমান বন্দৰৰ কৰ্মচাৰীসকলে এওঁলোকক যথেষ্ট মান-সম্ভ্রম কৰা চকুত পৰিল। নিৰ্দ্দিষ্ট সময়তকৈ প্ৰায় এঘণ্টা পলমকৈ আবেলি পাঁচ বজাত "এয়াৰ-ইণ্ডিয়াৰ" বিমানখন কলিকতালৈ উৰা মাৰিলে। গৃহাভিমুখী মোৰ মন প্ৰশান্তিত ভৰি উঠিছে। বিমানৰ দূৰন্ত গতিকো চেৰ পেলাই মনে চাপলি মেলিলে চিৰ চেনেহী মোৰ জনমভূমিৰ বুকুলৈ। আমি উৰি উৰি ক্ৰমে অতিকৈ আপোন স্বদেশৰ মাটিৰ কাষ চাপি আহিছো আৰু লগে লগে মন এক পুলকভৰা অস্থিৰতাই উন্মনা কৰি তুলিছে। গধূলি সাত বজাত বিমানখনে কলিকতাৰ দমদম বিমান বন্দৰৰ ভূমিস্পৰ্শ কৰিলে। নিজৰ দেশৰ মাটিত ভৰি দিয়াৰ লগে লগে এক অনামি মিঠা শিহৰণ শৰীৰৰ ওপৰেদি বাগৰি গ'ল। সঁচাকৈয়ে মাতৃভূমিতকৈ আদৰণীয় একোৱেই হ'ব নোৱাৰে।

সমাপ্ত—

শুদ্ধৰণী

পৃষ্ঠা	শাৰী	অশুদ্ধ	শুদ্ধ
৩৮	৫	চাৰ্চ	বাৰ্চ
৪২	১৩	বেছি	বেচি
৬১	২০	প্ৰাচু	প্ৰাচুৰ্য্যহে
৬৪	২৮	×	মোটেল
৬৯	৯	নৈষ্ঠীক	নৈষ্ঠিক
৭১	২৭	স্কীই	স্কি
৭৭	২	মিনিট	মিনিটত
৮৪	২২	কাষ্ট্-ফুডৰ	ফাষ্ট্-ফুডৰ
৮৪	২৪	(এটা শাৰী বাদ পৰি গৈছে)	ইয়াত বেঙ্কৰ সংখ্যাও যথেষ্ট বেচি ; সুবিধাও আছে, গাড়ীত বহিয়েই বেঙ্কত 'চেক' ভঙাব পাৰি।
৯৩	৯	জাগ্ৰচ্	ড্ৰাগচ্
১০৯	১৪	ইয়াৰ "world yrade center"	ইয়াৰ পৰা "world Trade center চাবলৈ আহিলোঁ।
১১৩	৬	ছৰ্ব্বি-যুক্ত	চৰ্ব্বি-যুক্ত
১২৪	২৮	×	তিনি ভগ্নীয়েই
১২৮	৩	বেনৰ্টৰ্	বেনটৰ্

১৩১	২	Cape Canaueral	Cape Canaveral
১৩৪	২০	Saleration	Salvation
১৩৮	১০	Resi	Rest
১৩৮	১৮	মৌনসম	মৌন সমদলক্তে
১৪৪	৩	Airliues	Airlines.
১৫৩	৯	অত্যন্ত ধ্যানমগ্ন	আত্মধ্যান-মগ্ন
১৫৬	১৬	গ্রেছ-কেনিয়ন	গ্রেণ্ড-কেনিয়ন
১৫৬	২৮	শিল্পিৰ	শিল্পীৰ
১৭২	২০	প্ৰাপোচ্ছল	প্ৰাণোচ্ছল
১৭৪	৯	পোচাক	পোছাক
১৭৫	২৩	yoad's	toda's
১৮২	২১	গতি	গতিয়ে
১৯২	৭	Hatel	Hotel.